# কানৈয়ান

৫৮ তম সংখ্যা

সম্পাদক
কাশ্যপ মহন্ত

বার্ষিক মুখপত্র

## ডিব্রুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয়

ডিব্রুগড় ঃ অসম

# কানৈয়ান

৫৮ তম সংখ্যা ঃ ২০০৬-০৭ খ্রীঃ

সম্পাদনা ঃ কাশ্যপ মহন্ত

**KANOIAN :** The 58th Annual Journal of D.H.S.K. College of the session 2006-07, edited by Kashyap Mahanta, Published by D.H.S.K. College Student Union Society and Printed at Modern Commercial Institute & Offset, K.C. Gogoi Path, Dibrugarh - 786 001.


## কানৈয়ান ৫৮তম সংখ্যাৰ নেপথ্যত

তত্ত্বাৱধায়ক অধ্যাপক ঃ মৃদুল শৰ্মা

উপদেষ্টা ঃ ডঃ মধুমিতা পুৰকায়স্থ
ডঃ উষাৰাণী বৰুৱা

সম্পাদক ঃ কাশ্যপ মহন্ত

সদস্য-সদস্যা ঃ ডিলজিত বৰুৱা
ৰাতুল গগৈ
দিব্য সোনা
ছাবানা ৰহমান
ধ্রুৱজ্যোতি শৰ্মা
ইন্দু ভূষন বৰা
মনোজ বৰ্মন



বেটুপাত ঃ দেৱব্রত মহন্ত

অলংকৰণ ঃ মৃদুল শৰ্মা, কল্পনা সেনগুপ্তা বৰুৱা।

প্রকাশক ঃ ছাত্র একতা সভা
ডিব্রুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয়
২০০৬ - ০৭

অক্ষৰ বিন্যাস ঃ সোনমণি শইকীয়া, সুব্রত বোস

মুদ্রক ঃ মডাৰ্ণ কমাৰ্ছিয়েল ইন্সটিটিউট এণ্ড অফ্‌ছেট
কে. চি. গগৈ পথ, ডিব্রুগড় - ১

# উৎসৰ্গা



ড° শান্তনু সেনগুপ্তা



ৰমেশ দাস

খ্ৰীষ্টীয় ২০০৭ চনত

আমাৰ মাজৰ পৰা চিৰদিনলৈ

আঁতৰি যোৱা

ৰাজনীতি বিজ্ঞান বিভাগৰ মুৰব্বী

অধ্যাপক ড° শান্তনু সেনগুপ্তা

আৰু

২০০৮ চনত

চিৰ বিদায় লোৱা

কৰ্মচাৰী ৰমেশ দাসে

আমাৰ মহাবিদ্যালয়ৰ উন্নতীৰ বাবে

যি অৰিহণা আগ বঢ়াইছিল

তাৰ বাবে আমি চিৰকৃতজ্ঞ হৈ ৰম।

এই দুজন ব্যক্তিৰ সোঁৱৰণত 'কানৈয়ান'ৰ

এই সংখ্যা উছৰ্গা কৰা হ'ল।

\- সম্পাদনা সমিতি

# সম্পাদনা সমিতি



ৰাতুল গগৈ

সদস্য



মনোজ দত্ত

সদস্য



দিব্য সোনা

সদস্য



ডিলজিত বৰুৱা

সদস্য



**কাশ্যপ মহন্ত**

সম্পাদক



ছাবানা ৰহমান

সদস্যা



ইন্দু ভূষন বৰা

সদস্য



ধ্ৰুৱজ্যোতি শৰ্মা

সদস্য




মনোজ বৰ্মন

সদস্য

# সূচীপত্ৰ


| | | |
|---|---|---|
| সম্ভাৱনাপূৰ্ণ নিয়োগক্ষেত্ৰত ব্যৱহাৰিক বিজ্ঞানৰ নাইখুঁটা পৰিসংখ্যা বিজ্ঞানৰ প্ৰাসঙ্গিকতা | ড০ দেৱপল্লৱ ৰাজখোৱা | ১ |
| ধনাত্মক চিন্তা ঃ সফলতাৰ সোপনা | ড০ ভাৰতী দত্ত | ৬ |
| অসমৰ বাহিৰত অসমীয়া সাহিত্যৰ প্ৰচাৰ আৰু প্ৰসাৰ ঃ এৰাব নোৱাৰা কিছু প্ৰশ্ন আৰু সমস্যা | মৃদুল শৰ্মা | ৮ |
| নাৰী - "মৰ্যাদা আৰু স্বাধীনতা" | কল্পনা সেনগুপ্তা বৰুৱা | ১৪ |
| পৰীক্ষা | মুন্সী প্ৰেমচান্দ | ১৬ |
| অসমীয়া লোকসাহিত্যত আখ্যানমূলক গীতৰ স্থান | মঃ মাইনুল হুছেইন | ২০ |
| আলোচনী সম্পদাকৰ জৰিয়তে মহাবিদ্যালয় কৰ্তৃপক্ষলৈ এখনি মুকলি আবেদন পত্ৰ | মনোজ দত্ত | ২৩ |
| Importance of Culture | সুৰজ গগৈ | ২৫ |
| Jatropha Plantation | বন্দিপা বৰা | ২৭ |
| Internet and the present Commercial Communication | মন কুমাৰ গগৈ | ২৯ |
| Mammals commonly found in Kaziranga National Park | বন্দিপা বৰা | ৩১ |
| শিশুৰ সুপ্ত প্ৰতিভাৰ বিকাশ | প্ৰদীপ শৰ্মা | ৩২ |
| সমস্যা আজিৰ নহয় | নিপেন গোঁহাই | ৩৩ |
| सत्यमेव जयते | সন্দীপ কুমাৰ ৰায় | ৩৪ |
| 'जीवन दर्शन' - एक चिंतन | সন্দীপ কুমাৰ ৰায় | ৩৬ |
| Life | কোকিল ৰাজখোৱা | ৩৭ |
| Water is Life; Water is Death | দোমুক কাৰডঙ | ৩৮ |
| A Motivated Life | দিপজ্যোতি গগৈ | ৩৯ |
| Present situation of our society | মনোজ সাহ | ৪১ |
| The National Cadet Corps ( The N.C.C.) | কুকিল কুমাৰ কোঁচ | ৪২ |
| খগেন মহন্তৰ সৈতে হোৱা এটা অন্তৰঙ্গ আলাপ | | ৪৩ |
| এনিশাৰ কথাৰে | ৰিন্টু চেতিয়া | ৪৬ |
| পোহৰ আৰু নাই | দক্ষ বৰুৱা | ৪৮ |
| কোৱানা এবাৰ ভালপাওঁ বুলি | মিঠুন দাস | ৫০ |
| বসন্তৰ বৰষুণ | শ্যামলী চেতিয়া | ৫৩ |
| আশাৰ পদযাত্ৰা | ৰাতুল গগৈ | ৫৯ |
| কোন আপোন কোন পৰ | বিপ্লৱবিমান ভূঞা | ৬৪ |
| শিক্ষা | সুদৰ্শন বড়া | ৬৬ |
| টেলিফোনিক বাৰ্তালাপ | সন্ধ্যা চেতিয়া | ৬৮ |
| চৰিত্ৰ | সৌৰভ গগৈ | ৬৯ |
| नन्ही निशा | অভিলাষ বৰঠাকুৰ | ৭০ |
| मानवता की बदलती तस्वीरे | সুমন কুমাৰ | ৭১ |
| यसु नाराज होंगे | সঞ্জয় কুমাৰ ৰায় | ৭২ |
| অনুভৱৰ প্ৰেৰাগ্ৰাফ | মেঘি মোহন মালব্য চেতিয়া | ৭৩ |
| হে ৰহস্যময়ী তলসৰা শেৱালি | ডিম্বেশ্বৰ চেতিয়া | ৭৫ |

| | | |
|---|---|---|
| ফাগুন | জিম্পী গগৈ | ৭৬ |
| গোলাপ তুমি প্রেমৰ প্রতীক | চিৰঞ্জীৱ কুমাৰ চেতিয়া | ৭৬ |
| সন্ত্রাস | স্বপ্নাশ্ৰী বৰঠাকুৰ | ৭৭ |
| প্রতীক্ষা | নিৰাময় সোনোৱাল | ৭৭ |
| অ' অসমী ভাই | ভৃগুৰাম মিলি | ৭৮ |
| স্পর্শ | ৰিন্টু চেতিয়া | ৭৮ |
| দুঃ সময় | ভাস্কৰজ্যোতি দাস | ৭৯ |
| এটি সপোন, তোমাকলৈ | ডিম্পীমনি সোনোৱাল | ৭৯ |
| ডি. এইচ. এছ. কে. মহাবিদ্যালয় | জিতু গগৈ | ৮০ |
| আহিবাচোন এবাৰ কানৈ কলেজলৈ | নৰজিত মৰান | ৮১ |
| বিচাৰো বহুত | প্রদীপ বড়া | ৮২ |
| ঘৰখন নেদেখা আজি বহু বছৰ হ'ল | শুভাশীষ গগৈ | ৮২ |
| শিশুৰ এটি সেমেকা পুৱা ...... | ডিলজিত কুমাৰ বৰুৱা | ৮৩ |
| তোমাৰ ভালপোৱা দুচকুৰে ক'বা | লোহীত ডেকা | ৮৩ |
| Is It An Adieu ? | জেমচ এডৱাৰ্ড আইণ্ড | ৮৪ |
| You and Me | অৰুণ বিশ্বকর্মা | ৮৪ |
| Tulika's Corner | তুলিকা বৰ্মন | ৮৫ |
| I shall .... for you | অংশু শর্মা | ৮৫ |
| Confusion - Up & Down | কুকিল কুমাৰ কোঁচ | ৮৬ |
| Soldier | ৰাজীৱ সন্দিকৈ | ৮৬ |
| Forever | মোনালিশা বৰঠাকুৰ | ৮৭ |
| अर्जी नई पीढ़ी से | কল্পনা সেনগুপ্তা বৰুৱা | ৮৭ |
| हिन्दोस्तां हमारा है | বিৰেশ চৌধাৰী | ৮৮ |
| हिन्दी | বিৰেশ চৌধাৰী | ৮৮ |
| नशा | জয় প্রকাশ দাস | ৮৯ |
| तुम्हारे यादो में | সঞ্জয় কুমাৰ ৰায় | ৮৯ |
| প্রেমস্তুতি | সন্দীপ কুমাৰ ৰায় | ৯০ |
| देशप्रेम और बलिदान | সুমন কুমাৰ | ৯০ |
| AT মিনি ছুT গল্প | দিপান্বীতা কলিতা | ৯১ |
| এটলান্টিক'ত টেনশ্বন | কুকিল কুমাৰ কোঁচ | ৯২ |
| ম'বাইল ফোনে লেণ্ড ফোনলৈ লিখা এখন মুকলি চিঠি | মনোজ দত্ত | ৯৪ |
| चटपटे चुटकुले | প্রণৱ কাটোৱাল | ৯৬ |
| हंशिए और हंसाइए | জয় প্রকাশ দাস | ৯৬ |
| সাধাৰণ সম্পাদকৰ প্রতিবেদন | | ৯৭ |
| উপ সভাপতিৰ প্রদিবেদন | | ১০০ |
| তর্ক আৰু সাংস্কৃতিক বিভাগৰ সম্পাদকৰ প্রতিবেদন | | ১০২ |
| মহাবিদ্যালয় সপ্তাহৰ প্রতিযোগিতাৰ ফলাফল সমূহ | | ১০৩ |
| সঙ্গীত বিভাগৰ সম্পাদিকাৰ প্রতিবেদন | | ১০৪ |
| Report of General Sports Secretary | | ১০৫ |
| ছাত্ৰ একতা সভা, ২০০৬-০৭ বর্ষ | | ১০৬ |
| মহাবিদ্যালয় সপ্তাহ | | ১০৭ |
| মহাবিদ্যালয়ৰ গৌৰৱ | | ১০৮ |



# সম্পাদকৰ কলম



**"পৃথিৱীত নাই একো আন পৱিত্ৰ সিমান**
**যাৰ সতে হ'ব পাৰে জ্ঞানৰ তুলনা" - গীতা**

হীৰক জয়ন্তীৰ দেওনা গৰকা হনুমান বক্স সুৰজমল কানৈ মহাবিদ্যালয় আজিও তৰুণ। এই মহাবিদ্যালয়ে নিজৰ বুকুত বহন কৰিছে এজাক সপোন পিয়াসী দুৰন্ত প্ৰাণচঞ্চল্যৰে পৰিপূৰ্ণ ছাত্ৰ-ছাত্ৰী। অন্তৰত নিহিত হৈ থকা প্ৰবৃত্তি আৰু প্ৰতিভাক সুপৰিকল্পিত বিকাশৰ পথ নিৰ্দেশ কৰি নিজকে ভৱিষ্যতৰ এজন সুনাগৰিক ৰূপে গঢ়ি তুলিবলৈ চেষ্টা কৰাজনেই হৈছে ছাত্ৰ আৰু সু-শিক্ষা লাভ কৰি নিজৰ শৰীৰ, মন, বুদ্ধি আৰু প্ৰতিভাক কষটি শিলেৰে ঘঁহি ভৱিষ্যত জীৱনৰ ভেটি তৈয়াৰ কৰা সময়ছোৱাই হৈছে ছাত্ৰ জীৱন। অধ্যয়নেই হৈছে ছাত্ৰ-ছাত্ৰীসকলৰ তপস্যা, তেওঁলোকৰ কৰ্তব্য। কিন্তু আজি নানা সমস্যাৰে জৰ্জৰিত সমাজখনৰ এই কথা ফাকি সম্পূৰ্ণৰূপে প্ৰযোজ্য নহয়। আজি আমি ছাত্ৰ-ছাত্ৰীসকলৰ পৰা ইয়াতকৈ বেছি আশা কৰোঁ। এই আশা পূৰণ কৰিবলৈ তেওঁলোকে সুপ্ত প্ৰতিভা বিকশিত আৰু প্ৰকাশিত কৰিব লাগিব।

মহাবিদ্যালয় আলোচনী হ'ল ছাত্ৰ-ছাত্ৰী সগলৰ বৌদ্ধিক চিন্তা চৰ্চাৰ দাপোন। অসমৰ অনেক কৃতিবিদ্য সাহিত্যিক এনে আলোচনীৰে ফচল। এনে আলোচনীৰ লেখক সকল যিহেতু কাপ-মৈলামৰ সৈতে সম্পৰ্ক তেনেই নতুন সেয়েহে লিখা সমূহক তত্ত্ব, তথ্য আৰু সংজ্ঞাৰ তুলাচালনীৰে নোজোখায়ে শ্ৰেয়।

আমি সকলোৱেই এজন ব্যক্তিক নিজৰ জীৱনৰ আদৰ্শ ব্যক্তি হিচাপে গ্ৰহণ কৰিব পাৰোঁ আৰু সেইজন হ'ল চক্ৰেটিছ। সৰল জীৱন-যাপন আৰু উন্নত চিন্তন - চক্ৰেচিছৰ জীৱনত এয়াই আছিল মূলমন্ত্ৰ। আজিৰ ভোগসৰ্বস্ব জীৱনত য'ত প্ৰসাদোপম অট্টালিকা, বিলাসী গাড়ীয়েই হৈছে ষ্টেটাছ চিম্বল, তেনে ক্ষেত্ৰত আমাৰ এই চিন্তাক বহুতে হাঁহিব পাৰে কিন্তু জ্ঞানৰ বিকল্প যে এই পৃথিৱীত একো নাই সি সৰ্বজন গ্ৰাহ্য।


আমাৰ কথা দেখি আক্ষেপ হয়, সেইটো হ'ল আজিৰ ছাত্ৰই বৃত্তিগত শিক্ষা লবলৈ বেছি আগ্ৰহ কৰে আৰু অভিভাৱক সকলেও না নকৰে। হয়, আমাৰ দেশত সুদক্ষ অভিযন্তা, সুদক্ষ চিকিৎসকৰ অতিকৈ অভাৱ। কিন্তু সকলো মেধাৱী ছাত্ৰই যদি চিকিৎসক আৰু অভিযন্তা হয় তেতিয়া হ'লে দেশৰ আনবিলাক কাম কোনে কৰিব ? চিকিৎসক আৰু অভিযন্তাৰ সমানেই আমাক প্ৰয়োজন ভাল প্ৰশাসকৰ, দেশখনক নেতৃত্ব দিব পৰা এদল সুদক্ষ তথা নিস্বাৰ্থ কৰ্মী আৰু অতিকৈ প্ৰয়োজন মানুহ গঢ়াৰ কাৰখানাটোৰ বাবে নিপুন এদল শ্ৰমিক।

"হনুমান বক্স সুৰজমল কানৈ মহাবিদ্যালয়" - এই নামটোৰ এক নিজস্ব পৰিচয় তথা গৌৰৱময় ঐতিহ্য আছে। বহুতো বৰেণ্য ব্যক্তি তথা সাহিত্যিক তেওঁলোকৰ ছাত্ৰ জীৱন ইয়াতে অতিবাহিত কৰিছিল। এই মহাবিদ্যালয়ৰ বাৰ্ষিক মুখপত্ৰ "কানৈয়ান"ৰো অসমীয়া সাহিত্যত এক বিশিষ্ট স্থান আছে। এনে এখন আলোচনী সম্পাদনা কৰিবলৈ পোৱাত গৌৰৱবোধ কৰিছো আৰু যিসকলে মোক "কানৈয়ান" সম্পাদনা কৰাৰ সুযোগ দিলে, তেওঁলোকলৈ মই মোৰ আন্তৰিক কৃতজ্ঞতা তথা ধন্যবাদ জ্ঞাপন কৰিলো। তত্বাবধায়ক অধ্যাপক মৃদুল শৰ্মা, হিন্দী বিভাগৰ মুৰব্বী অধ্যাপিকা কল্পনা সেনগুপ্তা বৰুৱা আৰু মডাৰ্ণ কমাৰ্ছিয়েল অফ্‌ছেটৰ স্বতাধিকাৰী সদানন্দ দুৱৰা তথা কৰ্মচাৰীবৃন্দই "কানৈয়ান" সম্পাদনা কৰাৰ ক্ষেত্ৰত সুপৰামৰ্শ আগবঢ়াই মোক যি সহযোগ কৰিলে, তাৰ কাৰণে তেওঁলোকৰ ওচৰত মই চিৰকৃতজ্ঞ হৈ ৰ'ম।

আলোচনী সম্পাদনা কৰাৰ এয়াই মোৰ প্ৰথম প্ৰয়াস। সেয়েহে অজনিতে হোৱা ভূল-ভ্ৰান্তিৰ বাবে মই ক্ষমা প্ৰাৰ্থনা মাগিছো। শেষত কানৈয়ানৰ উজ্বল ভৱিষ্যত কামনাৰে ......।

**কাশ্যপ মহন্ত**
*আলোচনী সম্পাদক*

# অধ্যক্ষৰ কলম



"It is education forms the Common mind
Just as the twig is bent the tree's inclined"

*Alexander Pope*

এখন পৰিশীলিত সমাজ লাভ কৰাৰ পূৰ্বচৰ্ত্ত নিসন্দেহে সাংস্কৃতিক পৰিচ্ছন্নতাৰ ওপৰতে বৰ্ত্তী থাকে। আনহাতে তেনে সাংস্কৃতিক স্বচ্ছতা লাভ কৰিব পৰাৰ উপায় হ'ল শিক্ষা। সমাজৰ চুকে কোনে যদি ইয়াৰ প্ৰসাৰ নঘটে তেনেহলে সৰ্বত্ৰ অন্ধকাৰত ডুব যাব। জ্ঞানৰ পোহৰ বিলাই সমাজক চহকী কৰাৰ যি গুৰু দায়িত্ব তাৰ বাহক ৰূপী আমাৰ শিক্ষানুষ্ঠান সমূহৰ বিভিন্ন কৰ্মপন্থাৰ ভিতৰৰে অন্যতম হ'ল সাহিত্যচৰ্চা। কোমল বয়সৰ ছাত্ৰছাত্ৰী সকলৰ মাজত লুকাই থকা প্ৰতিভা সমাজৰ মাজলৈ উলিয়াই দি তেওঁলোকৰ সাংস্কৃতিক বিকাশৰ পথ সুগম কৰি তুলিব পৰা সকলোতকৈ শক্তিশালী মাধ্যমটো হ'ল শিক্ষানুষ্ঠান সমূহৰ বাৰ্ষিক মুখপত্ৰ খনি।

এনে উদ্দেশ্যৰেই ডিব্ৰুগড় হনুমান বক্স সুৰজমল কানৈ মহাবিদ্যালয়ৰ এই বছৰৰ মুখপত্ৰ খনিও পত্ৰে পুষ্পে পল্লবীত হৈ সুসজ্জিত ৰূপত পুনৰ্বাৰ আত্ম প্ৰকাশৰ দুৱাৰদলিত ভৰি থৈছেহি। তেষষ্ঠিটা বছৰ বৰ্ণাঢ্য ইতিহাসে গৰকা গৰিমামণ্ডিত এই মহাবিদ্যালয় খনিৰ ঐতিহ্য আৰু গৌৰৱ অক্ষুন্ন ৰাখি এইবাৰৰ মুখপত্ৰ খনিয়েও অনেক নবীন লেখকৰ ভৱিষ্যতৰ বাণীসাধনাৰ পথ উন্মুক্ত কৰি দিব বুলি আমি আশাকৰিছো।

বিভিন্ন অসুবিধা আৰু প্ৰতিকূলতাৰ মাজেদিও সময়মতে এই মুখপত্ৰ 'কানৈয়ান'ক ছাত্ৰ-ছাত্ৰী আৰু শিক্ষক সকলৰ হাতত তুলি দিয়াৰ ব্যৱস্থা কৰি 'কানৈয়ান'ৰ সম্পাদনা সমিতি, ভাৰপ্ৰাপ্ত বিভাগীয় অধ্যাপক, উপদেষ্টা, সম্পাদক আৰু ছাত্ৰ একতা সভাৰ সদস্য সকল ধন্যবাদৰ পাত্ৰ।

আমি পৰম আশাৰে বাট চাইছো যাতে এইবাৰৰ কানৈয়ানেও পূৰ্বৰ দৰেই মেটমৰা সাহিত্যসম্ভাৰেৰে মহাবিদ্যালয়ৰ সুনাম গৌৰৱ আৰু ঐতিহ্যৰ ইতিহাসত এখিলা স্মৰণীয় পাত হৈ ৰ'ব।

ড° জয়কৃষ্ণ মহন্ত
অধ্যক্ষ
কানৈ মহাবিদ্যালয়, ডিব্ৰুগড়।

প্ৰবন্ধৰ শিতান

# ‘‘সম্ভাৱনাপূৰ্ণ নিয়োগক্ষেত্ৰত ব্যৱহাৰিক বিজ্ঞানৰ লাইখুঁটা পৰিসংখ্যা বিজ্ঞানৰ প্ৰাসঙ্গিকতা’’ -

*ড০ দেৱপল্লৱ বাজখোৱা*
*বিভাগীয় মুৰব্বী*
*পৰিসংখ্যা বিজ্ঞান বিভাগ*

জটিলতাৰে ভৰা বৰ্তমানৰ পৃথিৱীৰ খুব কমসংখ্যকহে সুস্পষ্ট আৰু বিতৰ্কযুক্ত বিষয় দেখা পোৱা যায়। সেয়েহে কোনো বিষয়বস্তুৰ সুস্পষ্টতা আৰু গ্ৰহণযোগ্যতা স্বীকৃত তথ্য তথা তথ্যভিত্তিক উপস্থাপনৰ ওপৰত যে বহু পৰিমাণে নিৰ্ভৰশীল তাক নুই কৰিব নোৱাৰি। কিন্তু, এই তথ্যনো কি তাক জানিবলৈ হ'লে প্ৰথমেই পৰিসংখ্যাৰ সম্যক জ্ঞানৰ প্ৰয়োজনীয়তা অনুভৱ হয় যাৰ অৰ্থই হ'ল তথ্য শিকাৰ এক কলা (ART OF LEARNING FROM DATA)

"STATISTICAL THINKING WILL ONE DAY BE AS NECESSARY FOR EFFICIENT CITIZENSHIP AS THE ABILITY TO READ AND WRITE", H.G. WELLS-ৰ এইষাৰ সোণসেৰীয়া কথাৰেই আৰম্ভ কৰিব বিচাৰিছোঁ। সঁচাকৈয়ে দৈনন্দিন জীৱনৰ প্ৰতিক্ষেত্ৰতে তথা ব্যৱহাৰিক বিজ্ঞানৰ প্ৰায় প্ৰতিটো পদক্ষেপতেই পোনপটীয়াকৈ হওক বা আত্তপকীয়াকৈয়ে হওক এই পৰিসংখ্যাৰ উপস্থিতি পৰিলক্ষিত হয়। অস্ত্ৰ নিয়ন্ত্ৰণ, মজুত দৰ আহি, স্বাস্থ্য সম্পৰ্কীয় বিষয়বস্তু, চালকৰ বয়স সীমা, পাঠশালাৰ নাম ভৰ্তিৰ বয়স, ৰাজহুৱা চুক্তি সম্বলিত বিষয়বস্তু, লিঙ্গ সম্পৰ্কীয় বিষয়বস্তু, হেলমেটৰ ব্যৱহাৰ, খেলাধূলা, সমীক্ষাত্মক গ্ৰন্থৰাশি, বিজ্ঞানভিত্তিক প্ৰবঞ্চনা, চি-ভিটামিন আদিৰ দৰে সঁচা বিশ্বৰ বিষয়বস্তুত দৃষ্টি নিক্ষেপ কৰিলেই পৰিসংখ্যাৰ বিভিন্ন ব্যৱহাৰ যোগ্যতাৰ বিষয়ে এক সম্যক ধাৰণা পোৱা যায়। প্ৰকৃতাৰ্থত দৈনন্দিন জীৱনৰ কাৰ্যাৱলীত পৰিসংখ্যাৰ প্ৰয়োগ কিহতনো নাই সেইটোহে বিচাৰ্য বিষয়, কিন্তু ইমান ব্যাপক ব্যৱহাৰযোগ্যতা সত্বেও এই বিষয়টো সৰ্বসাধাৰণৰ চকুত দৰকাৰী বিষয় হিচাপে পৰিচিত হোৱা নাই। ইয়াৰ কাৰণ হিচাপে চিহ্নিত কৰিব পাৰি এক ধৰণৰ দৃষ্টিভংগী অভাৱৰ যাৰ বাবে পৰিসংখ্যাৰ পৰিসীমা এক ঠেক গণ্ডী (অৰ্থাৎ হিচাপ-নিকাচ) ৰ মাজতেই সীমাবদ্ধ হৈ থকা যেন অনুভূত হয়।

প্ৰতি চাৰি বছৰ অন্তৰে অন্তৰে হোৱা ৰাষ্ট্ৰপতি নিৰ্বাচন আমেৰিকাবাসীৰ বাবে প্ৰকৃতাৰ্থত এক পীড়াদায়ক অনুভৱ। নিৰ্বাচনৰ মাহেক পূৰ্বে ৰেডিঅ', টেলিভিচন তথা বাতৰিকাকতৰ দ্বাৰা পৰিবেশিত বাতৰি এনে ধৰণৰ ‘‘কখগ-ৰ দ্বাৰা পৰিচালিত ভোটদাতাৰ মতামত গৱেষণাৰ (OPTINON RESEARCH) ৰ পৰা দেখা গৈছে যে ডেমক্ৰেটিক/ৰিপাব্লিকান প্ৰাৰ্থীজনে তিনি শতাংশৰ ওচৰে-পাজৰে (±3%)ত্ৰুটিসীমা (MARGIN OF ERROR)ত 54% ভোটদাতাৰ সমৰ্থন লাভ কৰিছে।" উক্তিটোৰনো প্ৰকৃত অৰ্থ কি, এই ত্ৰুটিসীমানো কি, প্ৰকৃততে কাৰ দ্বাৰা এই প্ৰক্ৰিয়াটো পৰিচালিত হ'ল, তেওঁলোকেনো কিমান জনৰ লগত মত বিনিময়ৰ দ্বাৰা এই সিদ্ধান্তত উপনীত হ'ল বা উক্তিটোৰ সত্যাসত্যৰ বাবে কিমানজনৰ লগতনো মত বিনিময়ৰ প্ৰয়োজন আছিল, উক্তিশাৰী নিৰ্ভৰযোগ্য আৰু

গ্ৰহণযোগ্যনে আজি নানা ধৰণৰ প্ৰশ্ন এই ক্ষেত্ৰত উদয় হোৱাটো এক স্বাভাৱিক কথা। পৰিসাংখ্যিক জ্ঞানৰ তথা পৰিসীমাৰ যথাযোগ্যতাৰ বিচাৰাধীন নহৈ প্ৰয়োগ কৰা বাবেই ভাৰতবৰ্ষৰ দৰে দেশত এনে ধৰণৰ মতামত গৱেষণাবোৰ যোৱা বছৰকেইটাত সম্পূৰ্ণৰূপে বিফল হোৱা পৰিলক্ষিত হৈছে।

ধ্যান ধাৰণাৰ ভিত্তিত পৰিসংখ্যা শব্দটোৰ অৰ্থ বিভিন্ন হ'ব পাৰে। ফুটবল প্ৰেমী বা প্ৰশিক্ষক তথা খেলুৱৈৰ বাবে পৰিসংখ্যা যিদৰে হেচা প্ৰয়োগ কৰি অগ্ৰসৰ হোৱা, অতিক্ৰম কৰা বা হস্তান্তৰ কৰা, সেইদৰে আক্ৰমণকাৰী খেলুৱৈসকলৰ প্ৰশিক্ষক এজনৰ বাবে প্ৰচুৰ সম্ভাৱনাময় সুযোগ সন্ধানী খেলুৱৈসকলে আত্মৰক্ষাত্মক মনোভাবেৰে খেলপথাৰৰ কেন্দ্ৰবিন্দুৰ পৰা দিয়া সৰু-সৰু হস্তান্তৰ (SHORT PASS) বোৰেই হ'ল পৰিসংখ্যা। যান্ত্ৰিক শক্তিৰ উদ্যোগসমূহৰ পৰিচালক এজনৰ বাবে বায়ুমণ্ডলত এৰি দিয়া প্ৰদূষণৰ পৰিমান যিদৰে এক পৰিসংখ্যা ঠিক সেইদৰে খাদ্য দ্ৰব্যৰ প্ৰশাসক এজনৰ বাবে ই হ'ল সাধাৰণ জনসংখ্যাৰ ওপৰত নতুন খাদ্য দ্ৰব্যই পেলাব পৰা অনাকাংক্ষিত প্ৰভাৱৰ শতকাৰ হিচাপ, সমাজ উন্নয়ন বেংকৰ বাবে পৰিসংখ্যা হ'ল ক'য়ে সময়মতে পৰিশোধ কৰিব লগা ঋণ পৰিশোধৰ সম্ভাৱনা ইত্যাদি। এই পৰিসংখ্যাৰ বিষয়ে কবলৈ যাওঁতে ইয়াৰ অতীতৰ এটা আভাস দিয়াটো বাঞ্ছনীয় হ'ব।

ইটালীয় শব্দ STATISTA অৰ্থাৎ STATESMAN (যাৰ অৰ্থ ৰাজনীতিজ্ঞৰ) ৰ পৰা STATISTIK শব্দটো লোৱা হৈছে আৰু ইয়াক সৰ্বপ্ৰথমে GOTTFRIED ACHENWALL (1719 - 172) য়ে ব্যৱহাৰ কৰিছিল। ইংলেণ্ডত E.A.W. ZIMMERMAN য়ে STATICTICS শব্দটোৰ সূচনা কৰিছিল যাৰ ব্যৱহাৰৰ লোকপ্ৰিয়তা "SIR JOHN SINCLAIR" ৰ কাৰ্য্যাৱলী "STATISTICAL ACCOUNT OF SCOTLAND (1791 - 1799)" ৰ পৰাহে বৃদ্ধি পাবলৈ ধৰে। এই STATICTICS শব্দটো লেটিন শব্দ "STATUS" ৰ পৰা উদ্ভৱ হৈছে। প্ৰকৃততে বুৰঞ্জী লিপিবদ্ধ হোৱাৰ দিনৰেপৰাই তথ্য সংগ্ৰহৰ কাম আৰম্ভ হোৱাৰ আভাস পোৱা যায়। প্ৰাচীন বেবিলনীয়, উজিপ্তীয় আৰু ৰোমান সভ্যতাৰ প্ৰশাসন কাৰ্যত চকু ফুৰালে দেখা যায় যে সেই সময়ত সম্পূৰ্ণৰূপে জনসংখ্যা আৰু সম্পদ সম্পৰ্কীয় তথ্য সংগ্ৰহ কৰি নথিভূক্ত কৰা হৈছিল। পৰিসাংখ্যিক অধ্যয়নৰ ক্ষেত্ৰত সঘনাই ব্যৱহৃত হোৱা লোকপিয়ল শব্দৰ উৎপত্তি স্থল হ'ল খৃষ্টীয় প্ৰথম বা দ্বিতীয় শতিকাৰ ৰোমান সাম্ৰাজ্য। ১৪০০ খ্ৰীষ্টাব্দত ইজিপ্তত মাটিৰ জৰীপ কৰাৰ আভাস গ্ৰীক ঐতিহাসিক হেৰ'ডটাছৰ বৰ্ণনাত পোৱাৰ দৰে প্ৰাচীন ভাৰতবৰ্ষত তথ্য সংগ্ৰহৰ আভাস কৌটিল্যৰ অৰ্থশাস্ত্ৰই দিয়ে। গ্ৰীচ আৰু চীনৰ দৰে অন্য দেশতো জনসংখ্যা, সম্পদ আৰু মাটিৰ তথ্য সংগ্ৰহৰ বৰ্ণনা বুৰঞ্জীত পোৱা যায়। ইউৰোপত ১৩৪৮ চনৰ পৰা প্ৰায় ৪০০ বছৰ ধৰি সঘনাই হৈ থকা কলাজ্বৰত ভোগা ৰোগীৰ মৃত্যুৰ সংখ্যা আৰু মৃত্যুৰ স্থান ১৫৬২ চনৰ পৰা প্ৰকাশিত সাপ্তাহিক "BILLS OF MORTALITY" ৰ যোগেদি নথিভূক্ত কৰা হৈছিল যাৰ প্ৰসাৰ ১৬২৫ চনৰ পৰা বৃদ্ধি পাবলৈ ধৰে আৰু ক্ৰমান্বয়ে সকলো ধৰণৰ মৃত্যুৰ কাৰক ইয়াৰ নথিভূক্ত হবলৈ ধৰে। পৰৱৰ্ত্তী কালছোৱাত তথ্যৰ সাৰনীয়ন আৰু প্ৰকাশনৰ আৰম্ভনিৰূপে খ্যাত ইংৰাজ বনিক জন গ্ৰান্টৰ প্ৰখ্যাত গ্ৰন্থ "NATURAL OBSERVATIONS MADE UPON BILLS OF MORTALITY" ৰ প্ৰকাশে তথ্যৰ বৈজ্ঞানিক বিশ্লেষণৰ ক্ৰমবৰ্দ্ধমান প্ৰয়োজনীয়তাৰ ক্ষেত্ৰত এক জাগৰণৰ সৃষ্টি কৰে। গ্ৰান্টৰ কামকাজে ১৬৯৩ চনত নেজাল তৰাৰ আৱিষ্কাৰক এডমাণ্ড হেইলিক অনুপ্ৰেৰণা প্ৰদান কৰে (ছাৰ আইজাক নিউটনৰ প্ৰখ্যাত গ্ৰন্থ "PRINCIPIA MATHEMATICA" ৰ প্ৰকাশৰ ক্ষেত্ৰত থকা হেইলিৰ বৰঙনি সৰ্বজনবিদিত)। ১৬৬৭ জনত পেৰিছ চহৰৰ পাছত আৰু ১৭৩০ চনৰ ভিতৰত মৃত্যুৰ বয়স নিৰ্দ্ধাৰণৰ ক্ষেত্ৰত সমগ্ৰ ইউৰোপতেই "BILLS OF MORTALITY" ৰ সংগ্ৰহ হ'বলৈ ধৰে। পৰৱৰ্ত্তী কালত জেকব বাৰ্ণলিকে প্ৰধান কৰি কাৰ্ল ফ্ৰেড্ৰিক গ'চ, পিয়েৰি চিমন লেপ্‌লেচ, কাৰ্ল পিয়েৰছন, ছাৰ ফ্ৰাঞ্চিচ্ গেলটন, এডল্‌ফ কুৱেট্‌লেট, জছেফ ফ'ৰিয়ে, ডব্লিউ.

এচ. গচেট আদিৰ দৰে ব্যক্তিৰ অহোপুৰুষাৰ্থৰ ফলত পৰিসংখ্যা বিজ্ঞানে পৰ্ণতা লাভ কৰে। আধুনিক পৰিসংখ্যা বিজ্ঞানৰ জন্মদাতা ৰনাল্ড এ. ফিছাৰৰ লগতে কাৰ্ল পিয়েৰ্ছনৰ পুত্ৰ ইগন আৰু পোলেণ্ডৰ গানিতজ্ঞ তথা পৰিসংখ্যাবিদ জেৰি নিমেনৰ নাম এইখিনিতে উল্লেখ কৰাটো যুক্তিযুক্ত হ'ব।

১৯৩১ চনত কলকাতাত প্ৰতিষ্ঠিত ইণ্ডিয়ান ষ্টেটিষ্টিকেল ইন্সটিটিউতে (সংক্ষেপে ISAI) জন্মলগ্নৰেপৰা ভাৰতত পৰিসংখ্যা বিজ্ঞানৰ প্ৰসাৰ আৰু চৰ্চাৰ ক্ষেত্ৰত যোগাই অহা অৰিহণা সৰ্বজনবিদিত। এই ISI ৰ প্ৰতিষ্ঠাপক প্ৰফেছৰ প্ৰশান্ত চন্দ্ৰ মহালানবিশৰ সন্মানাৰ্থে তেখেতৰ জন্মদিন ২৯ জুন দিনটো সমগ্ৰ ভাৰতবৰ্ষতেই পৰিসাংখ্যিকিয় দিৱস ৰূপে পালিত হয়। পৰিসংখ্যা বিজ্ঞানৰ প্ৰসাৰৰ ক্ষেত্ৰত অসমৰ সুযোগ্য সন্তান প্ৰফেছৰ এমেৰিটাছ জ্যোতিপ্ৰসাদ মেধিয়ে যোগোৰা অৰিহণাৰ বাবে তেওঁ বৰ্তমান দৰবাৰত পৰিচিত।

PENGUIN প্ৰকাশক গোষ্ঠীৰ দ্বাৰা প্ৰকাশিত "HOW TO TAKE A CHANCE", "HOW TO LIE WITH STATISTICS" আদিৰ দৰে ৰুচিপূৰ্ণ পুথিৰ প্ৰণেতা জাৰেল হাফৰ মতে "THE CROOKS ALREADY KNOW THE TRICKS, HONEST MEN MUST LEARN STATICTICS IN SELF-DEFENCE". কিন্তু এই ক্ষেত্ৰত উদয় হোৱা লাখটকীয়া প্ৰশ্নটো হৈছে - এই পৰিসংখ্যা বিজ্ঞানৰ ছাত্ৰ-ছাত্ৰীৰ ভৱিষ্যত কি ? কেৱল আত্মৰক্ষাৰ বাবেই এই পৰিসংখ্যানে ? নিশ্চয়কৈ নহয়। ব্যক্তি বিশেষে যিদৰে আইন সম্পৰ্কে জনাটো দৰকাৰ, সেইদৰে আত্মপক্ষৰ সমৰ্থনত পৰিসাংখ্যিক জ্ঞানৰো প্ৰয়োজন, তাত কাৰো দ্বিমত থাকিব নেলাগে। দ্ৰুত উন্নয়নৰ দিশতে আগবঢ়া বৰ্তমানৰ পৰিৱৰ্তনশীল সমাজৰ উঠি অহা সদা সচেতন যুৱ প্ৰজন্মৰ বাবে পৰিসংখ্যা অধ্যয়নৰ দ্বাৰা তেওঁলোকৰ কেৰিয়াৰনো কিদৰে গঢ় লৈ উঠিব এনে জিজ্ঞাসা উদ্ভৱ নিশ্চয় অস্বাভাৱিক নহয়। পৰিসংখ্যা আৰু গণিতৰ জ্ঞানেৰে পুষ্ট এজন উচ্চকাংক্ষী স্নাতক ডিগ্ৰীধাৰীৰ বাবে ষ্টাফ ছিলেকচন কমিছন, বেংক প্ৰবেছনাৰী অফিচাৰ, জীৱন বীমা নিগম আদিৰ পৰীক্ষাসমূহত কৃতকাৰ্য হোৱাটো কঠিন নহয়। MES (MILITARY ENGINEERING SERVICES), NDA (NATIONAL DEFENCE ACADEMY), IMA (INDIAN MILITARY ACADEMY) আদিৰ পৰীক্ষাসমূহতো এই গণিত আৰু পৰিসংখ্যাৰ প্ৰশ্নই সিংহভাগ অধিগ্ৰহণ কৰা দেখা যায়। বিভিন্ন বিভাগত প্ৰয়োজন ষ্টেটিষ্টিকেল এচিটেন্ট, প্লেনিং এচিটেন্ট, ৰিচাৰ্চ এচিটেন্ট আদিৰ বাবে পৰিসংখ্যা, গণিত আৰু অৰ্থনীতিৰ স্নাতকৰ আৱশ্যক হয়। এই ক্ষেত্ৰত অৱশ্যে বাণিজ্যৰ স্নাতককো অন্তৰ্ভুক্ত কৰিব পাৰি। বৃহৎ উদ্যোগখণ্ডৰ লোভনীয় ক্ষেত্ৰ খনত প্ৰৱেশৰ সুবিধাৰ বাবে আজিকালি MBA (MASTER OF BUSINESS ADMINISTRATION) আৰু C.S. (COMPANY SECRETARYSHIP) ৰ গুৰুত্ব দিনে দিনে বৃদ্ধি পাই আহিছে। এম.বি.এ. আৰু চি.এচ. এই দুয়োটা পাঠ্যক্ৰমতে পৰিসংখ্যা আৰু এই পৰিসংখ্যাৰ জ্ঞানেৰে সমৃদ্ধ O.R. (OPERATIONS RESEARCH) ৰ বহুল প্ৰয়োগ দেখা পোৱা যায়। সেইদৰে ঔদ্যোগিক পূৰ্তৰ (পৰিসংখ্যা বিজ্ঞানৰ পৰিভাষা যাৰ মূল (INDUSTRIAL ENGINEERING) ৰ কাৰণে গুণতা নিয়ন্ত্ৰণ (QUALITY CONTROL) আৰু বিশ্বাস্যতা (RELIABILITY) আদিৰ দৰে পৰিসাংখ্যিক পদ্ধতিসমূহ অমূল্য পদ্ধতি হিচাপে বিবেচিত হৈছে। গুণতা-নিয়ন্ত্ৰণত পটুতা থকা এজন পৰিসংখ্যাবিদৰ জাপান, ৰাছিয়াৰ দৰে দেশসমূহত মূল্য কিমান বেছি তাক দেখিলেহে বুজা যায়। পৰিসংখ্যাৰ সম্যক জ্ঞানবিশিষ্ট এজন স্নাতকৰ বাবে ICWA (INDIAN COST AND WORK ACCOUNTANCY), CA (CHARTERED ACCOUNTANCY) আৰু MCA (MASTER OF COMPUTER APPLICATION) ৰ দেওনা পৰা হোৱাটো সহজ। বিশেষ দূৰলৈ নগৈ অসমতেই যদি গুৰুত্ব আৰোপ কৰা হয়, তেন্তে দুলিয়াজান, ডিগবৈ, নুমলীগড়, নুনমাটি আদিৰ দৰে তৈলক্ষেত্ৰ, নামৰূপৰ সাৰ নিগম ও পেট্ৰকেমিকেল, লিডুৰ

ক'ল ইণ্ডিয়া তথাক ডিব্রুগড়ৰ প্ৰস্তাৱিত গেছ ক্ৰেকাৰ আদিৰ দৰে বৃহৎ উদ্যোগখণ্ড পৰিসংখ্যা, গণিত আৰু ৰসায়ন বিজ্ঞান এই তিনিওটি বিষয়ত বুৎপত্তি থকা ছাত্ৰ-ছাত্ৰীৰ বাবে প্ৰচুৰ সম্ভাৱনাময় নিয়োগ ক্ষেত্ৰ হিচাপে গন্য কৰিব পাৰি। নিয়োগক্ষেত্ৰত থকা সুবিধাৰ বাবেই বৰ্তমানৰ সচেতন ছাত্ৰ-ছাত্ৰীসকলৰ আকৰ্ষণৰ আন এক কেন্দ্ৰ বিন্দু বায়'- ইনফৰ্মেটিক্স (BIO-INFORMATICS) আৰু বায়'-টেকন'লজি (BIO-TECHNOLOGY) জীৱবিদ্যা, পৰিসংখ্যা আৰু কম্পিউটাৰ চয়েঞ্চৰ সমন্বয়ত গঢ় লৈ উঠা এক প্ৰতিশ্ৰুতিপূৰ্ণ প্ৰায়োগিক পাঠ্যক্ৰম। অৰ্থনীতি, গণিত আৰু পৰিসংখ্যাৰ সংমিশ্ৰণত বিকশিত হোৱা ইকনমেট্ৰিক্স (ECONOMETRICS) আৰু অৰ্থনৈতিক পৰিসংখ্যা বিজ্ঞান (ECONOMIC STATISTICS) ৰ দৰে অধ্যয়ন ক্ষেত্ৰই অৰ্থনৈতিক পৰিকল্পনাৰ বাবে নিয়োগৰ সুবিধা আনি দিছে। ব্যক্তিৰ ওপৰত ঔষধৰ প্ৰতিক্ৰিয়া সম্পৰ্কে জানিবলৈ চিকিৎসা বিজ্ঞানত পৰিসংখ্যাৰ ব্যৱহাৰেৰে সৃষ্ট ছাইক'মেট্ৰি (PSYCHOMETRY) ৰ দৰে অধ্যয়ন ক্ষেত্ৰৰ বাবেই বৰ্তমান দৰৱ প্ৰস্তুতকাৰক ফাইজাৰ (PFIZER) নিক'লাচ (NICHOLAS), কেডিলা (CADILA), ৰেনবাক্সি (RANBAXY) আদিৰ দৰে কোম্পানীসমূহত পৰিসংখ্যাবিদৰ গুৰুত্ব বৃদ্ধি পাই আহিছে। সেইদৰে বিভিন্ন ধৰণৰ ৰোগৰ উৎস আৰু তাৰ প্ৰতিকাৰ সম্পৰ্কে কৰা এপিডেমিঅ'লজিকেল (EPIDEMIOLOGY) গৱেষণাৰ বাবেই ICMR (INDIAN COUNCIL OF MEDICAL RESEARCH) ৰ দৰে গৱেষণা প্ৰতিষ্ঠানত পৰিসংখ্যাৰ ছাত্ৰই সহজে নিয়োগৰ সুবিধা লাভ কৰে। চিকিৎসা মহাবিদ্যালয় সমূহৰ SPM (SOCIAL AND PREVENTIVE MEDICINE যিটো বিভাগ বৰ্তমানে COMMUNITY MEDICINE ৰূপে খ্যাত) বিভাগতো কমপক্ষেও এজন পৰিসংখ্যাবিদৰ স্থান নিশ্চিত। পৰিসংখ্যাত স্নাতাকোত্তৰ ডিগ্ৰী লাভ কৰাসকলৰ বাবে বিভিন্ন বিভাগৰ ষ্টেটিষ্টিকেল অফিচাৰ, প্লেনিং অফিচাৰ আৰু ৰিচাৰ্চ অফিচাৰৰ দুৱাৰ খোলা থাকে। কেন্দ্ৰীয় চৰকাৰৰ পদবী লাভ কৰিবলৈ UPSC (UNION PUBLIC SERVICE COMMISSION) ৰ দ্বাৰা আয়োজিত অৰ্থনীতিৰ ছাত্ৰৰ বাবে যিদৰে IES (INDIAN ECONOMIC SERVICE) আছে; সেইদৰে পৰিসংখ্যা বিজ্ঞানৰ স্নাতকোত্তৰৰ বাবে আছে ISS (INDIAN STATISTICAL SERVICE).

পৰিসংখ্যাৰ স্নাতকোত্তৰৰ বাবে ভাৰতীয় ৰিজাৰ্ভ বেংকেও এক সুকীয়া আসন সযত্নে ৰাখি থয় যাক তেওঁলোকে পতা পৰীক্ষাত কৃতকাৰ্য হৈ অধিগ্ৰহণ কৰিব পাৰি। সেইদৰে শিক্ষণ প্ৰতিষ্ঠান সমূহৰ পৰীক্ষা সংক্ৰান্তীয় কাম-কাজ সূচাৰুৰূপে পৰিচালনা কৰিবৰ বাবে 'এডুকেচনেল ষ্টেটিষ্টিক্স'ৰ ব্যুৎপত্তিসম্পন্ন ব্যক্তিৰ প্ৰয়োজন। গাণিতিক বিজ্ঞানত (য'ত পৰিসংখ্যা বিজ্ঞান, গণিত-শাস্ত্ৰ, অপাৰেচনচ ৰিচাৰ্চ-ৰ সংমিশ্ৰণ ঘটে) মেধাসম্পন্ন ছাত্ৰৰ ক্ৰিপ্তগ্ৰাফীৰ (আখৰ বা বৰ্ণমালাৰ সহায়ত খবৰ প্ৰেৰণ কৰা পদ্ধতি) জৰিয়তে চোৰাংচোৱা সংস্থাত প্ৰচুৰ নিয়োগ সুবিধা দেখা যায়। বৰ্তমানৰ গোলকীকৰণ আৰু মুক্ত অৰ্থনীতিৰ যুগত বিভিন্ন বীমা কোম্পানীৰ ভাৰতত প্ৰৱেশৰ ফলত পৰিসংখ্যা বিজ্ঞানৰ ছাত্ৰ-ছাত্ৰীৰো নিয়োগ সুবিধা বৃদ্ধি পাইছে। এনেক্ষেত্ৰত পৰিসংখ্যাৰ দুই নতুন অধ্যয়নক্ষেত্ৰ একচুৰেৰিয়েল ষ্টেটিষ্টিক্স আৰু ফাইনেঞ্চিয়েল ষ্টেটিষ্টিক্সৰ জ্ঞানপুষ্ট ছাত্ৰ-ছাত্ৰীৰ চাহিদা অতি বেছি। সম্ভাৱিতা (PROBABILITY)ৰ জ্ঞানেৰে সমৃদ্ধ এজন একচুৰেৰিয়ানৰ বাবে ইউৰোপৰ দৰে পশ্চিমীয়া দেশসমূহৰ বহুতো লোভনীয় পদবী এতিয়াও অপেক্ষাৰত। ইন্টাৰনেটৰ সুচলতাৰ সুযোগ লৈ ছাত্ৰ-ছাত্ৰীয়ে ইয়াৰ বাবে প্ৰয়োজনীয় তথ্যৰাজি সংগ্ৰহ কৰিব পাৰে। কৃষিক্ষেত্ৰৰ বাবে অতি প্ৰয়োজনীয় পৰীক্ষামূলক অভিকল্পনা (EXPERIMENTAL DESIGN) ই যিদৰে কৃষিভিত্তিক ক্ষেত্ৰসমূহত পৰিসংখ্যা যিদৰে বাবে বাট মোকলাই ৰাখিছে, সেইদৰে পিয়ল (CENSUS), লোকপিয়ল (POPULATION CENSUS) তথা প্ৰতিদৰ্শ সমীক্ষা (SAMPLE SURVEY) আদিৰ বাবে প্ৰয়োজনীয় জনসাংখ্যিকী পৰিসংখ্যা (DEMOGRAPHY) আৰু

জনসংখ্যা অধ্যয়ন (POPULATIOJ STUDIES) আদিয়ে NSSO (NATIONAL SAMPLE SURVEY ORGANISATION), CSO (CENTRAL STATISTICAL ORGANISATION) আদিত প্ৰৱেশৰ বাট মুকলি ৰাখিছে। এইক্ষেত্ৰত উল্লেখ কৰাটো সমীচীন হ'ব যে মুম্বাইত অৱস্থিত IIPS (INTERNATIONAL INSTITUTE FOR POPULATION SCIENCES) উচ্চ মানবিশিষ্ট জনসংখ্যা সম্পৰ্কীয় অধ্যয়নৰ এক অগ্ৰনী প্ৰতিষ্ঠান। বৰ্তমান সময়ত বহুলভাৱে বিস্তৃত NGO (NON-GOVERNMENT ORGANISATION) সমূহতো পৰিসংখ্যাবিদৰ গুৰুত্ব অপৰিসীম। ইয়াৰোপৰি উপযুক্ত পৰিকল্পনাৰে প্ৰতিষ্ঠিত পৰিসংখ্যাৰ কনচালটেঞ্চিৰ জৰিয়তে স্বনিয়োজনৰ সুবিধা আদায় কৰিব পৰা যায় আৰু সঁচা অৰ্থত সপোন যেন লাগিলেও বাস্তৱত কিন্তু ৰোজগাৰৰ ক্ষেত্ৰত ইয়াৰ প্ৰাসঙ্গিকতা অতি বেছি।

চিকিৎসা বিজ্ঞানত যিদৰে শৰীৰৰ বিভিন্ন অংগ তথা অংশৰ চিকিৎসাৰ বাবে পৃথক দক্ষ চিকিৎসকৰ প্ৰয়োজন, সেইদৰে মেনেজমেন্টৰ বহুল ক্ষেত্ৰখনতো ভিন্ন অৰ্হতা সম্পন্ন দক্ষ পৰিচালকৰ প্ৰয়োজন। বৰ্তমান সময়ত আমাৰ প্ৰয়োজন স্পষ্টবাদী সৎ চৰিত্ৰৰ নেতাৰ যি মানুহৰ উচ্চাকাংক্ষাক প্ৰকৃত ৰূপত দাঙি ধৰিব পাৰে। আমাৰ বাবে প্ৰয়োজন যোগাত্মক চিন্তাধাৰৰ সেই পৰিচালকৰ, যি প্ৰকৃততে সুদক্ষ, বিচক্ষণ, দৃঢ় আৰু কষ্টসহিষ্ণু যাক মেনেজমেন্ট শিক্ষাৰ জৰিয়তে গঢ় দিয়াটো সম্ভৱপৰ হৈছে। পৰিসংখ্যাৰ জ্ঞানেৰে সমৃদ্ধ এজন উপযুক্ত পৰিচালকৰ বাবে বাস্তৱসন্মত এক ফলপ্ৰসূ আৰু উপযোগী সিদ্ধান্ত ল'ব পৰাটো বিশেষ কঠিন নহয় আৰু সেয়েহে মেনেজমেন্ট শিক্ষাৰ প্ৰায় প্ৰতিটো ক্ষেত্ৰতো বিভিন্ন পৰিসাংখ্যিকীয় পদ্ধতিৰ বহুল প্ৰয়োগ দেখা যায়। উদাহৰণ স্বৰূপে, গ্ল'বেল ষ্ট্ৰেটেজিক মেনেজমেন্ট আৰু এন্টাৰপ্ৰাইজ ৰিস্ক মেনেজমেন্টত প্ৰধানকৈ গে'ম থিয়ৰি (GAME THEORY) আৰু ডিছিচন থিয়ৰি (DECISSION THEORY) ; ইঞ্চিঅ'ৰেঞ্চ মেনেজমেন্টত একচুৰেৰিয়েল ষ্টেটিষ্টিক্স; ব্ৰেণ্ড মেনেজমেন্টত গুণতা নিয়ন্ত্ৰণ আৰু বিশ্বাস্যতা; প্ৰজেক্ট মেনেজমেন্টত প্ৰতিদৰ্শ সমীক্ষা আৰু প্ৰতিচয়ন বন্টন (SAMPLING DISTRIBUTION); এনট্ৰিপ্ৰেনিঅ'ৰছ প্ৰডাকচন মেনেজমেন্টত ইক'নমিট্ৰিক্স আৰু অৰ্থনৈতিক পৰিসংখ্যা; ফাইনেঞ্চিয়েল ছাৰ্ভিচ মেনেজমেন্টত ফাইনেঞ্চিয়েল ষ্টেটিষ্টিক্স; মানৱ সম্পদ মেনেজমেন্টত জনসাংখ্যিকী পৰিসংখ্যা আৰু জনসংখ্যা অধ্যয়ন; চাপ্লাই চেইন আৰু ৰিটেইল মেনেজমেন্টত কিউয়িং থিয়ৰি (QUEUEING THEORY); মাৰ্কেটিং মেনেজমেন্টত ইনভেন্টৰি কন্ট্ৰল (INVENTORY CONTROL) ইত্যাদি। সেইদৰে ছেল্‌ছ আৰু অপাৰেচন্‌ছ মেনেজমেন্ট, আমদানি-ৰপ্তানি মেনেজমেন্ট, কাষ্টমাৰ ৰিলেচনছিপ মেনেজমেন্ট, কৰ্পৰেট মেনেজমেন্ট আদিত প্ৰধানকৈ অপাৰেচন্‌চ ৰিছাৰ্চত গুৰুত্ব আৰোপ কৰাৰ দৰে মেনেজমেন্ট অব্ ই-বিজিনেছৰ ক্ষেত্ৰত কম্পিউটাৰ আৰু পৰিসংখ্যাৰ সাধাৰণ জ্ঞান আহৰণত গুৰুত্ব দিয়া হয়। মানৱশক্তি পৰিকল্পনা আৰু মানৱ-সম্পদ মেনেজমেন্টত ষ্ট'কাষ্টিক প্ৰচেছ (STOCHASTIC PROCESS)- ৰ প্ৰয়োগো পৰিলক্ষিত হয়। এই ষ্ট'কাষ্টিক প্ৰচেছ, বিশ্বাস্যতা আৰু প্ৰধানকৈ জনসাংখ্যিকী পৰিসংখ্যা আদিৰ দৰে পৰিসাংখ্যিক আহিলাৰ ব্যৱস্থাৰেৰে জীৱন-ধাৰণৰ সময়ৰ ওপৰত অধ্যয়নৰ বাবে নকৈ গঢ় লৈ উঠা এক অতি গুৰুত্বপূৰ্ণ বিষয় হ'ল ছাৰ্ভাইভেল এনালাইছিছ (SURVIVAL ANALYSIS).

যোগ্য ব্যক্তিৰ বিশ্লেষণাত্মক তথ্যৰ ভিত্তিত ভৱিষ্যত পৰিকল্পনাৰ বাবে প্ৰয়োজন এই পৰিসংখ্যা বিজ্ঞানৰ । জীৱন-ধাৰণৰ প্ৰতিটো পদক্ষেপতেই পৰিসংখ্যা বিজ্ঞান অপৰিহাৰ্য। ইয়াৰ বাবে প্ৰয়োজন প্ৰকৃত পৰিসংখ্যাবিদৰ কিয়নো- "STATISTICS IS LIKE A MOULD OF CLAY FROM WHICH ONE CAN MAKE THE GOD OR THE DEVIL".

******

প্ৰবন্ধৰ শিতান

# ধনাত্মক চিন্তা ঃ সফলতাৰ সোপান

ড০ ভাৰতী দত্ত

সফলতা শ্ৰুতিমধুৰ এটি শব্দ। সফলতা সকলোৰে কাম্য। যিকোনো এটা কৰ্ম সম্পাদন কৰিবলৈ যাওঁতে সফল হোৱাটোৱে মানুহে কামনা কৰে। অৱশ্যে বিফলতাই মানুহক লগ দিয়াটোও নিতান্তই স্বাভাৱিক আৰু বিফলতাৰ মাজতেই সফলতাৰ চাবিকাঠিও লুকাই থাকে। ধনাত্মক চিন্তাৰো প্ৰয়োজনীয়তা ইয়াত আছে ; কাৰণ এনে চিন্তাৰ জৰিয়তেহে সেই চাবিকাঠিৰ সন্ধান পাব পাৰি। ধনাত্মক চিন্তায়ে কেনেকৈ সফলতাৰ সোপান হ'ব পাৰে সেই বিষয়ে কিছু কথা আলোচনা কৰাটোৱে এই প্ৰবন্ধৰ উদ্দেশ্য।

ধনাত্মক বা যোগাত্মক চিন্তাৰ শক্তি অসীম। এনে চিন্তাই মানুহৰ মন এনেদৰে শক্তিশালী কৰি তুলিব পাৰে যে মানুহে অসাধ্য সাধন কৰিব পাৰে ; দুৰ্লঙ্ঘ্য প্ৰাচীৰ লঙ্ঘন কৰাত সফল হ'ব পাৰে। মনৰ দৃঢ়তা বৃদ্ধি কৰে ধনাত্মক চিন্তাই। 'Impossible' বা অসম্ভৱ এই শব্দটো তেনে চিন্তাৰ লোকৰ বাবে নিৰৰ্থক হৈ পৰে। 'মই পাৰিম' - এই বিশ্বাসেই হ'ল ধনাত্মক চিন্তা আৰু এই চিন্তাৰে কামত আগবাঢ়িলে সফলতাই লগ নিদিয়াৰ কথা নাই। অৱশ্যে এইখিনিতে এটা কথা উল্লেখ কৰা অপ্ৰাসংগিক নহ'ব যে সফলতাৰ পৰিৱৰ্তে বিফলতাৰ মুখামুখি হ'বলগীয়া হ'লেও ভালকৈ পৰ্যবেক্ষণ কৰিলে তেনে বিফলতাৰ বুকুতো সফলতাৰ বীজ ৰোপিত হোৱাটো লক্ষ কৰা যায়। সময়ত তাৰ প্ৰমাণ আপোনা-আপুনি পোৱা যায়।

হেন্‌ৰি ফোৰ্ড, ছাৰ্লছ ডিকেন্স, শেক্সপীয়েৰ, মাইকেল ফেৰাডে, ভাৰতবৰ্ষৰ প্ৰাক্তন প্ৰধানমন্ত্ৰী প্ৰয়াত লাল বাহাদুৰ শাস্ত্ৰী ড° সৰ্বপল্লী ৰাধাকৃষ্ণন, উদ্যোগপতি ° ধীৰুভাই আম্বানী আদি বিভিন্নক্ষেত্ৰত সফল ব্যক্তিসকল আটাইৰে মাজত দুটা কথাত সামঞ্জস্যতা আছিল আৰু সেইয়া হ'ল তেওঁলোক আটায়ে নিতান্ত সাধাৰণ পৰিয়ালৰ সন্তান আছিল তথা তেওঁলোকে জীৱনত ধনাত্মক দৃষ্টিভংগীক আঁকোৱালি লৈছিল। ধনাত্মক চিন্তাৰে তেওঁলোকে প্ৰত্যেকেই অফুৰন্ত কৰ্মপ্ৰেৰণা লাভ কৰিছিল আৰু ইয়েই তেওঁলোকক সফলতাৰ সোপানত দোপতদোপে আগুৱাই নিয়াৰ অন্যতম প্ৰধান কাৰণ বুলি প্ৰমাণিত হৈছিল।

ধনাত্মক চিন্তাৰ লোকে যিকোনো কথাৰ ঋণাত্মক দিশটো মন নকৰে বুলিলে ভুল কোৱা হ'ব ; মন কৰে আৰু ভালকৈয়ে মন কৰে। ইয়াক চালি-জাৰিও পুংখানুপুংখ ৰূপত চায় ; পিছে ইয়াক মনত শিপাবলৈ সুবিধা নিদিয়ে। তাৰ বিপৰীতে ধনাত্মক চিন্তাক অধিক গুৰুত্ব দি মানসিক বল অটুট ৰাখিবলৈ চেষ্টা কৰে। যাৰফলত হতাশগ্ৰস্ততাই আক্ৰমণ কৰিবলৈ সুৰুঙাই নাপায়। সেয়েহে তেনেলোকৰ মন সুদৃঢ়, উৎফুল্লিত তথা কৰ্মতৎপৰ হৈ ৰয় যাৰফলত কৰ্মত সফলতা লাভৰ পথ সুগম হয়। কৰ্মত সফলতা লাভৰ অন্যতম পূৰ্বচৰ্ত্তই হ'ল মানসিক দৃঢ়তা। 'সফল হমেই' বুলি দৃঢ় নিশ্চয় হোৱাজনক সফলতাই নিশ্চয় লগ দিবই। এঠাইত পঢ়িছিলোঁ Identify yourself with success and success will come to you. আৰ্ণেষ্ট হেমিংৱেই কৈছিল, 'Man was not made for defeat'। আত্মবিশ্বাসেৰে কৰ্মত অগ্ৰসৰ হওঁতাজনৰ ইচ্ছাশক্তি সুদৃঢ় হয়। মন কৰিব লগীয়া কথা এটা হ'ল এইযে ধনাত্মক চিন্তাই ইচ্ছাশক্তি দৃঢ় কৰে।

চিন্তাই যিহেতু আমাৰ কৰ্মৰ স্বৰূপ নিৰ্দ্ধাৰণ কৰে গতিকে চিন্তাৰ নিয়ন্ত্ৰণ অত্যন্ত আৱশ্যক।

প্ৰখ্যাত জ্যোতিবিজ্ঞানী ষ্টিফেন হকিঙক তেওঁৰ জীৱনৰ ক্ষেত্ৰত গ্ৰহণ কৰা ধনাত্মক চিন্তাধাৰাই সফলতাৰ শিখৰত আৰোহন কৰাই বিশ্বদৰবাৰত সু-প্ৰতিষ্ঠিত কৰিলে। কঠিন ৰোগত আক্ৰান্ত হোৱা বিজ্ঞানীজনে যেতিয়া শাৰীৰিক বিসংগতিৰ কঠিন বাস্তৱৰ মুখামুখি হ'ল আৰু তেওঁৰ জীৱনকাল হয়তো অত্যন্ত চমু বুলি অনুমান কৰিলে তেতিয়া তেওঁ হতাশ হোৱাৰ পৰিৱৰ্তে এক বাস্তৱমুখী ধনাত্মক চিন্তা মনৰ মাজত পোষণ কৰিলে এইবুলি যে জীৱনটো বৰ সুন্দৰ আৰু তেওঁৰ কৰিবলগীয়া অনেক কাম এই চমু জীৱনতে কৰি পেলাবলগীয়া আছে। সময় হাতত কম আছে। এই মনোভাৱেৰে নতুন উদ্যম আনিলে তেওঁৰ মনলৈ। জ্যোতিপদাৰ্থ বিদ্যাৰ ন ন দিগন্ত উন্মোচনত তেওঁ অধিক চিন্তা, সময় তথা শক্তি প্ৰয়োগ কৰিলে।

যিকোনো কামত সফলতা লাভ কৰিবলৈ হ'লে মনক কেন্দ্ৰীভূত হ'ব লাগিব নিৰ্দিষ্ট কামটোৰ ওপৰত আৰু ইয়াৰবাবে মনৰ সুস্থিৰতা একান্তই অপৰিহাৰ্য। মনৰ ভিতৰত যদি ঋণাত্মক চিন্তাৰ যুদ্ধখনৰ কোলাহল অহৰহ চলি থাকে তেনেহ'লে মন সুস্থিৰ হ'ব কেনেকৈ ? ঋণাত্মক চিন্তাৰে পূৰ্ণ মন অশান্ত মন, সংকুচিত মন। ঋণাত্মক চিন্তাই মানুহক দুৰ্বল কৰে, হতাশ গ্ৰস্ততাত ভোগায়, পৃথিৱীখন অত্যন্ত জটিল যেন অনুভৱ হয়, কৰ্মশক্তি হ্ৰাস পায়। মানুহ স্বাভাৱিকতে শান্তিপ্ৰিয়। নিজৰ স'তে যুঁজ কৰি মানুহে যেতিয়া মনৰ শান্তি হেৰুৱায় তেনেহলে তেওঁৰ সেই অশান্ত মনৰ বহিঃপ্ৰকাশ ঘটে কিছুমান অশিষ্ট আচৰণত আৰু সেই আচৰণৰ অন্যতম এক অংগ হ'ল খঙ। ধনাত্মক চিন্তাই মনৰ দিগন্ত সম্প্ৰসাৰিত কৰে, সৃষ্টিশীল কৰ্মৰ বাবে অনুপ্ৰেৰণা যোগায় আৰু মনৰ শান্ত অৱস্থা অক্ষুন্ন ৰখাত মন সংযমিত অৱস্থাত থাকে। সংযমিত অৱস্থাত থকা মনক নিজৰ ইচ্ছানুসৰি খটাব পৰা যায়। সেয়েহে ইচ্ছানুসৰি মনক নিজৰ আয়ত্বলৈ আনিবলৈ সুবিধা হোৱাত মন একাগ্ৰ কৰিবলৈ সহজ হয়। মনৰ একাগ্ৰতাই কৰ্ম সফলতাত ইন্ধন যোগায়। আন এটা মনোযোগ আকৰ্ষণকাৰী কথা হ'ল ব্যক্তিগত অথবা সমাজৰ মঙ্গলকাৰী কাম কৰিবলৈও তাগিদা অনুভৱ কৰে সেইসকল লোকেহে যিসকলৰ মনৰ স্বাভাৱিক প্ৰৱণতাই হ'ল ধনাত্মক দিশত চিন্তা কৰাটো। আমেৰিকাৰ প্ৰখ্যাত লেখিকা হেলেন কেলাৰে কেইবাখনো মূল্যবান গ্ৰন্থ বিশ্বসাহিত্যলৈ আগবঢ়াই থৈ গৈছে। সফলতাৰ শিখৰত আৰোহণ কৰা এইগৰাকী লেখিকা আছিল অন্ধ, বোবা আৰু কলা। শাৰীৰিক বিসংগতিয়ে তেওঁৰ মনটোক ৰোগাক্ৰান্ত কৰিব পৰা নাছিল। ধনাত্মক চিন্তাৰে মনটো পৰিপূৰ্ণ কৰি ৰখা মহান লেখিকাগৰাকী সেয়েহে আছিল অতি উৎসাহী স্বভাৱৰ আৰু তেওঁ এইবাবেই হয়তো ক'ব পাৰিছিল Keep your face to the sunshine and you cannot see the shadow। ইয়াতকৈ প্ৰেৰণাদায়ক বাক্য আৰুনো কি হ'ব পাৰে ? 'সফল হমেই' বুলি ধনাত্মক ভাৱেৰে প্ৰকৃষ্ট কৰ্মত আত্মনিয়োগ কৰিলে সফল নোহোৱাৰ সম্ভাৱনা হ্ৰাস পাবই। এগৰাকী মনীষীয়ে সেয়েহে কৈ গৈছে - The surest way not to fail is to determine to succeed। মনৰ দৃঢ়তাই তেনে লোকক এনে শক্তিশালী কৰি তোলে যে সফলতাৰ সোপানত আৰোহণ কৰিবলৈ তেওঁক সংগৰো প্ৰয়োজন নহয়। নৰৱে দেশৰ প্ৰখ্যাত নাট্যকাৰ ইবচেনে ধনাত্মক দৃষ্টিভঙ্গী গ্ৰহণ কৰিয়েই প্ৰথম অৱস্থাৰ অসফলতাত হতাশ নহৈ নাটক ৰচনাৰ ধাৰাবাহিকতা অব্যাহত ৰাখি পাবলৈ প্ৰখ্যাত নাট্যকাৰ হিচাপে প্ৰতিষ্ঠা লাভ কৰিলে। আৰম্ভনিতে তেওঁৰ নাটকে কঠোৰ সমালোচনাৰ সন্মুখীন হবলগীয়া হৈছিল, কিন্তু তেওঁ বিৰূপ সমালোচনাকো ধনাত্মক ভাৱেৰে গ্ৰহণ কৰি 'ৱাইল্ড ডাক'ৰ দৰে প্ৰকৃষ্ট নাট্য ৰচনা কৰিবলৈ সক্ষম হ'ল আৰু নিজৰ অভিজ্ঞতাৰে এইশাৰী সোণসেৰীয়া বাক্যও ভৱিষ্যত প্ৰজন্মলৈ এৰি থৈ গ'ল- (The Strongest man in the world is he who stands most alone) আনহাতে তেনে এক শক্তিশালী মানুহজন বাহুবলেৰে শক্তিশালী নহয়; তেওঁৰ শক্তিৰ উৎস হ'ল দৃঢ়মনটো আৰু দৃঢ় মন সৃষ্টি কৰে ধনাত্মক চিন্তাই।

******

প্ৰবন্ধৰ শিতান

# অসমৰ বাহিৰত অসমীয়া সাহিত্যৰ প্ৰচাৰ আৰু প্ৰসাৰ ঃ এৰাব নোৱৰা কিছু প্ৰশ্ন আৰু সমস্যা

- মৃদুল শৰ্মা

অসমীয়া সাহিত্যৰ নিঃসন্দিগ্ধ ইতিহাস প্ৰায় হাজাৰ বছৰীয়া। এই সুদীৰ্ঘ সময়ছোৱাত নানান উত্থান-পতনৰ মাজেদি অসমীয়া সাহিত্যই ক্ৰমগতি লাভ কৰিছে। পৰিসংখ্যা আৰু সাহিত্য-মূল্যৰ দিশৰপৰা অসমীয়া সাহিত্যৰ ইতিহাসত সোণালী যুগ বুলি এছোৱা সময় চিহ্নিত হোৱাৰ বিপৰীতে অৱসাদৰ যুগ, অন্ধকাৰ যুগ আদি অভিধা দিব পৰা সময়ো চিহ্নিত হৈছে। বৰ্তমান ভুটান, অৰুণাচল প্ৰদেশ, নগালেণ্ড, মণিপুৰ, মিজোৰাম, ত্ৰিপুৰা, বাংলাদেশ, মেঘালয় আৰু পশ্চিম বঙ্গই ৰাজনৈতিকভাৱে আগুৰি থকা ৭৮,৪৩৮ বৰ্গ কিলোমিটাৰ জোৰা অসম নামৰ এই ৰাজ্যখনৰ ব্ৰহ্মপুত্ৰ উপত্যকাৰ ১৯ খন জিলাৰ মাজত বসবাস কৰা অসমীয়া-ভাষী লোকসকলৰ মাজতে অসমীয়া সাহিত্য জীয়াই আছে।

অসমৰ বাহিৰত অসমীয়া সাহিত্যৰ প্ৰচাৰ আৰু প্ৰসাৰ সম্পৰ্কে আলোচনা কৰিবলৈ লওঁতে ৰাজনৈতিক দিশৰ অসমখনৰ কথা ধৰিব নোৱাৰি। কিয়নো পশ্চিম অসমৰ এক বৃহৎ সংখ্যক মানুহৰ মাজত[১] অসমীয়া ভাষা-সাহিত্যৰ চৰ্চা একালত আছিল যদিও বিভিন্ন কাৰণত এতিয়া সেই চৰ্চা নাই। আকৌ বৰাক উপত্যকাৰ তিনিখন জিলাত[২] অসমীয়া ভাষা অচল। প্ৰশ্ন হয়, অসমতে থকা অথচ অসমীয়া ভাষা-সাহিত্যৰ প্ৰতি সামান্যও আগ্ৰহী নোহোৱা লোকসকলক, লাগিলে তেওঁলোকৰ মাতৃভাষা অসমীয়া বুলিয়েই চৰকাৰী নথিত লিপিবদ্ধ হওক, - অসমীয়া বুলিব পাৰিনে ? নিশ্চয় নোৱাৰি। কাৰণ 'অসমীয়া' ভাষাটোৱেহে এই ভূখণ্ডৰ বিভিন্ন জাতি-জনজাতিৰ মানুহক 'অসমীয়া' বুলি এটা সাধাৰণ পৰিচয়েৰে বান্ধি ৰাখিছে। অসমীয়া ভাষাক বাদ দিলে অসমীয়া কনচেপ্ট্টোৱেই অসাৰ। অসমৰ বাহিৰত 'অসমীয়া' বুলি চিনাকি দি কিমান লোক বাস কৰিছে - ইও এটা গুৰুতৰ প্ৰশ্ন। সেই অসমীয়াসকলে অসমীয়া সাহিত্য-সংস্কৃতিক ধৰি ৰাখিছে নে ত্যাগ কৰি আনৰ লগত মিলি গৈছে ? যদি আত্মপৰিচয় ৰক্ষা কৰি সেইসকল অসমীয়া আছে তেনেহ'লে অসমীয়া সাহিত্য-সংস্কৃতিৰ প্ৰচাৰৰ অৰ্থে (তেওঁলোক বসবাস কৰা ঠাইৰ স্থানীয় লোকৰ মাজত) কিবা কাম কৰিছে নেকি ? এনে একাধিক প্ৰশ্নৰ উত্তৰত বিভিন্ন প্ৰতিবেদন প্ৰস্তুত কৰিব পাৰি। কিন্তু এই আলোচনাত অসমৰ বাহিৰত অসমীয়া সাহিত্যৰ প্ৰচাৰ আৰু প্ৰসাৰ সম্পৰ্কীয় খতিয়ান দাঙি ধৰাতকৈ বিষয়ৰ প্ৰাসঙ্গিক কেইটামান মৌলিক প্ৰশ্ন আৰু সমস্যা সম্বন্ধেহে আলোকপাত কৰিবলৈ যত্ন কৰা হৈছে।

ভাৰতে স্বাধীনতা লাভ কৰাৰ পাছৰেপৰা 'সৰ্বভাৰতীয়' সংজ্ঞাৰ সৃষ্টি হয়। সেইটো সংজ্ঞাই ৰাজনৈতিক আৰু আৰ্থিক স্থিৰতা লাভ কৰাৰ পাছৰেপৰাই অসমীয়া সাহিত্যই বিভিন্ন প্ৰকাৰে ভাৰতৰ বিভিন্ন প্ৰাদেশিক ভাষাত প্ৰৱেশ কৰা দেখা যায়। মূলতঃ পাঁচটা

১। বড়োসকল। ১৯৯১ চনৰ লোকপিয়লৰ প্ৰতিবেদন মতে ১১,৮৪,৫৬৯ জন।

২। কাছাৰ, হাইলাকান্দি আৰু কৰিমগঞ্জ জিলাৰ মুঠ জনসংখ্যা ২০০১ চনৰ লোকপিয়লৰ সাময়িক প্ৰতিবেদন মতে মুঠ ২৯,৮৮,৭৯৭ জন। অসমৰ মুঠ জনসংখ্যা ২৬,৬৩৮,৪০৭ জন।

দিশত অসমীয়া সাহিত্যৰ এনে সম্প্রসাৰণ ঘটিছে এনেদৰে ঃ

ক) অনূদিত গ্রন্থ হিচাপে,

খ) সাহিত্য-সমালোচনা হিচাপে,

গ) অসমীয়া সাহিত্য-বিষয়ক তথ্য হিচাপে,

ঘ) পাঠ্য হিচাপে আৰু

ঙ) গীত, নাটক, চিনেমা আদিৰ ৰূপত

কিন্তু স্বাধীনতাৰ পূৰ্বে যে অসমীয়া সাহিত্য অসমৰ বাহিৰত প্রচাৰিত হোৱা নাছিল এনে নহয়। 'অসমৰ বাহিৰ' এই শব্দ দুটা ভৌগোলিক অর্থত ধৰিলে অসমীয়া সাহিত্যৰ প্রাচীনতম নিদর্শন চৰ্যাপদকে অসমৰ বাহিৰত প্রচাৰিত প্রথম অসমীয়া সাহিত্য বুলিব পাৰি।

প্রচাৰ আৰু প্ৰসাৰ শব্দদুটাৰ অর্থৰ ভালেখিনি তাৰতম্য আছে। প্রচাৰ মানে সংক্রমণৰ উদ্দেশ্যে বিশেষভাৱে কৰা প্রয়াস আৰু সেই প্রয়াসত সফলতা লাভ কৰাকে প্ৰসাৰ ঘটা বুলিব পাৰি। উদাহৰণ স্বৰূপে অসমৰ বাহিৰত থকা বহু লেখকেই[৩] অসমীয়া সাহিত্যৰ চৰ্চা কৰে। তাৰ মানে এইটো নহয় যে তেওঁলোকে তেওঁলোক থকা ঠাইবোৰত অসমীয়া সাহিত্য প্রচাৰ কৰিছে। আৰু অসমৰ বাহিৰত থকা অসমীয়া সাহিত্যৰ 'অসমীয়া' পাঠকসকলে মৰুভূমিত তৃষ্ণাতুৰ হৈ পানীৰ সপোন দেখাৰ দৰে অৱস্থাত থাকি সুবিধা পালেই গোগ্রাসে অসমীয়া সাহিত্য পঢ়াটোৱেও অসমৰ বাহিৰত অসমীয়া সাহিত্যৰ প্রচাৰ কৰা বা প্ৰসাৰ ঘটাটো নুবুজায়।

কিন্তু চৰ্যাপদৰ কথাটো বেলেগ।[৪] চৰ্যাকাৰসকলৰ সম্মুখত লেখক ৰূপে যশস্যা লাভ কৰাৰ আকাংক্ষা নাছিল, কাৰণ সেই কালত সাহিত্য ৰচনা কৰিলেও প্রচাৰ কৰাটো বৰ দুস্কৰ কাৰ্য আছিল। এটা কথা ঠিক যে ধর্ম সাধনাৰ উদ্দেশ্যেই তেওঁলোকে সাহিত্য চৰ্চা কৰিছিল। সেই একেটা উদ্দেশ্যতে নিশ্চয় তেওঁলোকৰ সাহিত্যৰ পাঠক এচামো তাত সৃষ্টি হৈছিল। এইটো দৃষ্টিকোণৰ পৰা চৰ্যাপদবোৰক অসমৰ বাহিৰত ৰচিত, প্রচাৰিত আৰু প্রসাৰিত প্রথম অসমীয়া সাহিত্য বোলাৰ সপক্ষে যুক্তি আছে।

কিন্তু ইতিহাস চালি-জাৰি চাই অসমীয়া সাহিত্য অসমৰ বাহিৰত ব্যাপক পৰিসংখ্যা আৰু পৰিসৰত প্রচাৰিত হোৱা বুলি ক'ব নোৱাৰি। আনহে নালাগে, ১৮৭২ চনত কলিকতাত (বৰ্তমানৰ কলকাতা) অসমীয়া ছাত্ৰসকলে প্রতিষ্ঠা কৰা 'অসমীয়া ছাতৰৰ সাহিত্য সভা'[৫] নামৰ অনুষ্ঠানটোৰ উদাহৰণলৈ চকু দিলেই কথাটো স্পষ্ট হয়। বৰ্তমানৰপৰা এশ চৌত্রিছ বছৰৰ আগতকৈ বৰ্তমান অসমীয়া মানুহৰ মাজত শিক্ষিতৰ সংখ্যা বহুগুণ বেছি। সেই সময়ৰ দহ বছৰত যিমান অসমীয়া ছাত্র কলিকতাত পঢ়িবলৈ গৈছিল বর্তমান এবছৰতে তাতকৈ বেছি সংখ্যক ছাত্ৰ তাত পঢ়িবলৈ যায়। ইয়াৰ ফলত কিন্তু অসমীয়া ছাত্ৰৰ সেই সাহিত্য অনুষ্ঠানটো পূৰ্বতকৈ অধিক ক্রিয়াশীল হৈ উঠিছে বুলি ক'ব নোৱাৰি। বৰং অপ্রিয় সত্যটো হৈছে এয়ে যে বৰ্তমান কলিকতাত সেই নামৰ কোনো অনুষ্ঠান নাই। ইয়াৰপৰা এইটোৱেই প্রমাণ হয় যে শিক্ষিতৰ সংখ্যা বৃদ্ধি হোৱা মানেই নিজৰ ভাষা-সংস্কৃতিৰ প্রতি সচেতনতা বৃদ্ধি হোৱাটো নুবুজায়।

আৰু এটা অনুষ্ঠানৰ উদাহৰণ দিব পাৰি। পদ্মনাথ গোহাঞিবৰুৱাই উনবিংশ শতিকাৰ শেষৰ দশকতে নগাপাহাৰৰ কোহিমাত অ.ভা.উ.সা. সভাৰ শাখা[৬] এখন আৰু 'কোহিমা সাহিত্য সভা'[৭] পাতিছিল। সেই সময়ত নগাপাহাৰ জিলা অসমৰ ভিতৰুৱা

৩। লক্ষ্মীনাথ বেজবৰুৱা, নিৰোদ কুমাৰ বৰুৱা, দিলীপ কুমাৰ দত্ত, অৰুণী কুমাৰ শৰ্মা, নয়নানন্দ বৰঠাকুৰ, সজল শৰ্মা, অনুপম শইকীয়া আদি।

৪। চৰ্যাগীতিকোষ নামেৰে নীলৰতন সেনে সম্পাদনা কৰি প্রকাশ কৰা (ফটোমুদ্রণ সংস্কৰণ) 'চৰ্যাচৰ্যটীকা' নামৰ মূল পুথখন নকল কৰাৰ তাৰিখ 'সম্বৎ ৭৪১ যম্বাত' অর্থাৎ খ্রীষ্টীয় ১৬২০-২১ চন। বিভিন্ন সময়ত চৰ্যাপদবোৰ বিভিন্ন লিপিকাৰে নকল কৰা, টীকাকাৰে টীকাভাষ্য সংযোগ কৰা আদিৰ ই চাক্ষুষ প্রণিধান। ইয়ে চৰ্যাপদৰ ব্যাপক প্রসাৰৰ প্রমাণো দাঙি ধৰে।

৫। গংগাগোবিন্দ ফুকনৰ নেতৃত্বত গঢ়ি উঠা অনুষ্ঠান। ইয়ে কালক্রমত ASL Club ৰূপে প্রসিদ্ধ। - পাতনি, **জোনাকী**, একত্র সংকলন, পৃ. .০১১—.০১২

৬। গোহাঞিবৰুৱা, পদ্মনাথ, **মোৰ সোঁৱৰণী** পৃ. ৬১-৬২

৭। উল্লিখিত, পৃ. ৬২-৬৪

আছিল যদিও অসমীয়া নগাসকলৰ মাতৃভাষা নাছিল। আনকি অসমীয়া ভাষাৰ প্ৰান্তৰূপ স্বৰূপ 'নাগামিজ' ভাষাও তেতিয়া গঢ় লৈ উঠা নাছিল। কিন্তু কোহিমা সাহিত্য সভাত অসমীয়া সাহিত্যৰ চৰ্চা হৈছিল। কিন্তু বৰ্তমান নগালেণ্ডত অসমীয়া সাহিত্যৰ প্ৰতি সেই ধাউতি নাই। নগালেণ্ডৰ গোবিন্দচন্দ্ৰ পৈৰা[৮] আৰু হৰিপ্ৰসাদ গোৰ্খাৰায়ৰ[৯] দৰে ব্যক্তিয়ে অসমীয়া সাহিত্যৰ চৰ্চা কৰিলেও এনে মাত্ৰ কেইজনমান সাহিত্যিকেই নিশ্চিতভাৱে অসমীয়া সাহিত্য নগালেণ্ডত প্ৰচাৰ কৰা বা প্ৰসাৰিত হোৱাটো প্ৰমাণ নকৰে। অৰুণাচল প্ৰদেশৰ লুম্মেৰ দাই[১০], য়েছে দৰ্জে ঠংচি[১১] আদি লেখকৰ বেলিকাও একে কথাই প্ৰযোজ্য। এই ক্ষেত্ৰত তেওঁলোক চাৰিওজনৰে সন্মুখত থকা পাঠক সমাজ হৈছে অসমৰ অসমীয়া ভাষাৰ সাহিত্যৰ পাঠক সমাজহে।

উল্লিখিত বঙ্গ আৰু নগালেণ্ডত ঊনবিংশ শতিকাতে অসমীয়া সাহিত্যৰ চৰ্চা হোৱাৰ প্ৰমাণ আৰু খ্ৰীঃ দশম শতিকা মানতে নেপালত অসমীয়া সাহিত্যৰ প্ৰচাৰ আৰু চৰ্চা হোৱাৰ উদাহৰণকেইটা অতি গুৰুত্বপূৰ্ণ। বৰ্তমান এই তিনিওখন ঠাইত অসমীয়া সাহিত্যৰ চাহিদা অতি শোচনীয়। ইয়াৰ কাৰণ বিচাৰি চালে অসমীয়া জাতীয় চৰিত্ৰৰ এটা দুৰ্বলতা প্ৰকাশ পায়। অসমীয়া জাতিৰ বৌদ্ধিক পৰিক্ৰমালৈ লক্ষ্য কৰি ক'ব পাৰি যে অসমীয়া বৌদ্ধিক নেতৃত্বই সদায়েই উত্তৰাধিকাৰ সৃষ্টিৰ দিশটোক আওকাণ কৰি আহিছে। আনকি শ্ৰী শঙ্কৰদেৱো এইটো দিশত ব্যৰ্থ। অসমীয়া মানুহে কিবা এটা আৰম্ভ কৰাৰ সময়ত সেই আৰম্ভণিৰ ভৱিষ্যত সম্পৰ্কে সুচিন্তিতভাৱে পৰিকল্পনা নকৰে। এনে কাৰণতে অসমীয়া মানুহে কৰা আৰম্ভণিবোৰ হয় চকুত লগা, কিন্তু সি এটা প্ৰক্ৰিয়া হিচাপে পৈনত নহয়গৈ। অসমীয়া মানুহৰ জাতীয় চৰিত্ৰৰ একাধিক দোষে অসমীয়া সাহিত্য-সংস্কৃতিৰ প্ৰচাৰ আৰু প্ৰসাৰত সদায়ে বাধা দি আহিছে।

শঙ্কৰদেৱৰ প্ৰসঙ্গলৈ চালেই কথাষাৰ স্পষ্ট হয়। অসমৰ বৌদ্ধিক মহলত ব্যতিক্ৰমী দুই-চাৰিজনৰ যত্নক বাদ দি বাকীসকলে শঙ্কৰদেৱক অসমৰ বাহিৰত প্ৰতিষ্ঠা কৰাতকৈও তেওঁক লৈ ৰাজনীতি বা কুটনীতি খেলাতহে ব্যস্ত হৈ থকা দেখা গৈছে। ভূপেন হাজৰিকা সংগীত নাটক অকাডেমিৰ অধ্যক্ষ নোহোৱা হ'লে অসমীয়া মানুহে চৰ্চা কৰি অহা শঙ্কৰদেৱ-উদ্ভাৱিত নৃত্যশৈলীয়ে সৰ্বভাৰতীয় স্বীকৃতি যে নাপালেহেঁতেন সেয়া সত্য। কিন্তু লগে লগে অসমত বিতৰ্কৰ ঢৌ উঠিল - শঙ্কৰী নে সত্ৰীয়া। দূৰলৈ নগৈ বঙ্গলৈ চালেই অসমীয়াৰ এই জাতীয় চাৰিত্ৰিক দোষ যে অক্ষমনীয় সেয়া বুজিব পাৰি। বঙ্গৰ কোনোবা এজনক সৰ্বভাৰতীয় পৰ্যায়ত প্ৰতিষ্ঠা কৰিবলৈ সক্ষম হোৱাজনে তাত বাঃ বাঃ পায়। ভূপেন হাজৰিকা ক'ৰবাতে ৰ'ল, অসমীয়াৰ মাজত আৰম্ভ হৈ গ'ল সংঘাত।

অসমৰ জাতীয় চৰিত্ৰৰ আন এক দুৰ্বলতা হৈছে ভ্ৰমণ বিমুখিতা। গৰুখোজকে সাগৰ বুলি ভবা অসমীয়া মানুহে অসমৰ বাহিৰ হোৱা বুলিলেই জিকাৰ খাই উঠে। স্বাজোত্তৰ কালত পৰিস্থিতিৰ পৰিৱৰ্তন হৈছে যদিও শ শ বছৰীয়া এই ভ্ৰমণ বিমুখিতাৰ ফলত অসমীয়া জাতিটো অধিক ভয়াতুৰ হৈ পৰিল। ডাকৰ বচনতে আছে -

'ডাকে বোলে শুনা উপায় / বানিজ্যৰ ফল কৃষিত পায়।' অৰ্থাৎ বণিজলৈ যাব নালাগে, নাঙলৰ সৈতে গৰুহালেই সাৰ বুলি ধৰি থাকিলেই হ'ল। চুবুৰীয়া বঙ্গৰ মানুহক অসমীয়া মানুহে সমালোচনা কৰে অসমীয়া ভাষাৰ উন্নতিক বাধাগ্ৰস্ত কৰা বুলি। অসমীয়া মানুহে অসমৰ বাহিৰত গৈ তেনে কৰ্তৃত্ব খটাব নোৱাৰিলেও অসমীয়া সাংস্কৃতিক ঐতিহ্যক, শ্ৰেষ্ঠ

৮। আৱাহনৰ যুগৰ গল্পকাৰ
৯। উল্লিখিত
১০। পাহাৰৰ শিলে শিলে, পৃথিৱীৰ হাঁহি, মন আৰু মন, কইনাৰ মূল্য আদি উপন্যাসৰ লেখক।
১১। 'চনম', মৌন ওঁঠ মুখৰ হৃদয়, শৰ কটা মানুহ আদি গ্ৰন্থৰ ৰচয়িতা।

সাহিত্যসমূহকতো প্ৰচাৰ কৰিব পাৰিলেহেঁতেন। কিন্তু সেয়া সম্ভৱ নহ'ল। ইংৰাজে ছেক্সপীয়েৰক জগতজোৰা প্ৰতিষ্ঠা দিলে, বঙালীয়ে ৰবীন্দ্ৰনাথক প্ৰতিষ্ঠা কৰিলে, কিন্তু অসমীয়াই একোকে কৰিব নোৱাৰিলে।

ঊনবিংশ শতিকাৰ অসমীয়া ভাষা-সংস্কৃতিৰ আলোচনাৰ প্ৰসঙ্গত এটা কথা কোৱা হয় যে শিক্ষিত অসমীয়া মধ্যবিত্তই বাংলা ভাষাত কথা-বাৰ্তা কোৱা, বাংলা গীত-মাতৰ চৰ্চা কৰাটো আভিজাত্যৰ প্ৰতীক বুলি ভাবিছিল। সাম্প্ৰতিক সময়ৰ অসমীয়া ইংৰাজী-শিক্ষিতসকলৰ ক্ষেত্ৰতো এনে বৌদ্ধিক আভিজাত্য প্ৰদৰ্শনকামিতা দৃষ্টিগোচৰ হয়। অসমৰ ইংৰাজী ভাষাৰ উচ্চ শিক্ষিতসকলৰ সৰহ সংখ্যকেই অসমীয়া সাহিত্য-সংস্কৃতিৰ আলোচনাৰ প্ৰসঙ্গত ইংৰাজী সাহিত্যৰ উদ্ধৃতি দিয়ে, অসমীয়া সাহিত্যিকক নিৰৰ্থকভাৱে তুলনা কৰে ইংৰাজী সাহিত্যিকৰ লগত[১২]। আনকি সেইসকলেই অসমৰ স্থান বিশেষৰ নামকো বিদেশী স্থানৰ নামৰ সৈতে তুলনা কৰে[১৩]। ই অকাৰণ ইংৰাজকে ধৰি বিদেশী প্ৰীতি আৰু অসমীয়াৰ জাতীয় হীনমন্যতাৰে ফল। ইংৰাজী ভাষাৰ উচ্চ শিক্ষিত অসমীয়াসকলে ছেক্সপীয়েৰ ৰচনাৱলীৰ অসমীয়া অনুবাদ কৰাৰ দৰে কামতকৈ বেজবৰুৱাৰ ৰচনাৱলীক ইংৰাজীলৈ ভাঙনি কৰাৰ দৰে কামত বেছিকৈ গুৰুত্ব দিব লাগিছিল। কাৰণ, ছেক্সপীয়েৰক ইংৰাজী পণ্ডিতেই অসমীয়াৰ কাষ চপাই দিছে; অসমীয়াই সেই কাম নকৰিলেও ছেক্সপীয়েৰৰ প্ৰসিদ্ধিৰ হীন-দেঢ়ি নহয়। কিন্তু শঙ্কৰদেৱক অসমীয়াই প্ৰচাৰ নকৰিলে কোনো ইংৰাজে বা আমেৰিকানে আহি আদৰি নিনিয়েহি। আমেৰিকান বেপ্টিষ্ট মিছনেৰীসকল অসমত খ্ৰীষ্ট ধৰ্ম প্ৰচাৰৰ বাবে আহিছিল আৰু তেওঁলোকে সেই উদ্দেশ্যৰ বাটত নানান ত্যাগ স্বীকাৰ কৰিবলগীয়া হৈছিল। অসমীয়া ভাষা-সাহিত্যক অসমৰ বাহিৰত প্ৰচাৰ কৰিবলৈও তেনে এদল অসমীয়া ইংৰাজী-অনুবাদকৰ কৃচ্ছ্ৰ সাধনাৰ প্ৰয়োজন।

অনুবাদৰ প্ৰসঙ্গত দুটা প্ৰশ্নৰ উদয় হয়। প্ৰথমতে, অনুবাদে এখন সমাজৰ সাহিত্য-সংস্কৃতিক আন এখন সমাজলৈ বহন কৰিব পাৰেনে ? এই প্ৰশ্নৰ উত্তৰ ঃ নিঃসন্দেহে পাৰে। বৰং এই দিশত অনুবাদ হৈছে অ-বিকল্প পথ। দ্বিতীয়টো প্ৰশ্ন হৈছে, অনুবাদ হ'লেই এখন সমাজৰ পাঠকে ভিন্ন-ভাষী সমাজৰ সাহিত্যক আদৰি লোৱাৰ নিশ্চিতি কিমান ? এই প্ৰশ্নৰ উত্তৰ বিচাৰি অসমৰ জাতীয় সংস্থা আৰু চৰকাৰৰ কৰ্মসূচী লক্ষ্য কৰিব পাৰি। অসমীয়া সাহিত্যৰ প্ৰচাৰৰ বাবে অসম সাহিত্য সভা বা অসম চৰকাৰে অসমৰ বাহিৰত কি পদক্ষেপ লৈছে ? যদি লোৱা নাই তেনেহ'লে কেৱল অনুবাদ কৰি ছপা কৰি অসমৰ বাহিৰৰ কিতাপৰ দোকানত জমা ৰাখিলেই সেই কিতাপ পাঠকে নি নপঢ়িবগৈ। এনে ক্ষেত্ৰত জাতীয় চৰকাৰ, জাতীয় সংস্থা, বিশ্ববিদ্যালয় পৰ্যায়ৰ উচ্চ শিক্ষানুষ্ঠানৰ দায়িত্ব আছে। শঙ্কৰদেৱ আৰু ৰবীন্দ্ৰনাথৰ সৰ্বভাৰতীয় পৰিচিতিৰ তুলনা কৰি শংকৰদেৱৰ গৰিমা আৰু প্ৰতিভা অসমৰ বাহিৰত প্ৰচাৰ নোহোৱাৰ কাৰণ সম্পৰ্কে এজন ভাৰত বিখ্যাত লেখক-পণ্ডিতৰ বিচাৰ এনে ধৰণৰ ঃ

'তাৰ বাবে মই অসমৰ মানুহক দোষাৰোপ কৰো। অসমৰ মানুহৰ মানত যদি যদি [যথা] শঙ্কৰদেৱ সকলো কালৰ অসমৰ সৰ্বশ্ৰেষ্ঠ ব্যক্তি, তেন্তে তেওঁলোকে তেওঁক সৰ্বভাৰতীয় ব্যাপ্তিৰ মাজলৈ কিয় আনিব নোৱাৰে ? মই ভাবো, অসম চৰকাৰে, অসমৰ বিশ্ববিদ্যালয়ে সেই মহৎ কামৰ দায়িত্ব ল'ব পাৰে। অন্ততঃ দুজন অন্য ৰাজ্যৰ পণ্ডিতক অসমলৈ মাতি আনি কেবাবছৰো ৰাখি তেওঁলোকক শঙ্কৰদেৱৰ বিষয়ে গৱেষণা কৰিবলৈ সকলো সুবিধা দিব লাগে। তেওঁলোকে যাতে কেৱল ভাৰততে নহয় পৃথিৱীতে শঙ্কৰদেৱৰ মহিমা আৰু মহত্ত্ব দাঙি ধৰিব পাৰে। তামিলৰ এজন পণ্ডিতে ৰবীন্দ্ৰনাথৰ বিষয়ে গৱেষণা কৰি ৰবীন্দ্ৰনাথক দক্ষিণ ভাৰতত ব্যাপকভাৱে জনপ্ৰিয় কৰি তুলিছে।'[১৪]

১২। অসমৰ স্কট, অসমীয়া ৱৰ্ডছৱৰ্থ আদি

১৩। অসমৰ স্কটলেণ্ড, অসমৰ নিউজিলেণ্ড আদি

১৪। ইউ. আৰ. অনন্তমূৰ্তি, গৰীয়সী, তৃতীয় বছৰ, ষষ্ঠ সংখ্যা, মাৰ্চ ১৯৯৬

চৰকাৰ আৰু বিশ্ববিদ্যালয়ৰ লগতে এই দিশত অসম সাহিত্য সভাৰ দৰে অনুষ্ঠানৰ ভালেখিনি কৰণীয় আছে। অসম সাহিত্য সভাই 'অসম-তত্ত্ব গৱেষণা কেন্দ্ৰ' প্ৰতিষ্ঠা কৰি অসমত অসমীয়া সাহিত্য-শিল্প-সংস্কৃতিৰ প্ৰচাৰৰ যত্ন কৰাৰ ঠাইত অসমৰ বাহিৰত অসম-চৰ্চাৰ বাবে আলোচনা-চক্ৰ পতা, গৱেষণা পত্ৰিকাত অসমীয়া সাহিত্য-সংস্কৃতি সম্পৰ্কে গৱেষণা-পত্ৰ প্ৰকাশ কৰা আদি কাম হাতত ল'লেহে স্বৰূপাৰ্থত অসমৰ বাহিৰত অসমীয়া সাহিত্যৰ প্ৰচাৰ হ'ব আৰু তেতিয়াহে অসমৰ বাহিৰত অসমীয়া সাহিত্যই প্ৰসাৰ লাভ কৰিব।

অনুবাদকে অনুবাদ কৰিলে, প্ৰকাশকে প্ৰকাশ কৰিলে আৰু দেশে-বিদেশে বহু ধন খৰচ কৰি প্ৰচাৰ কৰিলেই অসমীয়া সাহিত্য অসমৰ বাহিৰত প্ৰচাৰ হ'ব জানো ? ইও এটা প্ৰাসঙ্গিক প্ৰশ্ন। শঙ্কৰদেৱে ৰচনা কৰা 'মধুদানৱ-দাৰণ দেৱ-ৱৰম্' গীতটো[১৫] অবিকল গাই মুম্বাইৰ চিনেমা জগতৰ শিল্পীয়ে ভাৰত বিয়পা প্ৰসিদ্ধি লাভ কৰা, বাংলা ভাষাত বিষ্ণুপ্ৰসাদ ৰাভাৰ গীতে[১৬] সমাদৰ লাভ কৰা আদিয়ে নিশ্চিতভাৱে অসমীয়া সাহিত্য-শিল্পৰ উচ্চ মানৰ কথাকে প্ৰমাণ কৰে। এনে মানবিশিষ্ট সাহিত্য-সম্পদ নিশ্চয় অসমৰ বাহিৰতো প্ৰচাৰিত হৈছে আৰু ভৱিষ্যতেও হ'ব। কিন্তু এনে সাহিত্যিকো আছে যি হয়তো প্ৰচাৰ মাধ্যমৰ চমকেৰেই ভাৰতীয় সাহিত্য বা বিশ্বসাহিত্যত সমাদৰ লভাৰ সপোন দেখি বৰ্তমান ইণ্টাৰনেটৰ যোগেদিও অসমীয়া গ্ৰন্থ প্ৰকাশ কৰিছে, কিন্তু অসমৰ বাহিৰৰ কথা বাদেই, অসমতো বৰ বিশেষ সমাদৰ লাভ কৰা নাই। ইয়াৰ মূলতে নিহিত হৈ আছে সাহিত্যৰ মানৰ প্ৰসঙ্গটো। কেৱল ধন খৰচ কৰিলেই সাহিত্যিক হোৱাটো যিদৰে সুদূৰপৰাহত স্বপ্ন, সেইদৰেই ধনবলেৰে সাহিত্যৰ প্ৰচাৰ চলাই খ্যাতি অৰ্জন কৰাটোও অলীক কল্পনা। ধনৰ প্ৰয়োজন অনস্বীকাৰ্য, কিন্তু ধনৰ লগতে লাগিব উন্নত মূল্যবোধৰ সাহিত্য, গভীৰ জীৱন-জিজ্ঞাসাৰে মথিত সাহিত্য। তেনে নিৰ্বাচিত সাহিত্যকৰ্মৰ অনুবাদ নোহোৱাকৈ থকা নাই। কেৱল সেইবোৰ এটা ধাৰাবাহিক প্ৰক্ৰিয়া হিচাপে হোৱা নাই ; হৈছে বিক্ষিপ্ত অনুশীলন হিচাপে।

'সাহিত্য অকাদেমি' আৰু 'নেশ্যনেল বুক ট্ৰাষ্টে' বহু সংখ্যক অসমীয়া গ্ৰন্থ ভাৰতৰ আন আন ভাষাকে ধৰি ইংৰাজীলৈ অনুবাদ কৰাইছে। কিন্তু সেই ধৰণৰ অনুষ্ঠানে অকল অসমীয়া সাহিত্যৰ হকে কাম কৰিব নোৱাৰে আৰু অসমীয়া সাহিত্যও সেইবোৰ অনুষ্ঠানৰ হাত ধৰি অসমৰ বাহিৰত প্ৰচাৰ হ'ব বুলি ভাবি থকাটো উচিত নহ'ব। তাৰ ঠাইত অসমৰপৰাই সৃষ্টি হ'ব লাগিব অসমৰ বাহিৰত অসমীয়া সাহিত্যক প্ৰসাৰিত কৰাৰ প্ৰয়াস আৰু কাৰ্যকৰী পৰিকল্পনা।

উপৰিউক্ত আলোচনাৰ অন্তত অসমৰ বাহিৰত অসমীয়া সাহিত্যৰ প্ৰচাৰ আৰু প্ৰসাৰৰ হকে কিছু প্ৰস্তাৱ আগবঢ়াব পাৰি। প্ৰস্তাৱসমূহ হ'ল ঃ

১। অসম চৰকাৰ, অসমৰ বিশ্ববিদ্যালয়সমূহ, জাতীয় অনুষ্ঠান যেনে - অসম সাহিত্য সভা, আনন্দৰাম বৰুৱা ভাষা-কলা-সংস্কৃতি সংস্থা আদিয়ে পৰিকল্পিতভাৱে অসমৰ বাহিৰৰ বিভিন্ন ঠাইত পৰ্যায়ক্ৰমে আলোচনা-চক্ৰ, প্ৰদৰ্শনী আদিৰ আয়োজন কৰিব লাগে।

২। দক্ষ ব্যক্তিৰ সমাৱেশ ঘটাই অসম সাহিত্য সভা, প্ৰতিখন বিশ্ববিদ্যালয় (কাৰিকৰী বিশ্ববিদ্যালয়ক বাদ দি), আনন্দৰাম বৰুৱা ভাষা-কলা-সংস্কৃতি সংস্থা আদি অনুষ্ঠানত একোটা 'অনুবাদ কোষ' গঠন কৰিব লাগে আৰু আন ভাষালৈ ভঙা অসমীয়া সাহিত্য গ্ৰন্থ অসমৰ বাহিৰত প্ৰকাশ কৰাৰ ব্যৱস্থা কৰিব লাগে।

৩। যিমান পাৰি সিমান ইণ্টাৰনেটযোগে গ্ৰন্থ প্ৰকাশ কৰিব লাগে।

৪। অসমৰ বাহিৰৰ বিশ্ববিদ্যালয়ক অসমীয়া সাহিত্যৰ প্ৰতিনিধিত্বমূলক গ্ৰন্থ পাঠ্যপুথি হিচাপে অন্তৰ্ভুক্ত কৰিবলৈ অনুৰোধ

১৫। টোটয়। কবিতা পাড়োৱাল নামৰ শিল্পীয়ে গাইছে।
১৬। 'লগ্ন' নামৰ কেছেট ; প্ৰযোজক ঃ হেমৰাজ ৰাভা।

জনাব লাগে।

৫। 'শঙ্কৰদেৱৰ সাহিত্য আৰু দৰ্শন'কে আদি কৰি অসমীয়া সাহিত্য-সংস্কৃতিৰ বিভিন্ন গুৰুত্বপূৰ্ণ দিশত গৱেষণা কৰিবলৈ অসমৰ বাহিৰৰ দেশ-বিদেশৰ গৱেষকক আকৰ্ষিত কৰিব পৰাকৈ লোভনীয় আঁচনি প্ৰস্তুত কৰিব লাগে। এই কাম চৰকাৰৰ পৃষ্ঠপোষকতাতো হ'ব পাৰে আৰু আন আন অনুষ্ঠানৰ স্তৰতো হ'ব পাৰে।

৬। উপৰিউক্ত ধৰণৰ আঁচনিৰ ধনৰ বোজা ব'ব নোৱৰা বেচৰকাৰী অনুষ্ঠানে বিভিন্ন কোম্পানী বা বিত্তীয় প্ৰতিষ্ঠানৰপৰা ধন বা আন আন্তঃগাঁথনিমূলক সহায় ল'ব পাৰে।

৭। ইংৰাজী ভাষাৰ অসমীয়া উচ্চ শিক্ষিতসকলে ব্যাপক হাৰত অসমীয়া গ্ৰন্থ ইংৰাজীলৈ অনুবাদ কৰিব লাগে আৰু বিশেষকৈ অসমত প্ৰকাশিত ইংৰাজী গ্ৰন্থসমূহ ৰাষ্ট্ৰীয়-আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ৰ কাকত আলোচনীত পৰ্যালোচনা কৰিব লাগে।

৮। বিভিন্ন ভাৰতীয় ভাষালৈ অনুদিত অসমীয়া গ্ৰন্থসমূহ সেই সেই ভাষাৰ কাকত-আলোচনীৰ যোগেদি প্ৰচাৰ কৰিবলৈ প্ৰকাশকসকলে উদ্যোগ ল'ব লাগে।

৯। সৰ্বভাৰতীয় বা আন্তঃৰাষ্ট্ৰীয় স্তৰৰ আলোচনা-চক্ৰত অসমীয়া সাহিত্য বিষয়ক গৱেষণা-পত্ৰ পাঠ কৰিবলৈ অসমীয়া পণ্ডিতসকল আগবাঢ়িব লাগে আৰু চৰকাৰে আৰ্থিক সহযোগিতাৰে তেনে কাৰ্যত উদ্‌গনি যোগাব লাগে।

১০। অসমৰ বাহিৰত 'অসমীয়া' পৰিচয় ৰক্ষা কৰি বাস কৰা অসমীয়াসকলে তেওঁলোকৰ সমাজৰ (অনা-অসমীয়া) লোকসকলক অসমৰ সাংস্কৃতিক ঐতিহ্য, অসমীয়া সাহিত্যৰ শ্ৰী আদি সম্পৰ্কে অৱগত কৰিবলৈ ঐকান্তিকভাৱে যত্ন কৰিব লাগে। এনে প্ৰস্তাৱসমূহে যদি সুপৰিকল্পিত আৰু দীৰ্ঘম্যাদী আঁচনিৰ ৰূপ লয় আৰু অসমীয়া মানুহৰ জাতীয় চৰিত্ৰৰো যদি ইতিবাচক পৰিৱৰ্তন হয় তেনেহ'লে নিশ্চয় অতি সোনকালেই অসমৰ বাহিৰত অসমীয়া সাহিত্যই ব্যাপক ৰূপত প্ৰসাৰ লাভ কৰিব।

**সহায়ক গ্ৰন্থ, আলোচনী-পত্ৰিকা, ৱেবছাইট্ আদি ঃ**


১। গোহাঞিবৰুৱা, পদ্মনাথ **মোৰ সোঁৱৰণী**, অসম প্ৰকাশন পৰিষদ, গুৱাহাটী, ১৯৭১

২। নেওগ, মহেশ্বৰ **শ্ৰীশ্ৰী শঙ্কৰদেৱ**, চন্দ্ৰ প্ৰকাশ, টিহু, ১৯৮৭

৩। পাদুন, নাহেন্দ্ৰ **অসমীয়া সংস্কৃতিলৈ জনজাতীয় বৰঙণি** লয়াৰ্ছ, গুৱাহাটী, ১৯৯৩

৪। বৰুৱা, প্ৰহ্লাদকুমাৰ **অসমীয়া চুটিগল্পৰ অধ্যয়ন** বনলতা, ডিব্ৰুগড়, ১৯৯৫

৫। শইকীয়া, নগেন (সম্পা) **জোনাকী** (একত্ৰ সংকলন) অসম সাহিত্য সভা, যোৰহাট, ২০০১

৬। সেন, নীলৰতন (সম্পা) **চৰ্যাগীতিকোষ**, সাহিত্যলোক, কলকাতা, ২০০১

৭। **গৰীয়সী** (সম্পা) চন্দ্ৰপ্ৰসাদ শইকীয়া (একাধিক নিৰ্বাচিত সংখ্যা) সাহিত্য প্ৰকাশ, গুৱাহাটী

৮। **Indian Literature** (Ed.) H.S. Shiva Prakash, N.K. Bhattacharjee etc. (একাধিক নিৰ্বাচিত সংখ্যা) Sahitya Akademi, New Delhi

৯। WWW.assamliv.com

১০। WWW.beautifulassam.com

১১। WWW.sahitya-akademi.org

১২। WWW.nbtindia.org


**বিঃদ্ৰঃ** - ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ ৩০ তম পৰিশীলন পাঠ্যক্ৰমৰ আলোচনা-চক্ৰত পঠিত আৰু আলোচিত।

Real art is the art, that reflects life. One can find in it all the conflicts, struggle, inspirations, victories, defeat and love of life, and all the aspects of human persionality. Real art is the art that does not give false ideas about life. (Nazim Hikmot)

*Collected by Bondipa Borah*

প্ৰবন্ধৰ শিতান

# নাৰী - "মৰ্যদা আৰু স্বাধীনতা"!!!

*কল্পনা সেনগুপ্তা বৰুৱা*

*মুৰব্বী অধ্যাপিকা, হিন্দী বিভাগ*

পৃথিৱীখন এতিয়া এখনি সৰু গাঁৱত পৰিণত হৈছে। গোলকীকৰণৰ প্ৰভাৱ সৰ্বত্ৰ স্পষ্ট ৰূপত বিৰাজমান। পৃথিৱীৰ বয়স যেনেকৈ বাঢ়িল তেনেকৈ বাঢ়িল বিভিন্ন দিশৰ প্ৰগতি। সমাজত পুৰুষৰ সমানে সমানে নাৰীও আগবাঢ়ি গ'ল। ৰাজনৈতিক, অৰ্থনৈতিক, সাংস্কৃতিক আদি সকলো ক্ষেত্ৰতে নাৰীয়ে যোগ্যতাৰ পৰিচয় দিব পাৰিছে কিন্তু তথাপিও নাৰী আজি সুৰক্ষিত নে ? একৈশ শতিকাৰ বিজ্ঞান সাহিত্য, সংস্কৃতি সভ্যতা ; শিক্ষাৰ জয়যাত্ৰাৰ যুগতো নাৰী কিন্তু অৱদমিত। আজিও বোৱাৰী হত্যা, অত্যাচাৰ, শোষণ, শিশুকন্যা ধৰ্ষণ-হনন, কিশোৰী ধৰ্ষণ-হনন আদি সংবাদৰ শিৰোনামাত থাকে। সমগ্ৰ পৃথিৱীতেই নিৰন্তৰে নানাধৰণে নাৰীসকল নিৰ্যাতিত বা অসন্মানিত হব ধৰিছে। ভিন ভিন ঠাইত ভিন ভিন ধৰণেৰে তেওঁলোক নিৰ্যাতিত। এই ক্ষেত্ৰত শিক্ষাহীনতা আৰু আৰ্থিক সামৰ্থ্যৰ কথাও কেতিয়াবা কেতিয়াবা আহি পৰে। প্ৰকৃততে যুগ যুগ ধৰি নাৰী পুৰুষৰ পদদলিতা যেন ভৰিৰ তলৰ কেঁচু, কুমটি হে। মাত্ৰ কিছুমান মাতৃপ্ৰধান সমাজত, যিবোৰক একেবাৰে আদিম মাতৃপ্ৰধান সমাজ বুলি কব পাৰোঁ তেনে সমাজতহে ইয়াৰ ব্যতিক্ৰম দেখা যায় নহলে এনে অৱস্থা সমগ্ৰ পৃথিৱীজুৰি আছে বুলি আমি কব পাৰোঁ।

আমি যদি নাৰী মৰ্যাদাৰ প্ৰাচীন ইতিহাস মেলি চাওঁ তেতিয়া দেখা পাওঁ যে সভ্যতাৰ ইতিহাসত সমাজ সংগঠনৰ উষালগ্নত পুৰুষ আৰু নাৰীৰ মৰ্যদা আছিল সমান। নাৰী তেতিয়া পুৰুষৰ অধীন নাছিল। নিজ নিজ কৰ্মৰ দ্বাৰা তেওঁলোক উভয়ে সমাজত সমান স্থান দখল কৰিছিল। সেই আদিম পুৰুষ সকলৰ কাম আছিল বন্য জীৱ-জন্তু চিকাৰ কৰা আৰু নাৰীসকলৰ কাম আছিল বনৰীয়া ফলমূল সংগ্ৰহ কৰা। চিকাৰী (পুৰুষ) আৰু সংগ্ৰাহিকা (নাৰী) হিচাবে পুৰুষ আৰু নাৰী উভয়ে সমাজক সমপৰিমাণৰ সম্পদ যোগাইছিল, সেইকাৰণে তেওঁলোকৰ মৰ্যদাও আছিল সমান। কাৰণ সেইসময়ত 'খাদ্য বস্তু'ৰেই আছিল একমাত্ৰ সম্পদ। উভয়ে যিহেতু সমান ধৰণৰ সম্পদ সমাজক যোগাইছিল গতিকে সমাজত কোনো হীন বা অৱদমিত নাছিল।

লাহে লাহে সভ্যতাৰ অগ্ৰগতিৰ লগে লগে পুৰুষে বন্য পশু পোহপাল দি সেইবোৰৰ 'গৰাকী' হ'ল। গতিকে দেখা-দেখিকৈয়ে সমাজত নাৰীৰ মৰ্যদা পুৰুষতকৈ হীন হ'ল। পৰবৰ্ত্তী যুগত নাৰী হৈ পৰিল গৃহবন্দী আৰু অৱদমিত। বহু-বিবাহ প্ৰথাৰ বিলুপ্তি সাধন আৰু একবিবাহ প্ৰথাৰ প্ৰচলনক পুৰুষৰ দ্বাৰা নাৰীক পৰাভুত কৰাৰ অন্যতম নিদৰ্শন বুলি ক'লেও ভুল কোৱা নহ'ব। ফ্ৰেডৰিক্স এঞ্জেলচে এই সন্দৰ্ভত অতি সুন্দৰ আৰু বৈজ্ঞানিক বিশ্লেষণেৰে শ্ৰেণী সংগ্ৰামৰ তত্বেৰে উক্ত যুক্তি আগবঢ়াই কৈছিল, একবিবাহ প্ৰথা সন্তানৰ সম্পত্তিৰ উত্তৰাধিকাৰৰ লগত জড়িত। কিয়নো বহুবিবাহ প্ৰথাত নিজৰ সন্তানক চিহ্নিত কৰিব পৰাটো পুৰুষ সকলৰ বাবে সম্ভৱ নাছিল, কিন্তু নাৰী সকলে নিজৰ সন্তানক চিহ্নিত কৰিব পাৰিছিল। সমাজ সংগঠনৰ ইতিহাসে নানা দিশত প্ৰগতি লাভ কৰে। বিশ্বজুৰি নানান

সামাজিক - ৰাজনৈতিক ওলট-পালট হৈ যায় পিছে নাৰীৰ অৱস্থা সদায়েই একেই আছে। পুৰুষ প্ৰধান সমাজত তেওঁলোক কেৱল এটা গুৰুত্বপূৰ্ণ উপাদান হে। তেওঁলোক গৰাকী হব পৰাকৈ তেওঁলোকৰ এখন 'নিজা পৃথিৱী' নাই। পুৰুষ প্ৰধান পৃথিৱীখনত নাৰীৰ দুটা মূল ভূমিকাৰ এটা হ'ল সমাজ স্বীকৃত আৰু আনটো হ'ল সমাজ বৰ্হিভূত। সমাজ স্বীকৃত ভূমিকাত নাৰী গৰাকীয়ে গোটেই জীৱন একনিষ্ঠ ভাৱে এজন পুৰুষৰ জীৱন-সঙ্গিনী হৈ থাকি সম্পত্তিৰ উত্তৰাধিকাৰী সৃষ্টি কৰিব, কৰ্মক্লান্ত, শ্ৰান্ত পুৰুষজনাক ঘৰুৱা সুখ-শান্তি দিব কিন্তু আনটি ভূমিকাত নাৰী হব কেৱল পুৰুষৰ মনোৰঞ্জন আৰু যৌনক্ষুধা নিবৃত্তিৰ উপাদানস্বৰূপ।

বিগত শতিকাৰ ষাঠিৰ দশকত ইউৰোপ, আমেৰিকা আৰু তাৰপাছত বিক্ষিপ্তভাৱে পৃথিৱীৰ আন বহুতো দেশতে 'নাৰীবাদ' বা 'ফেমিনিজিম'ৰ এক প্ৰবল উচ্ছাস আৰু জোঁৱাৰে সমগ্ৰ পৃথিৱীকে টোৱাই গ'ল। সমগ্ৰ পৃথিৱীৰ জনমানসক ই যেন সচকিত কৰি তুলিলে। বিশ্বযুদ্ধৰ পাছত নাৰীৰ নিৰাপত্তা আৰু মৰ্যদা ৰক্ষাৰ যথোপযুক্ত ব্যৱস্থা কৰাৰ দিশত ধনতান্ত্ৰিক সমাজব্যৱস্থা ব্যৰ্থ হয়। সমাজত অপৰিসীম ভোগ বিলাসত লিপ্ত থকা এদল মানুহৰ সুখ-সুবিধা আৰু আৰামৰ বাবে বেছি ভাগ নাৰীৰ কপালত দৈন্যতা আৰু লাঞ্চনাহে প্ৰাপ্য হ'লগৈ।

নাৰীসকল হৈ পৰিল পুৰুষৰ শোষণ আৰু লিঙ্গ বৈষম্যৰ চিকাৰ। পুঁজিবাদৰ বিস্তাৰে নাৰীক সন্তান উৎপাদনৰ যন্ত্ৰৰ লগতে পুৰুষ-ভোগ্য বস্তু হিচাবেহে স্থান নিৰ্ণীত কৰিলে।

বিশ্বায়নৰ ৰংচঙীয়া পোহৰ আৰু বিভিন্ন প্ৰতিযোগিতাৰ 'এন্দুৰ দৌৰ' ত নাৰী যেন দিকভ্ৰমিত হ'ল। পণ্য সভ্যতাৰ বিজ্ঞাপন আশ্ৰয়ী 'মিডিয়া' ই নাৰীক উৎকট যৌন-আবেদনময়ী কৰি নিৰ্লজ্জ ভাৱে ব্যৱহাৰ কৰিলে। বিশ্বায়নৰ যুগত নাৰীক কেৱল মাত্ৰ পুৰুষৰ কামনা চাৰিতাৰ্থ কৰা উপাদান হিচাবে থিয় হবলৈ প্ৰকাৰান্তৰে বাধ্য কৰোঁৱা হ'ল। এইযে নাৰীক বাধ্য কৰোঁৱা কথাটো সেইটো ইমান সুকৌশলেৰে কৰা হ'ল যে নাৰীয়ে বুজিয়ে নাপালে যে তেওঁনো কেতিয়া এটা পণ্য সামগ্ৰীত পৰিণত হ'ল। "বিউটী কনটেস্ট" আৰু 'মডেলিঙ'ৰ চকু চাট্ মৰা গ্লেমাৰকে নাৰীসকলে মৰ্যদা আৰু স্বাধীনতা বুলি ভাবিলে। স্বল্প বসনা, কামোত্তেজক ভঙ্গীমাৰে তেনে নাৰীয়ে কামনাৰ জুই জ্বলাই তুলিব পাৰে, কিন্তু তেনে জুয়ে যদি নৰপ্ৰজন্মক দহন কৰি সমাজক বিপন্ন কৰিবলৈ আগবাঢ়ে তেতিয়াহ'লে মানৱ সমাজত তেনে গ্লেমাৰ প্ৰশংসাৰ যোগ্য নে ? ইয়াকেই আজিৰ নাৰীয়ে স্বাধীনতা আৰু মৰ্যদা বুলিব নে ?

বিজ্ঞাপনৰ জগতৰ বিভিন্ন পণ্য বিক্ৰী যেনে গাড়ী, বিভিন্ন সাজপোছাক, ৰূপচৰ্চাৰ বিভিন্ন সৰঞ্জাম ইত্যাদি ইত্যাদিৰ বিক্ৰী বঢ়াবলৈ নাৰীক আগবঢ়োৱা হৈছে। নাৰী হৈ পৰিছে 'পণ্যৰ বাবে পণ্য'। এয়া হয়তু নাৰীয়ে ভাবিয়ে চোৱা নাই বা বুজিও ভাবিবলৈ মন কৰা নাই কাৰণ নাৰীৰ মানসিক জগতখন 'গ্লেমাৰৰ পৃথিৱী' খনে কৰায়ত্ব কৰি ৰাখিছে। অতি সহজে লাভ কৰিব পৰা নাম, যশ আৰু ধন (Easy money)ৰ লালসাই নাৰীমনৰ সহজ নৈতিকতা, শালীনতা যেন হনন কৰিছে। বোলছবি, বিভিন্ন দূৰদৰ্শনৰ ধাৰাবাহিক, সঙ্গীতৰ "অডিঅ' ভিচুৱেল" কাৰ্যক্ৰমবোৰত নাৰীক প্ৰায় নগ্নকৈয়ে দেখুৱা হৈছে। এনেবোৰ সম্প্ৰচাৰৰ যোগেদি পুনৰ যেন 'আদাম-ইভ' ৰ যুগলৈ মানৱ সভ্যতাক ওভতাই নিবলৈ বিচৰা হৈছে। নাৰী আজি ভুল পথে পৰিচালিত হৈছে। তাৰবাবে নাৰী নিজেও কম দায়ী নহয়। আজি মডেলিঙৰ পৃথিৱীত অসংখ্য নাৰীৰ কোলাহল কিন্তু বৌদ্ধিক জগতখন দখল কৰিব পৰা জাগ্ৰত, আত্মমৰ্যদা সচেতন আৰু স্বাধীন নাৰীৰ 'মিছিল' ক'ত ? নাৰীৰ মৰ্যদা আৰু স্বাধীনতা নাৰীৰ হাতৰ মুঠিতে আছে। সেই বন্ধহাতৰ মুঠি নাৰীয়ে মুকলি কৰিব লাগিব। কথাসাহিত্যৰ সম্ৰাজ্ঞী জ্ঞানপীঠ বঁটা বিজয়িনী মামনি ৰয়চম গোস্বামী, সঙ্গীত সম্ৰাজ্ঞী লতা মঙ্গেঁশকাৰৰ যি সামাজিক মৰ্যদা আৰু মানসিক স্বাধীনতা তাৰ তুলনা অশ্লীলতাৰ প্ৰতীক নগ্নপ্ৰায় বিজ্ঞাপন আৰু মডেলিঙৰ জগতখনৰ সৈতে নাৰীয়ে নিজেই কৰি চাওঁক।

(পূৰ্বে বাতৰি কাকতত প্ৰকাশিত)

প্ৰবন্ধৰ শিতান

# পৰীক্ষা

*মূল হিন্দী - মুন্সী প্ৰেমচান্দ*

*অনুবাদ - কৃষ্ণকান্ত বৰদলৈ (প্ৰবক্তা)*

*হিন্দী বিভাগ*

## এক

দেৰগড় ৰাজ্যৰ মন্ত্ৰী চৰ্দাৰ চুজান সিং বৃদ্ধ হৈ অহাত ঈশ্বৰ ভকতিত লীন হ'বলৈ মন মেলিলে। চৰ্দাৰ চুজান সিং মহাৰাজৰ ওচৰলৈ গৈ বিনতি কৰিবলৈ ধৰিলে। এতিয়া মোৰ অৱস্থাও পৰি আহিল। ৰাজকাৰ্য্য চলাবলৈ শক্তি নোহোৱা হ'ল। ক'ৰবাত ভুল ভ্ৰান্তি হৈ বৃদ্ধ বয়সত দাগ লাগি জীৱন যোৱা কৃতিত্বৰ খ্যাতি মাটিত মিহলি হৈ নাযাওঁক। সেই ভয়তে মই মন্ত্ৰীত্বৰ পৰা অব্যাহতি বিচাৰিছো।

ৰজাই নিজৰ অনুভৱশীল, নীতিকুশল মন্ত্ৰীৰ বৰ আদৰ কৰিছিল। বহুত বুজোৱা হ'ল, কিন্তু যেতিয়া মন্ত্ৰী মান্তি নহ'ল তেতিয়া পৰাস্ত হৈ ৰজাই তেওঁৰ প্ৰাৰ্থনা স্বীকাৰ কৰি ললে। কিন্তু স্বৰ্ত আৰোপ কৰা হ'ল এইবুলি ৰাজ্যৰ বাবে নতুন মন্ত্ৰীৰ সন্ধান চৰ্দাৰ চুজান সিঙেই কৰিব লাগিব।

পিছদিনাখন দেশৰ প্ৰসিদ্ধ কাকত পত্ৰত দেৰগড় ৰাজ্যৰ বাবে এজন সুযোগ্য মন্ত্ৰীৰ আৱশ্যক বুলি বিজ্ঞাপন প্ৰচাৰ হ'ল। যি সদাশয় ব্যক্তিয়ে নিজকে এই পদৰ বাবে যোগ্য বুলি ভাৱে, তেওঁ বৰ্তমান কাৰ্য্যৰত মন্ত্ৰী চৰ্দাৰ চুজান সিংৰ ঠিকনাত যোগাযোগ কৰক। এইটো আৱশ্যক নহয় যে তেওঁ গ্ৰেজুৱেট হওঁক, কিন্তু স্বাস্থ্যৱান হোৱাটো আৱশ্যক। অহংকাৰী, অভিমানী জাতীয় ৰোগী সকল চৰ্দাৰ চুজান সিংৰ ওচৰলৈ কষ্ট কৰি অহাৰ আৱশ্যক নাই। এমাহলৈ প্ৰাৰ্থীৰ খোৱা, থকা আচাৰ-বিচাৰ ইত্যাদিৰ চোৱাচিতা কৰা হ'ব। শিক্ষাৰ কম, কিন্তু কৰ্তব্যৰ অধিক বিচাৰ খোচাৰ কৰা হ'ব। যি জন মহাশয়ে এই পৰীক্ষাত কৃতকাৰ্য হ'ব, তেওঁ সন্মানীয় পদত সু-শোভিত হ'ব।

## দুই

এই বিজ্ঞাপনে গোটেই দেশতে হুলস্থূল লগাই দিলে। এনেকুৱা এটা উচ্চপদ আৰু কোনো প্ৰকাৰৰ বন্ধন নাই ? কেৱল ভাগ্যৰ খেল। শ-শ লোকে নিজৰ নিজৰ ভাগ্য পৰীক্ষা কৰিবলৈ আহি থিয় দিলে। দেৰগড় ৰাজ্যত নতুন নতুন আৰু ৰং বিৰঙৰ বস্ত্ৰৰ সৈতে মানুহ দেখিবলৈ পোৱা গ'ল। প্ৰত্যেকখন ৰেলগাড়ীৰে পৰাই প্ৰাৰ্থীৰ এটা এটা দল নামিবলৈ ধৰিলে। কোনোবা পঞ্জাৱৰ পৰা আহিছিল, কোনোবা মাদ্ৰাজৰ পৰা, কোনোবা নতুন ফেশ্বনৰ প্ৰেমিক, কোনোবা আকৌ পুৰণি আদব কায়দাৰে বিৰাজমান। পণ্ডিত আৰু মৌলবী সকলৰো নিজৰ নিজৰ ভাগ্য পৰীক্ষা কৰাৰ সুযোগ আহি পৰিল। বেচেৰা প্ৰমাণ পত্ৰৰ নামত (certificate) কন্দা-কটা কৰিছিল, ইয়াত এইবোৰৰ কোনো প্ৰয়োজন নাই। নতুন কুৰ্ত্তা পায়জামা আৰু নানা প্ৰকাৰৰ দামী সাজ পাৰেৰে সজ্জিত হৈ পুৰুষ সকলক দেৰগড় ৰাজ্যত ঘূৰি ফুৰা দেখা গ'ল। কিন্তু আটাইতকৈ বেছি সংখ্যা গ্ৰেজুৱেটৰ (স্নাতক ডিগ্ৰীধাৰী)আছিল, কিয়নো প্ৰমাণ পত্ৰৰ বাধ্যকতা নহ'লেও প্ৰমাণ পত্ৰেৰে অন্ততঃ নিজক পৰ্দাৰ দৰে ঢাকি ৰাখিবতো পাৰি।

চৰ্দাৰ চুজান সিঙে এই মহানুভৱৰ আদৰ সৎকাৰৰ বৰ ভাল ব্যৱস্থা কৰিছিল। প্ৰাৰ্থীসকলে নিজৰ নিজৰ কোঠাত বহি ৰোজা ৰখা মুছলমান সকলৰ দৰে মাহবোৰৰ হিচাব-নিকাচ কৰিছিল। প্ৰত্যেকেই নিজৰ জীৱনক নিজৰ বুদ্ধি সামৰ্থ্য অনুসৰি ভালধৰণে প্ৰদৰ্শন কৰিবলৈ চেষ্টা কৰিছিল। মিষ্টাৰ 'অ' যদি ন বজালৈ শুই আছিল, তেওঁ আজিকালি বাগিচাত ঘুৰা-ফুৰা কৰি ঊষাৰ দৰ্শন কৰিছিল। মিষ্টাৰ "ব" ৰ আকৌ হোকা টনাৰ বদ্ অভ্যাস আছিল, কিন্তু আজি কালি গভীৰ ৰাতি দুৱাৰ বন্ধ কৰি আন্ধাৰত ছিগাৰেট হুপিছিল। মিষ্টাৰ 'দ', 'স' আৰু 'জ' য়ে ঘৰত চাকৰৰ ওপৰত ৰাজত্ব চলাইছিল, কিন্তু এই তিনি মহাশয়ে আজিকালি "আপুনি" আৰু "মহোদয়"ৰ বাহিৰে চাকৰৰ লগত বাৰ্তালাপ নকৰিছিল। মহাশয় 'ক' নাস্তিক আছিল, অধিকাৰৰ উপাসক, কিন্তু আজিকালি ধৰ্ম্ম নিষ্ঠা দেখি মন্দিৰৰ পূজাৰীৰ পদচ্যুত হৈ যোৱাৰ আশংকা জাগি উঠিছিল। মিষ্টাৰ 'স'ৰ কিতাপৰ প্ৰতি ঘৃণা জাগিছিল, কিন্তু আজিকালি ডাঙৰ ডাঙৰ গ্ৰন্থ চোৰাত, পঢ়াত নিমগ্ন আছিল। যাৰে সৈতে কথা পাতিব, তেওঁ নম্ৰতা আৰু সদাচাৰৰ দেৱতা যেন অনুমান হৈছিল। শৰ্ম্মাই গভীৰ ৰাতিহে বেদ মন্ত্ৰ পঢ়াত লাগিছিল আৰু মৌলবী চাহাবে নামাজ আৰু ধৰ্ম্মীয় চিন্তাতেই অতিবাহিত কৰিছিল। প্ৰত্যেকেই ভাৱিছিল কেৱল এটা মাহৰহে জঞ্জাল যেনেতেনে পাৰ হৈ যাওক, কাৰ্য্য সিদ্ধি হ'লে কোনে কাৰ খবৰ ৰাখে।

কিন্তু মানৱ জাতিৰ সেই বৃদ্ধ সোণাৰী (গুণ-দোষৰ পৰ্য্যবেক্ষক) বহি চাই আছিল, কোনটো গড়ালত কি হাঁহ লুকাই আছে।

## তিনি

এদিনাখন নতুন ফেশ্বন বাজ সকলৰ মাজত হকী খেলৰ আয়োজন কৰা হ'ল। এই প্ৰস্তাৱ হকী খেলৰ আগ্ৰহী খেলুৱৈ সকলে আগবঢ়ালে। এইটোও এটা বিদ্যা। ইয়াক কিয় লুকুৱাই ৰখা যায় ? সম্ভৱ হ'লে কিছু হাত-ভৰি লৰোৱা যেনো হ'ব। শেষত সিদ্ধান্ত হ'ল, খেল পথাৰ নিৰ্ম্মাণ হ'ল, খেলো আৰম্ভ হ'ল আৰু বলটো কোনোবা অফিচৰ শিক্ষা নবিচী কালৰ দৰে আঘাত পাবলৈ ধৰিলে।

দেৱগড় ৰাজ্যত এইখেল একেবাৰেই নতুন, আশ্চৰ্য্যকৰ আছিল। পঢ়া-লিখা কৰা ভাল ভদ্ৰলোকে দবা আৰু তাচৰ দৰে গম্ভীৰ খেল খেলিছিল। দৌৰা-ধপৰা খেল, ল'ৰা-ছোৱালীৰ খেল বুলি ভৰা হৈছিল।

খেল বৰ উৎসাহেৰে চলি আছিল। আক্ৰমণ কাৰীয়ে যেতিয়া বলটো লৈ তীব্ৰবেগেৰে আগুৱাই যায়, তেতিয়া এনে লাগিছিল যেন ঢৌ হে আগুৱাই আহি আছে। কিন্তু অন্যহাতেদি খেলুৱৈয়ে বাঢ়ি অহা এই ঢৌক এনে ধৰণে বাধা দিছিল যেন লোহাৰ দুৱাৰেহে।

সন্ধিয়ালৈকে এই ধাম-ধুমলীয়া চলি থাকিল। খেলুৱৈ সকল-ঘামত তিতি বুৰি গৈছিল। তেজৰ উষ্ণতা চকু আৰু চেহেৰাত জিলিকি উঠিছিল। ফোঁপাই-জোপাই লেবেজান হৈছিল, কিন্তু জয়-পৰাজয় নিৰ্ণয় নহ'ল।

আন্ধাৰ হৈ আহিল। এই খেলপথাৰৰ কিছু দূৰত এটা দ-নলা আছিল। তাত কোনো দলঙৰ ব্যৱস্থাও নাছিল। পথিক সকলে নলা পাৰ হ'বলৈ পানীয়েদি অহা-যোৱা কৰিব লাগিছিল। খেল এই মাত্ৰ শেষ হৈছিল, খেলুৱৈ সকলে বহি বিশ্ৰাম লৈ আছিল ; তেনেকুৱাতে এজন খেতিয়কে শস্যৰে ভৰপূৰ এখন গৰুগাড়ী লৈ সেই গভীৰ নলাৰ কাষ পালেহি। নলাত কিছু পৰিমাণে বোকা থকাৰ উপৰিও সেই নলাৰ পাৰৰ এচলীয়া অংশ ইমানেই ওখ আছিল যে গৰু গাড়ীখন ওপৰলৈ উঠা সম্ভৱ নহৈছিল। খেতিয়কজনে কোনোবা পাকত গৰুহালকে গালি পাৰিছিল, কোনোবা পাকত চকা জুৰিকে ঠেলিছিল, কিন্তু বোজা অধিক আছিল আৰু বলদহাল আছিল দুৰ্ব্বল। গৰু গাড়ীখন ওপৰলৈ নুঠিছিল আৰু অলপ ওপৰলৈ উঠিছিল যদিও কিছুদূৰ আগুৱাই পুনৰ হোহঁকি তললৈ নামি আহিছিল। খেতিয়ক জনে বাৰে বাৰে জোৰ লগাইছিল আৰু বাৰে বাৰে গালি শপনি পাৰি গৰুহালক কোবাইছিল, কিন্তু গৰু গাড়ীখনে

ওপৰলৈ উঠাৰ নামেই নলৈছিল। বেচেৰাই নিৰাশহৈ ইফালে-সিফালে চায়, কিন্তু সেইখিনিত কোনো তেওঁক সহায় কৰিব পৰা মানুহ দৃষ্টি গোচৰ নহৈছিল। বেচেৰাই গাড়ীখন এৰি ক'লৈকো অকলে যাব নোৱাৰি বৰ বিপাঙত পৰিছিল। সেই সময়তে হকী খেলুৱৈ সকলে হাতত লাঠি লৈ ঘূৰি পকি সেইফালে পাৰ হৈ গৈছিল। খেতিয়কজনে সিহঁতৰ ফালে সেমেকা দৃষ্টিৰে চালে, কিন্তু কাৰোৰে পৰা সহায় বিচৰাৰ সাহস নহ'ল। খেলুৱৈ সকলেও খেতিয়কজনলৈ চাইছিল, কিন্তু চকুমুদি, যত সহানুভূতি নাছিল। তাত স্বাৰ্থ আছিল, অভিমান আছিল, কিন্তু উদাৰতা আৰু বাৎস্যলৰ নাম গোন্ধ নাছিল।

## চাৰি

সেই খেলুৱৈ দলৰে এজন মানুহ আছিল, যাৰ হৃদয়ত দয়া আৰু সাহস আছিল। আজি হকী খেলোতে তেওঁ ভৰিত আঘাত পাইছিল। লেঙেৰিয়াই লেঙেৰিয়াই লাহে লাহে পিচত আহি আছিল। হঠাৎ তেওঁৰ দৃষ্টি গাড়ীখনত নিৰদ্ধ হ'ল। কঁপি উঠিল। তেওঁ খেতিয়ক জনৰ অসহায় চেহেৰা দেখিয়েই সকলো বুজি উঠিছিল। হকীৰ লাঠিডাল কাষত থৈ দিলে। কোট খুলি দিলে আৰু খেতিয়কজনৰ ওচৰলৈগৈ সুধিলে "মই তোমাৰ গৰু গাড়ীখন ঠেলি টিলাটোৰ ওপৰলৈ তুলি দিওঁনে ?

খেতিয়কজনে দেখিলে এজন খামীডাঠ চেহেৰাৰ মানুহ, তেওঁৰ সন্মুখত থিয় হৈ আছে। নতশিৰে ক'লে - অনুমান হৈছে তুমি বহু সময়ৰ পৰা এই ঠাইত গৰু গাড়ী সহ আৱদ্ধ হৈ আছা। ঠিক আছে, তুমি গাড়ীত বহি গৰুহালক খেদোৱা, মই গাড়ীৰ চকা ঠেলিছো, এতিয়াই গাড়ী ওপৰলৈ উঠি যাব।

খেতিয়কজন গৰু গাড়ীত বহিল। যুৰকজনে গাৰ সমস্ত বলেৰে গাড়ীৰ চকা ঠেলিবলৈ ধৰিলে। বোকা বহুত বেছি আছিল। তেওঁ ভৰিৰ গাঁঠিলৈকে বোকাত পোত গৈছিল, কিন্তু সাহস হেৰোৱা নাই। তেওঁ পুনৰায় বল প্ৰয়োগ কৰিলে, সিফালে খেতিয়কজনে গৰু হালক কোবায় চিঞৰিবলৈ ধৰিলে। গৰুহালে সহায় লাভ কৰিলে, সাহস বাঢ়ি গ'ল, সিহঁতে কান্ধ তললৈ ডু-খোৱাই এবাৰ পুনৰায় গাড়ী টনাত, গৰুগাড়ীখন নলাটোৰ ওপৰলৈ উঠিল।

খেতিয়কজন যুৰকজনৰ সন্মুখত কৰযোৰে থিয় হ'ল। ক'লে - "মহাৰাজ আপুনি আজি মোক বচালে, নহ'লে গোটেই ৰাতি ইয়াতেই বহি থাকিব লাগিলহেঁতেন।"

যুৰকে হাঁহিক'লে -"এতিয়া মোক কিবা পুৰস্কাৰ দিবানে?' খেতিয়কজনে গম্ভীৰ ভাৱে ক'লে - ভগৱান নাৰায়ণে বিচাৰিলেমন্ত্ৰীত্ব আপুনিয়েই পাব।'

যুৰকে খেতিয়কজনৰ ফালে দৃঢ়তাৰে চালে। তেওঁৰ মনত এটা সন্দেহ হ'ল, এইজন চুজান নিজেই নহয়তো ? কণ্ঠ মিলিচে, চেহেৰা পাতিও একেই। খেতিয়কজনে তেওঁৰ ফালে তীব্ৰ দৃষ্টি নিক্ষেপ কৰিলে। সম্ভৱ যুৰকজনৰ সন্দেহমূলক ভাৱ খেতিয়কৰূপী চুজান সিঙে উপলব্ধি কৰিলে। মিচিকিয়াই ক'লে - 'গভীৰ পানীত বিচাৰিলেহে মুকুতা পোৱা যায়।'

## পাঁচ

নিৰ্দ্ধাৰিত মাহ শেষ হ'ল। প্ৰাৰ্থীসকলে ৰাতিপুৱাৰে পৰা নিজৰ ভাগ্যৰ ফলাফল শুনিবলৈ ব্যগ্ৰ হৈ আছিল। দিন অতিবাহিত কৰাটোৱেই পাহাৰ সদৃশ হৈ পৰিল। প্ৰত্যেকৰে চেহেৰাত আশা আৰু নিৰাশাৰ ৰং প্ৰতিফলিত হৈছিল। নাজানো আজি কাৰ ভাগ্য ৰবি উদয় হয়। নাজানে, আজি কাৰ ওপৰত লক্ষ্মীৰ কৃপা দৃষ্টি নিক্ষেপ হয়।

সন্ধিয়া সময়ত ৰজাৰ ৰাজদৰবাৰ সজায় পৰাই তোলা হ'ল। চহৰৰ সম্ভ্ৰান্ত আৰু ধনীলোক, ৰাজ্যৰ কৰ্ম্মচাৰী, ৰাজসভাৰ বিষয়ববীয়া, মন্ত্ৰীত্ব প্ৰাৰ্থীৰ দল, সকলোৱে ৰং বিৰঙৰ সাজ পোচাকেৰে সজ্জিত হৈ সভাকক্ষত উপস্থিত হ'ল। প্ৰাৰ্থীসকলৰ হৃদয়ৰ স্পন্দন বাঢ়িছিল।

চুজান সিঙে থিয় হৈ ভাষণ আৰম্ভ কৰিলে - মোৰ মৰমৰ মন্ত্ৰীত্বৰ প্ৰাৰ্থী মহাশয় সকল - এই আপোনালোকক যি কষ্ট দিলো, তাৰ বাবে মোক ক্ষমা কৰি দিব। এই পদৰ বাবে

এনেকুৱা এজন পুৰুষ প্ৰাৰ্থীৰ আৱশ্যক আছিল, যাৰ হৃদয়ত দয়া আৰু লগতে আত্মবল সকলো সময়তে বিৰাজমান। হৃদয় যাৰ উদাৰ, আত্মবলী, সেইজনেই যি জনে বীৰতাৰে সৈতে বিপদত মূখা-মূখি হৈ জয়ী হয় আৰু এই ৰাজ্যৰ সৌভাগ্যৰ বলত আমি এনেকুৱা এজন মন্ত্ৰীত্বৰ প্ৰাৰ্থী লাভ কৰিছো। এনে গুণী পুৰুষ এই সংসাৰত বহুত কম আৰু যি আছে তেওঁ কীৰ্তি আৰু সন্মানৰ উচ্চ শিখৰত পদাৰ্পণ কৰি আছে, তেওঁৰ সামৰ্থ্যৰ ওচৰ আমি চাপিব নোৱাৰো। মই এই ৰাজ্যক, দেশক পণ্ডিত জানকীনাথৰ দৰে সুযোগ্য মন্ত্ৰী লাভ কৰাত অভিনন্দন জনাইছো।

ৰাজ্যৰ কৰ্ম্মচাৰী আৰু সম্ভ্ৰান্তলোক সকলে জানকীনাথৰ ফালে দৃষ্টি নিক্ষেপ কৰিলে। প্ৰাৰ্থী সকলৰ চকু ওপৰলৈ উঠিল, কিন্তু সেই চকুত নাছিল সংকাৰ, সেই চকুত আছিল ঈৰ্ষা।

চৰ্দাৰ মহোদয়ে আকৌ ক'লে - আপোনালোকৰ এই কথা স্বীকাৰ কৰাত একো আপত্তি নাথাকিব, যি জন পুৰুষ নিজেই হকী খেলি আহত হৈও এজন খেতিয়কৰ বোজাৰে ওপচি পৰা গৰু-গাড়ী বোকাৰ পৰা ঠেলি নলাৰ ওপৰলৈ উঠায় দিয়ে। তেওঁৰ হৃদয়ত সাহস, আত্মবল আৰু উদাৰতা বিৰাজমান। এনে ব্যক্তিয়ে দুখীয়া নিচলাক কেতিয়াও হাৰাশাস্তি, শোষণ নকৰিব। তেওঁৰ দৃঢ় সংকল্পই তেওঁৰ বিবেক স্থিৰ কৰি ৰাখিব। তেওঁ লাগিলে ঠগ খাব পাৰে, কিন্তু দয়া আৰু ধৰ্ম্মৰ পৰা কেতিয়াও বিচলিত নহ'ব।

*******

If you make people think they're thinking, they'll love you ; but if you really make them think, they'll hate you (D. Marguis)

Bad officials are elected by good citizens who donot vote (G.J. Nathan)

An ambassador is an honest man sent to lie abroad for the good of his country (H. Wotton)

Man's heart ought not to be set against one another, but sit with one another, and all against evil only. (Carlyle)

*Collected by Bondipa Borah*

প্ৰবন্ধৰ শিতান

# অসমীয়া লোকসাহিত্যত আখ্যানমূলক গীতৰ স্থান

মঃ মাইনুল হুছেইন
স্নাতক ৩য় বৰ্ষ কলা
অসমীয়া বিভাগ

জনসাধাৰণৰ নিভাজ মনৰ মধুৰ ভাৱ ৰাজিৰ মুকুলি প্ৰকাশেই লোক সাহিত্য। অসমীয়া ভাষাত লিখিত সাহিত্য সৃষ্টি হোৱাৰ আগতে মৌখিক সাহিত্যৰ যোগেদি জীৱনৰ সুখ দুখ প্ৰেম প্ৰীতি অভিব্যক্তি সমূহ প্ৰকাশ কৰিছিল। এনে অভিব্যক্তিৰ প্ৰকাশে কালক্ৰমত লোক সাহিত্যৰ ৰূপ লৈছে। অসমীয়া লোক সাহিত্যক ৩টা ভাগত ভগাব পাৰি

১। লোক গীত।
২। ফকৰা যোজনা প্ৰৱজন।
৩। সাধুকথা।

লোক গীতৰ ৩টা ভাগৰ ভিতৰত আখ্যান মূলকগীত হৈছে এটা ভাগ। আন দুটা ভাগ হৈছে অনুষ্ঠানমূলক আৰু বিবিধমূলক।

আখ্যানমূলক গীত বা মালিতা অথবা বেলাড সমূহ অলিখিত সাহিত্যৰ উজ্বল নিৰ্দশন। পৰম্পৰা হিচাপে মানুহৰ মুখে মুখে চলি অহা গীত সমূহেই আধুনিক যুগত লিখিত ৰূপ লাভ কৰিলো আখ্যানমূলক গীতৰ প্ৰধান বিষয় হৈছে দুঃসাহসিক কাৰ্য্য আৰু সুকবিগ্ৰহৰ বৰ্ণনা আখ্যানমূলক গীতৰ বিষয় বস্তুৰ লগত প্ৰেম প্ৰীতি ঘৃণা বিদ্বেশ আদিৰ নিবিড় সম্বন্ধ। আখ্যানমূলক কাহিনী সবহ ভাগেই অবাস্তৱ আৰু অলৌকিক। কিন্তু সুললিত ছন্দ আৰু সুনিপুন বৰ্ণনা ভংগীয়ে মানুহৰ মন সততে আকৰ্ষণ কৰে। আখ্যানমূলক গীত সমূহ প্ৰধানকৈ ৩টা ভাগত ভাগ কৰিব পাৰি -

১। বুৰঞ্জীমূলক
২। কিংবদন্তীমূলক বা জনশ্ৰোতিমূলক
৩। কাল্পনিক

**বুৰঞ্জীমূলক গীত** ঃ অসম বুৰঞ্জীৰ উত্থান পতনৰ দেশ। নিজৰ দেশৰ বাবে সহস্ৰ বীৰ বীৰঙ্গঁনাই নিজৰ প্ৰাণ বিসৰ্জন দিলে। কিন্তু কোনোৱে হয়তো বিশ্বাসঘাতকতা কৰিছে। এই সকলো বিষয়ে অনামি কবি সকলে গীত ৰচনা কৰি এটা সময়ত গাইছিল। মানুহৰ মুখে মুখে বাগৰি আহি লিখিত সাহিত্যত ঠাই পালে। আখ্যানমূলক গীতৰ ভিতৰত বুৰঞ্জীমূলক গীতৰ সংখ্যা অধিক। বুৰঞ্জীমূলক গীত সমূহৰ ভিতৰত উল্লেখযোগ্য গীত সমূহ হৈছে বদন বৰফুকনৰ গীত, হৰদত্ত, বীৰদত্তৰ গীত, মনিৰাম দেৱানৰ গীত, চিকন সৰিয়হৰ গীত মায়ামৰীয়া ৰনুবাৰ গীত ইত্যাদি। বুৰঞ্জীমূলক কাহিনীগীত বিলাকৰ বিষয়বস্তুৰ ৰচনা ৰীতি আদিৰ পৰা অনুমান কৰিব পাৰি যে ইয়াৰ ৰচক অজ্ঞাত যদিও এই ৰচক সকল একেবাৰে নিৰক্ষৰ নাছিল। বুৰঞ্জীমূলক সামাজিক ঘটনা আদি ভালকৈ আতিগুৰি লব পৰা চহা জীৱনৰ মাজৰে অলপ উন্নত ধৰনৰ চহা কবি সকলে ৰচনা কৰা।

বদন বৰফুকনৰ গীত আৰু মনিৰাম দেৱানৰ গীতে অসমৰ দুৰ্যোগ পূৰ্ণ কাল চোৱাৰ সাক্ষ্য বহন কৰে। বদন বৰফুকনৰ গীতটোৰ সংগ্ৰাহক ড° সূৰ্য্য কুমাৰ ভূঞাই গীতটোৰ সম্পৰ্কে এনেদৰে মন্তব্য দিছে

"মানৰ আক্ৰমন আৰু অত্যাচাৰৰ নিচিনা জাতীয় বিপ্লৱত অসমীয়াৰ অন্তৰত যি ভাৱৰ সোঁত বৈছিল তাৰ এটি উজ্বল আৰ্হি এই গীতত ৰৈছে।"

"তাঁতীৰ হাতৰ কাপোৰে ভাগত খন পুৰিলে
তথাপি তাঁতীৰ গা উদী
ঘৃনাই বৰফুকনক মাৰিবলৈ ধনী"
বৰবৰুৱাই ৰাজমাওঁক সুধিলে বুদ্ধি

*বদন বৰফুকন গীত*

সম্পূৰ্ণ ঘৰুৱা ঠাচত বৰফুকন গীতটো এনেকৈ সজোৱা হৈছে যে ঘটনাবোৰ চকুৰ আগত এটা এটাকৈ ঘটি যোৱা যেন লাগে। মনিৰাম দেৱনৰ গীতৰ পৰাধীনতাৰ শিকলি চিঙিবলৈ চেষ্ঠা কৰা কলিতা ৰজা মনিৰাম দেৱানৰ কলিকতা যাত্ৰাৰ পৰা ফাঁচিকাঠত উঠালৈকে কাৰ্য্যৱলী বৰ্ণনা কৰা হৈছে। মনিৰাম দেৱানৰ গীতৰ ৰচনা পদ্ধতি বিহুনামসুৰীয়া প্ৰতিফাঁকি গীতেই স্বয়ং সম্পূৰ্ণ আৰু প্ৰতিফাঁকি গীতে একো একোটা কাহিনীৰ ইঙ্গিত দিয়ে

সোনৰ বোৱা খালি ঐ মনিৰাম
ৰূপৰ বোৱাখোৱাত খালি
কিনো ৰজা ঘৰত আচাৰিলি
ডিঙিত চিপেজৰি লৰি।

জয়মতী কুৱৰীৰ গীতত বৰাহ ৰজাৰ অন্যায় অত্যাচাৰৰ বিৰুদ্ধে সত্যাগ্ৰহী ৰূপে নিৰ্যাতনত জীৱন উৰ্চগা কৰা কাহিনী লিপিবদ্ধ আছে।

সেইদৰে মায়ামৰীয়া ৰনুৱাৰ গীতত মোৱামৰীয়া বিদ্ৰোহৰ বৰ্ণনা আছে। এই গীতটিত মোৱামৰীয়া সত্ৰ সমূহত সংগঠিত হৈ মালৌ পথাৰত বৰ নামঘৰ সমাজৰ সংগঠনে অসন্তুষ্ট প্ৰজাক ৰজাৰ বিৰুদ্ধে মূৰ ডাঙি উঠিবলৈ সুযোগ দিছিল। তদুপৰি মোৱামৰীয়া সকলে যুজলৈ সাজু হোৱাৰ সময়ত তেওঁলোকৰ যি গীত গোৱা হৈছিল তাৰ বিৱৰণ মোৱামৰীয়া গীতত আছে। বুৰঞ্জীমূলক গীতটোৰ প্ৰায় কাৰণ ৰসাত্মক ইতিহাস প্ৰসিদ্ধ চৰিত্ৰ বিশেষৰ কৰুণ পৰিণতি দেখুৱাই এইবিধ গীতৰ উদ্দেশ্য।

**কিংবন্তিমূলক বা জনশ্ৰুতিমূলক ঃ** কিংবদন্তীমূলক বা জনশ্ৰুতি মূলক গীতবোৰ হৈছে কোনো জনশ্ৰুতিৰ ওপৰত ভিতি কৰা বুৰঞ্জীমূলক কাহিনী। কিংবদন্তী মূলক গীতৰ ৰচনা কাল নিৰ্ণয় কৰা টান। এইবিধ গীতৰ ভিতৰত জনা গাভৰুৰ গীতেই প্ৰাচীন। ফুলকোঁৱৰ, মনিকোঁৱৰ আৰু জনা গাভৰুৰ প্ৰাক্ আহোম যুগৰ মনিকোঁৱৰ আৰু ফুলকোঁৱৰ গীত দুটা অসমীয়া জনশ্ৰুতি মূলক গীতৰ ভিতৰত সবাতোকৈ জনপ্ৰিয় আৰু আৰ্কষণীয়। জনা গাভৰুৰ গীতত তিৰি হৈ জনাগাভৰুৱে কিদৰে গৰবৰ ৰজাৰ ৰাজপাত পাইছিল। জনাগাভুৰুৱে তেওঁক বিয়া কৰাৰ কাৰণে বিভিন্ন জন কোঁৱৰৰ পৰীক্ষা লোৱা আৰু শেষত গুপীচন কোঁৱৰে জনকো বিয়া কৰোৱাৰ বিৱৰণ জনাগাভৰুৰ গীতত আছে। 'মনিকোঁৱৰ গীত'ৰ বিষয় বৰ্তি হৈছে শংকলদেউ আদিত ৰজাৰ পুত্ৰ মনিকোঁৱৰ, মনিকোঁৱৰক এদিন গা ধুবলৈ যাওঁতে জলকুঁৱৰীয়ে ধৰি নিলে। সেই সময়ত পত্নী কাচন কুঁৱৰী গৰ্ভৱতী আছিল। আৰু যথা সময়ত এটি পুত্ৰ সন্তান ফুলকোঁৱৰৰ জন্ম হয়। পিতৃৰ অন্বেষনত ফুলকোঁৱৰ ঘৰৰ বাহিৰ হয় আৰু তাৰপাছত কন, পচতোলা লাভ কৰাই ফুলকোঁৱৰ গীতৰ বিষয়বস্তু। শংকলদেউ ৰজাৰ পুতেক মনিকোঁৱৰ অলপো ক্ষতিপূৰ্ণ নাই এবেলা এবেলা ঘোৰোতে এবেলা হেনৰ ৰং চায়।

**'মনিকোঁৱৰৰ গীত' ঃ** ফুলকোঁৱৰৰ গীততকৈ মনিকোঁৱৰ গীততি অলৌকিকতা বেছি। এফালে অলৌকিক আৰু আনফালে ইতিহাসৰ ৰজাঘৰৰ পৰিৱেশ।

গায়নে বায়নে এহেজাৰ পালিৰে
কেকুৰী দুলাতে তুলি

ধনে পচে তুলিক আনি ফুলকোঁৱৰে
মুদৈয়ে পেলালে কাটি।

**কাল্পনিক আখ্যানমূলক গীত ঃ** কাল্পনিক গীতৰ ভিতৰত কন্যা বাৰমাহীৰ গীত আৰু মধুমতিৰ গীত উল্লেখযোগ্য। বাৰমাহী গীত বিশেষকৈ নামনি অঞ্চলত বেছিকৈ প্ৰচালিত। এই গীতত বিদেশত থকা পতিৰ প্ৰতি থকা পত্নীৰ বিৰহ বেদনা আৰু বিৰহ বেদনাত প্ৰকৃতিয়ে কেনে প্ৰভাৱ পেলাইছে তাৰ উল্লেখ আছে বাৰমাহী গীতত বাৰমাহৰ বৰ্ণনা আছে আৰু আছে প্ৰিয় প্ৰিয়ৰ বিৰহ বাৰমাহী গীত কিছুক্ষন হৈছে-

কন্যা বাৰমাহী, সীতাবাৰমাহী, বেউলা বাৰমাহী, কন্যা বাৰমাহী গীত আৰম্ভ হৈছে আহাৰ মাহত, সীতা বাৰমাহী গীত আৰু বেউলা বাৰমাহী গীত আৰম্ভ হৈছে বহাগত। বিভিন্ন ধাতুৰ নৈসগিক পৰিবৰ্তন আৰু শোভাৰ একোটি ফটোগ্ৰাফৰ দৰে চিত্ৰ বাৰমাহী গীতত পোৱা যায়।

## সোনোৱালী জীৱনৰ আদৰ্শ পথ

১) অতি দৰ্পৰ কাৰনে ৰাৱন মৰিল অভিমানৰ কাৰনে কৌৰৱসকলে বিনাশ হল, অতি দানৰ কাৰনে বলিয়ে বান্ধ খালে। সকলোৱে অতিমাত্ৰা গৰ্হিত, নিন্দনীয়।

২) গাধই জিৰনি নোলোৱাকৈ বোজা বয়, জাৰ জহ অনুভৱ নকৰে, সদায় সন্তোষেৰে থাকে। এই তিনিটা গুণ গাধৰ পৰা শিকিব লাগে।

৩) বিদ্যাৰ লগত ৰাজক্ষমতা কেতিয়াও তুলনা নহয়, ৰজাই নিজৰ দেশতহে সন্মান পায়, কিন্তু বিদ্বান লোক সকলো ঠাইতে সন্মানিত হয়।

৪) ধৰ্মৰ সাৰকথা গুনি হৃদয়ত ধাৰনে কৰিব লাগে। আনে যি আচৰন কৰিলে বেয়া লাগে, তেনে আচৰন আনৰ প্ৰতিও কৰিব নালাগে।

৫) বহুতো খাবলৈ ইচ্ছা কৰে, কিন্তু অলপতেই সন্তুষ্ট হয়। গুলেই টোপনি আহে, তৎক্ষণাত সাৰ পায়, প্ৰভুভক্ত বীৰ - এই ছয়টা গুণ কুকুৰৰ পৰা শিকিব লাগে।

প্ৰবন্ধৰ শিতান

# আলোচনী সম্পাদকৰ জৰিয়তে মহাবিদ্যালয় কৰ্তৃপক্ষলৈ এখনি মুকলি আবেদন পত্ৰ।

মাননীয়,

মহাবিদ্যালয়ৰ অধ্যক্ষ মহোদয়ৰ প্ৰমূখ্যে কৰ্তৃপক্ষৰ সমূহ বিষয়ববীয়া আৰু কৰ্মকৰ্তা। প্ৰথমে মই আপোনালোকলৈ মোৰ আন্তৰিক শ্ৰদ্ধা নিবেদন কৰিছোঁ। প্ৰতি বছৰৰ দৰে এই বছৰো আমাৰ মহাবিদ্যালয়ৰ বাৰ্ষিক মূখপত্ৰ খনি প্ৰকাশ পোৱাৰ পথত বুলি গম পাই কৰ্তৃপক্ষলৈ মুকলি মৃবীয়াকৈ এখনি আবেদন পত্ৰ প্ৰেৰণ কৰিছো। ভূল হ'লে ক্ষমা কৰিব।

১৯৪৫ চনতে বৰ লুইতৰ পাৰত তাহানিৰ ডিবুৰুগড় চহৰৰ মাজ মজিয়াত জন্ম লাভ কৰা উজনি অসমৰ এখন ঐতিহ্যমণ্ডিত উচ্চ শিক্ষাৰ প্ৰতিষ্ঠান কানৈ মহাবিদ্যালয়ে তিনিকুৰি বছৰ অতিক্ৰম কৰি বৰ্তমান হীৰক জয়ন্তীৰ বৰ্ষত উপনীত হৈছেহি। অতি গৌৰৱৰ বিষয় যে এনে এখন মহাবিদ্যালয়তে শিক্ষা লাভ কৰি বিভিন্ন জন পণ্ডিতে বিশ্বৰ বিভিন্ন প্ৰান্তত নিজকে প্ৰতিষ্ঠা কৰি গ'ল আৰু বৰ্তমানেও কৰি আছে। আমাৰ এই মহাবিদ্যালয়ৰ পুৰণি যি ঐতিহ্য তাক লৈ সঁচাকৈ আমি এতিয়াও গৌৰাবান্বিত। নকলেও এইটো সত্য যে আমাৰ এই পুৰণি ঐতিহ্য অতদিনে আছে আৰু থাকিবও। এইখিনিতে এটা প্ৰশ্ন আহে যে আমাৰ পুৰণি ঐতিহ্য আছে বুলি দপ্‌দপাই থাকিলেইজানো আমাৰ কিবা লাভ হব ? যদিহে আমি বৰ্তমানেও সেই ঐতিহ্য ধৰি ৰাখিব নোৱাৰোঁ। কলৈ যাব আমাৰ সেই ঐতিহ্য ?

অতি দুখৰ বিষয় যে এনে এখন ঐতিহ্যমণ্ডিত মহাবিদ্যালয়ক যিবিলাক সমস্যাই গ্ৰাস কৰি আছে, সেই সমস্যা বিলাকৰ যদি স্থায়ী সমাধান নহয়, তেনেহ'লে আমাৰ সেই পুৰণি ঐতিহ্য ধৰি ৰখাটো অতি কঠিন হৈ পৰিব।

হয়, আমাৰ মহাবিদ্যালয়ে বৰ্তমান হীৰক জয়ন্তী বৰ্ষত উপনীত হৈছেহি। আমি এই হীৰকজয়ন্তীৰ লগত সংগতি ৰাখি আমাৰ বিভিন্ন সমস্যাৰ স্থায়ী সমাধান কৰিব নোৱাৰোনে ? বিভিন্ন সমস্যাৰ স্থায়ী সমাধান বুলি কওঁতে তলত কথা কেইটালৈ মন কৰিব লাগিব।

১। মহাবিদ্যালয়ৰ ১৯ আৰু ২০ নম্বৰ শ্ৰেণীকোঠাত গৰমৰ দিনত ভালকৈ ক্লাছ কৰিব পৰাকৈ ব্যৱস্থা গ্ৰহণ কৰা।

২। উজনি অসমৰ এখন আগশাৰীৰ শিক্ষানুষ্ঠান হিচাপে মহাবিদ্যালয়ৰ অন্য বিভাগ সমূহৰ লগতে শিক্ষা (Education), সমাজ শাস্ত্ৰ (Sociology) আদি বিভাগ সমূহো আৰম্ভ কৰা।

৩। মহাবিদ্যালয়ত এটা Seminar Hall ৰ ব্যৱস্থা কৰা।

৪। মহাবিদ্যালয়ৰ বন্ধ হৈ থকা ছাত্র নিবাসটো পুনৰ জীৱিত কৰি তোলা।

৫। মহাবিদ্যালয়ত ইনটাৰনেট (Internet)ৰ ব্যৱস্থা কৰা আৰু ছাত্র-ছাত্রীৰ সুবিধাৰ্থে জেৰক্স মেচিনৰ ব্যৱস্থা কৰা।

৬। মহাবিদ্যালয়ৰ খেল পথাৰখন যথোপযুক্ত কৰি তোলা।

৭। মহাবিদ্যালয়ে নিজাববীয়াকৈ এখন কেন্টিন (Canteen)ৰ ব্যৱস্থা কৰা।

ইয়াৰ উপৰি আমাৰ বিভিন্ন সমস্যা আছে যিবিলাক মহাবিদ্যালয় কৰ্তৃপক্ষৰ দৃষ্টিত অধিক স্পষ্টভাৱে ধৰা পৰিব। সেই সমস্যাবিলাকৰ যদি স্থায়ী সমাধান হয় তেনেহ'লে মই ভাবো যে আমাৰ কানৈ মহাবিদ্যালয়ে এখন ঐতিহ্যমণ্ডিত মহাবিদ্যালয় হিচাপে নিজৰ পুৰণি ঐতিহ্য ধৰি ৰখাত যথেষ্ট সফল হ'ব।

হীৰক জয়ন্তীৰ নামত আমাৰ মহাবিদ্যালয়ে বিভিন্ন অনুষ্ঠানৰ আয়োজন কৰিছে ঠিকেই কিন্তু এইবিলাকৰ উপৰিও আমি আমাৰ গৌৰৱময় হীৰক জয়ন্তীৰ নামত মহাবিদ্যালয়লৈ আমূল পৰিবৰ্তন আনিব পাৰিম বুলি মোৰ বিশ্বাস।

মহাবিদ্যালয় কৰ্তৃপক্ষই যদি কথাবিলাক অলপ গভীৰভাৱে চিন্তা কৰে তেনেহ'লে আমি আমাৰ পুৰণি ঐতিহ্য বজাই ৰাখিব পাৰিম। কাৰণ আমি আমাৰ এই পুৰণি ঐতিহ্য বজাই ৰাখিবই লাগিব। এয়ে মহাবিদ্যালয়ৰ কৰ্তৃপক্ষৰ ওচৰত জনাবলগীয়া মোৰ সৰল গোহাৰি।

ইতি

মনোজ দত্ত
অৰ্থনীতি বিভাগ

**মহৎ লোকৰ বাণী**

১) সংসাৰত অন্য বস্তু গাৰ বলেৰে বা ধনেৰে সংগ্ৰহ কৰিব পাৰি, কিন্তু তেনেদৰে জ্ঞান আৰ্জিব নোৱাৰি। জ্ঞান অৰ্জনৰ বাবে লাগে অধ্যয়ন (জনছন)

২) তুমি জীৱনক ভাল পোৱালে ? যদি পোৱা তেন্তে সময় নষ্ট নকৰিবা কাৰণ সময়ৰ ধাতুৰে জীৱন নিৰ্মিত (ফ্ৰেঙ্কলিন)

৩) আন্ধাৰক অভিশাপ দিয়াতকৈ তাত এডাল মমবাতি জ্বলাই দিয়াটোহে প্ৰধান কাম (কনফুচিয়াচ)

৪) সূৰ্য্যৰ পোহৰৰ লেখীয়া পৰিবৰ্তনকো বন্ধু বা শত্ৰু আৰ্শীবাদ বা অভিশাপ সূৰ্যোদয় বা সূৰ্য্যাস্ত হিচাপে লব পাৰি। (উইলিয়াম আৰ্থাৰ ৱাৰ্ড)

প্ৰবন্ধৰ শিতান

# IMPORTANCE OF CULTURE

*Suraj Gogoi*
*H.S. 2nd Year*

**What is culture ?**

The word 'culture' evokes different ideas to our mind and we too speak a lot about our culture. But it is a very difficult job to define culture though we can easily distinguish between a cultured and an uncultured man. A cultured person speaks distinctly, correctly and sweetly so that his words hurt no one. He dresser and walks gracefully so that his bearing is pleasing to the eye. His knowledge of thing is correct and his actions are rational.

But however we may describe a cultured man, we cannot get at the definition of culture as such. Culture is derived from a Latin word which means to till, to workship. It may mean refinement in human conduct and behaviour. But this is not at all that we mean culture when we speak of it in the context of human history.

Culture cannot be defined only with the help of outward manifestations. Some of the noted definations on culture are as follows-

Paul G. Hiebert in cultural Anthropology defines culture as The integrated system of learned patterns of behaviour, ideas and products, characteristic of a given society.

The Random House Dictionary of the English language defines it as - The sum total of ways of living built up by a large group of human beings and transmitted from one generation to another.

On the other hand, The Encyclopedia of Philosophy defines it as - A general state or habit of the mind with close relations to the ideas of human perfection.

So, it is sun that no definition of culture can be pointed out as comprehensive. Rather, culture is a complex phenomenon. It includes everything that humans do, have, think or say collectively in a particular space and time.

**Role of culture in identity**

We come to know the various aspects of culture from our ancestors, families, kins and society. For example - a man is born in a family and so he learns about culture from his parents and the other members of the family.

The Chinese culture, European culture, and the American culture, for instance are different from the Indian Culture. Similarly, the Primitive culture, the culture of ancient Egypt or Greece and Rome were different and distinct, when we look from the point of cultural elements. The cultural elements best includes religion, beliefs, behaviour patterns, institutions, language, customs, the arts, ceremonies, invention, technology,

traditions, other products or human work and thought and the entire way of life.

We know, the personality of each one of us is moulded different hereditary and environmental influences. To a certain extent, all of us may abide by a set of cultural ethics.

It is through culture and our personality we make identity in the world. So, culture counts a lot in our identity.

### Heritage Preservation of culture

It is said, "Respect your culture and the world will respect you. "The statement is absolutely true as we know comparisons are odiour. "We know no two cultures are equal and the essence of every culture is backed by some good practices.

'Luxuries can be bought by money but not culture'. Once we harm our culture it is not that easy to regain back the original shape. So, to maintain the beauty of culture we should try individually.

Firstly, we should respect each other's culture as well as ours in order to presurve culture.

Secondly, we should not wait for western consideration or approvement. Obvious example is of the language Sanskrit, for we gave importance and look down to it as significant only when remarks from the 'west' came that the language Sanskrit has the best pronounciation among all languages.

Thirdly, we should guard our culture among us and try to hold fast to our culture.

### Culture Harmony :

The conflict between the demands of instincts and reason constitutes the basis of the problem of culture. Culture must bring about a concord between these two types of demands and produce a harmonious environment.

Differenciation of culture leads to religious, cultural and national conflicts and to devastating wars. So, in order to save the world from such calamities, people should bring about cultural harmony.

It is not for one man or for one nation to strive for culture. It would need on all out effort to evolve true cultures which will ensure peace and happiness for mankind and make this world a beautiful place to live in.

### মহৎ লোকৰ বাণী

১। কামেই উপাসনা, হাঁহিয়েই জীৱন। যিজনে জীৱনত সুখ আৰু দুখ দুয়োটাকে হাঁহিমুখে গ্ৰহণ কৰিব জানে তেওঁহে জীৱনৰ সৌন্দৰ্য্য উপভোগ কৰিব পাৰে।

*চৰ্দাৰ বল্লভভাই পেটেলে।*

২। জীৱন সংগ্ৰামৰ পদে পদে বাধা নাথাকিলে সংগ্ৰামৰ অৰ্থ কি হ'ল ? সহজে পোৱা একোৱেই তৃপ্তিকৰ নহয়। তৃপ্তি কষ্টসাধ্য প্ৰাপ্তিতহে পোৱা যায়।

*টমাছ হাৰ্ডি।*

প্ৰবন্ধৰ শিতান

# JATROPHA PLANATATION

*Bondipa Bora.*
*B.Sc IInd Year (Botany Dept.)*

Jatropha curcas was the most neglected plant so far. It can grow wildly. Now it has acquired significance, because it can provide raw material for the production of Bio- Fuels. Bio-Diesel is being manufactured in a number of developed countries, who depend on developing countries for supply of raw oil. Due to this, Jatropha plantation is suddenly in lime light. It is the widely talked about plant in the world today.

Most of the soils in India are favorable for Jatropha plantation. The plantation and down stream processing is going to provide large scale opportunities for poorer sections of society.

In arid desert places in Rajasthan in India, there are lage plantations of these, which proves that it can grow well in desert lands.

**Introduction :**

References are found in Ayurved (Indian Medicinal practice) about Jatropha. Plenty of information is available in it, especially about its medicinal value.

Now it is gaining popularity as a sturdy bush which can grow in scanty rain fall areas, and providing rich dividends.

Portuguese seamen brought some varieties of this plant to India from tropical countries of Latin and central America in 16th century. Its origin lies in central America and Africa. Portuguese imported and cultivated this plant in India for its medicinal values. It was propagated all over India only for its medicinal values. Today these grow wildly in all tropical and sub-tropical regions. It has 200 names in different languages and in different parts of the world. This show how far and wide it has spread.

In India it is known by Different names in Regional Languages :

1. Sanskrit : Kanan- Erand, Parvol-Erand
2. Hindi : Bhagirend, Jangli-Erand, safed-Erand.
3. Marathi : Van-Erand, Ran-Erand, Mogli-Erand, Chandra Jyot, Chandri
4. Gujrathi : Ratanjyot, Jamalgota, parshi-Erand, Kala-Erand
5. Telgu : Nepalamu, Paddanepalamu, Adaviya Haralu.
6. Tamil : Kadala Manuku, Rat Manukku
7. Kannada : Kadrala vanakka, Bottada roralu, Mara halu, Karnochi.
8. Odiya : Katta vanakka, kadhala Vanakka, Jahangba
9. Assamese : Bongoli Bhotora.
10. Punjabi : Jumal Golu, Kata Erand.

It is classified under a generic name of Erand. It grows widely as a big tree, or as a cluster of number of bushes, packed very closely, in wild. Whether it is a tree or a bush, it is always green.

These are broad, egg-shaped with a heart shape. Its ends are lobes of 3 to 5 fingers. The periphery of the leaves are cut like saw-teeth. The edges are sharper. The surface of the leaves is extremely soft and sticky. Since the leaves are bitter in taste, no cattle likes to eat it.

Branches of flowers grow a the end of the branches. The central branches generally save female flowers while the outer ones are male flowers. The fruits are 25 mm long and oblong. In the beginning these are green. Number of flowers peak in July/ August and these start ripening in September. Maximum seeds are available in the month of September.

**Climatic condition :**

Most parts of tropical and sub-tropical areas are ideal for Jatropha Plantation. These can grow in areas where minimum rainfall is 500 to 750 mm. However these can grow in desert areas around towns, which can be watered by domestic waste water from towns around these plantations. It can also grow in drought prone areas and where rainfall is scanty. In such areas, the seed production is less. The plant germinates in hot and humid atmosphere. As temperature starts dropping it blooms with flowers and fruits grow in water. It can not tolerate very harsh winter or fog. At the time of start of flowering, atmosphere should be dry with bright sunshine.

Jatropha can bear fruits for 50 years. It can with stand drought for three consecutive years. If the soil is bad and if rainfall is unreliable, these plants need to be watered for first 2 to 3 years. Later on it can survive.°

**Soil :**

It can grow in soft, rocky, sloping soils along a mountain as well as medium fertile lands. These can be grown along canals, water streams, boundaries of crop fields, along the roads, along railway lines. In short, the least fertile lands are best for this plant. However, fertile lands in which water does not accumulate, can also be used for Jatropha plantations.

Highly fertile black cotton soils, which can hold water and alkaline soils are not good for Jatropha plantations.

Once the roots penetrate deeper, Jatropha can tolerate acidic or salty soils.

The soil productivity and fertility is low in the initial stage. It needs to be improved by compost fertilizer, cow dung and other fertilizers. Some micro nutrients are also helpful in improving productivity.

Soils that should be avoided are those containing 10 to 40% sand, 60 to 90% normal soil. These are black in colour, hold water and cracks are found in these soils in summer.

The roots of Jatropha plants are shallow in the beginning, hence these can grow in cracks of rocky mountain slopes.

ক্ষমতা বা শক্তি আহৰণ কৰাটোৱেই অধিকাৰ নুবুজায়। অধিকাৰৰ অৰ্থ হ'ল - নিজৰ হাতলৈ অহা শক্তিৰ জৰিয়তে নিজৰ অস্তিত্ব বজাই ৰখাৰ লগতে আনৰ অধিসন্মান প্ৰদান।

আব্ৰাহাম লিংকন

প্ৰবন্ধৰ শিতান

# INTERNET AND THE PRESENT COMMERCIAL COMMUNICATION WORLD

*Sri Mon Kr. Gogoi*
*B.A. 1st Year*

In the 21st century there has been an enormous amount of discussion about communication process ; personal, group or corporate. Individuals, groups and large and small companies now notice that communications like marketing, planning and accounting, is one of the major components which make an individual or company successful and a business well run and profitable. Correspondence is one of the most important and largest component of communication. This is particularly true of an individual running a small business, where letters often substitute for the effective but more expensive means of communication that hitherto was the prerogative of large companies, that is the use of Internet, multi-media, long-distance calls, telecommunications and so on. This rapid development in the field of telecommunications have made the modern technology tools available to not only large houses but individuals and small business houses too have access to these. Tools like E-mail and the Internet have become household names across the globe. These modern innovations provide means for sending messages and share informations. The messages have to be written in the first place before these can be transmitted. Messages or letters are written for everything from selling products or services to raising capital and establishing and maintaining corporate image.

Internet is one of the most amazing inventions of 21st century in this whole globe. Internet is an acronym for 'INTERNATIONAL NETWORK'. In fact, internet is a huge library of all types of informations like medicines, IT, Maths, commerce etc. Internet or Network can be defined as a communication way between two different systems so that they can share, transfer and exchange informations with one another. The connection can be through fiber optics, microwaves as well as communication satellites. By using a network of computers people, organizations or companies can share their resources even if they are in a for distance, transfer data in a reliable way, save money and time. Networks range from small personal computers (PCs), to large corporate systems. No one knows how large the Internet is, or how networks are hooked into it due to its vast size. Millions of computers terminals are connected to these networks, with over 1,000 computers being added daily. But simply, Internet is a data web, a network of information and ideas, a world wide conduit connecting people. The authority for the technical direction of the internet rests with the internet society (ISOC).

This professional society is concerned with the growth and evolution of the world wide internet, with the way in which the internet is and can be used and with the social, political and technical issues. The internet is used by people because of its educational qualities, far fun, for personal development, for profit which has given rise to e-commerce or Electronic Commerce.

**Generally, there are three patterns of Network :**

i) Local Area Network (LAN) : This type of network sets in a local area like inside an office or institution. Here, computer systems are connected or linked through cables to share the resources.

ii) Wide Area Network (WAN) : A wan covers a large geographical area, often a country or a continent. This kind of network is done using satellites as well as optical fiber cables.

iii) Metropolitan Area Network (MAN) : Basically, it is an expansion of LAN and normally uses similar kind of technology. It may cover or a group of nearby offices, inside a city or between cities.

**Advantages of using Internet :**

i) E-mail or Electronic mail : No doubt, the most common operation on the Internet is the sending and receiving electronic mail. Whether you are using e-mail on a LAN or over the internet, the transmission of the e-mail is the same. Really, this technology tool has brought all very close and saving reams of paper and postage cost too.

ii) Online chatting, shopping, education.

iii) Collecting information on any subject or organisation.

iv) Downloading entertaining movies or musics.

v) Availabity of different softwares, games etc.

In fact, the launch of the www (World Wide Web) coincided with increased government, business and personal interest in the information superhiways. The addition of easy, graphical web browsers, such as Mosaic and Netscape, made it easy for more people to surf (browse) the internet at the same time and brought us todays explosion of interest in exploring the Net. India is one of the developing country which increasing its IT (Information Technology) sector. With the improvement of IT sector India can grow economically as well scientifically. Government now a days plans to increase computer knowledge and computer literate people. These proper plans would be a bright future for our country to grow fast and develop fast.

Cowards die many times before their deaths, the valiant never taste of death but once.

*Shakespeare*

Victory at all costs, victory in spite of all terror,
Victory however long and hard the road may be ; for
Without victory there is no survival.

*Winston Churchill*

প্ৰবন্ধৰ শিতান

# MAMMALS COMMONLY FOUND IN KAZIRANGA NATIONAL PARK

*Bondipa Bora*
*B.Sc. 2nd Year*

| Sl. No. | English Name | Scientific Name | Local Name |
|---|---|---|---|
| 1 | Great Indian One Horned Rhinoceros | Rhinoceros Unicornis | Gorh |
| 2 | Wild Buffalo | Bubalus bubalis | Bonoria Moh |
| 3 | Indian Elephant | Elephas naximus | Hati |
| 4 | Royal Bengal Tiger | Panthera Tigris | Dhekiapatia Bagh |
| 5 | Indian Wild Boar | Sus scrofa | Bonoria Gahori |
| 6 | Indian Gaur | Bos gaurus | Gaur |
| 7 | Swamp Deer | Cervus duvauceli | Dol Horina |
| 8 | Sambar | Cervus unicolor | Hor Pahu |
| 9 | Banking Deer | Muntiacus muntjak | Hugori Pahu |
| 10 | Hoolock or White Browed Gibbon | Mylobates hoolock | Holou Bandar |
| 11 | Hog Deer | Axix porcinus | Khotia Pahu |
| 12 | Cupped Langurior Leaf Monkey | Presbytis pileatus | Tupipindha Hanuman Bandar |
| 13 | Rhesus Macaque | Macaca Mulatta | Molua Bandar |
| 14 | Assamese Macaque | Macaca assamensis | Jati Bandar |
| 15 | Leopard | Panthera pardus | Naharphutuki Bagh |
| 16 | Sloth Bear | Melursus ursinus | Mali Bhaluk |
| 17 | Indian Porcupine | Hystrix indica | Ketela Pahu |
| 18 | Fishing cat | Felis viverrina | Masuoi Mekuri |
| 19 | Jungle cat | Felis chaus | Ban Mekuri |
| 20 | Large Indian Civil | Viverra Zibetha | Johamal |
| 21 | Small Indian Civil | Viverricula Indica | Haru Johamal |
| 22 | Common Mongoose | Herpestes edwardsi | Neul |
| 23 | Small Indian mongoose | Herpestus auropunctatus | Haru Neul |
| 24 | Indian Fox | Vulpes bengalensis | Ram Hial |
| 25 | Jackal | Canis aureus | Hial |
| 26 | Common other | Lutra Lutra | Ud |
| 27 | Chinese Ferret Badger | Melogale moschata | |
| 28 | Rog Badger | Arctonyx Collaris | |
| 29 | Eastern Mole | Talpa micrura | Utonua |

প্ৰবন্ধৰ শিতান

# শিশুৰ সুপ্ত প্ৰতিভাৰ বিকাশ

*প্ৰদীপ শৰ্মা*
*স্নাতক প্ৰথম বৰ্ষ*
*ৰসায়ন বিদ্যা বিভাগ*

প্ৰতিভা হ'ল মানুহৰ আভ্যন্তৰীন এনে এক গুণ যাৰ সহায়ত মানুহ এজনে ভৱিষ্যত জীৱনত কোনো এক কাৰ্য্যক্ষেত্ৰত সফলভাৱে অগ্ৰসৰ হব পাৰে। এই পৃথিৱীত হয়তো এনে মানুহ বিৰল যি কোনো এক ক্ষেত্ৰতে প্ৰতিভাশালী নহয়। প্ৰত্যেকেই একো একোটা বিশেষ ক্ষেত্ৰত প্ৰতিভাৱান। কোনোবা ৰাজনীতিত, কোনোবা খেলা-ধুলাত, কোনোবা পঢ়া-শুনাত; মুঠৰ ওপৰত মানুহ এজনৰ কোনো এখন ক্ষেত্ৰত প্ৰতিভা থাকেই সেয়া নিশ্চিত।

এতিয়া কথা হ'ল প্ৰত্যেক মানুহেই কোনো এক ক্ষেত্ৰত প্ৰতিভাশালী হৈয়ো সফলভাৱে নিজকে প্ৰতিষ্ঠিত কৰিব নোৱাৰাৰ আঁৰত কাৰননো কি ? মোৰ ক্ষুদ্ৰ মগজে ঢুকি পোৱা মতে কেইটামান যুক্তি আপোনালোকৰ চকুত দৃষ্টিগোচৰ কৰাব বিচাৰিছো।

১। প্ৰতিভাৰ সুপ্ত বিকাশৰ আৰম্ভনি হ'ল ঘৰখন। মোৰ মতে সৰু ল'ৰা-ছোৱালীৰ মানসিক বিকাশ আৰম্ভ হোৱাৰে পৰা ঘৰখনৰ দায়িত্ব হৈ পৰে অপৰিসীম। ঘৰখনৰ লগতে ওচৰ-চুবুৰীয়াৰ তথা লগৰ-সমনীয়াৰ সংগও কোনোপধ্যেই নুই কৰিব নোৱাৰি। মুঠৰ ওপৰত খালী হোৱা ধামৰ ভঁৰালৰ দৰে শিশু এটাই হকে বিহকে পৰিবেশৰ পৰা নিজৰ মগজত এটা মচিব নোৱাৰা চাপ বহুৱাই লয়। এই চাপেই গজালি হৈ ফুটি উঠে আৰু এসময়ত ডাঙৰ এজোপা বটবৃক্ষ হিচাপে ডালে পাতে জাতিষ্কাৰ হৈ উঠে।

গতিকে যিদৰে ভাল বীজ এটাৰ পৰা ভাল ফলৰ আশা কৰিব পাৰি ঠিক সেইদৰেই ভাল সংস্কাৰ এখিনিৰ পৰা ভাল মানুহ হিচাপে নিজকে প্ৰতিষ্ঠিত কৰিব পাৰি।

২। পৰিবেশ, ঘৰখন আৰু ওচৰ চুবুৰীয়াৰ সীমাবদ্ধতাও শিশু এটাই যেতিয়া স্কুলৰ মজিয়াত প্ৰবেশ কৰে তেতিয়াই তেওঁলোকৰ মগজুৰ বিকাশ ক্ষিপ্ৰতৰ হবলৈ ধৰে। বিচাৰ বুদ্ধিহীন সৰু ল'ৰা-ছোৱালীয়ে নুফুটা মাতেৰেই উচ্চাৰন কৰে অ, আ, ক, খ . . . . A, B, C, D ইত্যাদি। মাক-দেউতাক আৰু শিক্ষক-শিক্ষয়ত্ৰীৰ তত্বাবধানত শিশুটিয়ে যেন কোনো আও ভাও নুবুজাকৈ মুখস্থ মাতি যায় পাঠ্য পুথিখন। এইখিনিতে শিক্ষক-শিক্ষয়ত্ৰীৰ এটা গধুৰ দায়িত্ব আহি পৰে। এই অৱস্থাত শিক্ষকসকলে শিশুটিৰ প্ৰতিভাক চিনাক্ত কৰি অন্যান্য বিষয়ৰ লগতে শিশুটিৰ অধিক আগ্ৰহ থকা বিষয়টোৰ ওপৰত জোৰ দিব লাগে। ফৰফৰকৈ মুখস্থ কৰিবলৈ জোৰ দিয়াতকৈ সৃজনশীল কামত শিশুটিক মনোনিবেশ কৰাবলৈ যত্ন কৰোৱাটোও শিক্ষকৰে দায়িত্ব। এই ধৰক যেনে কবিতা, গল্প, নাটক ইত্যাদি দেখুওৱা আৰু ইয়াৰ অৰ্ন্তনিহিত সাৰগৰ্ভ কথাবোৰ শিশুটিক উপলব্ধি কৰোৱা। মুঠৰ ওপৰত শাৰিৰীক, মানসিক, বৌদ্ধিক সকলোফালৰ পৰাই শিশুটিক পৰি পুষ্ট কৰাত বিদ্যালয় কতৃপক্ষৰ মাক-দেউতাকতকৈ গুৰু দায়িত্ব অধিক বুলি কলেও হয়তো ভুল কোৱা নহব।

শৈশৱৰ সোণোৱালী দিনবোৰ অথলে যাবলৈ নিদি প্ৰত্যেকটি শিশুকে সফলভাৱে প্ৰতিষ্ঠিত কৰাবলৈ আহক আমিও তেওঁলোকক অনুপ্ৰেৰণা দিওঁ আৰু প্ৰত্যেক এক আদৰ্শ গঢ়ি যাওঁ।

প্ৰবন্ধৰ শিতান

# সমস্যা আজিৰ নহয়

*নিপেন গোঁহাই*
*স্নাতক ১ম বৰ্ষ*

বৰ্তমান সময়ত আমি এখন সু-সভ্য সমাজৰ দাবী সকলোৱেই কৰিছো। কিন্তু কোনখন সমাজৰ ? তাহানি প্ৰকৃতি ৰাজ্যৰ সমাজ নে আজিৰ আধুনিক সমাজ ?

আজি সমাজৰ চাৰিওফালে কেৱল হতাশা আৰু নিৰাশা। দিনক-দিনে কাঠফুলাৰ দৰে বাঢ়ি অহা সমস্যাবিলাক আজিৰ নহয়। জীৱনৰ প্ৰতিটো স্তৰতে ভাবুকি লৈ এনেকৈ আৰু কিমানদিন জীয়াই থাকিম ? আমি আজিও স্বাধীননে ? স্বাধীনতাৰ মিছা আশ্ৰয় লৈ এনেকৈ জীয়াই থাকিব পৰাটো সম্ভৱনে ?

ছিডনি স্মিথে কৈছিল, হতাশাক প্ৰশয় নিদিবা, এবাৰ প্ৰশয় দিলে অভ্যাস হৈ পৰিব। কিন্তু আজিৰ যুগত হতাশাই জীৱনৰ একোটা অংশ হৈ পৰিছে। যিকোনো এটা কামৰ অন্তত আমি পাওঁ কেৱল হতাশ। ই মানৱ সমাজক এনে এটা পৰ্য্যায়লৈ লৈ গৈছে যে মানুহে নিজৰেই যেন অস্তিত্বহীন যেন অনুমান কৰিব ধৰিছে।

ভল্টেয়াৰে কৈছিল, "মানুহ জন্মতেই দুষ্ট নহয়। সি বেমাৰী হোৱাৰ পাছতহে দুষ্ট হয়," আমি অভ্যাসৰ দাস। আমি আজি যি পৰ্য্যায়ত উপনীত হৈছো তাৰো কাৰণ অভ্যাসেই নহয় জানো ? আমাৰ জীৱনত এনেকুৱা খুবেই কম সময় আছে, যিয়ে আমাক পৃথিৱীখনৰ বিফলতা, প্লাৱন আদিৰ পৰা আঁতৰাই ৰাখে।

সময়ৰ গৰ্ভত হেৰাই যোৱা বহুতো সংঘাত, ঘটনা আদিৰ সাক্ষী হৈ ৰৈছে এই সমাজখন? কিন্তু, বৰ্তমান সমাজৰ অন্ধকাৰময় দৃশ্য দেখি মনত প্ৰশ্ন জাগে, ইয়াৰ বাবে কোন দায়ী? আমি নে আমাৰ পূৰ্বপুৰুষসকল?

আজিৰ ছাত্ৰক সুধিলে ক'ব, মই ডাক্তৰ হ'ম, মই অফিচাৰ হ'ম। কিন্তু, কোনেও নকয়, মই মানুহ হ'ম বুলি। এই বাক্য কেইটাতেই বহুতো জটিল প্ৰশ্নৰ উত্তৰ সোমাই আছে। শেষত আকৌ কৈছো "সমস্যা আজিৰ নহয়"।

দূৰৈৰ বস্তু আহৰণ কৰিবলৈ প্ৰানবান কৰাতকৈ সন্মুখত হাতৰ মুঠিত থকাটোৰ সংৰক্ষণ আৰু তাৰ গুৰুত্ব উপলব্ধি কৰিব পৰাটোহে জীৱনৰ প্ৰকৃত উদ্দেশ্য।

*টমাছ কাৰ্লাইল*

প্ৰবন্ধৰ শিতান

# सत्यमेव जयते

*श्री सन्दीप कुमार राय*
*स्नातक तृतीय वर्ष*

स्वतंत्र भारत के अनुठे अस्तित्व को दर्शाता तथा भारतीय इतिहास की गौरवमयी गाथा बँया करता भारत का राष्ट्रीय सुत्र 'सत्यमेव जयते' स्वयं में ही अनेकों गुण संजोये हुए है। 'सत्यमेव जयते' महज एक वाक्य या दो शब्द नहीं बल्कि ये हमारे स्वतंत्र भारत का परिचायक है। ये परिचायक है हमारी भारतीयता का, हमारी राष्ट्रीय एकता का, हमारी संस्कृति का, हमारी प्राचीन स्वर्णीय सभ्यता का।

"सत्यमेव जयते" शान है हर सरकारी दफतरों का, सरकारी विद्यालयों का, सरकारी अस्पतालों का, सरकारी संस्थानों का। इसकी उपयोगिता का बखान करना अत्यन्त ही कठिन कार्य है। "सत्यमेव जयते" साहस और धैर्य का प्रतीक है। जब भी किसी अवरुद्ध सरकारी कार्य की पुर्ति हेतु हमें सरकारी दफतरों की 'परिक्रमा' करनी पड़ती है, दो-तीन जोड़े चप्पले व जुते घीस जाने के पश्चात् जब हमारी सारी अकड़ बाहर आ जाती है, हमारी शौर्यता एवं वीरता घुटने टेक देती हैं। उस समय सरकारी दफ्तरों में उच्च सिंहासन पर विराजमान पदादिकारी के पीठ पीछे दिवाल पर टंगे बड़े से तख्ते पर बड़े-बड़े अक्षरों में लिखा हुआ "सत्यमेव जयते" हमें राहत की सांस देता है। मानो हमारा परिहास करते हुए कह रहा हो, "आगे - आगे देखिये होता है क्या" ? फिर धीरज देते हुए अगली पारी की परिक्रमा के लिए हमारे भीतर पुनः पराक्रम और जोश भर देता है।

हम भी मन ही मन सोचते हैं कि भगवान के घर देर है, अंधेर नहीं। आखिर एक न एक दिन हमारी जीत अवश्य होगी। हम सत्य की राह पर चल रहे हैं। "सत्यमेव जयते" अर्थात् हमारी जीत सुनिश्चित है। हमारा कार्य अवश्य पुर्ण होगा। परन्तु कितने लोगों के अवरुद्ध सरकारी कार्य पुर्ण होती हैं ? ये तो जग जाहिर है।

एक बार जब मैं अपने चचेरे भाई के दाखिले के सिलसिले में एक बड़े ही नामी उच्च शिक्षण संस्थान में पहुँचा तो वहाँ भी 'प्राचार्य' के कक्ष में 'सत्यमेव जयते' लिखा हुआ तख्ता मुझे दिखा। मैंने सोचा, चलो दाखिला तो मिल ही जाएगा, 'सत्यमेव जयते' लिखा हुआ है।

परन्तु पलक झपकते ही मेरे विश्वास की धज्जियाँ उड़ गयी। जब विद्यालय के प्राचार्य ने "डोनेशन" के नाम पर 'सत्यमेव जयते' लिखा हुआ, गाँधीजी के तस्वीर वाले हरे-हरे नोट माँगे। दरअसल, उस दिन मुझे 'स्तयमेव जयते' की महत्ता का आभास हुआ।

मैं भी देर सारा थुक एकसाथ गटक कर मुँह लटकाए वापस अपने घर आ गया। भाई से कहा - तु पढ़-लिखकर कौन सा तीर मारने वाला है ? घर में रहकर

खेतीबारी करना ही ढंग से सीख ले ! कभी भूखा नहीं मरेगा, समझे ? उसने भी "बैल' की तरह 'हूँ' में सिर हिला दिया।

भारत जैसे लोकतांत्रिक देश में "सत्यमेव जयते" की उपयोगिता सराहनीय है। इस देश के नेताजीवीयों के लिए तो ये साक्षात् 'सुदर्शन चक्र' है, जिस प्रकार भगवान श्री कृष्ण "सुदर्शन चक्र" से प्रहार करते थे तो शत्रुओं का विनाश करके ही 'सुदर्शन' वापस लोटता था। ठीक उसी प्रकार जब कोई "नेताजीवी" अपने भाषण के दौरान "सत्यमेव जयते" कहते हुए जोर से चिल्लाता है तथा अपनी दाँयीं भूजा को मुट्ठी बनाकर हवा में जोर से उछाल देता हैं, तो हजारों जनता गर्व से नतमस्तक हो जाती है। भोली और गँवार जनता को यह भ्रम हो जाता है कि हो न हो वह "सत्यमेव जयते" का नारा लगाने वाला कदाचित् "सत्यवादी राजा हरिशचन्द्र" के वंशज तो नहीं ? और इसी भ्रम में जनता रुपी "कामधेनु" अपने वीट (मत) स्वरूप "दुध" से नेताजीवीयों को तृप्त कर देती है।

इस प्रकार नेताजीवी "सत्यमेव जयते" का नारा लगाकर इस देश के कार्यभार को सम्भालने का बीरा अपने पावन हाथों में लेकर शपथ ग्रहण करते हैं।

"नेताजीवी" अपने चरित्र की भाँति देश की शोभा बढ़ाने में "चार-चाँद" लगाने का निरन्तर अथवा प्रयास करते हैं। फिर शुरु होती है "राष्ट्रीय कोष" के वजन को हल्का करने की प्रक्रिया।

तत्पश्चात् आरम्भ करते हैं निंदा करने की प्रक्रिया। भ्रष्टाचार की निंदा करना, आतंकवाद की निंदा करना, देशद्रोहियों की निंदा करना, पिछली सरकार के अनुचित क्रियाकलापों की निंदा करना, कुकुरमुत्ते की तरह दिन ब दिन पनपते और बढ़ते "रिश्वत खोड़ो" की निंदा करना। फिर निंदा करते-करते जनाब को निंद आ जाती है और पंचवर्षीय योजनाओं के पूर्ण होने तक "नेताजीवी" महाराज सुप्त अवस्था में रहते हैं, अर्थात् निद्रा के आगोश में पड़े रहते हैं।

जिस प्रकार रामायण का एक चरित्र "कुम्भकर्ण" छः महीने तक सुप्त अवस्था में रहने के पश्चात् अचानक एक दिन जागृत हो उठता था। ठीक उसी प्रकार हमारे देश के "नेताजीवी" पाँच वर्षो तक "शावासन" की मुद्रा में बने रहने के पश्चात् अचानक "सत्यमेव जयते" का राग आलापता हुआ पुनः जागृत हो उठता है। उसके बाद फिर वही क्रम . . . . , वही सुदर्शन चक्र . . . . . वही "सत्यमेव जयते"।

जिस देश में सत्य बोलने वालों को गोलियों से छल्ली कर दिया जाता है। सत्य की राह पर चलने वालों के हाथो में कोई मरीज अगर उचित चिकित्सा के अभाव में या फिर किसी नवसीखीये डॉक्टर के "एकसपेरीमेंट" के चलते अपनी जान से हाथ धो बैठे तो इशमें आश्यर्य की कोन सी बात है ? परन्तु "सत्यमेव जयते" तब उतनी खोखली और बेजान लगती है, जब उस मृतक के शव के पंचनामा करवाने हेतु तथा उसके शव को सौंपने हेतु उसके आत्मीयजनों से "सत्यमेव जयते" लिखा हुआ "गाँधीजी छाप" हरे-हरे नोट माँगे जाते हैं ?

इससे बड़ी लज्जा की बात क्या होगी जब "सत्यमेव जयते" लिखे न्यायालय में कोई निरपराध व मासुम व्यक्ति अपना जीवन हार बैठे ? दुसरी ओर कोई घोर अपराधी अपने शाख के बतोलत आजाद घूमे ?

প্ৰবন্ধৰ শিতান

# "जीवन दर्शन", - एक चिंतन

*श्री सन्दीप कुमार राय*
*स्नातक तृतीय वर्ष*

ईस्वर ने जब इस संसार की रचना की। इस धरती पर वायु, जल, पेड़-पौधें, प्राणी आदि असंख्य सृजन किया। इन सबके बीच "मानव" उस सृजनकर्ता की अनुपम एवं श्रेष्ठतम रचना है।

मानव अपने बुद्धि से, कर्मो से तथा अपने गुणो के कारण अन्य जीवों से श्रेष्ठ तथा अलग है। परन्तु, मानव आज अपने मानव होने के "मानवीय गूणों एवं मानवीय मुल्यों" को समझ पाने में तथा मानवीय मुल्यों का आँकलन करने में सक्षम् नहीं है। मानव आज निराशा, हताश एंव दिशाहीन जीवन की जीने को मजबुर हैं तथा इसे ही जीना समझते हैं।

वास्तब में जीवन के प्रति उनका नजरिया ही अप्रासंगिक, ऋणात्मक तथा गलत है। मानव जिन्दगी को लेकर अकारण ही दुखी, असंतुष्ट एवं उदासीन रहने का आदि हो चुका है। इसी वजह से मानव आज आत्महत्या करने से भी नहीं संकुचाता। उन्हें लगता है कि उनका जीवन नीरस है, वे जीवन की बोझ मानने लगते हैं। और ईस्वर प्रदत्त इस "मानव जीवन" को बड़ी निर्ममता से नष्ट कर मानो अपने दुखी जीवन से मुक्ति पाने का निरर्थक प्रयत्न करने लगते हैं।

दरअसल सुख और दुख जीवन रुपी सिक्के के दो पहलु हैं। कभी चित्त, कभी पट्ट। कभी सुख तो कभी दुख। ये उतार-चढ़ाव तो जीवन की अनिवार्यता है। जिस प्रकार दिन ढलने के पश्चात् रात्रि का आगमन होता है और रात्रि के समापन के पश्चात् तक हम आनेवाली नयी सुबह का इंतजार करते हैं। ठीक उसी प्रकार सुख के बाद दुख, तथा दुख की बेला में भी आनेवाली नयी खुशियों के स्वागत के लिए तत्पर रहना चाहिए।

जिन्दगी एक ऐसा विषय है, जिस पर कोई भी टिप्पणी करने से पूर्व जिन्दगी को पूरी तरह जीना आवश्यक है। जिन्दगी के हर पहलु को महसुस करते हुए, जीवन के हरेक पल को, हरेक क्षण को जी भर के जीते हुए, इन सभी अनुभवों को एकत्रित करते हुए, सुखों को भोगते हुए तथा दुखों को "कालजयी" की भाँति सहते हुए जिन्दगी की हर खट्टी-मिठी यादों को संजोते हुए हम जीवन की वास्तविक परिभाषा का ज्ञान प्राप्त कर सकते हैं।

अतः इसलिए हमें अपने मानवीय गुणों को पहचानकर, इस "मानव जीवन" का सदपयोग करना चाहिए। जीवन में रस एवं उमंग लाने का हर सफल प्रयत्न करना चाहिए। हर पल खुश रहना चाहिए। अपने हृदय से निराश तथा ऋणात्मक सोच-विचारों को त्यागकर धनात्मक प्रवृत्ति को अपनाते हुए एक नयी सद्विचारधारा के साथ "मानव जीवन" की पुर्णतया जीने के लिए संकल्पबद्ध होना चाहिए।

कहा भी गया है —

"प्रसन्न चित्ते, परमात्म् दर्शनं"। अर्थात् खुश रहने वाला हृदय अर्थात् खुश रहने वाला ईंसान परमात्मा (ईस्वर) का दर्शन पाता है।

প্ৰবন্ধৰ শিতান

# LIFE

*Kokil Rajkhowa*
*T.D.C. 1st Year. Eng(Dept.)*

Life is a wonderful gift of God to man. Man's life is like a two wheel chariot, one wheel being joy and the other sorrow and life swings between these who aspects. God has given man many gifts among them our parents are the most precious. We know that God is present everywhere but he cannot stay all the time with his creatures so. He has given us a mother and she is a replica of the Divine. And if man loses this precious gift he cannot get it back again. So, we should never hurt our parents. We should always try to keep them happy and look after them. Next to our parents is our brothers and sisters. All these constitutes the happiness of one's life.

Everyman wishes to be successful in life but it is not an easy task for the life of man is a continued struggle. In every step there is hardship and struggle man is like a ship facing a storm in the ocean where it finds no way to save it self.

God has given man a heart and this heart is like a bright miror. When a miror breaks it is very difficult to joint it. In the same way when the heart of man's breaks its very difficult to rectify it and so, we should never hurt any one.

Love is a part of man's life. Love can help man to scale the heights of success and it can even destroy him. According to the scriptures when God created man and woman he also filled their heart with love for each other.

Never the less, in this short span of one's life, people desires to live in peace. But it proves to be an illusion. People spend their whole life searching for happiness in and around them, but they fail to get it in their life time. It is only after death that they gains joy, peace and happiness.

Thus, life should be lived at its best.

'What else is Wisdom ? What of man's endeavour or God's high grace, so lovely and so great ? To stand from fear set free, to breathe and wait, To hold a hand uplifted over Hate, And shall not Loveliness be loved for ever ?'

প্ৰবন্ধৰ শিতান

# WATER IS LIFE ! WATER IS DEATH

*Domuk Kardong*

*H.S. 2nd Year (Science)*

Water is one of the most precious elements of life on the planets. Over 70% of the human body is made up of water. A human being can survive without food for several days but water deprivation can kill a person within an matter of hours.

**Why the crises :**

Water cover 70% of the planets but more than 97.5% of the surface water is ocean, which, obviously, is not unseable in industry, agriculture or as a drinking water.

The fresh water on which the world depand represents is mere 2.5% of available water. Population growth, climate changes, over use misuse of water and pollution of available water are the principle causes of the crisis.

**Global effort's :**

International organization like the UN, world bank, UNEP, WHO, UNDP, UNESCO, UNICEF etc and doner organisation from netherland, Swedan and other developed nation concerned with looming problem during the last two decades got together to work concertedly through conferences.

**Not too let yet !**

Of all the planets renewable resources, fresh water may well be the most unforgiving difficult to purify, expensive to transport and impossible to substitute "Water is not like oil"

Conserving water or using water more efficiently polluting less, predently supply and demand and slowing population growth collectively represent the answer of the problem.

Most of all, the world has wake up to the fact that water is a finite and valnerable resource and that we can continue to break the natural hydrolic cycle-water being withdrawn from resourviours and other sources faster than it is replenished only at our peril.

If this steps is not utilized there will be 'Third World War' that is for water.

<u>মহৎ লোকৰ বাণী</u>

সকলো নিয়মৰ মৃত্যু হয়, মাথোঁ মৃত্যু নহয় কিতাপৰ।

বুলৱাৰ লিটন

প্ৰবন্ধৰ শিতান

# A MOTIVATED LIFE

*Dipjyoti Gogoi*
*B.A. 1st Year*

We all wish we had more of it. Motivated individuals seem to have the ability to do anything they set their minds to, plus a bunch of things they may be didn't set their mind to. There are a number of ways we can motivate ourselves to get up and get going on whatever it is we want to do, we just often don't use them. Here are my top ten tips for getting motivated and staying that way. It might not be an easy task, but if I can do it, so can you !

1. **Do something even if you don't feel like it :** There are all kinds of things we don't necessarily want to do but we should anyway. Doing these things even when we don't feel like it shows us just how resilient we really are.

2. **Realistic Goal :** We all have goals we want to accomplish in our lives. Unfortunately, too many of us are looking at the big pictures and ignoring the small details. These small details are the smaller, more realistic goals that go towards the larger picture. By creating goals, you give yourself benchmarks to work for.

3. **Break it down :** Breaking a task down in to smaller pieces can make anything, no matter how difficult, seem a whole lot easier. Rather than seeing one huge task at hand, you'll see several small tasks. This is similar to the previous one but remember that you can even break down those smaller goals further so they won't seem so daunting either.

4. **Prioritize :** Deciding what's important in life is essential to making wise decisions, especially when you are planning on doing something that requires a great deal of motivation and energy. If there's something you feel incredibly motivated to do and it is important to your life, put it at the top of your list.

5. **Take care of yourself :** Taking care of the body and mind are essential to building motivation as well as a balanced, healthy life style. If you feel good inside and out, you'll want to do more.

6. **Identify the WHY :** You've decided you want to do something. Now ask yourself this : Why ? Why do you want to do this ? Write all the reasons down in a list and carry it with you as you work towards accomplishing your tasks.

7. **Take a Break :** Getting tired ? Motivation disappearing ? Take a break ! It's okay to take periodic breaks from any task. Taking a short

break will energize you and get you ready to get back up and at it.

8. **Optimism :** Be optimistic ! surrounding yourself with happy, optimistic people will make building motivation all easier. Positivity will help to keep those negative thoughts that destroys our motivation away from your thought process.

9. **Lists, Lists, Lists :** Putting things down in writing helps us most. You can write down your tasks in order you're going to do them, all of your goals in general, when you want to do them, how you want to do them and the rewards with which you'll treat yourself when you accomplish them.

10. **Reward Yourself :** When you accomplish something don't forget to give yourself a pat on the back. Whether its in the form of a favourite snacks, a shopping trip, a movie, or whatever trickles your fancy, no matter what it is as long as its something that makes you feel good about what you've managed to do YOU DESERVE IT !!

## মহৎ লোকৰ বাণী

১) আত্ম শক্তিৰে আত্মৰক্ষা নকৰিলে আন কোনেও তোমাক ৰক্ষা নকৰে।

*অম্বিকাগিৰী ৰায়চৌধুৰী*

২) যদি সুখী হবলৈ বিচাৰা তেন্তে ক্ষমা কৰিবলৈ শিকা

*মাদাৰ টেৰেছা*

৩) আমাক গঢ় দিয়ে আমাৰ চিন্তাই। সেই কাৰনেই চিন্তা কৰিবৰ সময়ত খুব সাৱধান হব লাগে। শব্দবোৰ গৌন। চিন্তা এটা জীৱন্ত সত্তা, সি বহু দূৰলৈ ভ্ৰমণ কৰে।

*স্বামী বিবেকানন্দ*

৪) মানুহে আপোনাৰ বিষয়ে কি ভাৱে ভাৱিবলৈ দিয়ক। যি কাম আপুনি উচিত আৰু সঠিক বুলি ভাৱে সেই কামকে কৰক। প্ৰশংসা বা অপমানৰ চিন্তা কৰিব নালাগে।

*পাইথা গোৰাছ*

৫) যাৰ দুই চকু ফুটিলে তেওঁ অন্ধ নহয়। যি নিজৰ দোষ চাকি আনৰ দোষ খুচৰি ফুৰে তেওঁহে প্ৰকৃত অন্ধ।

*মহাত্মা গান্ধী*

৬) এজন শিক্ষকে কৰিব নোৱাৰা কাম এগৰাকী আৰ্দশ মাতৃয়ে অকলেই কৰিব পাৰে।

*জৰ্জ হাৰ্বাট*

প্ৰবন্ধৰ শিতান

# PRESENT SITUATION OF OUR SOCIETY

*Manoj Shah*
*B.Sc. 1st Year*
*Zoology Dept.*

He is almost useless to speak out about the present sceneries of our society. Man has degraded and demoralized so much that he can't even realize where he has reached. Self-centric and passionate unrudely nature of man is the main factor of his own catastrophe. For this reason personal life and social life of men are full of different kinds of problems and distress.

Presently, man has completely forgotten the meaning of life. They have been so much worthy that they have no time to think about lifelism. We have forgotten the doctrine of it. Jawaherlal Nehru, "Live and let live". Dr. S.N. Radhakrishnan says "Being and becoming Justifically is life." We want to achieve by any means whatever we like and this is our life. We do not follow the rule and regulation of morality and natural justice to ourquence of selfish desireness. We even do not hesitate to harm others to fulfill our unfaired need. Now-a-days men are doing business with the life of his fellow creature. Men are sold and brought for money. Are these modernization civilization ? His very pathetic to think that how much we have been degraded.

We have been so much money centric and luxurious that we only want ourself comfort. We have no time to think about other. We have no time to sympathy other, we have no compassion to our fellow creature. We are on the verge of loss of human quality. Humanity is not valued. We are ever ready to do anything for money. It necessary crime too. We have forgotten simple living and high thinking. Simplicity has no place in the present era. Simplicity is regarded as foolishness.

If this kind of situation continue is our society, gradually our society will turn into the society of animals.

East, West, North, South where so ever we go we sec only panic and panic. There is no place anywhere we do not understand the value of peace. We have been accustomed with unruly life. We have been devoid of common sense of ideal life peaceful life. Everywhere bomb-blasting, murder, plundering, rape etc are going on in full swing. Now-a-days all these are common things. It is nothing for modern people. Nothing can be solved in blood and envy. We have to solve our problem peacefully. We are to develop ourself and our society peacefully. If we don't value peaceful life ideal life, we will invite our own devastation.

প্ৰবন্ধৰ শিতান

# THE NATIONAL CADET CORPS (THE N.C.C.)

*Kukil Kumar Konch*
*B.Sc. 1st Year*

The National Cadet Corps was formed by the the Government with a view to the necessity for having a second line of defence. If India is unfortunately invaded by any enemy, her regular army will be required to fight with the enemy on the battle front and expel them from our territory. But the home front may at that time be left unprotected. Hence, the Government felt the necessity for having a second line of defence and thus N.C.C. took its birth. And now, after all those years N.C.C. has come a great way. In most of the colleges it is now practically made compulsory for all physically fit college students to join N.C.C. and undergo training under this scheme.

The N.C.C. has three wings - the Air Wing, the Army Wing and the Navy. Under this scheme many schools and colleges were then called upon to form cadet corps in their respective schools and colleges. Boys and girls cadets are given training. This training includes regular parades and drills, firing practice, etc. Classes are also held for theoretical lessons about the subject. The teachers and the cadets are given military outfit. The expenses are borne by the Government. "Unity and Discipline" is the motto of N.C.C. The regular parades helps the cadets to remain physically fit and disciplined. The various trainings helps them to build up their character. It brings out their leadership qualities.

There are two divisions of the cadets - the junior division and the senior division. The junior division is confined only to school. But college students are the senior division.

One special feature of the N.C.C. is the annual camping of the cadets. Every year cadets of both divisions have camping in separate places for a fortnight. This helps them to gain experience of outdoor camp life. Here they undergo training under military officers. The teachers who are trained for the purpose accompany them. The cadets of different units mix together. Besides regular parades, they have games and sports. They are also prizes like best cadets, etc. These are also other opportunities like scholarships, Vir Chilarai awardes etc. These help the cadets to develop the spirit of self help and the sense of responsibility.

Cadets also perform useful service to society by organizing awareness programmes on special occasions like World Environment day, World Anti-Tabacco day, World Aids day, etc.

Many of these cadets may later get opportunities to join the regular forces. Their previous training as members of the N.C.C. will help them greatly to become officers in the regular defence forces. They will thus grow up to be useful citizens to defend to freedom of the country in time of need. Long live N.C.C. Jai Hind.

কথোপকথন

# খগেন মহন্তৰ সৈতে হোৱা এটা অন্তৰঙ্গ আলাপ

অসমৰ এজন প্ৰখ্যাত কন্ঠশিল্পী তথা সুৰকাৰ খগেন মহন্তক যোৱা ইংৰাজী ২০মে' ২০০৭ তাৰিখে আমি তেখেতৰ গুৱাহাটীৰ নিগাজি পামস্থিত বাসগৃহত লগ ধৰিছিলো। তেখেতৰ সৈতে হোৱা কথোপকথনৰ একাংশ পাঠক ৰাইজৰ আগত দাঙি ধৰা হ'ল।

১। আপোনাৰ শৈশৱ আৰু কৈশোৰ ক'ত কেনেদৰে পাৰ হৈছিল জনাবনে ?



☞ মোৰ শৈশৱ পাৰ হৈছিল অসমৰ কেইবাখনো ঠাইত। মোৰ পিতৃ নগাওঁৰ আমতলা গজলা সত্ৰৰ সত্ৰাধিকাৰ আছিল আনহাতে ইংৰাজ চৰকাৰৰ অধীনৰ বন বিভাগৰ উচ্চ পদস্থ বিষয়াও আছিল। সেই সুত্ৰে আখৰ লিখিবলৈ শিকাৰ আগতে দেউতাৰ লগত অসমৰ কেইবাখনো ঠাইত থাকিবলগীয়া হৈছিল। তাৰ ভিতৰত মোৰ মনত পৰে তাহানিৰ শদিয়া, যিখন ব্ৰহ্মপুত্ৰৰ বুকুত বিলীন হৈ পৰিল, তাহানিৰ ডিব্ৰুগড়ৰ আমোলাপট্টি, তেজপুৰ ইত্যাদি ঠাইত। জন্মগ্ৰহণ কৰিছিলো নগাওঁ টাউনৰ বন বিভাগৰ কোৰাৰ্টাৰত ১৯৪২ চনৰ শাওণ-ভাদ মাহৰ সংক্ৰান্তিত। পঢ়াশালি আৰম্ভ কৰিছিলো তেজপুৰ প'লফিল্ডৰ L.P. স্কুলত। তাৰ পৰা আহি আমাৰ পৰিয়ালটো নিগাজীকে থাকিবলৈ ললে নগাওঁৰ আমোলাপট্টিত। তাতে মোৰ সম্পূৰ্ণ শৈশৱ আৰু কৈশোৰ পাৰ হ'ল।

২। সংগীত ক্ষেত্ৰলৈ অহাৰ আঁৰত অনুপ্ৰেৰণা ?

☞ সংগীত মোৰ কাণলৈ আহিছিল মাৰ গৰ্ভতে। অনুপ্ৰেৰণা বুলি ক'লে ঘৰতে পাইছো। মা, দাদা সংগীত পাৰ্গত। অভিনয় ক্ষেত্ৰত দাদা, বাইদেৰ শাস্ত্ৰীয় সংগীতত পাৰ্গত। সৰুৰে পৰা খোল, শাস্ত্ৰীয় সংগীত শিকিছিলো। সেইবিলাকেই আছিল অনুপ্ৰেৰণা।

৩। জীৱনত আনুষ্ঠানিকভাৱে প্ৰথম গোৱা গীতটো কি ?

☞ প্ৰথম শ্ৰেণীত পঢ়ি থাকোতে, স্কুল ইঞ্চপেক্টৰ অহাৰ দিনা সত্যনাথ বৰাৰ কথা আৰু মিত্ৰদেৱ মহন্তৰ সুৰেৰে "আজি মজাচে পেটোৰা পেট ভৰাই খা"।

৪। বৰ্তমান অসমত যথেষ্ট ন-ন কণ্ঠশিল্পীৰ আবিৰ্ভাৱ হৈছে? এওঁলোকৰ ভৱিষ্যত সম্পৰ্কে আপোনাৰ ধাৰণা ?

☞ বৰ্তমান অসমত বহু ন-ন শিল্পীৰ আবিৰ্ভাৱ হৈছে। তাৰে

কিছু সংখ্যকৰ সম্ভাৱনাপূৰ্ণ প্ৰতিভা দেখা গৈছে। তেওঁলোকে নিষ্ঠাৰে ব্ৰতী হৈ থাকিলে আমি জাতিটো লাভবান হব পাৰো।

৫। কোনবোৰ ভাল গীত, যিবোৰৰ বিক্ৰী বেছি ? নে ভাল গীত হ'বলৈ আৰু কিবা বিশেষ সম্পদৰ দৰকাৰ ?

☞ ভাল গীত ভালেই। ব্যৱসায়ীক ভিত্তিত নিশাটোৰ ভিতৰতে বহু বিক্ৰী হোৱা মানেই ভাল নহবও পাৰে। এই ধৰণৰ কাৰবাৰহে সম্প্ৰতি বেছিকৈ হ'বলৈ লৈছে। ই কেতিয়াও শুভ হ'ব নোৱাৰে।



৬। অসমত বৰ্তমান উদ্‌যাপিত সহস্ৰাধিক বিহু সন্মিলনে 'বিহু' উদ্‌যাপিত কৰে। তেনেকৈ বছৰি যথেষ্ট সংখ্যক বিহুনাম (গীত)ৰ কেছেট বজাৰত ওলায়। এইবোৰে দৰাচলতে বিশুদ্ধ ৰূপত বিহুক প্ৰতিনিধিত্ব কৰিবলৈ সক্ষম হোৱা বুলি ভাবেনে ?

☞ প্ৰতিটো জাতি, উপজাতি, জনগোষ্ঠীৰে লোক সঙ্গীতত নিজস্ব বৈশিষ্ট্যপূৰ্ণ তাল-মান-ছন্দ আৰু সুৰৰ ধাৰা থাকে। তাৰ লগতে নৃত্যৰ অংগ সঞ্চালন থাকে। সেইবোৰ ৰক্ষা হৈ থাকিলেহে জাতিটোৰ কৃষ্টিৰ বৈশিষ্ট্য ৰয়। সেইবোৰ ভেটিত থাকিলেহে "ফিউচন্" কৰিলেও আপত্তি নাথাকে। ফিউচন, কন্‌ফিউচন নোহোৱাই বোধকৰো ভাল। ভেটি উচন হলে কি থাকিব ? সম্প্ৰতি সৰহ সংখ্যক বিহুনাম ধাৰী কেছেটত ঢোল-তাল বজোৱাৰ বাহিৰে সুৰ, গতি, ছন্দ, কথা আদিত প্ৰায়েই অসমীয়া ভেটি উচন হোৱা পৰিলক্ষিত হৈছে বুলি বিভিন্ন পণ্ডিত সভাজনে মত প্ৰকাশ কৰিবলগীয়া হৈছে। যি সকলৰ লগতে আমিও সহমত প্ৰকাশ কৰিছে।

৭। বৰ্তমান ভাৰতীয় উচ্ছাংগ সংগীত আৰু লোক সংগীতৰ ঠাইত পশ্চিমীয়া সংগীতৰ চৰ্চা বেছিকৈ হোৱা দেখা গৈছে ? যিখিনি হৈছে, সেইখিনি সকলো ক্ষেত্ৰতে সুস্থ অনুশীলন হৈ ৰোৱা নাই। এনে অৱস্থাত আমাৰ 'নিজৰ' গীত-মাত বোৰৰ ভৱিষ্যতক লৈ বহুতে সন্দেহ প্ৰকাশ কৰিছে। আপোনাৰ মত ?

☞ উচ্চাংগ সংগীতৰ চৰ্চা অসমত বাঢ়িছে আনহাতে লোকগীত মাতৰ প্ৰতিও ৰাইজৰ পুৰ্বতকৈ আস্থা বাঢ়িছে। পশ্চিমীয়া সংগীতৰ সুস্থ শিক্ষাই আমাক সহায়হে কৰিছে। কিন্তু দুৰ্বল অনুকৰণে আমাক সামাজিকভাৱে দুৰ্বল কৰে। পশ্চিমীয়া সংগীতৰ সুস্থ শিক্ষাতকৈ দুৰ্বল অনুকৰণ আমাৰ ইয়াত বাঢ়িছে। মই কেশৱ মহন্তৰ গীততে গাইছো "ভৰ বাৰিষাৰ কোবাল সোঁতত উটি অহা ফেনবোৰ / লক্ষ হীনৰ বিফল দম্ভ / তালে ভয় নাই মোৰ / মোৰ আনন্দত অনন্ত সোঁতৰ চন্দ্ৰত / মই অন্তৰ মিলাও তাৰে।

৮। আপোনাৰ সহধৰ্মিনী অৰ্চনা মহন্তও এগৰাকী সাৰ্থক শিল্পী। আপোনাৰ জীৱনলৈ অৰ্চনা বাইদেৱ যদি নাহিলহেঁতেন। তেনেহলে আপোনাৰ সংগীত যাত্ৰা আজিৰ পৰ্য্যায় পালেহিহেঁতেননে ? (আপোনালোকৰ নাম দুটা পৃথকে পৃথকে লোৱাটো বৰ টান। ক'ৰবাত যেন ছন্দপতন হয়। সেয়েহে এইটো প্ৰশ্ন)

☞ এইটো ঠিক যে আমাৰ দুয়োৰে নাম দুটা পৃথকে পৃথকে

নোলোৱাটো প্ৰায় ৩৫ বছৰেই হ'ল। কোনোবা এক ভিতৰুৱা ঠাইলৈ গ'লে তাত আমাৰ গাড়ীখনৰ ওচৰলৈ আহি ল'ৰাবিলাকে এওঁক প্ৰশ্ন কৰে "বাইদেৱ আপুনি খগেন মহন্তৰ অৰ্চনা মহন্ত নেকি ? ইয়াৰ পৰাই প্ৰকাশ পাই মোৰ জীৱনত তেওঁৰ কিমান গুৰুত্ব। সিজন ইজনৰ পৰিপূৰক।

৯। কোন গীতিকাৰৰ গীত গাই আপুনি আটাইতকৈ ভাল পায় ?

☞ আমাৰ বচা বচা একুৰিৰো অধিক গীতিকাৰৰ গীত গাইছো। কিন্তু আটাইতকৈ ভাল পোৱা কথা কবলৈ গলে সম্প্ৰতিকালত আমাৰ কটকটীয়া সকলৰ পৰৱৰ্তী কালৰ গীতিকাৰ কেশৱ মহন্ত আৰু ৰুদ্ৰ বৰুৱা।

১০। আপোনাৰ দৃষ্টিত আপোনাৰ সমকালীন অসমীয়া সৰ্বশ্ৰেষ্ঠ কণ্ঠশিল্পী কোন ?

☞ মোৰ সমকালীন আৰু অনুজ ভালেকেইজন শিল্পীয়ে বৰ নিষ্ঠা, আন্তৰিকতাৰে গীত-মাত গাই আছে। এজনৰ নাম লয় আন এজনৰ নাম নললে মোৰ অপৰাধ হ'ব।

১১। গীত এটা গাবৰ পৰত গায়কজনে গীতৰ ভিতৰচৰাত প্ৰৱেশ কৰিব পাৰিব লাগে। কেৱল সুৰ কৰি শব্দবোৰ উচ্চাৰণ কৰি গলেই নহয়। আপুনি একমতনে ?

☞ প্ৰশ্নটোটে আপোনালোকে উত্তৰ সন্নিৱিষ্ট কৰি থৈছে। মই এতিয়ালৈকে প্ৰায় ৫৬ বছৰকাল মঞ্চত গীত গাই আছো। গাবৰ পৰত গীতিকাৰ জনৰ নাম ঘোষণা কৰি গীতটো গাবলৈ আৰম্ভ কৰা মুহূৰ্ত্তৰ পৰাই মই গীতটো মোৰ নিজৰ ৰচনা বুলি ভাবো।

১২। সম্প্ৰতি দূৰদৰ্শনকে ধৰি বিভিন্ন টি-ভি চেনেলে সংগীত, নৃত্যৰ প্ৰতিযোগিতা পাতি শিশুৰপৰা যুৱক-যুৱতীলৈ এচামক খুব ব্যস্ত কৰি তোলা দেখা গৈছে। এনে প্ৰতিযোগিতাই ভাল শিল্পী উলিয়াব পাৰিছেনে ? বিশেষকৈ অসমীয়া সংগীতৰ ক্ষেত্ৰত ?

☞ এই প্ৰতিযোগিতা সমূহৰ এটা যোগাত্মক দিশ হ'ল যে কিছুমান লোকে তেওঁলোকৰ প্ৰতিভা বিকাশ কৰিব পাৰে। কিন্তু সংগীত বিদ্যালয় বা বিভিন্ন টি.ভি চেনেলে সংগীতকাৰ বা শিল্পী সৃষ্টি কৰিব নোৱাৰে। এইবোৰে শিল্পী প্ৰতিভা এটা উলিয়াই আনিব পাৰে।

১৩। ভৱিষ্যতৰ অসমীয়া সমাজত আপুনি কি পৰিচয়েৰে জীয়াই থাকিব খোজে ?

☞ অসমীয়া কৃষ্টিক বিশেষকৈ সংগীত, ইয়াৰ বৈশিষ্ট্যতাক বহিঃজগতত পৰিচয় আৰু প্ৰতিষ্ঠা কৰাৰ ক্ষেত্ৰতে ব্যস্ত আছো মই। এনেদৰে হাড়ে-হিমজুৱে এজন অসমীয়া মানুহ হিচাপে জীয়াই থাকিব খোজো।

ডিব্ৰুগড় কানৈ মহাবিদ্যালয়ৰ পৰা কানৈয়ান নামেৰে যি আলোচনী নিয়মিত ভাৱে প্ৰকাশ হৈ আছে তাৰ কাৰণে ছাত্ৰ একতা সভা সমূহক মই মোৰ আন্তৰিক অভিনন্দন জনাইছো। লিখা আৰু পঢ়া এই দুয়োটা কামেই জীৱনৰ অতি প্ৰয়োজনীয় কাম। অথচ নৱ প্ৰজন্মৰ ভিতৰত ইয়াৰ প্ৰতি হাবিয়াস বৃদ্ধি হোৱা নাইবা দেখা নাযায়। কানৈয়ান এই দিশত এক বিশেষ ভূমিকা গ্ৰহণ কৰিব। ছাত্ৰ একতা সভাৰ পৰা আমাৰ কাষলৈ অহা এই চাৰিজন ছাত্ৰৰ নিষ্ঠা আৰু একাগ্ৰতাৰ পৰা এই কথাৰ উমান পাইছো। আমাৰ আন্তৰিক প্ৰীতি আৰু সম্ভাষণ জনাইছো।

২৭/৮/০৭.

গল্পৰ শিতান

# এনিশাৰ কথাৰে

শ্ৰী ৰিণ্টু চেতিয়া
উঃমাঃ ২য় বৰ্ষ, কলা শাখা

ডায়েৰী লিখাটো তাইৰ পুৰণা অভ্যাস। কলেজৰ দিনৰ পৰা আৰম্ভকৰি তাইৰ এই এৰাব নোৱাৰা অভ্যাসটোত তাই বৰ তৃপ্তি পায়। দিনটোৰ ব্যস্ততাবোৰ কাৰোবাৰ লগত লগা খুট-খাটবোৰ, কাৰোবাক লগপোৱাৰ অভিজ্ঞতাবোৰ ডায়েৰীৰ পাতত লিখি থৈ তাই বৰ পাতল অনুভৱ কৰে। দুখবোৰ যে ক্ষন্তেকৰ বাবে হ'লেও পাহৰি থাকিব পাৰি।

কিন্তু আজি তাইৰ ডায়েৰী লিখিবলৈ একেবাৰে মন যোৱা নাই। আজিযেন তাই বেলেগ কিবা এটা লিখিব, যিটো তাইৰে পৰিচয় হ'ব কিন্তু তাই কৰা এক নতুন আৱিষ্কাৰ হ'ব। কি যে আছিল তাই, কি হৈ গ'ল ! এনিশা বৰা নামজ্বলা ঠিকাদাৰ প্ৰবীণ বৰাৰ একমাত্ৰ জীয়াৰী। সৰুৰে পৰা লাস-বিলাসত ডাঙৰ হোৱা ছোৱালী। তাই যিটোকে বিচাৰিছিল মাক-বাপেকে তাইক সেইটোকে আনি দিছিল। অভাৱ কি তাই চিনিকে নাপাইছিল। কিন্তু আজি, এনিশাই যেন টোপনীৰ পৰাহে সাৰ পালে। হয়, হয় আজি তাইৰ কিবা এটা হৈছে, কলেজৰ বান্ধৱী বাসৰীক লগ পোৱাৰে পৰা বুকুত যেন কিবা এটাই তাইক সোপা মাৰি ধৰি আছে। কিয় এনে হৈছে তাই নিজেও গম পোৱা নাই। কলেজৰ দিনৰ বান্ধৱী বাসৰী। বাসৰী আৰু এনিশা দুয়োজনী একে আছিল, ধনী ঘৰৰ ছোৱালী। কলেজত বাকীবোৰে সিহঁতৰ এৰাই চলিছিল। সিহঁত যে ধনীঘৰৰ ছোৱালী, সেই কথা অৱশ্যে বাসৰী আৰু এনিশাই মাজে-মাজে সকলোকে দেখুৱাইছিল। নতুন-নতুন মডেলৰ চুৰিদাৰ, চেন্দেল, বেগ, লিপষ্টিক, সকলোতে নতুন মডেল। দুই জনীয়ে যেন বাকীবোৰক দেখুৱাবলৈহে আহিছিল নতুন জামানাৰ নতুন মডেল।

আজি সেই বাসৰীক এনিশাই লগপালে বজাৰত। তাই যে এতিয়াও একেই হৈ আছে। কিন্তু বাসৰীয়ে কোৱা মতে তাই জানো দেখিবলৈ বুঢ়ী হৈ গ'ল। নাই-নাই তাই বুঢ়ী হোৱা নাই। তাইৰ বয়স এতিয়া আঠাইশ বছৰ হৈছেহে। কিন্তু এটা কথা সঁচা তাইৰ লগত এতিয়া আগৰ দৰে নতুন মডেলৰ বস্তু নাই। বাসৰীয়ে যে তাইক কৈছিল ঃ "আমি এটা মহিলা সংগঠন খুলিছো। তুমি আহিবাছোন আমাৰ সংগঠনলৈ। দুখীয়া-মহিলাক সহায় কৰাটো আমাৰ সংগঠনৰ মূল কাম। তোমাৰ চাকৰিটো এতিয়াও ঠিক হোৱা নাই নহয় ? তুমি আহিবা, মই আমাৰ সভানেত্ৰীক কৈ তোমাক পাৰ্য্যমানে সহায় কৰিম।"

তাইটো এতিয়াও জীয়াই আছে। কাৰো সহায় নোলোৱাকৈ, কাৰো ওচৰত হাত পাতিব লগীয়া নোহোৱাকৈ বাচি থাকিব পাৰিছে। আজিনো বাসৰীয়ে তাইক কি সহায় কৰিব ? পুৰণি সহায়বোৰৰ মূল্য ই তাই এতিয়াও ঘূৰাই দিব পৰা নাই। তাইৰ আকৌ সুশান্তলৈ মনত পৰিল। বাসৰীয়েইটোক চিনাকী কৰাইদিছিল এনিশাক সুশান্ত নামৰ সেই ল'ৰাটোৰ লগত।

"এনিশা আহাচোন, ই সুশান্ত, ডিগবৈৰ কোনোবা এখন গাওঁৰ পৰা আহিছে। দুখীয়া ঘৰৰ ল'ৰা, কিন্তু আমাৰ নিচিনা ধনীঘৰৰ ছোৱালীৰ লগত বন্ধুত্ব কৰিছে। আচলতে ই আমাৰ

ঘৰৰ মালীটোৰ ভতিজাক। তই কথাপাত আক।"

সুশান্তক এনিশাই সেইদিনা কি বুলি মাতিছিল পাহৰিলে, কিন্তু বাসৰীয়ে চিনাকী কৰাই দিয়া সেই ল'ৰাটো যে আজি তাইৰ অতিকৈ আপোন, তাই মৃত স্বামী। আজি তাই সুশান্তৰ বিধৱা। চিনাকী হোৱাৰ পাছত বন্ধু তাৰ পাছত ক্ৰমে প্ৰেম। তাই কেনেকৈ সুশান্তৰ প্ৰেমত পৰিলে তাই গমেই নাপালে। প্ৰেমে যে নামানে জাতি-কুল, ধনী-দুখীয়া। সেইবাবেই হয়তো তাই ধনী-দুখীয়াৰ পাৰ্থক্য পাহৰি সুশান্তক ভাল পায় পেলাইছিল। সুশান্তৰ দৰে এটা ল'ৰাৰ লগত তাইৰ সম্পৰ্ক ক্ৰমে বাঢ়ি অহা দেখি মাক-বাপেকে তাইক বিয়া দিবলৈ ওলাইছিল। বাসৰীৰ কোনোবা ইঞ্জিনীয়াৰ এটাৰ লগত বিয়া হোৱাৰ পাছত পিছত তাইকো যে বিয়া দিবলৈ ওলাইছিল কোনোবা ডাক্তৰ এটাৰ লগত। কিন্তু তাই ডাক্তৰৰ লগত বিয়া নহ'ল। ঘৰৰ লগত বিৰোধ কৰি তাই বিয়া হ'ল সুশান্তৰ লগত।

সুশান্তইয়ো যে তাইক বৰ মৰম কৰিছিল। কিন্তু ঠুনুকা সপোনবোৰ জীৱনৰ প্ৰথম খোজতেই ভাঙিল। সেই কথাবোৰ যে তাই হস্পিতেলত থাকোতে শুনিছিল "এই ছোৱালী জনীৰ বৰ দুৰ্ভগীয়া দেই। ইমান ফুল কুমলীয়াতে বৈধব্যৰ সাজ পিন্ধিব লগা হ'ল। গিৰীয়েকটো কৰবাত বিস্ফোৰণত টুকুৰা টুকুৰ হ'ল। বেচেৰীয়ে গমেই নাপায়।" তাইৰ কথাবোৰ এতিয়া ৰিণি ৰিণিহে মনত আছে। কিন্তু তাই তেতিয়াও চেতনা হেৰুওৱা নাছিল, তাই তেতিয়া হে চেতনা হেৰুৱাইছিল যেতিয়া তাইৰ ল'ৰাটো ভূমিষ্ঠ হৈ কন্দা নাছিল। ডাক্তৰে 'ডেড চাইল্ড' বুলি কোৱাতহে তাই চেতনা হেৰুৱাইছিল, সেইটো কথা তাইৰ স্পষ্টকৈ মনত আছে।

এনিশাই যেন জ্ঞান ঘূৰাই পালে। তাই পুৰণা কথাবোৰকে যে কিয় ভাবি থাকে। পাহৰিব খুজিলেও অতীতক পাহৰা টান। আজি তাইৰ ডায়েৰী লিখা আৰু নহ'ব, কিন্তু তাই লিখিব, তাই লিখিব মচিব নোৱাৰা অতীতৰ এক জীয়া কাহিনী। এটা সঁচা জীৱনৰ পৰিচয়। তাইৰ অতিকৈ আপোন জীৱন্ত গল্পটোৰ এডোখৰ আজি তাই ৰোমন্থন কৰি প্ৰাণ ঢালিব। অতীতক ভৱিষ্যতৰ আশাৰে তাই লিখিব এটা প্ৰাণ থকা গল্প। উকা কাগজত তাইৰ হাত চলি গৈ থাকিল "এনিশাৰ কথাৰে"।

**মহৎ লোকৰ বাণী**

১। মনবোৰ শুদ্ধ হলে সংকোচ কৰিবলগীয়া একো নাই

*হেম বৰুৱা*

২। কিতাপ এখন নি ওভটাই নিদিয়াটো শিক্ষা জগতৰ এক কলঙ্ক স্বৰূপে।

*চক্ৰেটিচ*

গল্পৰ শিতান

# পোহৰ আৰু নাই

*শ্ৰী দক্ষ বৰুৱা*
*ৰাজনীতি বিজ্ঞান বিভাগ*
*স্নাতক তৃতীয় বৰ্ষ*

কমলে জুপুকা মাৰি চোতালৰ একাষে বৈ আছে। তাৰ মনত উদয় হৈছে সূৰ্যৰ হেঙুলী আভাৰ দৰে এক বিনন্দীয়া আশাৰ সঞ্চাৰ। অৰ্থৰ তাড়নাত জৰ্জৰিত কমলহঁতে বিচাৰে প্ৰতিপাত্তিশালী মানুহৰ দৰে সাজ-পোছাক, গাড়ী-মটৰ, এখন সুখী সংসাৰ, য'ত বিৰাজ কৰিব আধুনিকতাৰ পৰশে। অৰ্থত তাড়নাত কমলহতঁৰ পৰিয়ালটি জৰ্জৰিত যদিও কমলৰ মানসপটত এক পৰিৰৰ্তনশীল আশাবাদী মনোভাৱ জাগ্ৰত হোৱা দেখা যায়। কিন্তু এই আশাৰ ৰশ্মি আৰু সিহঁতৰ পৰিয়ালটিৰ প্ৰতিচ্ছবিৰ মাজত বিৰাট ব্যৱধান। তাৰ মনত পৰে নিচলা ঘৰখনলৈ য'ত ঘৰৰ ভিতৰৰ পৰা তৰা গণিব পাৰি। বৰষুণত পানীঢলা মেকুৰীৰ দৰে হোৱা তেওঁলোকৰ জৰাজীৰ্ণ অৱস্থা যাৰ দুবেলা দুমুঠি খোৰাৰ অভাৱ। গতিকে বাওনা হৈ চন্দ্ৰলৈ হাত মেলাতো অসম্ভৱ।

কমলৰ ভায়েক দুটা আৰু ভনীয়েক তিনিজনী। মাক-দেউতাকৰ সৈতে এই ৮জনীয়া পৰিয়ালটি অৰ্থৰ তাড়নাত বৰ্তমান প্ৰতিযোগিতামূলক সমাজত বৰ্তি থকাটো যথেষ্ট কষ্টকৰ। ধানখেতি কৰিলেও প্ৰলয়ংকৰ বানে নিমিষতে প্লাৱিত কৰি দুখৰ বোজা যথেষ্ট গধুৰ কৰিছিল। কমলহঁতৰ জীৱিকাৰ এক মাত্ৰ সমল আছিল ঘৰৰ কাষেৰে অবিৰাম ভাৱে বৈ থকা চেঁচা নৈ খন। কিন্তু যেতিয়া কমলহঁতৰ ভাই-ভনী সকল ক্ৰমান্বয়ে ডাঙৰ হৈ আহিল তেতিয়া সেই সামান্য উপাৰ্জনে ঘৰখন চলোৱাতো সম্ভৱ নহ'ল। নদীয়ে ভৰন-পোষণ কৰা পৰিয়ালটি যেন ভৰন-পোষণ কৰিবলৈ ব্যৰ্থ হ'ল। টকাৰ অভাৱত কমলৰ বাহিৰে আন কেইটা ল'ৰা-ছোৱালীক বিদ্যালয়ৰ মুখ দেখুৱাই ঘূৰাই আনিবলৈ বাধ্য হ'ল। কমলৰ ওপৰতে মাক-দেউতাকৰ আশা সি পঢ়া-শুনা কৰি ঘৰখনলৈ পোহৰ কঢ়িয়াই আনিব। মেধাসম্পন্ন কমলে আৰ্থিক দুৰৱস্থাৰ মাজেৰে নিজৰ পঢ়াৰ মনোবল অক্ষুন্ন ৰাখিছিল। সি প্ৰথম শ্ৰেণীৰ পৰা সুখ্যাতিৰে উত্তীৰ্ণ হৈ ক্ৰমে দশমমান শ্ৰেণীত ভৰ্তি হৈছিল। কমলৰ সহজ-সৰল মনোবৃত্তি, মেধাসম্পন্ন শক্তিত আকৰ্ষিত হৈছিল কমলহঁতৰ বৰদৈ গাওঁৰে কৰবী নামৰ এগৰাকী সহপাঠী। কিন্তু কমলহঁতৰ তুলনাত কৰবীহঁত যথেষ্ট প্ৰতিপত্তিশালী আছিল। কৰবীৰ দেউতাক আছিল এজন পুলিচ বিষয়া। সিহঁতৰ ঘৰৰ দূৰত্ব একেবাৰে কম। দুয়ো বিদ্যালয়লৈ একেলগে অহা-যোৱা কৰিছিল। সি কৰবীৰ আগত তেওঁলোকৰ পৰিয়ালৰ বেদনাৰ প্ৰতিচ্ছবি দাঙি ধৰিছিল। আৰু আলাপ হৈছিল তেওঁলোকৰ নানান কথা বাৰ্তা। কমলে ঘৰুৱা দুৰ্দশা পাহৰি কৰবীৰ প্ৰতি আকৰ্ষিত হৈছিল।

প্ৰৱেশিকা পৰীক্ষাত কমলে দ্বিতীয় বিভাগত উত্তীৰ্ণ হৈছিল। সিমানতে তাৰ শৈক্ষিক দিশৰ পৰিসমাপ্তি হ'ল। কিয়নো উচ্চশিক্ষা গ্ৰহণৰ বাবে গাঁৱত তেনে কোনো মহাবিদ্যালয় নাই। উচ্চশিক্ষা গ্ৰহণৰ বাবে ডিব্ৰুগড় চহৰলৈ যাব লগা হৈছিল। গতিকে নগৰত ভিকহু ঘৰৰ ল'ৰাই অধ্যয়ন কৰিবলৈ যোৱাতো কল্পনাৰ অগুচৰ আছিল। কৰবীৰ অন্তৰত এক আতংকৰ সৃষ্টি হৈছিল। তাই কমলক ডিব্ৰুগড়ত নামভৰ্তি কৰিবলৈ যথেষ্ট যোৰ

কৰিছিল। কিন্তু সি দেউতাকে কপালৰ ঘাম মাটিত পেলাই পোহ-পাল দিয়া পৰিয়ালটিৰ প্ৰতিচ্ছবি উপলব্ধি কৰি তাইৰ অনুৰোধ ৰক্ষা কৰিবলৈ সমৰ্থ নহ'ল। কমল শোকত কাতৰ হৈ পৰিল। তথাপিও সিহঁতৰ মাজত চিঠিৰ জৰিয়তে আদান প্ৰদান হ'ল মনৰ কথা-বতৰা। হঠাৎ কমলহঁতৰ পৰিয়ালটিলৈ এক ভয়ংকৰ দুৰ্যোগ নামি আহিল। কমলৰ মাক কেন্সাৰ ৰোগত আক্ৰান্ত হ'ল। উপযুক্ত চিকিৎসাৰ অভাৱত মাকে চিৰদিনৰ বাবে এৰি গুছি গ'ল। পত্নীৰ অকাল বিয়োগত কমলৰ দেউতাক ভাগৰুৱা হৈ পৰিল। চিন্তাদগ্ধ দেউতাকে মানসিক ভাৰসাম্য হেৰুৱাই পত্নীৰ মৃত্যুৰ এমাহৰ পিছতে মানৱ দেহা ত্যাগ কৰিলে। কমলহঁত বঠাহীন নাঁৱৰ দৰে মাজ সাগৰত ভাঁহি পৰিল।

কমলৰ ভাই-ভনীহঁতে জীয়াই থকাৰ অসীম হেঁপাহত মোমায়েক, পেহীয়েকহঁতৰ ঘৰত কামকৰা বনোৱাৰূপে আত্মনিয়োগ হ'ল। কিন্তু কমলৰ স্বাধীনমনে পৰআশ্ৰয় গ্ৰহণ-কৰিবলৈ বিচৰা নাছিল। সি উপজা ঠাইতে আৰম্ভ কৰিব বিচাৰিলে তাৰ অকলশৰীয়া জীৱন যাত্ৰা। যি নিশা বিছনাত পৰি মাক-দেউতাকলৈ মনত পেলায় চকুলো টুকিছিল। যি তেওঁলোকৰ দায়িত্ব শেষ নোহোৱাকৈ পৰলোকলৈ গমন কৰিলে। তাৰ ভায়েক ভনীয়েকলৈ মনত পৰিলে অন্তৰ বিষাদে আৱৰি ধৰে। সি প্ৰাৰ্থনা কৰিছিল সিহঁত যেন কোশলে থাকে। কেতিয়াবা তাৰ মনতো উৰি গৈছিল ডিব্ৰুগড়ত অধ্যয়নৰত কৰবীলৈ তাৰ ঘৰুৱা অৱস্থা উপলব্ধি কৰিও যে তাই আৰ্থিক স্বচ্ছলতা পাহৰি তাৰ জীৱন সংগী হ'ব বিচাৰিছে। তাইৰ আদৰ্শই কমলক চিন্তা কৰিবলৈ বাধ্য কৰিছে যে প্ৰকৃত ভালপোৱাক ধন-সম্পত্তিয়ে বিচলিত কৰিব নোৱাৰে। সি আগ-পাচ চিন্তা নকৰাকৈ কৰবীৰ প্ৰণয় সাগৰত নিজৰ নাঁও মেলি দিলে।

বি.এ. পৰীক্ষা দি কৰবী ঘৰত আছে। কমলে মাজে-সময়ে কৰবীৰ ককায়েক, দেউতাকৰ অনুপস্থিতিত সিহঁতৰ ঘৰলৈ আহি ৰং-ধেমালিৰে আৰম্ভ কৰিছিল মনৰ কথা-বতৰা। কমল আৰু কৰবীৰ প্ৰণয় কাহিনী-দেউতাকে উপলব্ধি কৰিছিল কৰবীৰ ভনীয়েক নিলিমাৰ মুখেদি। দেউতাকে ক্ৰোধত নিমৰ্জিত হৈ কৈছিল, "সেই ভিকহুটোৱে মহানন্দ বৰুৱাক চিনি নাপায় নেকি ? সি ভিক্ষাৰীয়ে মোৰ উচ্চশিক্ষিতা কৰবীক বিয়া কৰাবলৈ সাহ কৰিছে। তাক মই সুদায় নেৰো।" দেউতাকে কৰবীক কৈছিল "দ্বিতীয় বাৰ যদি সেই অধমে তাৰঘৰত প্ৰৱেশ কৰে তেন্তে তাৰ জীয়াই থকাৰ অস্তিত্ব নাইকিয়া কৰা হ'ব। কিন্তু কৰবীয়ে তাত আপত্তি দৰ্শালে। তাই দেউতাকক ক'লে প্ৰকৃত ভালপোৱাক ধন-সোনৰ লগত তুলনা কৰাতো অনৰ্থক, যদি দুখন হৃদয়ৰ মাজত অন্তৰ্নিহিত ভাল পোৱা নাথাকে তেন্তে কেৱল ধন-সম্পত্তিয়ে শান্তি আনিব নোৱাৰে।"

দেউতাকে কৰবীৰ মতামত উপলব্ধিকৰি তাইক বন্দী পক্ষীৰ দৰে আৱদ্ধ কৰি ৰাখিছিল যাতে তাই ঘৰৰ পৰা ওলাই যাব নোৱাৰে। ইতিমধ্যে বৰুৱাই চহৰৰ সম্ভ্ৰান্ত পৰিয়ালৰ সৈতে কৰবীৰ বিবাহ ঠিক কৰিছিল। সেই কথা শুনি কৰবী কান্দি-কান্দি বাউলী হৈ পৰিল। তথাপিও তাইৰ মনৰ বেদনা বুজিবলৈ কোনো আহ্লাদিত নহ'ল। দেউতাক আৰু ককায়েকৰ চকুত ধূলি মাৰি পলায় যাবলৈকো তাইৰ পক্ষে অসম্ভৱ।

আনহাতে কমলে এই কথা শুনাৰ পাছত অনাহাৰে উজাগৰে তাইৰ চিন্তাত ব্যতিব্যস্ত হৈ পৰিল। সি কৰবীক লগপোৱাৰ আশা বুকুতবান্ধি উদ্যমেৰে আগবাঢ়িছিল সিহঁতৰ ঘৰৰ ফাললৈ। পদূলি মুখত কিছু সময় ৰৈছিল কৰবীক দেখাৰ অপেক্ষাত। কিন্তু এয়া সম্ভৱ নহ'ল। যিহেতু তাই ব্যাধৰ জালত। কেইবাবাৰো এইদৰে যোৱাৰ পাছতো সি লগ পাবলৈ সক্ষম নহ'ল।

দুদিনমানৰ পিছত এখন মটৰ গাড়ী হঠাৎ কৰবীহঁতৰ পদূলিত ৰখালে। সি শুনিবলৈ পালে কৰবীৰ কৰুণ কান্দোনৰ ধ্বনি। তাৰ আৰু বুজিবলৈ বাকী নাথাকিল। সি যেন চকুৰ পানীৰে অদৃশ্য হৈ পৰিছে। কাৰণ কৰবীয়েও তাক এৰি যাব।

গাড়ীৰ প্ৰতিটো শব্দই তাৰ বুকুত সৃষ্টি কৰিছিল ধপ-ধপনি। সি কৰবীৰ হৃদয় বিদৰুৱা কান্দোনৰ ধ্বনি শুনাৰ আগতে চেঁচাৰ পাৰলৈ গ'ল অকলশৰীয়া জীৱন শিখা নুমুৱাবলৈ॥

গল্পৰ শিতান

# কোৱানা এবাৰ ভালপাওঁ বুলি

*মিঠুন দাস*
*স্নাতক ১ম বৰ্ষ, অৰ্থনীতি বিভাগ*

ঃ নিশা, নিশা, এক মিনিট ৰবানা।

ঃ Please, মৃত্যুঞ্জয় মোক আমনি নকৰিবা, এতিয়া মোৰ Geographyৰ Class আছে। এইবুলি নিশাই মৃত্যুঞ্জয়ক নিৰাশ কৰি ভূগোল বিভাগলৈ সোমাই যায়।

নিশা গোস্বামী, ছোৱালীজনী লাহীকৈ মিঠা বৰণীয়া ক'লা কিচকিচিয়া চুটি চুলিখিনিয়ে তাই যিকোনো এজন ডেকাৰ মন ক্ষন্তেকতে মুহিব পৰা ৰূপহী গাভৰু। ঘৰ অৰুণাচনৰ চাংলাঙত, থাকে ডিব্ৰুগড়ৰ কানৈ কলেজৰ গাৰ্লচ হোটেলত। নতুনকৈ B.A.ত নামভৰ্তি কৰিছে, ইংৰাজীত মেজৰ। মৃত্যুঞ্জয় নিশাৰ একে ক্লাছৰে ছাত্ৰ তাৰ মেজৰ অৰ্থনীতিত। সি প্ৰথম বিভাগত উচ্চতৰ মাধ্যমিক উত্তীৰ্ণ হৈ এই কলেজত এডমিচন লৈছে। সি থাকে নালিয়াপুলৰ শংকৰ দেৱ কলনিত। কলেজৰ নৱাগত আদৰণি সভাৰ দিনা সি নিশাই এঠা মিঠাসুৰীয়া গানটোৰেই নে তাইৰ দিপলিপ সৌন্দৰ্য্যই তাৰ আলফুলিয়া মৰমৰ ভাণ্ডাৰত সোমাই কেতিয়া সকলোবোৰ ওলট-পালট লগাই দিলে সি উমানকে নাপালে। সি সুযোগ বিচাৰি আছে তাৰ মনৰ কথাবোৰ নিশাৰ আগত ব্যক্ত কৰিবলৈ। কিন্তু কি কৰিব। তাৰ বুকুত সাহস নাই তাইক প্ৰ'প'জ কৰিবলৈ। লগৰ জনৰ পৰা সি এনেকৈ তাইৰ ঠিকনাটো ল'লে যেন সি এতিয়াই তাইৰ ৰুমলৈ গৈ 'মই তোমাক ভালপাওঁ নিশা' বুলি চিঞৰি দিব।

ঃ এই মিতু কি কৰিছ, মেজৰ নকৰ ?

ঃ হে অ' কৰিম, সময় হ'ল জানো ?

ঃ অতো

ঃ ব'ল তেন্তে।

মিতুৱে কিমান সময় যে ভূগোল Deptt.ৰ সন্মুখত থৰ লাগি ৰৈ আছিল গমেই নাপালে। তাৰ বাল্যকালৰ বন্ধু ৰুমমেট নিটুলৰ মাততহে সি সম্বিত ঘূৰাই পালে। দুয়ো অৰ্থনীতি বিভাগৰ ফালে আগবাঢ়িল।

কেতিয়া মেজৰ ক্লাছ কৰি সি নিজৰ ৰুম পালেহি কবই নোৱাৰিলে। সি যে ইমান একানপটীয়া হৈ পৰিল তাক ভাৰি তাৰ নিজকে এজন প্ৰাকৃতিক কবিৰ দৰে লাগিল।

নিতুলে হাত দাঙি দিয়াত টেম্প এখন ৰ'ল নিতুল আগৰ ছিটত আৰু মিতু ঠেলি হেচি পাছৰ ছিটত বহিল।

ঃ নিশা তোমাৰ ক্লাছ কেইটাত আছে।

ঃ 10.15ত নিশাৰ চুটি উত্তৰ।

ঃ তোমাৰ ঘৰত কোন কোন আছে।

ঃ মা-দেউতা, মই আৰু ভাইটি।

ঃ ভাইটি কিহত পঢ়ে ?

ঃ এইবাৰ নৱম শ্ৰেণীত। নিশাই সৰু-সৰুকৈ মিতুৰ প্ৰশ্নৰ উত্তৰ দিছে।

ঃ জানা নিশা, মই তোমাক কথা এটা কম কম বুলি ভাবি

আছো। কিন্তু কব পৰা নাই। জানা নিশা মই, মই, মই মানে তোমাক . .।

ঃ ভালপাওঁ, নহয় জানো ?

ঃ তুমি জানা ? মিতুৱে আগ্ৰহেৰে সুধিলে।

ঃ অ' মই জানো, কিন্তু চোৱা মৃত্যুঞ্জয় মই তোমাৰ দৰে third class ল'ৰা এটাক ভাল পাব নোৱাৰো।

ঃ চোৱা মৃত্যুঞ্জয়, কি কবলগীয়া আছে পোনপটীয়াকৈ কোৱা, মিছা-মিছি আজে-বাজে কথা কৈ মোৰ মূৰটো গৰম নকৰিবা।

নিশাৰ মাততহে মিতুৰ সম্বিত ঘূৰি আহিল। নিশাই তাৰ কথাত এইদৰে হস্তক্ষেপ কৰাত তাৰ মনটো দমি গ'ল আৰু কথাষাৰে বেলেগ এটা ফালে গতি কৰিলে।

ঃ মোক, মোক মানে তোমাৰ ইংৰাজী কবিতাৰ কিতাপখন অলপ দিনৰ বাবে দিব পাৰিবানে ?

ঃ O, I am sorry কিতাপখন আমাৰ Deptt. ৰে কোকিলৰ লগত থাকিল। কিতাপখন সি ঘূৰাই দিলে তোমাক দিম হাঁ।

টেম্প'ৰ পৰা নামি তাৰ নিজৰ মূৰটো হেঁচি ধৰিলে আজি ইমান ধুনীয়া সুযোগ পায়ো তাৰ মনৰ কথাষাৰ ক'ব নোৱাৰিলে।

ঃ ঐ ব'ল ছাল্লা, নিজৰ ভালপোৱাজনীক মনৰ কথাষাৰ কব নোৱাৰিলে মোৰ কামটো কেনেকে কৰিবি, নিতুলে মিতুক ঠেলি কলেজৰ চৌহদলৈ লৈ গ'ল।

নিতুল আৰু মৃত্যুঞ্জয় দুয়ো গল্প, কবিতা আদি লিখে। নিতুলৰ লেখাবোৰে আলোচনীত স্থান পায় আৰু মিতুৰ গল্প, কবিতা একো প্ৰকাশ নাপায়। সি বৰ নিৰাশেৰে ভাবে "মোৰ একো আশাই পূৰণ নহ'বনে ?" মিতু ওচৰৰ আলোচনীৰ দোকানখনলৈ গৈ আছে, বৰ হেঁপাহেৰে, কিজানি কেনেবাকৈ এইবাৰ "চিঠি এখন লিখিবাচোন মৌলৈকে বুলি" নামৰ কবিতাটো মায়াত প্ৰকাশ হৈছেই।

ঃ ভাইটিদা মায়াখন প্ৰকাশ পালেনেকি ?

ঃ অ' পালেতো, এইবাৰ তাত নিৰ্বান শ্ৰী 'বাস্তৱ' নামৰ নতুন লেখক এজনৰ 'বৰ ধুনীয়া' কবিতা এটা প্ৰকাশ পাইছে, পঢ়িছা ল'।

ঃ ইউ হুহুই মৃত্যুঞ্জয় তাৰ ছদ্ম নামত কবিতা প্ৰকাশ হোৱাৰ আনন্দত ফুৰুলি এটা মাৰিলে।

ঃ ঠাচ্ ঠাচ্ মক্কেলটো ক'ৰবাৰ, তহঁতবোৰৰ পৰা টেম্প ৰিক্সা ক'তো শান্তি নাপাওঁ।

মিতুৱে তলকিব নোৱাৰাকৈয়ে তাৰ দুখন গালত তাৰ বুকুৰ আমঠু নিশাই দুটা চৰ লগাই দিলে, সি লগে লগে জয় পৰি গ'ল। তাৰ সপোনৰ কাৰেংটো তাৰ চকুৰ আগতে যেন টুকুৰা-টুকুৰ হৈ পৰিছে, কল্পনাৰ পাখিবোৰ যেন এখিলা এখিলাকৈ খহি পৰিছে। সি ফেঁচাটোৰ দৰে একো নোকোৱাকৈ মায়াখন বুকুতলৈ ৰূমলৈ আহি বিছনাত পৰি কেঁচুৱাৰ দৰে উচুপি উঠিল। সি এনেদৰে আকাঙ্খাত কন্দা দেখি লগৰবোৰে একো তলকিবই পৰা নাই।

ঃ এই মিতু কি হ'ল তোৰ, তই যে কেঁচুৱাৰ দৰে ফেকুৰিছ হে ? এইবুলি নিতুলে হাঁহি উঠিল আৰু মৃত্যুঞ্জয়ে জোৰকৈ মায়াখন সাৰতি কান্দিবলৈ ধৰিলে।

ঃ কি হ'ল মিতু তোৰ ছদ্মনামত যে ইমান বোৰ ছোৱালীৰ চিঠি ! তাতে আকৌ প্ৰেমৰ প্ৰস্তাৱ। কথা কিন্তু সাংঘাতিক দেই। নিতুলে তাক ইতিকিংৰ সুৰত কলে।

ঃ আৰে ভাই আপন কা ডিমাক try কৰ দোস্ত, তোলৈও আহিব।

ঃ নিশাৰ কেইখন আহিছে অ' মিতু।

ঃ তিনিখন মান হব, প্ৰতিখনতে ভালপোৱাৰ কথা। মই

উত্তৰো দিয়া নাই আৰু চিনাকিয়ো দিয়া নাই। দিলেহে কম কোন সেই "নির্বাণ শ্ৰী বাস্তৱ"।

ঃ ঐ এই মুহূৰ্ত্তে লাইনত আনি ল, নহলে পিছত পস্তাবি।

প্ৰতি মাহে সকলোৱে যেন মায়াৰ নির্বানৰ কবিতালৈ আশাৰে বাট চাই থাকে। তেনেদৰে নির্বানৰ কবিতা সকলোৰে মাজত ফেভাৰিট হৈ গৈছে আৰু তাৰ অনুপাতে মিতুলৈ নির্বানৰ ঠিকনাত অনেকজনৰ অনেক চিঠি। কাৰোবাৰ প্ৰেমৰ প্ৰস্তাব, কাৰোবাৰ বন্ধুত্ব, কাৰোবাৰ দাদা, কাৰোবাৰ ভাইটি আৰু অনেক ভাবে। ইফালে নিশাই নির্বানক Rly. কলনিত, অর্থনীতি বিভাগত বিচাৰি হায়ৰান। তাই আজিকালি এটাই চিন্তা নির্বাণক বাৰু ক'ত লগ পাব। তাই আজি নির্বাণৰ সঠিক ঠিকনা বিচাৰি ভাইটিদাৰ দোকানলৈ আহিছে।

ঃ Hello ভাইটিদা মায়াৰ কপি এটা দিয়কচোন। ভাইটিদাই নিশাক মায়াখন দিলে আৰু বহিবলৈ চকী এখনলৈ আঙুলিয়াই দিলে, কাৰন তাই মায়াৰ নিয়মিয়া পাঠক। ভাইটিদায়ো নিশাৰ খবৰ ল'লে আৰু তায়ো তেখেতৰ খবৰ ল'লে। কথাৰ মাজতে তাই ভাইটিদাক সুধিলে।

ঃ ভাইটিদা আপোনাৰ ইয়াত নির্বাণ মানে মায়াত যে কবিতা লিখে, তেখেতৰ সম্পূর্ণ ঠিকনাতো আছে নেকি ? তাই মায়াখনৰ পাঠ লুটিয়াই লুটিয়াই প্ৰশ্ন কৰিলে। তেতিয়া ভাইটিদাই আগৰে পৰা দোকানৰ চুক এটাত বহি আলোচনি পঢ়ি থকা মিতুলৈ চালে তাৰ মুখখন লাজতে কিবা কেঁহেৰাজ বৰনীয়া হৈ পৰিছে আৰু ভাইটিদাই নির্বাণৰ আচল পৰিচয় নিশাক দিবৰ ইচ্ছা হ'ল কাৰণ তাই নির্বানক বিচাৰি বৰ হাবাথুৰি খাই ফুৰিছে।

ঃ অ' আছেতো আৰু আজি তোমাক তাৰ সঠিক ঠিকনাটো দিম, কিন্তু তাৰ আগতে তুমি কোৱাচোন তুমি নির্বানলৈ চিঠি দিছিলা নেকি ? ভাইটিদাই সুধিলে।

ঃ অ'তো প্ৰায় সাতখন মান চিঠি দিলো কিন্তু এখনৰো উত্তৰ নাই দেখোন।

ঃ একো নাই চিন্তা নকৰিবা তালৈ বহুতৰ চিঠি আহে যে সি ছাগে তোমালৈ উত্তৰ লিখিবলৈ আজৰি পোৱা নাই। বাৰু মই আজি তাক এতিয়াই তোমাৰ চিঠিৰ উত্তৰ দিবলৈ কওঁ। এইবুলি ভাইটিদাই মিতুক কৃত্ৰিম খঙত ওচৰলৈ মাতিলে।

ঃ মিতু, এই (নিশালৈ আঙুলিয়াই দি) তোলৈ চিঠি দিছিল।

ঃ অ, মিতুৰ নির্লিপ্ত উত্তৰ।

ঃ কেইখন ?

ঃ জানো পাই।

ঃ কি জানো পাই ? তই উত্তৰ দিয়া নাই কিয় ?

ঃ দে এতিয়াই তই তাইৰ চিঠিৰ উত্তৰ মুখে মুখে দে।

ঃ (শান্ত হৈ) নিশা এইয়া তোমাৰ সপোনৰ কবি নির্বাণ শ্ৰীবাস্তৱ ওৰফে মৃত্যুঞ্জয় বৰুৱা আৰু মিতু এইয়া তোৰ কল্পনাৰ কাৰেঙৰ ৰাণী, কবিতাৰ বিষয় নিশা গোস্বামী। বাৰু তোমালোকে কথা পাতা, মই তোমালোকৰ পাটি লৈ আহিছো - Bye

নিশাই কিছুসময়ৰ বাবে অতীতক ৰোমন্থন কৰি লাজত পৰে, লাজত তাইৰ নাকৰ পাহি দুটা ফুলি আহে, তাই নির্বানক হাতৰ ওচৰত পাই কি ক'ম ভাবি পোৱা নাই, কাৰন তাই এনে পৰিস্থিতিৰ বাবে সাজু নাছিল।

ঃ কি হ'ল নিশা, আকৌ কিবা মাৰিবলে ভাবিচা নেকি ?

ঃ মোক মোক ক্ষমা কৰি দিয়া নির্বান, অজানিতে মোৰ বহুত ভূল হ'ল। তাই থোকা থোকি মাতেৰে কয়।

ঃ নিশা কোৱানা এবাৰ ভালপাওঁ বুলি।

ঃ এবাৰ কিয় হাজাৰ বাৰ কম I love you Nirban.

দুয়ো-দুয়োকো সাৰতি ধৰি আপোন বিভোৰ হৈ পৰে।

ঃ Ok, showটো বৰ ধুনীয়া হ'ল বুলি নিতুল আৰু ভাইটিদাই হাতত মিঠাইৰ টোপোলা লৈ সোমাই আহে।

গল্পৰ শিতান

# বসন্তৰ বৰষুণ

*শ্যামলী চেতিয়া*
*স্নাতক দ্বিতীয় বৰ্ষ*
*অসমীয়া বিভাগ*

ফাগুনে লঠঙা কৰা গছজোপাত
এতিয়া বসন্তৰ কুঁহিপাত
ক'ৰ পৰানো আহিল পাতখোৰা পোকটো
অকন অকণকৈ কুটি খাইছে সি
সেউজীয়া পাতবোৰ!

পুনৰবাৰ পৰাজয় ঘটিছে মোৰ মনটো নিজৰ ওচৰতে। ব্যৰ্থতাই মোক ইতিকিং কৰিছে। কান্দিছো মই আৰু চুমি। প্ৰথম ইউনিট টেষ্টৰ বহী ঘূৰাই দিছে। উচ্চমান বিষয় হিচাপে লোৱা অসমীয়া বিষয়টোত দুয়োজনীয়ে বহুত কম নম্বৰ পাইছো। আনকি চোকা বুলি নাম থকা পম্পীয়েও নিজৰ ব্যৰ্থতাত উচুপি উঠিছে। লিপিকা, নিজৰা, অঞ্জলীহঁতে আমাক সান্ত্বনা দিছে।

ঃ তহঁতে অলপ বেছি কৰ। প্ৰথম ইউনিটটেষ্টহে! আমিচোন তহঁততকৈ কম পাইছো।

ঃ মেজৰ পৰীক্ষা কেনেকুৰা এতিয়া গম পালিনহয়। অহাবাৰ ভালকৈ দিবি। পঞ্চাশৰ ভিতৰত পঁচিশ! বেয়া নহয় দে.........

মোৰ কাষৰ পৰা হঠাৎ উচাত মাৰি ওলাই গ'ল চুমি। পুনৰ মোৰ কাষলৈ গৈ সেমেকা মাতেৰে কৈছে

ঃ যাওঁগে ব'ল.........

কোনো কথা নোকোৱাকৈ গুচি আহিলো তাইৰ পিছে পিছে। ৰিক্সাত তাই সুধিছে

ঃ কিমান পালি ?

মই তাইৰ মুখলৈ চালো। চকু দুটা ৰঙা পৰি উখহি আছে। মোৰ চকুৰে চকুৰে পৰা লগে লগে তাইৰ দুচকু জলকতপক হৈ পৰিল। মোৰ হঠাতে হাঁহি উঠি গ'ল! মই ইঁহা দেখি তাইও হাঁহিলে চকু দুটা মচি। পুনৰ মনে মনে থাকিলো। ডিঙিটোত কিবা এটাই সোপা মাৰি ধৰা যেন লাগিল। লাহেকৈ কলো

ঃ পঁচিশ ! তই?

ঃ কম পালো.........

ৰিক্সাখন এটা সময়ত গৈ আমাৰ হোষ্টেলৰ সন্মুখত ৰ'ল। দুয়োজনী নামি গলো। কাষৰ ৰুমৰ জয়িতা-বাই আমাক আচৰিত ধৰনে চাইছে।

ঃ কি হ'ল তহঁতৰ ? কান্দিছিল ন'! বহী ঘূৰাই দিলে ?

ঃ বহুত কম নম্বৰ পাইছো জয়িতা বা।

ঃ কান্দিবলৈ আহিছ ? এজনীয়ে দিনটো গল্প উপন্যাস পঢ়িবি, আৰু তাই কবিতা মুখস্থ কৰিবি। গল্প লেখিবি, পঢ়া-শুনা

কৰিবি কিয় ?

শেষৰ কথা কেইটা মোৰফালে টোৱালে জয়িতা বা-ই। আৰু কিবা-কিবা বকিছে তাই। শুনিও নাইশুনা মই। কিন্তু মনটো মুকলি লাগিছে

মনত নতুন হেপাহ জাগিল ভালদৰে পঢ়িম বুলি। কাইলৈৰ পৰা ভালকৈ পঢ়িম বুলি টেবুলখনৰ ওচৰলৈ গলো। কিতাপবোৰ নতুনকৈ জাপি ধূপ এডাল জলালো। আগতেওঁ বহুতবাৰ 'কাইলৈ পঢ়িম' পাৰ হৈ গৈছে নপঢ়াকৈ। এইবাৰ কিন্তু সঁচাকৈ পঢ়িম।

০০০০০০০০০

ঃ এই সাতটা বাজিলে। উঠ। কিমান দেৰি নুশুব আৰু.........

ঃ কাইলৈৰ পৰা পঢ়িব, তই কিয় তুলিছ চুমি? — জয়িতা বা সেইয়া।

সাৰপাই গলো। ইমান দেৰি শুই আছো বুলি গমেই পোৱা নাছিলো। সপোন দেখি আছিলো। ৰাতি অলপ দেৰিলৈকে পঢ়িলো কালি। হঠাতে মোৰ ম'বাইলটো সাংগিতীক লয়েৰে বাজি উঠিল। ঘৰৰ পৰা কৰিছে। কোন হ'ব পাৰে বাৰু ? মা ? ফ'নটো উঠালো

ঃ মুনু ! কি কৰিছ? পঢ়িছ নাই ?

ঃ মা! অঁ, পঢ়ি আছিলো আৰু ............... ভাল তইঁতৰ ?

ঃ ভালেই। তোৰ ভালনে।

ঃ ওঁ!

ঃ তই এই কেইদিনত ঘৰলৈ আহিব পাৰিবি নেকি ?

ঃ এই কেইদিনত ? ৰ, ৰ চাব লাগিব............. শুক্ৰবাৰে পৰিম। কিয় ?

ঃ বা-ৰ বিয়া ঠিক হৈছে। দেওবাৰে আঙুঠি পিন্ধোৰা।

ঃ কি ? মই যে একো খবৰেই নাপাওঁ ? ইমান তৎক্ষণাতে ?

ঃ তোৰ পৰীক্ষা থকা বাবে কোৱা নাছিলো। বিয়া এতিয়া নহয় আৰু.........

ঃ অঁ যাম যাম। দেউতাৰ ভালনে ?

ঃ সকলোৰে ভাল। মই থওঁদেই এতিয়া।

বা-ৰ বিয়া ঠিক হৈছে! নিজৰ কান দুখনকে বিশ্বাস কৰিবলৈ মন নগ'ল। বুকুখন ধুক্ কৈ কঁপি উঠিল। তাই ইমান ডাঙৰ হ'লনে ? মইতো ভবাই নাছিলো মোৰ বা-জনী বিয়াৰ উপযুক্ত হ'ল বুলি! সৰুতে মোৰ খেলাৰ লগৰী আৰু এতিয়া মই ঘৰলৈ গলেই তাই মোক আদৰ যত্ন লয়! বহুত মৰম কৰে তাই মোক! তাইৰ সৰল মুখখন, সৰল হাঁহিটো আৰু ধুনীয়া চকুযোৰে মই তাইক ইমানদিনে সৰুছোৱালী বুলিয়েই ভাবি আছিলো। খুউব ভাল তাই। মইহে নোৱাৰিলো কোনোদিন এজনী ভাল ভনীয়েক হ'বলৈ। প্ৰতিটো কথাতে তাইৰ লগত-ঠেহ-পেচ ধৰোতেই গ'ল। চাবলৈ মন গৈছে খুউব তাইক। দুচকুত ভাহি আছিল এজনী কনমানি ছোৱালীয়ে ইংৰাজী কবিতা মুখস্থ মাতিবলৈ নোৱাৰাৰ ভয়ত ঘৰুৱা টিউছ্যন মাষ্টৰ অহাৰ আগতেই পিঠিত এটা গাৰু বান্ধি ওপৰত এখন শ্বল দি গাটো ধাকি ললে। আৰু মাষ্টৰে আহি তাইৰ গাৰু বন্ধা পিঠিত পিটিছে,..... ধপ্, ধপ্ ! মই সহ্য কৰিব নোৱাৰি কৈ দিলো মাষ্টৰক তাই পিঠিত গাৰু বান্ধি থৈছে। ঠাণ্ডাত শ্বল লৈছে বুলি ভবা মাষ্টৰে একেটানে তাইৰ কাপোৰ আতঁৰাই পিঠিত কেইছাত মান দিলে। তাই কান্দিছে। ইমান আকৰি বা-জনীক মই কিয় যে মাৰ খোৱালো। বৰ বেয়া মই! বৰ বেয়া।

ঃ এই কি হ'ল? হাঁহিছ নে কান্দিছ?

চুমিৰ মাতত বাস্তৱলৈ ঘূৰি আহিলো। ইছ্ কেতিয়াযে এই চকুপানীবোৰ ওলাল গমেই নাপালো। তাইক কলো বা-ৰ বিয়াৰ কথা। তাই মোক জোকাইছে। কিন্তু তাই জানে জানো মোৰ

মনত যে এটা ভয় বিয়াৰ পাছত যদি এটা নামনজনা দূৰত্বই গ্ৰাহ কৰে আমাক ?

ঃ মই কলেজ নাযাওঁ চুমি। গাটো ভাল লগা নাই।

ঃ থ,থ তোৰ ঠগবাজী। সদায় গা বেয়া লাগে। মেজৰত কালি কি গতি হৈছিল ?

0000000

কানৈ কলেজৰ কেম্পাছ। সকলো কানৈয়ান আহিনৰ নৈ পৰীয়া কহুৱাৰ দৰে চঞ্চল হৈ উঠিছে। নীলা দোপাত্তাৰে এজাক পখিলা খিল খিল হাঁহিৰে পাৰহৈ গ'ল মোৰ কাষেৰে। হিং সা লাগিল মোৰ। ভীষণ হিংসা লাগিল। মইও হাঁহিব পৰা হ'লে এইদৰে। মনটো ভাল লাগি গ'ল, এনেয়ে। মোৰো হাঁহি চাবৰ মন গ'ল। মইযে মোৰ মনটোক বেছি কষ্ট দিওঁ। চুমি পাছকোৰ্ছৰ ক্লাছ কৰিবৰ কাৰণে গুচি গ'ল। মোৰ আৰু তাইৰ পাছকোৰ্ছ বেলেগ। মোৰ পাছকোছৰ ক্লাছ নহ'ল আজি। অকলশৰে চেকেশুক্ল'ৰৰ দেৰদাৰু জোপাৰ কাষত থিয় হ'লোগৈ। বৰ অসহায় লাগে নিজকে কেতিয়াবা। ব্যৰ্থতা বোৰে সুবিধা পালেই মোক অত্যাচাৰ কৰে। ঠহৰ ঠহৰকৈ বাজি উঠে কাণত 'তই একো কৰিব নোৱাৰ জীৱনত' দেউতা সেইয়া। মই আটাইতকৈ বেয়া পোৱা ব্যক্তিজন। মোক কোনোদিনেই আশীৰ্বাদ দি পোৱা নাই তেওঁ। কোনোবা দেউতাকে কয়নে এইদৰে সন্তানক ? মই অনাসৃত কাৰণে ?

ঃ সেউজীয়া!

ঃ কোনে মাতিলে মোক ? তুমি নে দেৰদাৰু ?

কাৰোবাৰ স্পৰ্শত ঘূৰি চালো — পম্পী!

ঃ কি কৰিছ ইয়াত অকলে ?

ঃ নাই, এনেয়ে.........

ঃ আহচোন মোৰ লগত। তোৰ লগত চিনাকি হ'ব খোজিছে.........

ঃ মোৰ লগত ? কোনে ?

ঃ আহচোন, গমপাবি নহয়!

পম্পিৰ পাছে পাছে মই। এযোৰ উজ্বল চকুৰ সৈতে তাই মোক চিনাকি কৰি দিছে।

ঃ মই বাস্তৱ ! তোমাৰ নাম ?

ঃ সেউজীয়া।

ঃ সেউজীয়া ! সেউজীয়া !

নাজানো মোৰ নামটো শুনি আচৰিতেই হ'লনে মনত ৰখাৰ প্ৰয়াস বাস্তৱৰ। বহুত কথাই পাতিলো বাস্তৱৰ লগত। কিন্তু উচপিচ হৈ আছে মন। সি হয়তো ধৰিব পাৰিছিল মোৰ অস্থিৰতাৰ কথা। সি মোৰ ক্লাছ আছে নেকি সুধিলে। মই আছে বুলি কৈ দৌৰি যোৱাৰ দৰে তাৰ কাষৰ পৰা আঁতৰি গলো। সি চিঞৰিলে পাছ ফালৰ পৰা -

ঃ আকৌ লগপালে মাতিবা হাঁ ...

একো নামাতিলো মই। বুকুৰ ধপধপানি নিজৰ কানত পৰিছেহি। সাধাৰণ ল'ৰা এটাৰ লগত চিনাকী হওঁতেই ইমান ভয় ! ভয় নহয়, তাৰ উজ্বল চকুলৈ মই চাই থাকিব নোৱাৰো। সি মোৰ বৰ থৰলাগি চাই থাকে। কি হ'ল অনুভৱ ! ইমান ৰং সানি দিলা মনত মোৰ ! তাৰ পাছত সদায় সেই উজ্বল দুচকুৰ সন্ধানত মোৰ মন।

প্ৰায়ে লগ পাওঁ বাস্তৱক। মোক দেখাৰ লগে লগে ওচৰলৈ দৌৰি আহে সি। মোলৈ ফোন কৰে প্ৰায়ে। কেতিয়াবা উচ্ছাস ভৰা কন্ঠেৰে, কেতিয়াবা দুৰ্ব্বল কন্ঠেৰে, মই হেৰুৱাও ৰং বাস্তৱৰ দুৰ্বল কন্ঠস্বৰ শুনিলে। প্ৰেৰণা দিওঁ তাক। তাৰ উচ্ছাস ভৰা কন্ঠ যে মোৰ বাবে প্ৰেৰণা। ইমাৰ হাঁহি থকা ল'ৰা

এটাৰো দুখ থাকিব পাৰে নেকি ! এৰা আচলতে প্ৰত্যেক মানুহেই বুকুত লৈ ফুৰে ক'বনোৱাৰা কিছুমান বিষাদ। সকলো পাইয়ো কিবা এটা নোপোৱাৰ বিষাদ অনুভৱ কৰিছো ক্ৰমশঃ মই যেন পৰিৱৰ্তন হৈছো। ভাল পাবলৈ ধৰিছো নিজক। বাস্তৱৰ প্ৰেৰণাই মোক পঢ়াতো মন বঢ়াইছে।

ঃ কাৰেন্টটো গ'ল। এই টচটো ক'ত ?

ঃ চুমি ! নালাগে চোন, নজলাবি একো। বাহিৰত ইমান জোনাক।

ঃ জানো পাই । তই কি কৰ কৰি থাক। মই শুওঁ দেই কাৰেন্ট অহালৈকে।

টেবুলৰ কাষৰ খিড়িকীখন খুলি দিলো। জোনাকী পৰুৱা এটা ভিতৰলৈ সোমাই আহিল। বাহিৰত ইমান জোনাক। মনতো খুউব মুকলি লাগিছে। বাস্তৱলৈ মনত পৰিল। সিও যে জোনাক নিশা উপভোগ কৰি ভাল পায়। কওঁনেকি চুমিক বাস্তৱক ভাল লগাৰ কথা ?

ঃ চুমি।

ঃ কি ?

ঃ একো নহয়, শুই থাক।

ঃ কাইলৈ ঘৰলৈ যাবি নহয় মোলৈ কিবা আনিবি দেই।

পাছৰ কথাকেইটা বৰ লাহেকৈ কলে তাই। তাইৰ টোপনি উৰিছে। ইটো ৰুমত জয়তাবাই গান গাইছে। এৰা, বৰ সুন্দৰ জোনাক নিশা।

ঃ ঃ ঃ ঃ ঃ ঃ ঃ ঃ

বাচতো মনত পৰি থাকিল বাৰ কথা। দুচকুত ভাহি আহিল আমাৰ ঘৰৰ পদূলিৰ সোঁফালে থকা পুখুৰীটোৰ পাৰত হাঁহি-ধেমালিৰে উমলি থকা এজাক কিশোৰী। আকৌ এবাৰ যদি আহিল হেতেন মোৰ সোণালী শৈশৱটো।

আবেলি চাৰি বজাত ঘৰ পালোহি। পদূলি মুখৰ ৰাধাচূড়াজোপাৰ তলখন বনেৰে ভৰি আছে। ইয়াত আগতে এডাল প্ৰকাণ্ড কাঠ আছিল। ভাইটিৰ বাছৰূপী কাঠডাল এতিয়া নাই। কল্পনাতে ভাইটিৰ গাড়ীত উঠি আমি গুৱাহাটী, ডিব্ৰুগড় পাইছিলোহি। পুখুৰী পাৰতো তেনেই হাবি হ'ল। ঢেকিয়া গজিল। চেঙেলযোৰ খুলি হাতত ললো। খালী ভৰিৰে পদূলিৰ দুবৰি গছকি আগবাঢ়িলো। কিমান আত্মিক এই সম্পৰ্ক। দেখিলো বা ভিতৰৰ পৰা ওলাই আহিছে। মোক দেখি তাই উৎসাহিত হৈ দৌৰি আহিল।

ঃ মুন ! ইমান দেৰী কৰিলি !

তাইৰ মুখলৈ চালো। এইজনী বা-ই এদিন আমাক এৰি আনৰ ঘৰলৈ যাবগৈ। ভয় লাগিল তাইৰ দুচকুলৈ চাবলৈ। তাই নাকান্দিলেও মইযে কান্দি পাম। মা বহুত ক্ষীণ হ'ল। মাৰ শীৰ্ণ চকুযোৰ দেখিলে সুধিবৰ মন যায় বহুত কথা। দেউতা ঘৰত নাই। ভাইটিক দুবাৰ মান চকামকাকৈ দেখিছিলো। এই ভাইটিৰ কথা মোক কৈয়েই মা এদিন কান্দিছিল ফোনতে। সি বোলে পঢ়া-শুনা নকৰে। বেয়া লৰাৰ সকলো গুন অৰ্জন কৰিছিল সি। মা-দেউতাই প্ৰথমে তাক গালি-শপনি দিছিল যদিও সি ওলোটাই মাহঁতক ধমকি দিব পৰা হ'ল। আচৰিত লাগিছিল, এইটো সেই ভাইটি হয়নে যি লুডু খেলিবৰ বাবে মোৰ পিছে পিছে ঘুৰি ফুৰিছিল। আচলতে এই সকলোবোৰৰ কাৰণ দেউতা নহয় জানো ? সি সৰু থাকোতে দেউতাই তাক ল'ৰা সন্তান হোৱাৰ বাবেই নেকি এষাৰো টান কথা শুনোৱা নাছিল, অভাৱ নামৰ অনুভৱটো কোনোদিন পোৱা নাছিল সি। আৰু মই ? মোৰ প্ৰতিটো অভাৱ, মোৰ প্ৰতিটো ভুল দেউতাই খণ্ডন কৰিছিল এছাৰিৰে। বা, ভাইটি আৰু মোৰ মাজত দেউতাই মৰমৰ প্ৰাচীৰ এখনি গঢ়িছিল। এই প্ৰাচীৰৰ বিপৰীত দিশত থকা মই শুনিছিলো।

এদিন সেই সত্য কথাতো, যিটো মাৰ মুখৰ পৰা অসাৱধানভাৱে ওলাইছিল। মই হেনো দ্বিতীয়জনী ছোৱালী হৈ জন্মহোৱা বাবে দেউতাৰ খং মোৰ ওপৰত। মই কান্দিছিলো খুউব। মই বিদ্ৰোহী হৈ পৰিছিলো। প্ৰতিটো কথাতে মই তৰ্ক কৰিছিলো দেউতাৰ লগত। ইমানৰ পাছতো দেউতাই মোক পঢ়াইছিল। কাৰণ দেউতাক বাহিৰৰ সমাজখনে শ্ৰদ্ধা কৰে ভাল ব্যক্তি বুলি। মোৰ ভয় লাগিছিল মোৰ ভিনিদেউজনো যদি এনেকুৱা হয় ? ছিঃ ছিঃ কি ভাবিছো মই। নাই নাই সকলো পুৰুষ একে নহয়। আঙুটি পিন্ধোৱা দিনাই গম পাইছিলো ভিনিদেউ খুউব ভাল। ভাল লাগিল মনটো। কিন্তু বাস্তৱৰ কথাই মোক দুখী কৰি তুলিছে সি যে মোলৈ ঘৰলৈ অহাৰ পাছত এদিনো ফোন কৰা নাই। হয়তো পিচিঅ'ত সোমাবলৈ সময় পোৱা নাই।

ঃ ঃ ঃ ঃ ঃ ঃ ঃ ঃ

ঃ এই ! ইমান দিন কিয় অহা নাছিলি হঁ ?

মোক দেখি পম্পিয়ে দূৰৰ পৰা চিঞ্চৰি দিলে। কাষেৰে পাৰ হৈ যোৱা সকলোৱে ঘুৰি চালে আমাক।

ঃ কিয় ইমান চিঞৰিছ ? ঘৰলৈ গৈছিলো পাগলী।

ঃ ইস্ হয়নেকি ? আমাৰ ইয়াত আক্ কাৰোবাৰ মন বেয়া। ধুক্‌কৈ উঠিল বুকুখন। বাস্তৱ ? অভিমান হৈছিল মনে মনে তাৰ ওপৰত।

ঃ তোক কিন্তু আজি বেলেগ লাগিছে। ইমান ধুনীয়াকৈ হঁহা দেখা নাই আগতে তোক।

ঃ জানো, হাঁহিবলৈ মন গৈছে মোৰ বুজিছ।

ঃ বুজিছো দে।

ঃ কি বুজিছ ? কচোন কচোন ?

ঃ তোৰ মনটো।

পম্পি আৰু মোৰ হাঁহি মুখতে ওলমি থাকিল। সিফালৰ পৰা বাস্তৱৰ সৈতে গাত গা লগাই এজনী ছোৱালী। তাই যেন হাঁহি হাঁহি তাৰ গাত বাগৰিহে পৰিব আৰু বাস্তৱ ! সি তাইৰ গালত টুকুৰীয়াই দিছে। মোৰ এনে লাগিল যেন মই শূন্যতে উপঙি আছো। খালী খালী লাগিছে বুকুখন। মোক দেখি সি তাইৰ লগত আগুৱাই আহিল। মোক চিনাকী কৰি দিলে গীতা তাৰ গাৰ্লফ্ৰেণ্ডৰ লগত। পম্পীৰ চকুত বিস্ময়। তই কিয় নানা নাছিলি পম্পি ? কিয় জনা নাছিলি তাৰ গাৰ্ল ফ্ৰেণ্ড আছে বুলি ? কিয় সি মোৰ পৰা ইমাৰ দিন এইকথা লুকুৱাই ৰাখিছিল ? মোৰ আবেগৰ লগত খেলা কৰিছিল সি ? কিয় আহিছিল ভালপোৱা ? কিয় আহিছিল ইমাৰ সংগোপনে ?

ঃ মুনু ! ক্লাছ নকৰ ?

ঃ মনটো ভাল লগা নাই শপত।

আনদিনা হোৱা হলে তাই মোৰ টানি নিলে হেতেঁন। কিন্তু আজি এনো নকলে। হয়তো মাৰ দুচকুত তাই ডাৱৰ দেখিছিল।

ঃ বাদ দেনা, তাৰ কথা, নাভাবি।

চুমিয়ে কিয় কলে তেনেকৈ ? তাই বাৰু মই নোকোৱাকৈ গম পালো নেকি বাস্তৱক ভাল পোৱাৰ কথা।

ঃ কিযে কথাবোৰ ভাবি থাকো চুমি। জানিও কিছুমান ভুল কাম কৰি ফুৰো মই। আচলতে মই জন্ম হোৱাটোও যে এক ভুল আছিল সেই কাৰণে ছাগে ন' ?

ঃ কিনো কৈ আছ এইবোৰ ? মই বুজি নাপাওঁ।

ঃ বুজি কি কৰিবি ? কান্দি সমবেদনা জনাবি নেকি ?

চুমিয়ে মোৰ ফালে চালে। তাইৰ চাৱনিটো মই বেছিপৰ চাই থাকিব নোৱাৰিলো। ক্লাছ কৰিবৰ বাবে তাই আঁতৰি গ'ল মোৰ কাষৰ পৰা। মোৰ ওলাই আহিব ধৰা। চকুপানী মচি

ললো। হঠাতে বাস্তৱক মোৰ দেউতাৰ দৰে লাগিবলৈ ধৰিলে।

ঃ ঃ ঃ ঃ ঃ ঃ ঃ ঃ

ক্লাছ নকৰাকৈ গুচি আহিলো কলেজৰ পৰা। হাঁতৰ আঙুলিৰ আঙুঠিটো খুলি ললো। কাণফুলযোৰ খুলি বেগত ভৰাই ললো। পায়েলজোৰ দলিয়াই দিলো টেবুলখনৰ চুকলৈ। কিয় পিন্দিবলৈ মন গৈছিল জানো আজি এইবোৰ।

বাহিৰত আকাশখন কলামেঘে ছানি ধৰিলে। ৰাতিপুৱাৰ গোমা গোমা আকাশখন আন্ধাৰ হৈ আহিল। খুউব ডাঙৰ বৰষুণ দিব এতিয়া। দিয়ক দিয়ক এজাক প্ৰলয়ৰ বৰষুণ দিয়ক। সকলো উতুৱাই লৈ যাওক। মোক খুবেই প্ৰয়োজন এজাক বৰষুণৰ। এৰা, এৰা, মই ক্ৰমশঃ বৰষুণৰ প্ৰেমত পৰিছো। সৰসৰাই অহা বৰষুণজাকক হৃদয়লৈ আমন্ত্ৰণ জনাবলৈ দৌৰিলো হোষ্টেলৰ চাদলৈ। এজাক চেঁচা বৰষুণে চুই নিছে মোক। ধুই লৈ যা বৰষুণ মোৰ দুখবোৰ। শৈশৱত বৰষুণত তিতিছিলো দেউতাৰ দুখত ওলোৱা চকুপানী উতুৱাই দিয়াৰ প্ৰয়াসেৰে আৰু আজি বাস্তৱৰ প্ৰতি থকা ভালপোৱাবোৰ বিলিন হৈ যাওক এই পৱিত্ৰ বৰষুণৰ মাজতে। উতুৱাই নিয়ক নদীলৈ, নদীৰ পৰা সাগৰলৈ, সাগৰৰ পৰা মহাসাগৰলৈ। জীপাল কৰি দিয়ক এখন প্ৰকৃত হৃদয়। যত ফুলি উঠক এবুকু সঁচা ভালপোৱা সাগৰৰ ঢৌৰ দৰে। অনুভৱ কৰিলো মোৰ দুচকুৰে বৈ আহিছে এজাক বিষাদ বৰষুণ।

<u>সজোপদেশ</u>

১। খং নকৰিবা - নিজৰ সৰ্বনাশ হ'ব।
২। কাকো ঘৃণা নকৰিবা - নিজেই ঘৃণিত হ'বা।
৩। অহংকাৰ নকৰিবা - পতন হ'ব।
৪। মিছা কথা নকবা - অবিশ্বাসৰ পাত্ৰ হ'বা।
৫। কাৰো অন্তৰত আঘাত নিদিবা - ভগবানে কষ্ট পায়।
৬। ফাঁকি নিদিবা - নিজেই ফাঁকত পৰিবা
৭। কাকো সন্দেহ নকৰিবা - অশান্তি আহিব।
৮। বাজে কথা নকবা - মন চঞ্চল হ'ব।
৯। আত্ম গৌৰৱ নকৰিবা - মনোমালিন্য হ'ব।
১০। মিছা কথাত কান নিদিবা - কৰ্ত্তব্যচ্যুত হ'ব।
১১। মান নিবিচাৰিবা - অৱমানিত হ'বা।
১২। অসৎ সঙ্গ নলবা - চৰিত্ৰ কলুষিত হ'ব।
১৩। অবৈধ চিন্তা নকৰিবা - মন কলুষিত হ'ব।
১৪। অনিত্য সুখ কামনা নকৰিবা - দুখ আহিব।

*সংগ্ৰহ ঃ অমৰজিৎ চন্দ্ৰ ৰাউট*

গল্পৰ শিতান

# আশাৰ পদযাত্ৰা

*শ্ৰী ৰাতুল গগৈ*
*ৰাজনীতি বিজ্ঞান বিভাগ*
*স্নাতক ৩য় বৰ্ষ*

বাহিৰত শেৱালি ফুলৰ সুবাসে চৌদিশে আমোলমোলাই আছে। শৰতৰ প্ৰেয়সী শেৱালীয়ে শৰতৰ আগমনত আনন্দত উত্ৰাৱল হৈ পৰিছে। শাৰদীয় নিশা আকাশৰ তিমিৰ আৱৰন ফালি ওলাই অহা জোনটোৰ পোহৰে চাৰিওদিশে উজলাই তুলিছে। জাক জাক জোনাকী পৰুৱাই আন্ধাৰৰ লগত মিতিৰালি কৰি আনন্দমনে প্ৰকৃতি বনলৈ ওলাই আহি সন্ধ্যাবোৰক যেন অধিক মোহনীয় কৰি তুলা দৃশ্য খিৰিকীৰ ফাকেৰে ৰাহুলে চাই আছিল।

ৰাহুল বৰুৱা। ডিব্ৰুগড়ৰ এক নামজ্বলা মহাবিদ্যালয়ৰ বিজ্ঞান শাখাৰ পদাৰ্থ বিজ্ঞান বিষয়ৰ এজন অধ্যাপক। হয় আজিৰপৰা ১০ বছৰৰ আগৰ কথা। ৰাহুলে বিজ্ঞান শাখাত উচ্চতৰ মাধ্যমিক পৰীক্ষা পাছ কৰাৰ পিছত তাৰ দেউতাকে তাক ডিব্ৰুগড় ঐতিহ্যমণ্ডিত কানৈ কলেজৰ স্নাতক প্ৰথম বৰ্ষৰ বিজ্ঞান শাখাত নামভৰ্তি কৰি দিয়ে। ৰাহুলে বুকুত এক আশা আৰু কিছুমান ৰঙীন সপোন লৈ নতুন উদ্যমৰে মহাবিদ্যালয়ৰ চৌহদত ভৰি দিছিল। ৰাহুলে নিজৰ সৎপৰায়নতা আনক নিজৰ কৰি লব পৰা গুণৰ বাবে অতি সোনকালে কলেজত নতুন বন্ধু-বান্ধৱ পাতি ললে। ৰাহুলে কলেজৰে মৃন্ময় শইকীয়া আৰু উপকূল দুৱৰা নামৰ দুজন বন্ধুৰ লগত ভাড়াঘৰত থাকি পঢ়া-শুনা কৰে। ৰাহুল কলেজত এজন নিয়মানুবৰ্তিতা ছাত্ৰ হোৱাৰ লগতে গহীন-গম্ভীৰ আছিল। তাৰ কণ্ঠত আছিল এক ঐশ্বৰিক শক্তি।

এদিনাখনৰ কথা। ৰাহুলে কলেজত অফ পিৰিয়ডত তাৰ বন্ধু মৃন্ময়, উপকূল, অনিৰ্বাণ অবিনাশহঁতৰ সতে আড্ডা মাৰি আছিল। সিহঁতৰ আড্ডাৰ মাজত প্ৰেমৰ কথা ওলাইছিল। ৰাহুলৰ বন্ধু মৃন্ময়, উপকূল, অনিৰ্বাণ আৰু অবিনাশহঁতে নিজৰ নিজৰ প্ৰেম, ভালপোৱা তথা প্ৰেমিকাবোৰৰ কথা কৈছিল। কিন্তু ৰাহুলে মুখেৰে একো নামাতি মনে মনে বহি আছিল। ৰাহুলক তেনেদৰে বহি থকা দেখি তাৰ বন্ধু উপকূলে ৰাহুলক প্ৰেমৰ কথা কবলৈ কৈছিল। প্ৰথমে ৰাহুলে না কৰিছিল যদিও বন্ধুসকলৰ আব্দাৰত কৈছিল - জীৱনত প্ৰেম কৰা নাযায়, প্ৰেম হৈ যায়। আজিকালিৰ ল'ৰা-ছোৱালীবোৰে আচলতে সঁচা অন্তৰৰে কাকো প্ৰেম নকৰে। প্ৰেম যে কৰিব লাগে বুলি পৰম্পৰা এটা আছে সেইকাৰণেই প্ৰেম কৰে। অৱশ্যে প্ৰেম কৰা সকলক মই দোষী বুলি কোৱা নাই। সমাজত এতিয়াও সঁচা অন্তৰৰ প্ৰকৃত প্ৰেম আছে। কিন্তু বন্ধুসকল এটা কথা - আমাৰ কলেজত এনে এগৰাকী ছোৱালী আছে যাৰ সৈতে মই মোৰ জীৱন কটাব বিচাৰো। ৰাহুলৰ মুখত তাৰ বন্ধুমহলে ছোৱালীৰ কথা শুনাত ছোৱালীগৰাকীৰ বিষয়ে তাক সোধে। ৰাহুলে বন্ধুমহলক কয় যে - ছোৱালীগৰাকীৰ নাম প্ৰতীক্ষা শৰ্ম্মা। তাই আমাৰ কলেজৰে উচ্চতৰ মাধ্যমিক দ্বিতীয় বৰ্ষৰ ছাত্ৰী। অৱশ্যে তাইৰ প্ৰতি মোৰ প্ৰেমভাৱ আছেনে নাই সেয়া

মই নাজানো। কিন্তু তাইক যিমান চালেও মোৰ হেঁপাহ নপলাই। তাইক নেদেখিলে মোৰ বহুত কথা কবলৈ মন যায় অথচ চকুৰ আগত থাকিলে একো কব নোৱাৰো। ৰাহুলৰ কথা শুনাৰ পিছত তাৰ বন্ধু উপকূলে তাক কৈছে সেয়াইটো হৈছে প্ৰেম দোস্ত।

এদিনাখন কলেজত ৰাহুলক তাৰ বন্ধু মৃন্ময়ে প্ৰতীক্ষাৰ লগত চিনাকি কৰি দিয়ে। কাৰন মৃন্ময়ৰ মোমায়োকৰ ছোৱালী অনামিকা আৰু প্ৰতীক্ষা বান্ধৱী আছিল। সেই সূত্ৰে মৃন্ময়ে প্ৰতীক্ষাক ভালদৰে চিনি পায়। ইয়াৰ পিছত ৰাহুলে প্ৰতীক্ষাৰ সতে কলেজত প্ৰায়েই কথা পাতে। সেই দিনকেইটাত ৰাহুলে নিজকে পৃথিৱীৰ আটাইতকৈ সুখী মানুহ বুলি অনুভৱ কৰে। কাৰণ সি জীৱনসংগিনী হিচাপে বিচৰা প্ৰতীক্ষাৰ লগত নিতৌ কলেজৰ কৃষ্ণচূড়া গছজোপাৰ তলত বহি কথা পাতিবলৈ পায়। এনেদৰে কেইমাহমান যোৱাৰ পিছত এদিনাখন মৃন্ময়ে ৰাহুলক কলে যে - প্ৰতীক্ষাৰ হেনো নীৰৱ নামৰ ল'ৰা এজনৰ লগত বিয়া ঠিক হৈ হৈছে।

ৰাহুলে কথাষাৰ শুনাৰ লগে লগে যেন তাৰ মূৰত আকাশখন ভাগিল। ৰাহুলে হুকহুকাই কান্দিবলৈ ধৰিলে। ৰাহুলৰ বন্ধু মৃন্ময়ে ৰাহুলক কৈছে যে -ছোৱালীবোৰ সৱ এনেকুৱাই। সিঁহতক ভৱিষ্যৎ নিৰাপত্তা লাগে। সেইকাৰনে আজিৰ এই যান্ত্ৰিকতাময় জীৱনত প্ৰেমৰ কোনো অস্তিত্ব আৰু মূল্য নাই: আৰে তয়েতো এদিন কৈছিলি প্ৰেম যে কৰিব লাগে বুলি পৰম্পৰা এটা আছে সেইকাৰণেই প্ৰেম কৰে। সঁচা অন্তৰৰ পৰা কোনেও কাকো প্ৰেম কৰিব নোৱাৰে। মৃন্ময়ৰ পিছত উপকূলে ৰাহুলক কৈছে যে - দোস্ত, তই কিয় পাহৰি গৈছ ইংৰাজী সেই কথাষাৰ - Time, Weather and Girls wait for none মৃন্ময় আৰু উপকূলৰ কথাষাৰ শুনাৰ পিছত ৰাহুলৰ একমাত্ৰ কলেজীয়া বান্ধৱী ৰিম্পীয়ে কয় যে সৱ ছোৱালী এক নহয়। প্ৰত্যেক ল'ৰা-ছোৱালীৰে এক নিজা নিজা অনুভূতি থাকে। চোৱা ৰাহুল - মই তোমাৰ দুখ বুজি পাইছো, উপলব্ধিও কৰিছো। হ'লেও তোমাক কঁও - তুমি মন মাৰি থাকি একো লাভ নাই। কাৰণ প্ৰতীক্ষাইতো তোমাক ভালপাঁও বুলি কোনোদিনে কোৱা নাই। আৰু তুমিও তাইক তোমাৰ মনৰ অনুভূতিখিনি প্ৰকাশ নকৰিলা। সেয়েহে তাইৰ ঘৰত বিয়াৰ কথা ওলোৱাত  তাই কোনো আপত্তি কৰা নাই। ছোৱালী এগৰাকীৰ কোনোবা ল'ৰা এজনৰ প্ৰতি দুৰ্বলতা থাকিলেও ছোৱালীগৰাকীয়ে ল'ৰাটোক কবলৈ সাহস নকৰে। কিজানি ল'ৰাজনে ছোৱালীগৰাকীৰ কথাষাৰৰ প্ৰতি ভুল বুজে বা গুৰুত্ব নিদিয়ে। কাৰণ মই নিজেও এগৰাকী ছোৱালী আৰু ছোৱালী হিচাপে মই আন এগৰাকী ছোৱালীৰ অনুভূতিখিনি বুজি পাঁও। চোৱা ৰাহুল - জীৱনত সুখী হবলৈ হলে তুমি কাক ভালপোৱা তাক গুৰুত্ব নিদিবা। তোমাক কোনে ভাল পায় সেইটোৰ গুৰুত্ব দিবা। মৃন্ময়, উপকূল আৰু ৰিম্পীৰ বুজনিৰ অন্তত ৰাহুলে সিঁহতক কয় যে - মই মোৰ সুখ বিচাৰি পাওঁ প্ৰতীক্ষাৰ মাজত। কিন্তু প্ৰতীক্ষাই নিজৰ সুখ বিচাৰে নীৰৱৰ মাজত। গতিকে মই তাইৰ সুখৰ কাৰণে মোৰ সুখক ত্যাগ কৰিবই লাগিব। কাৰণ মই প্ৰতীক্ষা সদায় সুখত থকাটো বিচাৰো। তাইৰ মুখত হাঁহি বিৰিঙাব বিচাৰো। তাইৰ মনত দুখ দিয়াটো মই সপোনতো ভাবিব নোৱাৰো। নাই প্ৰেমৰ ক্ষেত্ৰত মই ইমান স্বাৰ্থপৰ হ'ব নোৱাৰো।

সেইদিনা গোটেই ৰাতি ৰাহুলে শুব নোৱাৰিলে। ৰাহুলে পুৱা সোনকালে শুই উঠি হাত-মুখ ধুই কিতাপৰ টেবুলত বহি প্ৰতীক্ষালৈ বুলি এখন চিঠি লিখিলে। চিঠিলেখা শেষ কৰাৰ পিছত ৰাহুলে তিনিকাপ চাহ কৰি একাপ নিজে খোৱাৰ লগতে তাৰ ৰুমমেট মৃন্ময় আৰু উপকূলকো চাহ দিলে। চাহ কাপ খোৱাৰ পিছত ৰাহুলে মৃন্ময়ৰ হাতত প্ৰতীক্ষাৰ নামত চিঠি এখন দিলে আৰু কলে এই চিঠিখন তই যেনেতেনে আজি প্ৰতীক্ষাৰ হাতত দিবি! ৰাহুলৰ হাতৰ পৰা চিঠিখন পোৱাৰ পিছত মৃন্ময়ে ৰাহুলক চিঠিখনৰ বিষয়ে সুধিলে। ৰাহুলে মৃন্ময়ক চিঠিখনৰ বিষয়ে কলে -

মৰমৰ

প্ৰতীক্ষা

মৰম ল'বা। তোমাৰ বিয়াৰ খবৰ পাইছো। শুনি ভাল লাগিব। তুমি, তোমাৰ মা-দেউতা খুব সুখী ছাগে। ময়ো সুখী হৈছো, বহুত সুখী। মোৰ শুভকামনা থাকিল। মোৰ বিষয়ে তোমাক কি কম, জীয়াই আছো, ইয়াকে জানি থোৱা। তোমাক এবাৰ কইনাসাজত চাবৰ মন গৈছিল। কিন্তু সেই সৌভাগ্য মোৰ নাই। পৰিস্থিতিয়ে জীয়াই ৰাখিলে হয়তো তোমাক কৰবাত দেখা পাম! আৰু কেতিয়াবা যদি অজানিতে অকস্মাতে মোলৈ মনত পৰি মোক এবাৰ চাবলৈ বিচাৰা, তেন্তে তুমি সন্মুখৰ দাপোনখনৰ কাষলৈ যাবা, তাতেই মোক দেখা পাবা। শেষত তুমি সুখী হোৱা ব.....হু.....ত সুখী

তোমাৰ

ৰাহুল দা

চিঠিখনৰ কথাখিনি উল্লেখ কৰাৰ পিছত ৰাহুলে তাৰ বন্ধু মৃন্ময় আৰু উপকূলক কলে যে ঘৰখনলৈ বৰকৈ মনত পৰিছে ঘৰৰ মা-দেউতা, ভাইটি-ভণ্টী, গাঁওৰ মানুহবোৰলৈও মনত পৰিছে। এইবাৰ গাঁৱলৈ গলে হয়তো আৰু পঢ়িবলৈ ঘূৰি নাহিম।

চহৰৰ এই মুখা পিন্ধা মানুহবোৰৰ মাজত থাকিবলৈ মোৰ মন নাই। ৰাহুলৰ কথা শুনি তাৰ বন্ধু মৃন্ময় আৰু উপকূলে তাক কৈছিল যে - তই ইয়াৰপৰা এনেকৈ যাব নোৱাৰ। কেনেকৈ তই তোৰ মা-দেউতা, ভাইটি-ভণ্টি আৰু গাঁওৰ মানুহবোৰৰ আগত মুখ উলিয়াবি। কি বুলি কবি সেই মানুহবোৰক কবি নেকি প্ৰেমত বিফল হৈ গাঁওলৈ ঘূৰি আহিছু বুলি। তই তোৰ মা-দেউতাৰ আশা-সপোনবোৰ পূৰণ কৰিবই লাগিব। তই কিয় পাহৰি গৈছ যে তোৰ মা দেউতাই কিমান দুখ-কষ্ট স্বীকাৰ কৰি তোক টাউনৰ ভাড়াঘৰত থৈ চহৰৰ কলেজত পঢ়ুৱাইছে। তোৰ ভাইটি-ভণ্টীয়ে আশা কাৰি আছে যে দাদাই ভালকৈ পঢ়ি-শুনি ডাঙৰ চাকৰি কৰি ঘৰ তথা গাঁওখনলৈ গৌৰব কঢ়িয়াই আনিব। কিমান আশা তোৰ প্ৰতি ঘৰৰ সকলো মানুহৰে। ৰাহুলে মৃন্ময় আৰু উপকূলৰ বুজনিৰ অন্তত অনুভৱ কৰিছে যে এজনী ছোৱালীৰ বাবে সি মাক-দেউতাকৰ আশা, ভায়েক-ভনীয়েকৰ দায়িত্ববোৰৰ কথা পাহৰি গৈছিল। ৰাহুলে মনতে থিৰাং কৰিলে যে সি ভালকৈ পঢ়ি-শুনি সমাজত প্ৰতিষ্ঠিত হবই লাগিব। নিজৰ বাবে নহলেও অন্তত মাক-দেউতাকৰ আশা আৰু ভায়েক-ভনীয়েকৰ প্ৰতি থকা দায়িত্বৰ বাবে।

ৰাহুলে এনেদৰে বাহিৰলৈ চাই অতীতৰ কলেজীয়া স্মৃতি বিলাকৰ কথা ভাবি আছিল। সেইদিনবোৰৰ কথা আজিও মনত পৰিলে ৰাহুলৰ নিজকে লাজ লাগে। কেনেকৈ সেই দিনবোৰত তাৰ বন্ধু তথা ৰুমমেট মৃন্ময় আৰু উপকূলে অভিভাৱকৰ দৰে তাৰ দায়িত্ব পালন কৰিছিল। তেনেতে ৰাহুলৰ কোৱাৰ্টাৰৰ লগুৱা হৰি কাইয়ে তাক ভাত খাবলৈ মতাতহে সি যেন সম্বিৎ ঘূৰাই পালে।

ৰাতিপুৱাৰ কথা। পুৱা সোনকালে শুই উঠি ৰাহুলে হাত-মুখ ধুই পেপাৰ চাওঁতে হৰি কাইয়ে দিয়া চাহ একাপ খোৱাৰ অভ্যাস আছে। তাৰ পিছত ৰাহুলে গা-ধুই হৰি কাইয়ে দিয়া ব্ৰেকফাষ্ট খাই কলেজলৈ বুলি যায়। কিন্তু সেইদিনা ৰাহুলে আন দিনাতকৈ সোনকালে কলেজলৈ যায়। কাৰণ ৰাহুলে অধ্যাপক কৰা পদাৰ্থ বিজ্ঞান বিষয়ত আজি এগৰাকী নতুনকৈ অধ্যাপিকা কলেজত যোগদান কৰাৰ কথা। ৰাহুলে কলেজত গৈয়ে নিজৰ পোনপ্ৰথমে ৰুমটো কৰাই আহি নিজ বিভাগত সোমাই হতভম্ব হৈ পৰে। ৰাহুলৰ বিভাগীয় বিষয়ত যোগদান কৰা নতুন অধ্যাপিকা গৰাকী হৈছে তাৰ কলেজীয়া দিনৰ একমাত্ৰ বান্ধৱী ৰিম্পী গগৈ।

এদিনাখনৰ কথা। ৰাহুলে বজাৰলৈ যোৱাৰ পথটিৰ কাষতে তাৰ কলেজীয়া বন্ধু উপকূলক থিয় হৈ থকা দেখিলে। ৰাহুলে উপকূলক দেখাৰ লগে লগে দূৰৈৰপৰাই উপকূল উপকূল চিঞৰিব ধৰিলে। ৰাহুলৰ চিঞৰত উপকূলে ৰাহুলক

দেখাৰ লগে লগে তাৰ ওচৰলৈ গ'ল। তাৰ পিছত দুই বন্ধু এখন কফি কেফত সোমাই কফি খালেগৈ। কফি খোৱাৰ মাজতে উপকূলে ৰাহুলক সুধিলে - তই এতিয়া ক'ত কেনেকৈ ব্যস্ত আছ ? ৰাহুলে কলে যে - বৰ্তমান মই কলেজ এখনতে অধ্যাপক কৰি আছো। আৰু তই উপকূল - মই বৰ্তমান এজন ফৰেষ্ট অফিচাৰ। এসপ্তাহৰ আগতে ইয়ালৈ ট্ৰান্সফাৰ হৈ আহিছো। তাৰ পিছত ৰাহুলে উপকূলক মৃন্ময়ৰ কথা সুধিলে। উপকূলে কলে যে - মৃন্ময় এতিয়া গুৱাহাটীত থাকে আৰু সি বৰ্তমান এজন আৰক্ষী বিষয়া। দুই বন্ধুৰ কথা শেষ হোৱাৰ পিছত ৰাহুলে উপকূলক তাৰ ৰূমলৈ নিব বিচাৰিলে। কিন্তু উপকূলে কলে যে - ঘৰত সোনকালে নগলে ঘৰৰ মানুহজনীয়ে বৰকৈ চিন্তা কৰে। ৰাহুলে কলে - তাৰ মানে উপ তই সংসাৰো কৰিলি। তেন্তে তোক জোৰ নকৰো। পিছত মোৰ ঘৰত গলে নবৌক লৈহে আহিবি।

এদিনাখন কলেজ আধা বেলাতে ছুটি হোৱাত ৰাহুল আৰু তাৰ একালৰ বান্ধৱী তথা বৰ্তমান কলিগ ৰিম্পীৰ সতে বজাৰলৈ গৈছিল। বজাৰ-সমাৰ কৰাৰ পিছত ৰাহুল আৰু ৰিম্পীয়ে চাহ খাবলৈ হোটেলত সোমালে। হোটেলত সিহঁতে উপকূল আৰু উপকূলৰ পত্নী মধুস্মিতাক দেখা পায়। সকলোৱে একেলগে বহি চাহ খালে। উপকূলে তাৰ কলেজীয়া বন্ধু ৰাহুল আৰু ৰিম্পীৰ সতে পত্নীগৰাকীক চিনাকি কৰি দিয়ে। তাৰ পিছত সকলোৱে নিজ নিজ ঘৰলৈ ৰাওনা হ'ল। কেইদিনমানৰ পাছত ৰাহুলে এদিনাখন উপকূলক বজাৰত শাক-পাচলি লোৱা দেখি তাৰ ওচৰলৈ গ'ল। দুয়োৱে বজাৰ-সমাৰ কৰাৰ পিছত উপকূলে ৰাহুলক তাৰ ঘৰলৈ লৈ গ'ল। উপকূলৰ ঘৰত গৈ ৰাহুলে ৰাতিৰ আহাৰ গ্ৰহণ কৰিলে। ৰাহুল, উপকূল আৰু উপকূলৰ পত্নীয়ে আহাৰ গ্ৰহণ কৰাৰ পিছত উপকূলে ৰাহুলক বিয়া কৰোৱাৰ কথা কলে। ৰাহুলে অৱশ্যে মুখেৰে একো মাত নিদিলে। উপকূলে পুনৰ কলে ৰাহুল বয়সতো কাৰো বৈ নাথাকে। অতীতত যি ঘটিল সেয়া তই বেয়া সপোন বুলি পাহৰি যা। জীৱন সাগৰত অকলশৰে নাও বাব নোৱাৰিবি দোস্ত। গতিকে সময় থাকোতেই কিবা এটা সিদ্ধান্ত ল'। কাৰণ আজিৰ সমাজত তই এজন প্ৰতিষ্ঠিত ব্যক্তি। আৰু এটা কথা দোস্ত - তই লক্ষ্য কৰিছনে নাই মই নাজানো। কিন্তু তোৰ প্ৰতি তোৰ বৰ্তমানৰ কলিগ ৰিম্পীৰ দুচকুত মই ভালপোৱা দেখা পাইছো। নহলে তাই তোৰ লগত এনেদৰে বজাৰ সমাৰ কৰি ঘূৰি নুফুৰে। উপকূলৰ কথাষাৰ শুনাৰ পিছত ৰাহুলে সিহঁতক কলে - কথাষাৰ ময়ো লক্ষ্য কৰিছো। কিন্তু কেনেকৈ তাইক কম তাইৰ প্ৰতি থকা বৰ্তমান মোৰ অনুভৱৰ কথা। অতীতত প্ৰেম বিচাৰি অপমানিত হৈ বৰ্তমান তাইৰ ওচৰলৈ আহিব বিচাৰিছো। আৰু এটা কথা - জীৱনত মই যিয়েই আশা কৰো ভাঙি যায়, যাকেই ভালপাওঁ মোৰ পৰা হেৰাই যায়। গতিকে ৰিম্পীক মই কেতিয়াও হেৰুৱাব নিবিচাৰো। তাই সদায় মোৰ বান্ধৱী হিচাপেই থাকক।

কিন্তু সময়ৰ কি চমৎকাৰিতা। উপকূলে নিজৰ প্ৰথম **Marriage Anniversary** ৰ দিনা ৰাহুল আৰু ৰিম্পীক ঘৰলৈ নিমন্ত্ৰণ জনায়। ৰাহুল আৰু ৰিম্পীয়ে কলেজৰ পৰা বাহিৰে বাহিৰে বজাৰত উপহাৰ লৈ উপকূলৰ ঘৰ পালেগৈ। উপকূলেও ৰাহুল আৰু ৰিম্পীৰ বাবেহে যেন বাট চাই আছিল। ৰাহুল আৰু ৰিম্পীয়ে উপকূলৰ ঘৰত গৈ পোৱাৰ লগে উপকূল আৰু উপকূলৰ পত্নী মধুস্মিতায়ে সিহঁতক ভিতৰত বহাই চাহ খাবলৈ দিয়ে। চাহৰ পৰ্ব শেষ হোৱাৰ পিছত উপকূলৰ পত্নী মধুস্মিতায়ে ৰিম্পীক ভিতৰৰ ৰূমলৈ লৈ যায়। ভিতৰত নি মধুস্মিতায়ে ৰিম্পীক ৰাহুলৰ বিষয়ে সোধে। ৰিম্পীয়েও মধুস্মিতাৰ আগত ৰাহুলৰ প্ৰতি কলেজীয়া দিনৰেপৰা থকা দুৰ্বলতাখিনি প্ৰকাশ কৰি দিয়ে। তেনেতে ৰূমটোৰ ভিতৰলৈ উপকূল আৰু ৰাহুল সোমাই আহে। মধুস্মিতায়ে নিজ স্বামী উপকূলৰ কাণে কাণে ৰিম্পীয়ে কোৱা কথাখিনি কৈ দিয়ে। তাৰ পিছত উপকূলে ৰাহুলক কয় যে সেই তাহানি দিনৰেপৰা তোক ৰিম্পীয়ে ভাল পায়। গতিকে দোস্ত তই আজিয়েই ৰিম্পীক তোৰ মনৰ কথাখিনি কৈ দে, আৰু ৰাহুলেও নিজৰ মনৰ অনুভূতিখিনি ৰিম্পীৰ আগত খোলাখুলিকৈ প্ৰকাশ কৰি

দিয়ে। যিয়েই হওক উপকূল আৰু উপকূলৰ পত্নী মধুস্মিতাৰ সহায়ত ৰাহুল আৰু ৰিম্পীৰ জীৱনৰ অকলশৰে নাও বোৱাৰ অন্ত পৰিল।

উপসংহাৰ ঃ অন্তৰৰ পৰা নিগৰি অহা কিছুমান কেঁচা শব্দৰে গঠিত এই কাল্পনিক কাহিনীটিক ৰচাত কিমান ধৰণে সফল হৈছো সেয়া আপোনালোকৰ ওপৰত এৰিলো। অৱশেষত মোৰ এই কাল্পনিক কাহিনীটিক এনেদৰে প্ৰকাশ কৰাৰ ক্ষেত্ৰত আমাৰ কানৈয়ানৰ সম্পাদক তথা মোৰ বন্ধু কাশ্যপ মহন্তক ইয়াৰ যোগেদিয়েই ধন্যবাদ জ্ঞাপন কৰাৰ লগতে সমূহ কানৈয়ানৰ উজ্জ্বল ভৱিষ্যত কামনা কৰিলো।

## কৌতুক

১) গ্ৰাহক ঃ তোমাৰ হোটেলত বিভিন্ন ধৰণৰ আহাৰ আছেনে ?

মেনেজাৰ ঃ আমাৰ হোটেলত তিনি ধৰণৰ আহাৰ পাব।

গ্ৰাহক ঃ সেইবোৰ কি কি ?

মেনেজাৰ ঃ Breakfast, Lunch আৰু Dinner.

২) জেইলাৰ ঃ তোমাৰ বন্ধু-বান্ধৱ, আত্মীয়-স্বজন কোনেও তোমালৈ চিঠি নিদিয় কিয় ?

কয়দী ঃ চিঠি দিয়াৰ প্ৰয়োজন নাই, চাৰ।

জেইলাৰ ঃ কিয় ?

কয়দী ঃ সিহঁত সকলো এই জেইলতে আছে চাৰ।

*সংগ্ৰহ ঃ অমৰজিৎ চন্দ্ৰ ৰাউট*

গল্পৰ শিতান

# কোন আপোন কোন পৰ

*শ্ৰী বিপ্লৰৰিমন ভূঞা*
*উঃমাঃ প্ৰথম বৰ্ষ, কলা-শাখা*

এই মায়ামোহা পৃথিৱীত আমি মানুহবোৰ মাথোঁ দুদিনৰ বাবেহে আঁহো। তাতে ইমান হিংসা, কষ্ট, অত্যাচাৰ। টকাৰ লোভত কিছুলোকে নিজৰ মানুহক বহু সহজতে পাহৰি যায়। কিন্তু সকলো মানুহ তেনেকুৱা নহয়।

বহুতো ঘাট-প্ৰতিঘাট, অত্যাচাৰ, হিংসা আদিৰ মাজতে ডাঙৰ-দীঘল হৈছিল সেই কণমানি ৰিকি বোলা ল'ৰাটো। অতি সৰু বয়সতে সি নিজৰ মাক-দেউতাক, দাদা, পৰিয়ালৰ সকলোবোৰ লোকক হেৰুৱাই পেলাইছিল। নিজৰ আপোন মানুহ বুলিবলৈ ৰিকিৰ কোনো নাছিল। দেউতাকৰ বংশৰ সকলো থাকিও কোনো নথকাৰ দৰে হ'ল। টকা-সম্পত্তিৰ লোভত ৰিকিক খুৰা-খুৰীয়েক আদিও এই সংসাৰৰ পৰা বিদায় দিব বিচাৰিছিল। ৰিকিৰ দেউতাক আছিল এজন চৰকাৰী কৰ্মচাৰী। খুৰাকহঁতে ৰিকিক দেউতাকৰ সম্পত্তিৰ পৰা বঞ্চিত কৰিলে। ৰিকিৰ ওপৰত বহুতো অত্যাচাৰ কৰিলে। সেই ৯ বছৰীয়া ল'ৰাটিৰ ওপৰত কামৰ বোজা জাপি দিলে। স্কুললৈ যাবলৈ নিদিলে তাৰ ঠাইত সিহঁতে ৰিকিক কাম কৰিবলৈ দিলে।

হঠাৎ এদিন শদিয়াৰ পৰা ডাঙৰ মোমায়েক আহি ওলাল। কণমানি ৰিকিক দেখি মোমাইয়েকৰ আৰু বুজিবলৈ বাকী নাথাকিল। পিছদিনাই ৰিকিক মোমায়েকে নিজৰ ঘৰলৈ লৈ গ'ল। কিন্তু তাতো ৰিকিৰ ওপৰত অত্যাচাৰ নকমিল। মোমায়েক আৰু মামীয়েকৰ ছোৱালীজনীয়ে ৰিকিক বহুতো গালি শপনি, অত্যাচাৰ কৰিলে। খেলা-ধূলা বয়সত ৰিকিক কৰিবলৈ দিলে ঘৰ এখনৰ সমস্ত কাম। ৰিকিক ওচৰৰে স্কুলখন মোমাইয়েকে নাম ভৰ্ত্তি কৰি দিলে। সি এতিয়া চতুৰ্থ শ্ৰেণীৰ ছাত্ৰ। মোমাইয়েকৰ ছোৱালীজনী দশমমান শ্ৰেণীৰ ছাত্ৰী। ৰিকিৰ সৰু মোমাইয়েকজন আছিল এজন ৰেলৰ কৰ্ম্মচাৰী। মাজে সময়ে ৰিকিক স্কুলৰ কিতাপ পত্ৰ বহী কাপোৰ আদি দিছিল। কিন্তু সেই বস্তুবোৰ দিয়াৰ ওপৰতো সৰু মামীয়েকৰ চকু পৰিল।

সৰু মোমাইয়েকৰ ল'ৰাটোৰ লগত ৰিকিক থাকিবলৈ নিদিয়ে। দুয়ো বন্ধুৰ দৰে হৈ পৰিল। ৰিকিৰ সৰু মোমায়েকৰ ল'ৰাটো ষষ্ঠ শ্ৰেণীৰ ছাত্ৰ। সময় বাগৰি গল কিন্তু ৰিকিৰ ওপৰত অত্যাচাৰ নকমিল। ৰিকি বৰ্তমান শদিয়াৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ দশম শ্ৰেণীৰ ছাত্ৰ। সি এতিয়া সকলো বুজিব পৰা হ'ল। মনত বহুত কল্পনা সপোন। সি পৰীক্ষাত ভালকৈ উৰ্ত্তীণ হয়। কিন্তু ৰিকিয়ে পঢ়িবলৈ সময় বহু কম পায়। কাৰণ তাক দুয়ো মামীয়েকে কামৰ বোজা দিছে। কিন্তু ৰিকিয়ে সকলো মনপুতি কৰে। কামৰ মাজতো সি নিজৰ পঢ়াৰ কাম মনপুতি কৰে।

ইমান দিন পাৰহৈ গ'ল কিন্তু ৰিকিৰ খুৰাক-খুৰিয়েক

ন'গল। অৱশেষত ৰিকি হাইস্কুল শিক্ষান্ত পৰীক্ষাত বহিল। ৰিকিৰ সপোন সি পৰীক্ষাত ভালকৈ পাছ কৰি এজন ওকীল হোৱা। কিন্তু সেই কথাশুনি মামীয়েকহঁতে তাক ঠাট্টা কৰে। এদিন ৰিজাল্ট ওলোৱাত ৰিকি ইমান ভালকৈপাছ কৰিলে যে তাক পঢ়াৰ সকলো খৰচ চৰকাৰে দিলে। তাৰ ফলাফল শুনি ডাঙৰ মোমায়েকে বৰভাল পালে। কাৰণ মোমাইয়েকৰ ছোৱালীজনীতো বিয়া হৈ গুচি গ'ল তাৰ বাহিৰে ঘৰখনত আৰু সন্তান কোনো নাই।

ৰিকি এজন শান্ত স্বভাৱৰ ল'ৰা। সি সকলোৰে কথা শুনে আৰু কেতিয়াও মিছা নামাতে। এদিন হঠাৎ অঘটন এটা ঘটিল তাৰ সৰু মোমাইকেৰ জেপৰ পৰা পাঁচশ টকা হেৰাল। মামীয়েকে পইচা চোৰ কৰি সমস্ত বদনাম ৰিকিৰ ওপৰত জাপি দিলে। মোমায়েক-মামীয়েকে তাক বহুত মাৰিলে আনৰ আগত লাজ দিলে। ৰিকিৰবৰ বেয়া লাগিল। তাৰ কেতিয়াবা এনে লাগে যে মই কিয় আনৰ ঘৰলৈ আহিলো। ইমান অশান্তি অত্যাচাৰ। তাতকৈ ভাল খুৰা-খৰীহঁতৰ লগত থকাটোৱে ভাল আছিল নেকি ? ৰিকিয়ে যিহেতু মা-দেউতাৰ মৰম খুব কম সময়হে পালে সেইকাৰণে সি নিজৰ মামা-মামীহঁতক নিজৰ মা-দেউতাৰ দৰে ভাবে। কিন্তু তাক মামীয়েকহঁতে কেতিয়াও নিজৰ ল'ৰাৰ দৰে ভবা নাছিল। বৰঞ্চ তাক সিহঁতৰ বোজা বুলিহে ভাবিছিল। সৰু মোমায়েকে ৰিকিক পেটে-পেটে বেয়া পাইছিল কাৰণ সি যে ককায়েকৰ সম্পত্তি সকলো বোৰে পাব।

কিন্তু ৰিকিৰ মনত তেনেকুৱা একোভাৱ নাছিল। ৰিকিয়ে এইবাৰ উচ্চতমৰ মাধ্যমিক দ্বিতীয় বৰ্ষ পাছ কৰি ওকালতি পঢ়িবলৈ ছিট পালে। ডাঙৰ মোমায়েকে পঢ়াৰ সকলো খৰচ পাতি দিলে। তাক ডাঙৰ মানুহ কৰিবলৈ বিচাৰিছে। অৱশ্যে ইয়াত মামীয়েকে বাধা দিছিল যদিও মোমায়েকে এইবাৰ কাৰো কথা নামানিলে। বহু ঘাট-প্ৰতিঘাট আৰু কষ্টৰ মাজত পঢ়া-শুনা কৰি অৱশেষত এদিন ৰিকি নামৰ ল'ৰাটো ওকীল হ'লগৈ। তাৰ মনৰ আশা পূৰণ হ'ল। মামীয়েকহঁতে এইবাৰ ৰিকিক আকোঁৱালি ললে। তাক নিজৰ সন্তানৰ দৰে ভাবিলে আৰু ৰিকিয়েও নিজৰ মা-দেউতাকৰ দৰে মৰম পালে। বৰ্তমান ৰিকি এজন নাম জ্বলা ওকীল। ৰিকি দত্ত। অৱশেষত ৰিকিয়ে মোমায়েকহঁতৰ লগত নিজৰ জীৱন নিৰ্ব্বাহ কৰি আছে। সকলোৱে মিলিজুলি ৰিকিৰ এইবাৰ বিবাহ ঠিক কৰিছে। ৰিকিয়ে এতিয়া বিয়া পাতি নিজৰ পৰিয়াল মোমায়েকহঁতৰ লগত কটাই আছে।

আজি কোন আপোন কোন পৰ ? আমি মানুহ জাতিটো এই সেউজী ধৰণীলৈ মাত্ৰ দুদিনৰ বাবে আহে। তাতে ইমান হিংসা, অত্যাচাৰ। আজি ৰিকিক দেউতাকৰ বংশৰ লোকে এৰি পৰ কৰিলে। কিন্তু মোমায়েক-মামীয়েকে পৰ হৈ আপোন কৰি ল'লে। কেৱল তেজৰ সম্পৰ্ক থাকিলেও নিজৰ আপোন হ'ব নোৱাৰে। আপোন হ'বলৈ মৰম, চেনেহ, সহায় আৰু বিশ্বাসৰ প্ৰয়োজন। সংসাৰত দুদিনৰ পিছত আমি পুনৰ যামগৈ। সেইকাৰণে হিংসা ভাব থাকিব নালাগে। সকলোৱে মিলিজুলি থাকিব লাগে। টকা-পইচা, সম্পত্তি এইবোৰ মাথো দুদিনীয়া বস্তুহে। চিৰদিনৰ বাবে নহয়। সেয়েহে আহক আমি সকলোৱে মিলা-প্ৰীতিৰে থাকো।

**<u>মহৎ লোকৰ বানী</u>**

য'ত প্ৰেম আছে তাত জীৱনো আছে; ঘৃণাই মানুহক ধ্বংসৰ বাটলৈহে নিয়ে।

প্ৰেমে প্ৰতিদানী দাবী নকৰে; ই সদায় দানহে কৰে -

*মহাত্মা গান্ধী*

গল্পৰ শিতান

# শিক্ষা

শ্ৰী সুদৰ্শন বড়া
উঃমাঃ দ্বিতীয় বৰ্ষ, কলা শাখা

ঃ চাৰ ভালনে আপোনাৰ ?
ঃ অ' ভাল ভাল।
ঃ চাৰ আহিলে ?
ঃ আহিলো বোপাইহঁত ; যা পৰীক্ষা ভালকৈ দিবি।

এইবুলি ল'ৰা দুটাই চাইকেলৰ পৰা নামি ৰমেন কলিতাক মাত লগাই গ'ল।

ৰমেন কলিতা নামৰূপ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ ইংৰাজী বিষয়ৰ শিক্ষক। পিন্ধনত বগা ধুতি-পাঞ্জাৰী, কুৰ্তা আৰু গাত এখন চাদৰ। দেখাত বেছ ওখ-পাখ, শকত-আৰট। আহোম ৰজাৰ পোছাকজোৰ পিন্ধাই দিলে তাহানিৰ গদাধৰ সিংহ যেনেই লাগিব। ভৰিত চামৰাৰ চেণ্ডেল। গুৰু-গম্ভীৰ কিন্তু সহজ-সৰল হাঁহিমুখীয়া। মুখত বয়সৰ চাপ স্পষ্ট ; তেলসনা চুলিখিনি পিছফাললৈ ফণিওৱা। চাকৰিৰ পৰা অৱসৰ ল'বলৈ চাৰি মাহ মানহে বাকী। ঘৰত তেওঁৰ পৰিবাৰ নিৰ্মালি আৰু জীয়েক থাকে। ছোৱালীজনীয়ে প্ৰাইভেট স্কুল এখনতে কৰি আছে। ল'ৰাটোৱে গুৱাহাটীত থাকি কম্পিউটাৰৰ চাকৰি এটা কৰি আছে। দুমাহমানৰ পিছত নামৰূপলৈ একেবাৰে অহাৰ কথা।

ৰাতিপুৱাই গা-পা ধুই তেওঁ নিত্যকৰ্ম কৰি গৰম ভাত কেইটামান খাই শুদ্ধ বগা কাপোৰ এসাজ পিন্ধি যেতিয়া স্কুলৰ চৌহদত ভৰি দিয়ে, তেওঁ নিজকে গৰ্ববোধ কৰে। ছাত্ৰ-ছাত্ৰীবোৰ, সিহঁতৰ মাতবোলবোৰে তেওঁক আনন্দপ্ৰদান কৰে। স্কুল পাছ কৰি যোৱা পুৰণি ছাত্ৰবোৰে যেতিয়া তেওঁক "চাৰ ভালে আছেনে" বুলি কয়, তেওঁৰ পুনৰ এইষাৰ কথা অনুভৱ হয় যে ল'ৰা-ছোৱালীয়ে যিমানেই ডাঙৰ উকীল, ডাক্তৰ, ইঞ্জিনিয়াৰ নহওঁক কিয়, স্কুলৰ শিক্ষকক কেতিয়াও পাহৰি নেযায়। এই কথাষাৰেই যেন তেওঁৰ ৫০ বছৰ শিক্ষকতা কৰা জীৱনটো ধন্য কৰি দিয়ে।

এনেতে পৰীক্ষাত বহিবলৈ বেল পৰিল। সকলো ছাত্ৰ-ছাত্ৰীয়ে নিজৰ-নিজৰ আসনত বহি প্ৰশ্নকাকতৰ বাবে অপেক্ষা কৰি ৰ'ল। সময়ত প্ৰশ্নকাকতবোৰ বিতৰণ কৰা হ'ল। সকলো ব্যস্ত হৈ পৰিল।

এনেকৈয়ে ৪৫ মিনিটমান পাৰ হ'ল। এনেতে তেওঁৰ চকুত পৰিল সিদ্ধাৰ্থ নামৰ ল'ৰা এটাই হাতত সৰু সৰু আখৰে লিখা কাগজ এটুকুৰা লৈ উত্তৰ বহীত লিখাত ব্যস্ত। ল'ৰাটোৰ কাণত ফুলি এপাট, হাতত খাৰু, ৰছী এসোপা মান মেৰাই থোৱা আছে। ডিঙিত শিকলিৰ দৰে চেইন, চোলাটোৰ প্ৰথম দুটা বুটাম খোলা। ইচ্ছা কৰিয়েই খুলি থৈছেনে মাৰিবলৈ সময় নেপালে ক'ব নোৱাৰো। কোনোদিনেই তাক ক্লাছৰোমত দেখা নাযায় বুলি ক'লেও বেয়া নহয়। মুখত হওঁকেই বা নহওঁকেই গৰুৰ নিচিনাকৈ কিবা এটা পাগুলি থাকে।

ৰমেন কলিতা তাৰফালে আগুৱাই গ'ল আৰু মুখেৰে একো নামাতি মাত্ৰ থিয় হ'বলৈ ইংগিত দিলে। সি কিবা এটা কম বুলি ভাবিও ৰৈ গ'ল। তাৰ মুখৰ আগতে ৰমেন কলিতাই তাৰ বহীত ৰঙা চিয়াঁহীৰে কিবা এটা লিখি তাক 'out' বুলি দুৱাৰখনৰফালে আঙুলিয়াই দিলে। সি কেৰাহিকৈ তেওঁৰ চকুলৈ চাই ওলাই গ'ল। দুটামান ল'ৰাই তাৰফালে দৃষ্টি নিক্ষেপ কৰিলে।

তিনি ঘণ্টাৰ মূৰত পৰীক্ষা শেষ হোৱাৰ পিছত উত্তৰ বহীবোৰ ৰছী এডালেৰে বান্ধি ৰমেন কলিতা অফিছৰ ফালে খোজ ল'লে। এনেতে -

ঃ অই বুঢ়া, তোক চাই ল'ম ৰ।

এইবুলি ক'ৰপৰা মাত এষাৰ আহিল তেওঁ তলকিবই নোৱাৰিলে। ইতিমধ্যে সিদ্ধাৰ্থক সেই ঠাইৰপৰা আঁতৰি যোৱা দেখিলে।

তেওঁ মনতে বৰ আঘাত পালে। আজিকালি ছাত্ৰই শিক্ষকক শ্ৰদ্ধা কৰিববলৈও নজনা হ'ল নেকি ?

অফিচত চকীখনত মূৰটো পিছফালে হিলাই দি কথাটো চিন্তা কৰিববলৈ ধৰিলে।

অলপ পিছত চকীদাৰে টেবুলত চাহ দি থৈ যাবলৈ লওঁতে কলিতাই মাত লগালে।

ঃ জিতু, এই সিদ্ধাৰ্থ বোলা ল'ৰাটোক মই মাতিছো বুলি কচোন।

ঃ সিদ্ধাৰ্থ মানে . . . . সেই কাণফুলি পিন্ধা . . . .

ঃ অ' তাৰ কথাকে কৈছো, মাতি আনচোন।

কথাষাৰ সিদ্ধাৰ্থৰ কাণত পৰাৰ লগে লগে ক্ষন্তেকৰ বাবে হ'লেও তাৰ বুকুখন কঁপি উঠিল। তথাপি ভয়-ভীত লুকুৱাই লগৰটোক ক'লে

ঃ কি কৰিব সেই বুঢ়াটোৱে ? খুব বেছি গালি-শপনি পাৰিব। গৰু, গাধ নপঢ় ; জীৱনত একো উন্নতি কৰিব নোৱাৰ। অমুক-তমুক এইবোৰ গাব . . . . । মোৰ কাৰণে এইবোৰ ডাইলগ্ কমন হৈ গ'ল বুইছ। এখন কানেদি সোমাই সিখনেদি ওলাই যায়। বেচেৰা বুঢ়াটোৱে মিছাকৈ মোৰ লগত সময় নষ্ট কৰিববলৈ ওলাইছে। হ'ব, তই অলপ ৰ, মই বুঢ়াটোৰ ওচৰৰ পৰা আহোঁগৈ।

সি অফিচৰ দুৱাৰ মুখত মুখেৰে একো নামাতি ৰৈ থাকিলগৈ। ৰমেন কলিতাই তাক ভিতৰলৈ মাতিলে। সেই কোঠাটোত কেৱল কলিতা চাৰহে বহি আছিল। তেওঁ শান্তভাৱে কবলৈ আৰম্ভ কৰিলে -

ঃ তহঁতে এটা কথা জান যে আজিলৈকে মই কোনো ল'ৰা ছোৱালীৰ গাত হাত তুলি পোৱা নাই। কেতিয়াবা মৰমতে মৰাটো বেলেগ কথা। কিন্তু তই যিপাত শেল মোলৈ মাৰিলে, সেইপাটে মোক বাৰুকৈ বিন্ধিলে। আজিলৈকে কোনো ল'ৰাই মোক ইমান বেয়া ব্যৱহাৰ কৰা নাই। শুন, কিছুমান ল'ৰা আছে যিবোৰে স্কুলত একো শিকিবলৈ নাহে, বৰং স্কুলৰ পৰিৱেশ নষ্ট কৰিববলৈহে আহে। "চেকনীৰ আগতহে শিক্ষা" এইষাৰ সৰু ল'ৰাৰ ক্ষেত্ৰতহে প্ৰযোজ্য। তহঁত এতিয়া কথা বুজি পোৱা হ'লি। গতিকে মই কোৱা কথাবোৰো তই সহজে বুজি পাবি। তহঁতে নিজকে আধুনিক যুগৰ ল'ৰা বুলি নিজক পাহৰি পেলাইছ। যুগৰহে পৰিৱৰ্তন হৈছে। মানুহৰ মৰম সদায় একে হৈ আছে। ঠিক সেইদৰে আগৰ যুগত যেনেকৈ বিনা গুৰু শিক্ষা লাভ কৰিব নোৱাৰিছিল আজিৰ যুগতো শিক্ষাৰ অবিহনে কোনো শিক্ষা সম্পূৰ্ণ হ'ব নোৱাৰে। যি ছাত্ৰৰ শিক্ষকৰ প্ৰতি ভক্তি নেথাকে, সেই ছাত্ৰই শিক্ষালাভো কৰিব নোৱাৰে। সৰু, ডাঙৰ সকলো মানুহৰেই সন্মান আছে। সেয়ে আজি তোক পৰীক্ষাৰ পৰা বহিষ্কাৰ কৰাত তোৰ আত্মসন্মানত মই আঘাত কৰিছোঁ বুলি ভাবিছা। কিন্তু কথাটো অলপ বেলেগ ধৰণৰ। সন্মান পায় মানুহে ভাল কামৰ পৰাহে। বেয়া কাম কৰি মানুহে যিমানেই ওপৰলৈ নুঠক লাগে তাক মানুহে সন্মান নকৰে। কোনো শিক্ষকে ছাত্ৰৰ অহিত চিন্তা নকৰে। সেয়ে কৈছো ; মা-দেউতাৰৰ কষ্টোপাৰ্জন অথলে নিনিবি ; তেওঁলোকৰ আশাত চেঁচাপানী নাঢালিবি। নিজৰ ভৱিষ্যত নষ্ট নকৰিবি। ভৱিষ্যত গঢ়াৰ দিন এইকেইটাই। নিজকে পৰীক্ষা কৰি চা আৰু আগুৱাই যা। শিক্ষকবোৰ সদায় তহঁতৰ লগতে আছো। এদিন দেখিবি এইবোৰ কথা এক অনাও মিছা নহয়। এইয়া মোৰ ৫০ বছৰীয়া শিক্ষকতাৰ অভিজ্ঞতাহে। সময় থাকোতেই শুদ্ধ পথলৈ উভতি আহ আৰু নিজকে সিদ্ধাৰ্থ বুলি চিনাকি দে।

ৰমেন কলিতাৰ এই মৰ্মস্পৰ্শী কথাখিনিয়ে সিদ্ধাৰ্থৰ বুকু ভেদ কৰি গ'ল। প্ৰতিটো শব্দই তাৰ কাণত বাজিববলৈ ধৰিলে। আজি তাৰ এখন কাণেদি কথাবোৰ ওলাই যাবলৈ ততকে নাপালে। মাত্ৰ তাৰ থোকাথুকি মাত শুনা গ'ল - "মোক ক্ষমা কৰিব ছাৰ"।

গল্পৰ শিতান

# টেলিফোনিক বার্তালাপ

*সন্ধ্যা চেতিয়া*

*স্নাতক দ্বিতীয় বর্ষ, অসমীয়া বিভাগ*

ঃ কেনে আছা ?

ঃ ভালেই। তুমি কেনে আছা ?

ঃ ভাল নহয় মোৰ, তুমি যে বহু দূৰত মোৰ পৰা .....

ঃ কাঞ্চন !

ঃ তোমাক ক'ম ক'ম বুলি ভাবি থাকোতেই গ'ল তোমাক ভালপোৱাৰ কথা, সাতবছৰ হ'ল নহয় ? চোৱাচোন, শৈশৱৰ পৰাই বুকুত কঢ়িয়াই লৈ ফুৰিছো তোমাক, তুমিহে নাজানিলা এই কথা ......

ঃ মোৰ জানুৱাৰীত আঙুঠি পিন্ধোৱা ......

ঃ আৰু নক'বা সন্ধ্যা, মোৰ যে আজি সপোন সপোন লাগিছে তোমাৰ লগত কথা পাতি, ইমানদিন, নহয় বছৰ, তোমাক চকুৰে চোৱাৰ বাহিৰে মাতিবলৈ সাহেই কৰিব নোৱাৰিলোঁ, তুমিও মোক নামাতিলা কোনোদিন .....

ঃ মই নামাতো বুলি কিয় কৈছা ? তুমি মোৰ কাষেৰে পাৰহৈ গ'লে কেৱল মইয়ে নহয়, মোৰ কাষত থকা সকলো সেউজীয়া বন-পাত, চৰাই, আকাশ, বতাহ সকলোৱে মাতে তোমাক, তুমিহে অনুভৱ নকৰা আৰু লগৰবোৰৰ আগত কোৱা মই তোমাক নামাতো বুলি ? লগৰীয়াবোৰৰ লগত তুমি হাঁহিলে মই চাই থাকো দূৰৰ পৰা, তুমিহে গম নোপোৱা .....

ঃ তুমি জানো গম পাইছিলা ? তোমাক ভালপাওঁ কাৰণেই বৰষুণত তিতিছিলো প্ৰথমবাৰ ! তোমাক ভালপাওঁ কাৰণেই ৰৈ আছিলো শেৱালি জোপাৰ তলত, তুমি শেৱালি ফুল ভালপোৱা বুলি শুনিছিলো, সেইকাৰনে ....

ঃ তুমি মোলৈ চোৱা নাছিলা, মই তোমাৰ চকুৰে চকুৰে পৰিলে তুমি দুচকু ঘূৰাই নিচিলা ...

ঃ তোমাক মই ভয় কৰিছিলো, তুমি যে ইমান ছিৰিয়াছ ছাত্ৰী আছিলা হাইস্কুলত।

ঃ তোমাক ভালপাওঁ বাবেই আকাশক ভালপাবলৈ ধৰিছিলো। তোমাক আকাশৰ লগত তুলনা কৰিছিলো, কাৰন তুমি আকাশৰ দৰেই, যাক মই ধুকি নাপাওঁ ....... এতিয়া এইবোৰ কথা কিয় ? কিয় ? স্মৃতিৰ সৈতে তোমাক সী থ'ব খোজোতেই তুমি আকৌ কিয় আমনি কৰিছিহি ?

ঃ ভালপোৱা তুমি মোক ?

ঃ ভালপাওঁ, কিন্তু এই ভালপোৱাক নাম দিবলৈ নিবিচাৰিবা। তুমি মোক বহুত কন্দুৱালা। তোমাৰ গুৰুত্বহীনতাই মোক সদায় কন্দুৱাইছিল, মই হেৰুৱাইছিলো মোৰ সপোনবোৰ, আশাবোৰ, জীয়াই থকাৰ প্ৰেৰণাবোৰ। আৰু তেতিয়াই মোক এবুকু মৰমেৰে সাৱটি ধৰিছিল তেওঁ। মোৰ বাবে নহয়, মোক ভালপোৱা জনৰ কাৰনে মই জীয়াই থাকিব খোজিছোঁ। শৈশৱত তুমি মোৰ বাবে সপোন আছিলা, আৰু এতিয়াও এটা সুন্দৰ সপোন হৈয়ে থাকিবা।

ঃ সন্ধ্যা, মইযে এতিয়া তোমাৰ অবিহনে হেৰুৱাম প্ৰেৰণা, জীয়াই থকাৰ !

ঃ মই তোমাৰ ভালপোৱা এতিয়া স্বীকাৰ কৰিব নোৱাৰো। তুমি মোক ভালপোৱাৰ পাছতো, মই তোমাক ভালপোৱাৰ পাছতো তুমি মোৰ হ'ব নোৱাৰিলা বাস্তৱত। কাৰন মইযে এতিয়া আনৰ হ'বলৈ ওলাইছোঁ, তুমি মোক আৰু কষ্ট নিদিবা। কিয় কোৱা নাছিলা তুমি মোক ভালপোৱাৰ কথা ? কিয় মই আনৰ হ'বলৈ হোৱাৰ পৰত সুধিছা মই তোমাক ভালপাওঁনে ? তুমি নিষ্ঠুৰ !

ঃ সন্ধ্যা ! তুমি মোৰ সপোন হ'বলৈকে আছিলা যদি কিয় এই ভালপোৱা ? কিয় এই ভালপোৱা ? কি হ'ল এইবোৰ !

ঃ তুমি মোক ভালপোৱা, জানি মই বৰ সুখি হ'লো। কিন্তু এই ভালপোৱাক নাম দিবলৈ নিবিচাৰিবা, আমাৰ ভালপোৱা শেৱালি ফুলৰ দৰে সুন্দৰ হওক !

গল্পৰ শিতান

# চৰিত্ৰ

*শ্ৰী সৌৰভ গগৈ*
*দ্বাদশ শ্ৰেণী, কলা শাখা*

মৃণাল আৰু অভিলাস একেখন গাঁৱৰে যুৱক। সিহঁত বুজি পোৱা হোৱাৰে পৰা ইজন-সিজনৰ বন্ধু। এজনৰ বিপদ হ'লে আনজনে সহায় কৰিবলৈ কেতিয়াও কুণ্ঠাবোধ নকৰে। গাঁৱৰ সকলোৱে সিহঁত দুটাৰ বন্ধুত্বৰ কথা ভালকৈ জানে। দুয়ো সমাজৰ কামত আগবাঢ়ি আহে বাবে সকলোৱে সিহঁতক খুব মৰম কৰে। মৃণালৰ ঘৰৰ আৰ্থিক অৱস্থা অভিলাস হঁতৰ ঘৰখনতকৈ যথেষ্ট স্বচ্ছল। মৃণালৰ দেউতাকে গাঁৱৰে এল. পি. স্কুলখনতে শিক্ষকতা কৰিছিল। যোৱাবছৰ অৱসৰ পাইছে। মৃণাল মাক-দেউতাকৰ একমাত্ৰ সন্তান হোৱা বাবে তাক মাক-দেউতাকে খুব মৰম কৰে। সি বিচৰা সকলোবোৰ মাক-দেউতাকৰ পৰা পাই আহিছে। আনহাতে অভিলাস অতি দৰিদ্ৰ ঘৰৰ ল'ৰা। দেউতাকে বহু কষ্ট কৰি তাক পঢ়াইচে। সি ঘৰৰ তিনিটা ল'ৰাৰ ভিতৰত জ্যেষ্ঠ। তাৰ প্ৰয়োজনীয় পাঠ্য-পুথিবোৰ দেউতাকে সময়মতে যোগান ধৰিব নোৱাৰে। তথাপি তাৰ কোনো আক্ষেপ নাই। নিজে কিতাপ কিনিব নোৱাৰালৈকে মৃণালৰপৰাই আনি পঢ়েহি।

দুয়ো ফাৰ্ষ্ট ক্লাছ পাই বি. এ পাছ কৰিলে। কিন্তু অভিলাসে দুৰ্বাৰ হেঁপাহ থকা সত্বেও এম. এ. ত নামভৰ্ত্তি কৰিব নোৱাৰিলে। তাক পৰিস্থিতিয়ে বাধ্য কৰালে। মৃণালেও দেউতাকৰ পৰা টকা অলপ লৈ ব্যৱসায় আৰম্ভ কৰিবলৈ বুলি চহৰলৈ গুচি গ'ল। অভিলাসে তাক দুয়ো মিলি গাঁৱতে ব্যৱসায় আৰম্ভ কৰাৰ বাবে মৃণালক কৈছিল। কিন্তু মৃণালে নিজৰ মতে চহৰলৈ গুচি গ'ল। অভিলাসে গাঁৱতে থাকি সৰু সুৰা ব্যৱসায় আৰম্ভ কৰিবলৈ ল'লে। অৱশ্যে ব্যৱসায়টো সি বহুখিনি বহলালে। মৃণালেও নিজৰ ব্যৱসায় কৰি যথেষ্ট উপাৰ্জন কৰিব পৰা হ'ল।

দুয়ো দুঠাইত থাকি ব্যৱসায় কৰাৰ বাবে সিহঁতে আগৰদৰে খা-খবৰ ল'ব নোৱাৰা হ'ল। অৱশ্যে বহুদিনৰ মূৰত দুই-এখন চিঠিৰ আদান-প্ৰদান হয়। মৃণাল প্ৰথমে গাঁৱলৈ আহি খা-খবৰ লৈছিলহি। বহুদিনৰ মূৰত লগ-পাই দুয়ো অতীতৰ স্মৃতিত বিভোৰ হৈ পৰে। কিন্তু মৃণালৰ মাক-দেউতাক ঢুকুৱাৰ পাছৰ পৰা সি গাঁৱলৈ আহিবলৈ এৰি দিলে। গাঁৱৰ ঘৰ-বাৰী সকলো বিক্ৰী কৰি দিলে। আগৰদৰে চিঠি পঠালে যদিও এখনৰো উত্তৰ নাহিল। মৃণাল ইতিমধ্যে চহৰৰ লাস-বিলাসিতাৰ মাজত ডুব যাব ধৰিছিল। ব্যৱসায়ত সি বহুত টকা উপাৰ্জন কৰিব ধৰিলে। ঘৰ-গাড়ী আদিৰে তাৰ জীৱন আগুৱাই যাব ধৰিলে। ইয়াৰ লগে-লগে তাৰ মনত অহংকাৰে খোপনি পুতিলেহি। হয়তো সেইবাবেই সি তাৰ শৈশৱৰ বন্ধু অভিলাসকো পাহৰি যাব পাৰিছে। নহ'লেনো সিদিনা যেতিয়া তাৰ চিঠি নাপাই তাৰ ঘৰ ওলাইছিলগৈ ঠাট্টা কৰি পঠিয়াইনে ? অভিলাসৰ বিশ্বাস কৰিবলৈকে টান হৈছিল সেইদিনা যেতিয়া সি তাৰ ওচৰলৈ যাওঁতে সুৰামত্ত অৱস্থাত তাক ঘৰৰ পৰা উলিয়াই পঠিয়াইছিল। অভিলাসে ভাবিছিল মদৰ নিচাতে তাক তেনেকৈ কৈ পালে। কিন্তু মৃণালৰ মদৰ নিচা নহয় অভিজাত্যৰ নিচাহে লাগিছিল। অভিলাসে অন্তৰত বহুত আঘাত পাইছিল। কিন্তু তথাপিও সি মৃণালৰ প্ৰতি থকা তাৰ বন্ধুত্বৰ ভাববোৰ কেতিয়াও কম কৰা নাছিল। যদিও সি মৃণালক লগ নাপাইছিল।

অভিলাসে সকলো কথা বাদ দি ব্যৱসায়ত একান্ত মনে, একাগ্ৰতাৰে মনোনিৱেশ কৰিব ধৰিলে। অলপ দিনৰ পিছত সি নিজকে এজন প্ৰতিষ্ঠিত ব্যৱসায়ী হিচাপে পৰিচয় দিবলৈ সক্ষম হ'লহি। আনফালে তাৰ বন্ধু মৃণালৰ ব্যৱসায় পতন হ'ব ধৰিলে। সি লগৰীয়াৰ লগত জোৱা খেলা, মদ-খোৱা আদি অপকৰ্মত লিপ্ত হ'ব ধৰিলে। ব্যৱসায়ত মন দিবলৈ এৰিলে। মৃণালৰ চৰিত্ৰত ঘূণে ধৰিল। সি লাহে-লাহে জোৱা-ত তাৰ উপাৰ্জনৰ টকা দিবলৈ ধৰিলে। এনেকৈয়ে মদ-জোৱাত লিপ্ত হৈ এদিন ঘৰ, টকা-পইচা সকলো শেষ কৰিলে। গাঁৱতো সম্পত্তি বুলিবলৈ একো নাছিল। মৃণাল পুনৰ গাঁৱলৈ ঘূৰি আহিবলগা হ'ল। মৃণালে সমাজত সু-প্ৰতিষ্ঠিত হৈ পৰা তাৰ মৰমৰ বন্ধু অভিলাসৰ আগত ক্ষমা বিচাৰিলে আৰু সি কৰা ভূলৰ বাবে অনুতপ্ত কৰিলে। মৃণালে এতিয়াহে অনুভৱ কৰিব পাৰিছে যে মানুহৰ জীৱনৰ আটাইতকৈ প্ৰয়োজনীয় গুণ হৈছে সৎ চৰিত্ৰ। মৃণালে অভিলাসক আৰু কেতিয়াও তেনে অপকৰ্মত লিপ্ত নোহোৱাৰ প্ৰতিশ্ৰুতি দিয়াত তাক নিজৰ ব্যৱসায়ত সংগী কৰি ল'লে।

গল্পৰ শিতান

# नन्ही निशा

अभिलाष बरठाकुर
H.S. प्रथम वर्ष, कला विभाग

एक लड़की थी जिसका नाम था निशा। आठवर्षीय निशा बहुत ही शैतान और जिद्ददी थी। माँ-बाप के लाड़ प्यार के कारण बहुत जिद्दी हो गई थी।

निशा पढ़ाई में बहुत तेज थी। अपनी कक्षा में सदैव प्रथम स्थान प्राप्त करती। इस कारण स्कुल की शिक्षिकाओं को भी बहुत प्यारी थी। निशा अपनी पढ़ाई खत्म करके खेलने घर से बाहर चली जाती और घंटो बाहर खेलती, जबतक उसकी माँ उसे बुलाने न जाती।

उसके पिता बैंक में अफसर थे। माँ घर पर ही समय व्यतीत करने के लिए टुयशन करती थी। निशा को किसी चीज की कोई कमी न थी। अच्छे कपड़े, अच्छा खाना-पीना सब कुछ उसे मिलना था। माँ अक्सर उसे डाँटती "बेटा ! जब बाहर जाया करो बताकर जाया करो कि कहाँ, जा रही हो और शाम होने से पहले आ जाया करो। पर निशा न मानती, चाहे जब घर से बाहर खेलने चली जाती।

एक दिन निशा अपनी आदत अनुसार बिना बताए बाहर खेलने चली गई और जब रात होने लगी और निशा नहीं आई तो निशा की माँ को फिक्र हुई। उन्होने पहले पार्क मे छान मारा, फिर कहीं कुछ पता नही लगा। निशा के पिता ने पुलिस स्तेशन में रिपोर्ट दर्ज करवा दी।

समय बीतता गया। निशा के माता-पिता बहुत परेशान रहने लगे। हरवर्ष उसके जन्म दिन पर मिठाइयाँ बाँटते। उन्हे लगता निशा लौट आयेगी। उनके कानों मे निशा की खिलखिलाहट गूँजती। पर निशा नहीं आई।

आठ वर्ष बीत गए। एक दिन निशा की माँ को अपने दरवाजे पर एक आवाज सुनाई दी, "दे दे माई। बच्चों के नाम पर दे दे। भूखी हुँ दो दिन से। तेरे बाबु राज करेंगे। दे दे माई।"

निशा की माँ कुछ चौंक गई। उन्हे आवाज जानी पहचानी लगी। जल्दी से उठी, दरवाजा खोला तो देखा, बाहर एक मैला कुचैला कपड़े पहने एक अंधी भीख मांग रही है।

निशा की माँ ने गौर से देखा तो पता चला कि यह तो निशा हैं। माँ ने नाम पुछा तो बताने लगी कि पहले उसका नाम निशा था। वह एक ईज्जतदार घराने की इकलौती लड़की थी। एक बार एक बदमाश औरत उसे बाहर खेलते वक्त आगवा करके ले गई थी। अब वह भीख माँगने वाली मुन्नी है। उस औरत ने उसकी आखें छीनकर रास्तो पर भीख माँगने पर मजबुर कर दिया।

निशा के माता-पिता पुलिस ले आये। निशा की मदद से उस औरत को पकड़ लिया गया। निशा के पिता ने निशा को अस्पताल में भर्ती कर दिया। उसे फिर से अपनी आँखे मिल गई।

निशा के माता-पिता ने कहा, "यह नेत्र-ज्योति हमारी ओर से उपहार है। अब बीते कल को भुलकर जल्दी से सुन्दर भविष्य बनाओ और पढ़ाई में पहले से भी अच्छी निकली।"

निसा अपने माता पिता से सीने में लिपट कर रो पड़ी।

গল্পৰ শিতান

# मानवता की बदलती तस्वीरे

*सुमन कुमार*
*स्नातक प्रथम वर्ष*

इतिहास के पन्नो को पलट कर देखे तो हमारी आँखे नम हो जाती हैं। सोचकर कि जो मिशाल हमारे पूर्वजों ने कायम किया उसका एक अंश भी हममें विद्दमान होता, तो सायद हम बहुत आगे निकल चुके होते। बिखरे समाज के एक-एक तिनके को समेट कर और उसमें मानवेता का लेप लगाकर जिस मज़बुत बुनियाद की नींव डाली गई थी उसे रेत की दीवार की तरह ढ़हते देखना शायद आँखो को गवाँरा न था।

मनुष्य के व्यक्तित्व में मानवता की छाप स्पष्ट दिखाई देती है। घोर गरीबी के आँचल में उत्पन्न संभले हुए लोग भी मानवता के पुजारी रहे है। स्वर्गीय लालबहादुर शास्त्री, आब्राहम लिंकन, जार्ज वशिंगटन आदि इसके उदाहरण है।

वाह्य आड़म्बरता ने मनुष्य के आन्टरिक सुन्दरता की ग्रहण लगा दिया है। सामा-यताः यह मान्यता बन चली है कि जो ठाट-बाट में रहता है, जिसके पास कार-मोटर, फ्लेट-बंगला, जमीन-जायदाद, सोना-चाँदी सत्ता-पद आश्चि हैं, वही बड़ा आदमी है। मनुष्य मानवता के मानदण्ड तो से नहीं हो सकते। यदि ऐसा ही है तो उन पहाड़ों को महान कहः जाना चाहिए जिसके पास बेशुमार पत्थर और जमीन तथा अन्य संम्पदाँए हैं। धातुओं की खदाने तो मुल्यवान होती हैं, फिर उन्हे ही महान क्यों न मान लिया जाए ?

कोई सुन्दर होने से सुन्दर नहीं होता। कमल सुन्दर इसीलिए हैं। क्योंकि कीचड़ में उसने अपनी सुन्दरता कायम की है। सुर्य इसलिए सुन्दर हैं, क्योंकि वह खुदको जलाकर धरातल में रोशनी बिखेरता है। व्यक्ति की सुन्दरता उसके विचार-धाराओं में झलकती है। अच्छे विचारों का भीड़ में गुम हो जाना मानवता के लिए अच्छे संकेत नहीं है। शायद इस बात का दर्द प्रेमचन्द को भी रहा होगा, अन्यथा वो क्यों लिखते, "जिसे जीते जी तन ढ़कने के लिए चीथड़ा भी न मिला, उसे मरने के बाद कफन चाहिए !"

मानवता के सिद्धान्त को स्थापित करने के लिए मानव अधिकार आयोग जैसे संस्थाओं का गठन भले ही हुआ हो, परन्तु मनुष्य के अन्दर जजबात को बनाये रखने में काफी समय बर्बाद करना पड़ सकता है। अथवा अन्तः करण में अधिकार जभाने की कोशिश टेढ़ी खीर भी साबित हो सकती है।

नग्न, क्षुधातुर और निवासविहीन सड़क पर दौड़ते बच्चों की तस्वीरें दरिद्रता की एलबम जान पड़ती है। कही ऐसा तो नहीं कि समाज उनके प्रति अपने दायित्व का निर्वाह नहीं कर रहा है। अथवा पल्लू झाड़ने की चाह में समस्याओ को जन्म दे रहा है। अन्यथा सातवे अजुबे को तरासने में करोड़ो का खर्च हो सकता है। नेताओं के सुरक्षा घेरे को मजबुती प्रदान करने में राजकोश की दयनीय दशा हो सकती है। फिर इन मासुमों के प्रति हम उदासीन क्यों है ? कहीं ऐसा न हो कि फुल खिलने से पहले ही मुर्झा जाए। इन विषम परिस्थितियों में शिक्षक का दायित्व और बढ़ जाता है। जिस सुन्दर भावना का जन्म इनके मानस पटल पर हो रहा है उसे अंकुरित होने में सहायता करें जिससे हमारा समाज सुन्दर बन सके।

গল্পৰ শিতান

# यसु नाराज होंगे

*सन्जय कुमार राय*
*स्नातक तृतीय वर्ष*

दिवाली का दिन था। जाहिर है उस दिन छुट्टियाँ होती है। मैं छात्रावास में रहता था और कक्षा आठ में पढ़ता था। हम सीनियर थे इसलिए छात्रावास की जिम्मेदारी हमारे उपर थोप दी गई थी। सुबह उठ कर नहा धो के हम अपने अध्यापको के साथ दिवाली मनाने के सामान खरीदने गए। हमने खुब पताखे मिठाईयाँ आदि खरिदा। हम बहुत खुश थे, मन में एक उमंग थी क्योंकि उस रात दिवाली थी। बाजार से आकर हम अपने-अपने कमरों में चले गए। हमे शाम होने का बेसब्री से इन्तजार था, हमारी आखें घड़ी पर टिकी हुई थी। शाम होने का इन्तजार करते-करते हम कब सो गए थे हमें भी नही पता। आँखे खुली तो देखा अब शाम हमारा इन्तेजार कर रही है। हम उठकर तेयार हये फिर हमारे अध्यापकों ने हमें बुलाया, हमने दिए जलाए फिर हमे बराबरी से पटाखे और मिठाइयाँ बाती गई। हम ने पटाखों का खुब आनन्द लिया। फिर अचानक मैने एक लड़के को देखा जो हमारे क्षात्रावास में रहता था और कक्षा एक का विद्दार्थी था। वह अपने हाथ में पटाखे व मिटाइयों को लिए, दुसरे लड़कों को देख रहा था। उसके चेहरे से साफ पता चल रहा था कि वह उदाश है। मैं उसके पास गया और पुछा क्या बात है तुमने अपने पटाखें नही जलाए और दुखी लग रहे हो। उसने मेरी तरफ कुछ समय देखा और कहा "अगर मैं पटाखे जलाऊंगा तो हमारे यसु नाराज हो जाएंगे। इतना कह कर वह रोने लगा। तब मुझे पता चला की यह ईसाई धर्म को मानने वाला है। मैने उसे चुप कराया और कहा-तुमसे ये बातें किसने कही, उसने जवाब दिया-मेरे माँ-पिता ने। मैने उसे समझाते हुए कहा-ऐसी कोई बात नहीं - प्रभु यसु बच्चों से बेहद प्यार करते हे वे किसी से नाराज क्यों होंगे। चलो हम पताखे जलाए। उसने मुझसे कहा-अगर माँ-पिताजी को यह बात पता चलेगी तो वे भी हमसे नाराज होंगे और मुझे मिलने नही आएंगे। इसका जवाब देने में मैं असमर्थ था फिर भी मैंने कहा हम आपके माँ-पिता को कहेंगे ठिक है अब चलों। उसे दिलासा देकर मैने उसे तैयार किया। वह पताखे जलाने चला गया। उसके उदास चेहरे ओरों की तरह खिल उठे वह खुब मजे कर रहा था और पताखें जला रहा था। उसे खुश देखा तो मुझे अच्छा लगा। पर मेरा मन मुझसे न जाने कितने सवाल कर रहा था - क्या ईस्वर एक नही ? क्या वे अलग-अलग होते है ? उस बच्चे के माता-पिता हम से बड़े थे फिर भी उन्होने अपने बच्चे को यह क्यों कहा था कि अगर वे दुसरे धर्म के त्योहारों में शामिल होंगे तो उनसे उनके ईस्वर नाराज होंगे। क्या यह सच है, क्या बाईबल में ये बातें लिखी गई हैं अगर लिखी गई है तो मैं इसे नही मानता। मेरा यह कहना है कि अगर आप ईस्वर परमपिता परमेस्वर में विस्वास है तो आप को यह भी मानना पड़ेगा की ईस्वर एक है पर उनके नाम अनेक है कोई उन्हे राम कहता है तो कोई अल्ला। इस लेख के माध्यम से मैं यह कहना चाहता हुँ की आप कोई भी धर्म को माननेवाले क्यों न हो पर बच्चों से त्योहार के आनन्द को न छीने। बच्चे खुद ईस्वर का रूप होत है वे इस असामान्यताओं की मजा करते, हसते, खेलते देख उस बच्चे के मन में क्या गुजरी होंगी।

গল্পৰ শিতান

# অনুভৱৰ পেৰাগ্ৰাফ

*Sri Medini Mohan Malabya Chetia*
*TDC 1ST Year, Science (Chemistry)*

হেৰাই গৈছো 'মই' ৰ সন্ধানত। এই বিশাল জনসমুদ্ৰত নিজৰ একোটা পৰিচয় বিচাৰি। কব পৰা নাই, হয়তো কব নোৱাৰিম পামনে নাপাম নিজাববীয়া এটা ঠিকনা। জীবন নামৰ সাগৰখন কোবাঁল সোতঁত মাথো ভাঁহি গৈ আছো। অৱশ্যে মাজে মাজে চেষ্টা কৰিছো জীয়া মাছৰ দৰে সোঁতৰ বিপৰীতে সাঁতুৰিবলৈ।

সাগৰ দেখিছা ? নাই দেখা মইও দেখা নাই। সাগৰ হেনো বিশাল আৰু শান্ত। গতিকে দেখা নাই যদিও দেখাৰ হেপাঁহ মনত পুহি ৰাখিছো। সেয়ে হয়তো মাজে মাজে শুনো সাগৰৰ কল্লোল ধ্বনি।

**হয়তো এনেকুৱাই হয় ......................**

কেতিয়াবা মন যায় বিদ্ৰোহ কৰিবলৈ, মন যায় সন্মুখৰ সকলো বাধাৰ প্ৰাচীৰ ভাঙি দিবলৈ। কেতিয়াবা মন যায় নিজৰ পৰিচয় নতুবা শান্তি বিচাৰি অন্য জগতলৈ গুচি যাবলৈ; মনৰ মাজত সোমাই থকা আবেগ, স্মৃতিবোৰৰ সৈতে একান্ত মনে কটাবলৈ। কিন্তু পাছ মূহূৰ্ততে চকুৰ আগত চানি ধৰা বাস্তৱৰ ৰুক্ষতাই সকলো চুৰমাৰ কৰি দিয়ে। এইয়া হয়তো একেইখন হৃদয়ত হোৱা মন আৰু বিবেকৰ সংঘাত।

**পৃথক অনুভৱ ................**

ঠিক মনত নাই কোন ক্ষণৰ পৰা নিজকে সলাই পেলালো, নিজৰ বিবেকক এটা মাত্ৰ দিলো। বিবেকক গুৰুত্ব দিয়া বাবেই কিজানি মনটোৱে বিদ্ৰোহ কৰি উঠে। জ্বালামুখীৰ দৰে বিস্ফোৰণ কৰিব খোজে। জন্মলগ্নৰে পৰা মন আৰু বিবেকৰ কোনো পৃথক অনুভৱ বুজা নাছিলো। কিন্তু আজি দুয়োটাই বেলেগ অনুভৱৰ সমষ্টি। হয়তো পৰম আত্মাই দুয়োটাকে নিজৰ কক্ষত ধৰি ৰাখিব নোৱাৰিলে। একে কক্ষপথৰ পৰা চ্যুত হৈ গল মন আৰু বিবেক। সেয়ে মোৰ মন আৰু বিবেকৰ পৃথক যাত্ৰা।

**স্বপ্নময় অনুভৱ ........................**

সৌ সিদিনাৰ পৰা ভাল পাইছিলো অনুভৱ। সিদিনাই হয়তো মোৰ অপৈনত ভাৱনাত প্ৰথমবাৰ বাবে ধৰা দিছিলা তুমি। বুজা-নুবুজাৰ মাজেৰেই তুমি আগুৱাই আহিছিলা মোৰ হৃদয়ত আৰু তেতিয়াৰ পৰাই মই ভাল পাবলৈ ধৰিছিলো


অনুভৱবোৰক। ঠিক শিশুৰ অমূল হাঁহিৰ দৰেই ই আছিল নিভাঁজ। তোমাক লগত লৈয়ে যাত্ৰা কৰিছিলো শুভ্ৰ সোণাৱালী দলিচাৰ ওপৰেৰে। তোমাৰ স্নিগ্ধতাই মুগ্ধ কৰি ৰাখিছিল মোৰ সমগ্ৰ সত্বা। মুগ্ধ কৰি ৰাখিছিল মোৰ জীৱনৰ বিশটা বসন্ত। অতদিনে তুমি দখল কৰি আছিলা মোৰ ডায়েৰীৰ পৃষ্ঠাভৰা পেৰেগ্ৰাফ। কিন্তু এতিয়া ............... এতিয়া তুমি মোৰ ডায়েৰীৰ ধূসৰিত পৃষ্ঠা।

**অনুভৱৰ উপমা ..................**

তুমি কোৱা মনত আছেনেঃ কল্পনা কৰা, আৱেগৰ সৈতে এখন্তেক জিৰিওৱা; বাস্তৱতাৰ লগত কিমান দৌৰিবা। কিন্তু তুমি কিয় নিজে বাস্তৱ হৈ গলা। নিজে নিজক ফাঁকি দিলা। সেয়ে মোৰ সুধিব মন যায় জীৱন কল্পনাৰ সমষ্টি নে বাস্তৱৰ সমষ্টি!

**পেৰাগ্ৰাফৰ শেষত ......................**

মোৰ যাত্ৰা আকৌ আৰম্ভ হৈছে তোমাক লৈ। আগুৱাই যাম মই মোৰ নিজস্ব ঠিকনা বিছাৰি। জয়-পৰাজয়, সাফল্য-ব্যৰ্থতা এই সকলোবোৰ গৌণ। জয়-পৰাজয়, সাফল্য-ব্যৰ্থতা আগত ৰাখি স্বপ্ন সাৰ্থক কৰা যাত্ৰাই হৈছে আচল যাত্ৰা আৰু এদিন হয়তো মই সফল হ'ম কিয়নো ভালপোৱা পৃথিৱীৰ প্ৰথম চৰ্ত। ভালপোৱা পৃথিৱীৰ প্ৰথম বসন্ত।



কবিতাৰ শিতান

# হে ৰহস্যময়ী ফুলসৰা শেৱালি

*শ্ৰী ডিম্বেশ্বৰ চেতিয়া*

হে ৰহস্যময়ী পুষ্প শেৱালি
কি কাৰণে বাৰু তুমি
অমাবশ্যাতেই গৰ্ভধাৰন কৰি
অন্ধকাৰতেই জন্ম লভি
দশোদিশে জাতিষ্কাৰিত হোৱা।

ৰাতিৰ আকাশৰ সোনোৱালী জোন তৰাই
হাঁহি হাঁহি তোমাৰ মনোৰম দৃশ্য পান কৰে
সোনবৰণীয়া টিপ লাইটবোৰ বন বিৰিখৰ মাজৰ পৰা
নাচ গান গাই দৌৰি আহে
তোমাৰ সৌন্দৰ্য্যৰ আভা পান কৰিবলৈ।

তোমাৰ বিতোপন ৰূপ গন্ধই দূৰ দিগন্তত
বতাহৰ সতে উমলি থকা ডাৱৰকো আকৃষ্ট কৰে।
পৰ্বতৰ সউচ্চত উলমি থকা হিমখণ্ডইও প্ৰেম পূজাৰি হৈ,
দৌৰি আহে তোমাৰ কাষলৈ।


তোমাৰ নান্দনিকতাত মুগ্ধ হৈ কল কল শব্দৰে
অনাবিল বৈ থকা জান জুৰিও গহীন হৈ পৰে।
আহিনৰ কুঁৱলীয়েও সৌন্দৰ্য্যত আকৃষ্ট হৈ
আলফুলেৰে বৈ আহে তোমাৰ হৃদয়লৈ
তোমাক প্ৰেম-ভালপোৱাৰ সংবাদ দিবলৈ।

তোমাৰ সৌন্দৰ্য্যৰ বাৰ্ত্তা পাই নানা ৰঙী বিহংগই
আনন্দত বিভোৰ হৈ কল কলাই উঠে
বন্দীত কুকুৰাইও কাতৰ কণ্ঠেৰে মানুহক আহ্বান জনাই
তোমাৰ অপূৰ্ব সৌন্দৰ্য্যৰ সোৱাদ লবলৈ।

ধীৰে ধীৰে নিশাৰ নিস্তব্ধতা ভাগি যায়
বসুমতি আইৰ বুকুত দুবৰিব দলিচাত তুমিও শুই পৰা
উদিত সূৰ্য্যই তোমাৰ পাৰ্থিৱ হাঁহিত
ক্ষন্তেকৰ বাবে ৰ লাগি বৈ চায়।

সৌন্দৰ্য্যৰ মূল নুবুজা নিষ্ঠুৰ মানৱে
গছকি পোহাৰি তোমাক ক'ৰবালৈ দলিয়াই দিয়ে।
এনে নিৰ্দয় কৰ্মত অতীষ্ঠ হৈ
উদিত সূৰ্য্যই ঘৃতাগ্নি হৈ মানৱলৈ ৰ'লাগি চায়।
হে ৰহস্যময়ী শেৱালি, হৃদয়হীন, প্ৰাণহীন নিষ্ঠুৰ মানৱৰ
কপটতাৰ বাবেই ছাগে তুমি হ'লা ৰজনিগন্ধা।
নহ'লেনো তুমি ৰাতিয়ে জন্মি
অন্ধকাৰতেই দুৰৰিত পৰি দলিচা জানো হোৱা।

কি কাৰণেনো তুমি হে ৰহস্যময়ী শেৱালি
অমাৱশ্যাতেই গৰ্ভধাৰণ কৰি
অন্ধকাৰতেই জন্মলাভ কৰি
দশোদিশে জাতিষ্কাৰিত হোৱা।



কবিতাৰ শিতান

# ফাগুন

*শ্ৰীমতী জিম্পী গগৈ*
*স্নাতক প্ৰথম বৰ্ষ*
*অৰ্থনীতি বিভাগ*

১

তোমাৰ লগত জনা-নজনা
দিনৰে পৰা মোৰ মিতিৰালি
মিঠা মিঠা লৰালিৰ দিনবোৰত
উমলিছিলো তোমাৰ সৈতে।

তুমি আৰেগৰ সুৰত গোৱা
যৌৱনৰ, জীৱনৰ প্ৰেম-গীত
তোমাৰ সংগীতৰ মৰমৰ ধাৰাত
জাগে আশাৰ পদুম পাহি।

তুমি দিয়া বহাগৰ বাতৰি
তোলপাৰ লগোৱা হৃদয় তন্ত্ৰত
জগোৱা বুকুত আশাৰ সপোন
তুমি প্ৰেৰণা, আমাৰ পথ প্ৰদৰ্শক
তোমাৰ চেনেহৰ বন্যা বোৱাই
চিৰকাল থাকিবা আমাৰ মাজত।


২

তুমি পচোৱা,
মিলনৰ প্ৰতীক
তুমি আৱেগ
প্ৰেমৰ উৎস।
তুমি আনন্দ
যৌৱনৰ প্ৰাচুৰ্য্য।
তুমি আশা,
বসন্তৰ সপোন।
তুমি মনমোহিনী
হোৱা ৰহস্যমী।



# গোলাপ তুমি প্ৰেমৰ প্ৰতীক

*শ্ৰীচিৰঞ্জীৱ কুমাৰ চেতিয়া*
*কলা শাখা, স্নাতক ১ম বৰ্ষ*



হে হৃদয়স্পৰ্শী গোলাপ
তোমাৰ সৌন্দৰ্য্যই আকৰ্ষিত কৰে
অগনন ভোমোৰা,
শুহি লয় যিয়ে
দেহত নিহিত থকা তোমাৰ সুন্দৰতা।

তোমাৰ কোমলতাই ভাঙি দিয়ে
শিলসদৃশ অন্তৰ,
তুমি ফুল হৈও
হৈ পৰা প্ৰেমিকে
বিচৰা এগৰাকী দিপলীপ প্ৰেমিকা।

তোমাৰ হাঁহিয়ে
দশোদিশে মৰম বিলাই
তোমাৰ মৰহি যোৱা ৰূপে
মোৰ অন্তৰক কন্দোৱাই।

প্ৰতাৰিত হোৱা প্ৰেমিকে
তোমাৰ ৰূপতে বিচাৰি পাই
প্ৰেম অতীতৰ
ৰচে কবিতা সান্ত্বনা বিচাৰি মনৰ।

তোমাৰ ৰূপেৰেই কবিয়ে
প্ৰকাশ কৰে অতীত প্ৰেমৰ
অথবা নতুন প্ৰেমৰ।
তুমি পৃথিৱীত প্ৰেম বিলাই
হৈ পৰিছা প্ৰতীক প্ৰেমৰ।


## কবিতাৰ শিতান

## সন্ত্ৰাস


স্বপ্নাশ্ৰী বৰঠাকুৰ

সেই জুই আজিও আছে জ্বলি
সেই শব্দ আজিও আছে বতাহত ভাহি
সেই দিনৰ স্মৃতি আজিও আছে চকুত জিলিকি
সেই মন আজিও আছে প্ৰতিশোধেৰে ভৰি।

ক'ত হেৰাই গ'ল ফুল-কুমলীয়া শিশুৰ মাত
নিমিষতে শেষ হ'ল সেই ভয়ঙ্কৰ সন্ত্ৰাসৰ ধুমুহাত,
ক'তজনৰ শিৰৰ সেন্দুৰ তেজৰ লগত মিলি গ'ল
নাজানো কাৰ হিংসাৰ দাবানলত
কাৰ কি লাভ-ক্ষতি হ'ল
কোনে দিব ইয়াৰ হিচাপ
ইয়াৰ বাবে দায়ী কোন ?
কোন সেই নিষ্ঠুৰ মানৱ,



আপোনজনক হেৰুৱাৰ বেদনা কিমান গধূৰ
ক'তজনে দুঃসহ জীৱনৰ কৰুণ স্মৃতিক
আজিও আছে সুঁৱৰি,
সেই জুই আজিও আছে জ্বলি।



## পতীক্ষা

শ্ৰী নিৰাময় সোনোৱাল
স্নাতক ১ম বৰ্ষ
ভূগোল বিভাগ

প্ৰতীক্ষাৰ অন্ত পৰিব কেতিয়া
কেতিয়া বাৰু সুৰুযে হাঁহি হাঁহি
সোণালী ৰথত উঠি
চেঁকুৰাব শুকুলা ঘোঁৰা

কেতিয়া আহি বাৰু
চিক্-মিক্ সোণালী কিৰনে উজ্বলাই তুলিব
বিৰিখৰ ডাল-পাত আৰু
চোতালৰ ঘাঁহনিদৰা।

ৰদৰ তাপত কেতিয়া বাৰু
কঙাল হব তেজৰ নদীখনি আৰু
পক্ষীৰ কাকলিত প্ৰাণ পাই উঠিব
বিশুদ্ধ সৰোবৰটি।

কেতিয়া বাৰু বন্ধ হব
অস্ত্ৰৰ ঝণ-ঝণনি আৰু
মলয়া ছাটিয়ে উৰুৱাই আনিব
সুবাসিত ফুলৰ মধুৰ সুগন্ধি।

এজাক পৰিৰৰ্তনৰ ধুমুহাইটো
আনি দিব পাৰিব সকলো মধুৰ প্ৰাপ্তি
মাথো আমি প্ৰতীক্ষা কৰিব লাগিব
সেই উন্মনা ধুমুহাছটিলৈ।

সকলোৰে সাজু থাকিব লাগিব
অভিশপ্ত নিশাৰ সহস্ৰ দুষ্কাৰ্যবোৰ
উৰুৱাই দিবলৈ আৰু
ধ্বংসৰ মাজতে সিঁচি দিব লাগিব
নৱ-সৃষ্টিৰ ন-ন বীজ।

## কবিতাৰ শিতান

# অ' অসমী আই

শ্ৰী ভৃগুৰাম মিলি




অ মোৰ অসমী আই
তোমাক সুধিছো
সেউজী বননিতো আজি
বিচাৰি নাপাওঁ কিয় শান্তিৰ ঠাই ?

গুৰুম্ গুৰুম্ বাৰুদৰ শব্দই
চৌদিশ ৰজন জনাই
তোমাৰ সন্তানে আজি
সন্ত্ৰাসত লিপ্ত হৈছে
সত্যক বুজি নাপাই।

নোপোৰা হৈছে চিনি নিজৰ বাই ভনি
সকলোকে কৰিছে লাঞ্চিত।
তোমাৰ সেউজি আচল আজি
তোমাৰ সন্তানেই কৰিছে ধ্বংস।

সহজ-সৰল গাঁৱৰ মানুহৰ
ঘৰে ঘৰে গৈ .........
দেশ ৰাখিব লাগিব বুলি
নিজৰ স্বাৰ্থ কৰিছে পুৰণ
এয়া জানো অন্যায় নহয়।
অ অসমী আই তোমাক সুধিছো
এয়া জানো অন্যায় নহয়।


# স্পৰ্শ

শ্ৰী ৰিণ্টু চেতিয়া

নিসাংগ নিশাটোত
স্পৰ্শই খুলি দিছিল
উপলব্ধিৰ দুৱাৰ
অনুভৱৰ আবুৰহীন ক্ষণত
সভ্যতাৰ আদিম ছবি।

স্পৃহা, আবেগ, সম্পৰ্ক
জীৱনৰ প্লাৱিত মুহূৰ্তবোৰ
বাসনাত লীন হোৱা ভগ্নাৱশেষ
ৰোমন্থণ জীৱনৰ।

ক্ৰমশঃ এখন যেন ইতিহাস
স্মৃতি জলছবিৰ এটি ছাঁ
শীতল আৰু নিথৰ
মৌনতাৰ আন্ধাৰ গহ্বৰ তলিত,
হাঁহাকাৰ কৰি ভাগৰি পৰা,
হৃদয়ৰ অবুজ আৱেদন
নিসাংগ নিশাৰ
আহ ! এই স্পৰ্শ।



কবিতাৰ শিতান

## এটি সপোন, তোমাকলৈ


*শ্ৰীমতী ডিম্পী মনি সোনোৱাল*

পুৰতি নিশা ; চকামকাকৈ সাৰ পাই উঠিলো
সপোনত তোমাক দেখি
তুমি দুৱাৰডলিতে ৰৈ আছিলহি
মুঠি মুঠি সেউজীয়া সাৰটি
তোমাক দেখি মই আচৰিত হৈছিলো
ৰঙাৰ উগ্ৰতা এৰি কেতিয়াৰ পৰা
তুমি বাৰু সেউজ কোমলতাৰ প্ৰেমিক হ'লা ?
খোলা দুৱাৰেদি সোমাবলৈ যেতিয়া
তুমি মোৰ অনুমতি বিচাৰিলা
মই উচ্‌প খাই উঠিলো !
আগেয়েতো কেতিয়াও তুমি মোৰ
অনুমতি নোলোৱা ;
মনগলেই আহি মন গলেই
বাহটি এৰি মুক্ত বিহংগৰ দৰে
দূৰ-দূৰনিলৈ আঁতৰি যোৱা
মোৰ হেজাৰ মান-অভিমানো
ধূলি মাটিৰ দৰে গুড়ি হৈ যায়.
তোমাৰ পাখিৰ ধপ্‌-ধপ্‌নিত
সচাঁকৈয়ে; আজি তুমি সলনি হৈ আহিছিলা
নিশাৰ জোনাকত মোৰ কাষতে বহি তুমি
আকাশৰ তৰা লেখিছিলা
আজিয়েই প্ৰথম আকাশ দেখি
কঁপি উঠিছিল তোমাৰ দুয়োখনি ওঁঠ
লগৰবোৰৰ মুখত শুনিছো
পুৰতি নিশাৰ সপোন বুলে ফলিয়াই !
যদি সেয়ে হয়, ময়ো সুখী হ'ম
তুমি সেউজীয়াৰ, জোনাকৰ
প্ৰেমিক হোৱাৰ বাবে।

## দুঃ সময়

*শ্ৰী ভাস্কৰজ্যোতি দাস*

প্ৰতাৰণাত বিধ্বস্ত হ'লেও হৃদয়
হয় জানো শেষ -
কল্লোলিনীৰ কল্লোল,
অথবা, মৃত্যু - শেষ ঠিকনা !
নিতৌ সৰে সন্ধিয়া
ডেউকাৰ ধপ্‌-ধপনি,
উকা পদূলিত
................ এসোপা সৰাপাত !!
(এহৃদয় শুভেচ্ছাৰে,
দুখবোৰ উদ্‌যাপন কৰিব নোৱাৰাকৈ
পূণ্য হৈ উঠিছো
তুমি যোৱাৰে পৰা ..........)




কবিতাৰ শিতান

# ডি. এইছ. এছ. কে. মহাবিদ্যালয়

*শ্রী জিতু গগৈ*

তোমাৰ নাম ..............
ডি. এইছ. এছ. কে. মহাবিদ্যালয়।
তোমাৰ গুণ-গৰিমাৰ কথা শুনি
মই তোমাৰ প্ৰেমত পৰিলো।
তোমাৰ বুকুত আছে
অযুত মৰম ....... স্নেহ ........
তোমাৰ বুকুৰ মৰমবোৰ বিলাই দিয়া
সকলোৰে অন্তৰে অন্তৰে .......
মইও পালো
তোমাৰ সেই মৰম
আৰু ........
মই তোমাৰ প্ৰেমত পৰিলো।
তুমি মোক সাৰটি ললা।
তোমাৰ বুকুৰ মাজত,
তোমাৰ বুকুৰ মৰমবোৰে
মোক দেখুৱাইছে জীৱন গঢ়াৰ সুন্দৰ সেউজীয়া বাট।
তুমি মোক তুলি লৈ গৈছা
মানুহৰ পৰা মানৱতাৰ শাৰীলৈ
তুমি মোক শিকাইছা
সকলোৰে অন্তৰত মৰম বিলাই দিবলৈ।
তুমি যেনেকৈ মৰম বিলাইছা
ঠিক তেনেকৈ ..........।
তুমি মোৰ কানে কানে শুনাইছা
জীৱনৰ মধুৰ অমৃতময় বাণী।
তুমি মোক দিছা
জীৱন গঢ়িব পৰা জ্ঞানৰ জ্যোতি।
তুমি দিয়া জ্ঞানৰ
আন এটা নাম দিলো মৰম।
এতিয়া মই ধন্য
তোমাৰ চিৰ সেউজ মৰম পাই।
মই কেতিয়াও নাপাহৰো
তোমাৰ সেউজীয়া দান
আৰু .........
তোমাৰ চিৰ উজ্জ্বল নাম।
মোৰ বুকুত লিখি ল'লো তোমাৰ নাম
"ডি. এইছ. এছ. কে মহাবিদ্যালয়"
তোমাক শত শত প্ৰণাম।




কবিতাৰ শিতান

# আহিবাচোন এবাৰ কানৈ কলেজলৈ

*শ্ৰী নৰজিত মৰান*

আহিবাচোন এবাৰ কানৈ কলেজলৈ
বহুজন আহে বহুজন গুচি যায়
জাকে জাকে ৰাংঢালী ছোৱালী
হাঁহি হাঁহি কথা পাতি থাকে
সঁচাই কলেজখন ভাল লাগি যায়
কিয়নো কলেজৰ বহুতৰ মৰম আৰু
বিষাদেৰে ভৰা হৃদয়বোৰ উজাগৰে থাকে।
ভাল লাগে বন্ধু-বান্ধবীৰ লগত
পৰিচয় হৈ কথা পাতি
ডেস্কত কাৰোবাৰ নাম লিখি
যোগ চিন দিয়া কথাবোৰ মনত পৰে
কাৰোবাৰ সতে চিনাকি হ'বলৈ সংকোচ লাগে
কাৰোবাৰ ঠিকনা বিচাৰি হাবাথুৰি খোৱা
নিজক আকৰ্ষনীয় কৰা সঁচাই ভাল লাগে
সহস্ৰজনৰ হৃদয়ৰ মসম ভালপোৱা।
ভাল লাগে চিনিয়ৰ দাদা বাইদেউ
আৰু চাৰসকলৰ সৎ উপদেশ বোৰ
বহু দূৰ-দূৰনীৰ পৰা খেতিয়ক পিতৃৰ
কেঁচা ঘাম আৰু মাতৃৰ চকুলো মচিবলৈ
বহুজন আহে কানৈ কলেজলৈ
সিঁহতৰ জীৱনৰ সপোন পূৰাবলৈ।
প্ৰতিটো ভাঁজত লুকাই থাকে
কানৈ কলেজৰ ছাঁ আৰু মৰম

উভতি চাওকচোন এবাৰ কানৈ কলেজলৈ
বিচাৰি পাব চিনাকী সুৰৰ গোন্ধ।
এজাক ধাৰাসাৰ বৰষুণ দিলে
তিতি থাকে কানৈ কলেজখন
মনত পৰিব কানৈ কলেজলৈ
মনত পৰিব সেই ৰাংঢালী ছোৱালী জাকলৈ।
কোনোবা হয়তো সফল হৈ গুচি যাব
কোনোবা হয়তো আধৰুৱা হৈ যাব
মনত পৰিব সেই ৰাংঢালী জাকলৈ
যোগ চিন দিয়া কথাবোৰলৈ
দুগালেৰে চকুলো পৰিব তেতিয়া
পাৰিলে এবাৰ আহিবাচোন
কানৈ কলেজৰ সুবাস বিচাৰি।



কবিতাৰ শিতান

# বিচাৰো বহুত

*শ্ৰী প্ৰদীপ বড়া*
*স্নাতক ১ম বৰ্ষ*
*ইংৰাজী বিভাগ*

এপাহী ফুল, আগতে লগ পাইছোঁ মই
মোৰ উৎসাহী মন, মৰম আকলোৱা হৃদয়ক,
তেতিয়া আৰু আশা দিছিল, ফুলপাহে।
বহুদিন মোৰ ফুলনিত সুবাস দিবলৈ অহা
নাছিল ফুলপাহ, ৰুৱাইযে নাছিলো মই,
কাৰ ফুলনিত বা ফুলিছিল ফুলপাহ,
তেতিয়া ..........
স্নিগ্ধ আলোকত আলোকিত সুবাসে
তিমিৰ আঁতৰাই সঁচাকে মোৰ জীৱনৰ।
নসিকাই আনি দিছিল সেই পুৰণা সুবাস
মোৰ মৰমৰ ফুলৰ।
আচম্বিতো পালো, পুনৰ সেই চিৰ আকংক্ষিত সুগন্ধি।
ফুলপাহ ধুনীয়া। বহুতো ভোমোৰাই
তাইৰ মৌ-পান কৰিব বিচাৰে।
মোৰ ভয় হয়, মোৰ ফুলনিত জানো
তাই সুবাস বিলাব চিৰদিনলৈ ?
মইযে ৰলো এতিয়া মোৰ হৃদয়ত।
মইযে বিচাৰো তাইক সচায়েঁ
বুজা নাই ? ক'বচোন নোৱাৰো মই খুলি।
তোমাক।



# ঘৰখন নেদেখা আজি বহু বছৰ হ'ল

*শুভাশীষ গগৈ*

ঘৰখন নেদেখা আজি বহুবছৰ হ'ল
ভাবিবৰ মন যায়
আজিও পিতাইৰ সেই কাহটোৱে নিশাৰ নিস্তব্ধতা ভেদেনে ?
তাইৰ চকুকেইটা ছাগে শুকাই কৰ্কৰীয়া মাৰিলে
কিমান কান্দিব আৰু . . .
ভাইটোক চকুৰ আগতে মাৰি পেলাওঁতেই কন্দা !

আমি সংগ্ৰাম কৰোঁ
কিয় ?
আইৰ বৰ দুখ, অকণমান হাঁহি আনিবলৈ
তাইৰ বৰ কষ্ট, অকণমান শান্তি দিবলৈ
আইৰ বৰ অভাৱ, কিছু সান্ত্বনা দিবলৈ
কিন্তু কৰবাত যেন এক ছন্দপতন

এতিয়া বিপ্লৱটো এক ব্যৱসায়
হত্যা, লুণ্ঠন আৰু সুবিধাবাদৰ
আহ ! কি জঘন্য . . . .

তাতকৈ হালৰ মুঠিতেই প্ৰাণ আছিল
আছিল বিপ্লৱ, সেউজীয়া বিপ্লৱ
পিতায়ে আগতেই কৈছিল,
বোপাই, পাখিকেইখন চাই উৰাহ'লেই হয়তো ভাল আছিল।

কবিতাৰ শিতান

## শিতৰ এটি সেমেকা পুৱা ....

ডিলজিত কুমাৰ বৰুৱা
স্নাতক দ্বিতীয় বৰ্ষ

শীতৰ এটি কুঁৱলীসনা পুৱা
আলিবাটত 'মৰ্ণিংৱাৰ্ক' কৰি থাকোতে
এছাটি চেঁচা পছোৱাই
দেহ মন শীতল কৰি
দি গ'ল মোক এটি
চিৰ পৰিচিত সুবাস।
মনত পৰিল
এটি আবেলিৰ কেইটামান
মূহুৰ্ত্তলৈ .....,
হয়.....
সেইদিনাই তোমাৰ শৰীৰৰ পৰা
এই সুবাস বিয়পি আহিছিল।
যি সুবাসে মোৰ মনৰ সাগৰত
অসংখ্য ঢৌৰ সৃষ্টি কৰিছিল
আৰু .......
বাধ্য কৰাইছিল তোমাৰ কাষ চাপিবলৈ
পাতনি মেলিছিল এক নতুন জীৱনে
য'ত আছিল বিভিন্ন ৰঙীন সপোনক
বাস্তৱত ৰূপায়িত কৰাৰ দুটি দৃঢ় মন
সুখ দুখৰ সমভাগী হোৱা দুখন
প্ৰতিজ্ঞাবদ্ধ হৃদয়।
কিন্তু দুখৰ কলীয়া ডাৱৰে
আৱৰি ধৰিলে আমাৰ মনৰ আকাশ
আৰু শেষ হ'ল
আমাৰ প্ৰতিজ্ঞা, আমাৰ সপোন
আৰু মনৰ উদ্যম।
ডাঙি গ'ল বীণাখনি ছিঙি গ'ল তাৰ
এতিয়া তুমি আৰু মই
এখন নদীৰ দুটি পাৰ .....।





## তোমাৰ ভালপোৱা দুচকুৰে ক'বা

শ্ৰী লোহীত ডেকা (পাপু)
স্নাতক তৃতীয় বৰ্ষ (কলা)


নীলিম আকাশত বিলীন হৈ পৰে
মোৰ মন
জোনাকে আজি মোক
মাতাল কৰে
কোঁৱলীয়ে আজি মোক
নিঠৰ কৰে
তোমাক দেখাৰ পৰা
কিমান যে বিচাৰি ফুৰিছো তোমাক
সাগৰৰ গভীৰতাত
বতাহৰ নিৰৱতাত
নতোৱা নিলাকৈ আকাশৰ বিশালতাত
তুমি জানো এবাৰো নুসুধিবা
কিয় বিচাৰি ফুৰিছো তোমাক
তেতিয়া যে মোৰ দুটি ওঁঠে
নাচি নাচি ক'ব
তোমাক দেখাৰ পৰা
মোৰ নন্দনবনত ফুলিছে ফুল পৰিজাত
তোমাৰ বাবেই আঁকিছো
নীলাকৈ আকাশত সাতোৰঙী ৰামধেনু
সঁচাকৈ মই তোমাৰ প্ৰেমত পৰিছো
কোনেও মোচিব নোৱাৰকৈ
হৃদয়ত খোদিত কৰিলো তোমাৰ নাম
তুমি কিন্তু মৌন হৈ নৰবা
মৌন ভাষা বুজিবলৈ যে বৰ টান
পাৰিলে তোমাৰ ভালপোৱা
দুচকুৰে ক'বা

কবিতাৰ শিতান

# IS IT AN ADIEU ?

*James Edward Aind*
*B.A. 3rd year*

Smiles brought by the Bright sun.
Radiants in my heart always.
The thought of the beloved
Leaves me heart broken to my fate
The moments gone forever
Are as visible as the blue sky.
Whenever I think of her
A spine of change runs down my heart.
That unfortunate day, she bid to depart
Left me in the island of loneliness
With hopelessness and distress in mind
I stood glancing at the stars.
But a question perturbs me
Will I ever meet her in life ?



# YOU AND ME

*Arun Biswakarma*
*B.A. 1st Year*

The day we first met each other
Is felt our love was true
I looked at you and for the first time
I knew what I had
Now we hardly meet each other
But the love we have between us
Will make our ship of debication
Sail to a destination inseparable
We've got to sail a long way sweetheart
And by having you beside me
Tnere' re no fears and no worries
The love and understanding
We share
Is what ail would always wish for.
Looking into your eyes makes me special
And lets me know how much you care
Do love me the same
Sweetheart
Our love is so special and it's all
Because of you and me.



কবিতাৰ শিতান

# TULIKA'S CORNER

*Tulika Barman*
*T.D.C. 2nd yr*
*Geography deptt.*

<u>(1) School Days</u>

We love our frens Dil Se. After the
End of our school days we will say
Dil ne phir yaad kiya with yaadein of
School days kabhi khushi, kabhi gham.
And chalte, chalte every one says
Tumko Naa Bhool Payenge.

<u>(2) Never Give up</u>

Life is a struggling event
Hard to struggle easy to achive
Failure step to success
Learn from it and try again
Never quit walking the path.



<u>(3) Don't Worry</u>

Don't worry for things passed away
Be alert and work hard today
After every sorrow there is happiness
And darkness will lead to brightness

<u>(4) Sirf Tum</u>

Since it has become out of control, I cannot
Stop my dharkan saying that
Hum dil de chuke sanam. I don't know
Whether Kya Yahi Pyar Hai or this is my
Deewanapan chori-chori chupke chupke se
I have made you my saathiya. I don't know
Kal ho na ho and that is a sirf tum.

# I SHALL....... FOR YOU

*Angshu Sarma*
*Passed out student*

There are thoughts,
There are words,
There are hopes,
There are promises,
There is a pindrop silence.
    Memories of unforgotten words.
    And promises of hope,
    IN THE HEART.
Though I live miles away from you,
Your presence in my mind make my dreams come true.
    I shall keep loving you like today,
    Even if you go away.
I don't know when you became a part of
    My life and don't know how to live
Without you in this life.
    But I shall keep loving you like today.
Don't know about your thoughts.
Don't know about your hopes.
Don't know about your words.
    Do you know what I think ?
    Do you know what I feel ?
    Do you understand what I do ?
If you think, you will feel-you will
Understand it- as-
I shall keep waiting forever for you.



কবিতাৰ শিতান

# CONFUSION - UP & DOWN

*Kukil Kumar Konch*
*B.Sc 1st Year,*
*Major - Geography*

Splash of fun,
Not knowing what to do !
Scratching my head with my right hand
And still now a feeling like getting confused

Gone with the time,
Singing a song suddenly.
And music from nowhere,
Working my hands on the table.

Falling hairs on both sides,
A curving on the end
Her face was long,
With red slim juicy lips.
Smile on the face,
With reasons for nothing
Singing love songs
For sad reasons.



# SOLDIER

*Rajiv Handique (AGS)*

On death, everyone cries,
A deathless life each tries,
From death, all run away,
Only few await the gland day.
Who in the world does not die ?
Who succeeds in his escapist try ?
Only the daring embrace the last breath,
Rest flee from the face of death.
Soldier's death is the noblest of all,
Dropping on battlefield is the grandest fall,
Even the purest Saints miss the noblest goal,
On death being called a braw daring soul.
When death comes on the door, knocking,
O god give me a little forewarning,
So that I could brace myself in the manner best,
To welcome the inevitable incoming guest.



কবিতাৰ শিতান

# FOREVER

*Monalisha Borthakur*
*B.A. 1st Year (English Major)*

I can say forever,
We can stay apart never.
Being one soul and mind forever,
Being astray never.
I miss you forever,
I can leave you never.
I love you forever,
I will ditch you never.
I pray you forever,
Please betray me never !



# अर्जी नई पीढ़ी से

कल्पना सेनगुप्ता बरुआ
रचना काल


बचपन से अबतक
उस सुरिली गुंज से संजीवित है मन।
वह गुंज है पर भ्रमरों की गुंजन नहीं
आँसू की गुल खिलाती है पर भ्रमरा नहीं
कया है उस गुंज में ?
कर्ण कुहर से सीधे दिल में है उतरेत !!
किस नाम से पुकारूँ उसे ?
क्रन्दन, आहवान, प्रार्थना, प्रेरण या
यादो की गुलदस्ता!
बचपन से अबतक
जब भी स्वाधीनता दिवस आया
मुझे उस सुरिली गुंज ने दबोचा और कहा
कीमत न सही/ मान ही रख ली होती कुर्बानी की
जाति जनजाति विभेद/न बोती बीज भेदभाव, अलगाव की।
कया हुआ गर माषिक एकता नहीं,
दुनीया में कद्र तो होती है भाव ही की,
फिर कयों संत्रास, उग्रवाद आतंक से
टुकड़े-टुकड़े की देश की,
भाई भाई की/ मानवता की।
(मेरी अर्जी)
नई पीढ़ी के लोगों!
सँवारों पश्चिमोमुख अपनी टहती हुई संस्कृति को,
समालो देश की बागडोर को,
सुनो, समझो महसुस करो
उस गुंज की पीड़ा को........... !!!
(।। ए मेरे वतन के लोगों
जरा आँख में मर लो पानी
जो शहीद हुए है उनकी
जरा याद करो कुर्बानी।।
(लता मंगेशकर द्वारा गाया गाया गया गीत)

কবিতাৰ শিতান

## हिन्दोस्तां हमारा है

*बिरेश चोउधोरि*

कश्मीर से कन्याकुमारी तक
हिन्तोस्ता हमारा है,
जिसकी वन्दना करता हर जन
वह प्यारा देश हमारा है।
राम-कुष्ण की इस धरती को
स्वर्ग हम बनायेंगे।
सेवा में इसकी हम
अपना सर्वस्व चढ़ायेंगे।
गाँन्धी, नेहरु, सुभाष, तिलक
कल्पना चावला, अव्दुल कलाम,
का बच्चा - बच्चा
करता है, गुणगान।
इस धरती की गरिमा की
अखण्ड हम बनायेंगे,
आसमा की बुलंदी तक
तिरंगा हम फहरायेंगे।।



## हिन्दी

*बिरेष चोउधोरि*

इसे कहे हम राष्ट्रभाषा
जो बन चुकी है, एक तमाशा
सबकी है बस एक आशा,
आती मुझे भी अंग्रेजी भाषा।

जबसे A, B, C, D, आयी।
क, ख, ग, घ हुई पराई।
अब संज्ञा, सर्वनाम में क्या है ?
Noun, Pronoun में ही शान है।

कहते थे महापुरुष हमारे,
हमें बनाना है हिन्दी को महान।
पर शुद्ध हिन्दी का अब कहाँ,
रह गया है नामो निशान।

प्रेमचंद और कवीरदास का नाम अब गुमनाम है,
जिससे पुछो उसके जबान पर Shakespeare का
नाम है।

अब तो पिता Dad बन गए, माँ बन गई Mom
हिन्दी बन गई एक तमाशा,
जो कभी थी राष्ट्रभाषा।

কবিতাৰ শিতান

# नशा

*जय प्रकाश दास*
*उःमाः द्वितीय बर्ष*
*कला शाखा*

जो करता है नशा,
हो जाती उसकी बुरी दशा,
नशा तो नाशक का नाम है,
इससे जिन्दगी होती बे काम है,
नशे से जीवन में धुआँ ही धुआँ है,
नशा तो मोत का कुआँ है,
कमी न इसको हाथ लगाना,
यही बात सबको समझाना,
आओ आज हम करे यह प्रण,
करेंगे नही. कभी नशा ग्रहण।



# तुम्हारो यादो में

*सन्जय कुमार राय*
*स्नातक तृतीय वर्ष*


तुम्हारी यादों में,
मैनें अपने इन अँखियों से
मानो वसंत ऋतु की तरह
नदियाँ बहाई है।
यह नदियाँ रक्त की नदियाँ थी,
जो मेरे अरमानें को बहाते चली गई
मेरे सपनों को
झुठा साबित किया, तथा
मेरे उमंगो की
दुखों में तबदील कर दिया
मैं स्वयं इस नदी में
बहता चला गया।
फिर एक तिनके ने,
मुझे एक नया जीवन दिया,
वह तिनका तुम्हारी यादों का था।
जिसने मुझे किनारे ला खड़ा किया।
इस तिनके के सहारे जी रहाँ हुँ मैं,
घूट-घूट कर मानों जहर सा,
पीए जो रहा हूँ मैं
सोचा तुम न सही, तुम्हारी यादे ही सही
दिलों में आग लगाए, जिए जा रहाँ हुँ मैं।

কবিতাৰ শিতান

# प्रेमस्तुति

*श्री सन्दीप कुमार राय*
*स्नातक तृतीय वर्ष*

प्रेम की क्या कहिए ?
प्रेम ईस्वरीय वरदान है।
प्रेम धरती की नींव है;
प्रेम ही विस्तृत आसमान है।।
प्रेम जीवन का आधारस्तम्भ है ;
प्रेम ही आत्म सम्मान है।
प्रेम है परोपकार की भावना ;
प्रेम कितना महान है।।?।।
प्रेम है विरह-वेदना ;
प्रेम ही बलिदान है।
प्रेम पहली ख्वाहिश है
प्रेम ही आखिरी अरमान है।।
प्रेम है जँहा कही भी;
वहीं सारे धाम हैं।
प्रेम है ब्रह्म की ऊपासना;
प्रेम ही ब्रह्मज्ञान है।।
प्रेम गीता का श्लोक है;
प्रेम ही पाक कुरान है।
प्रेम अल्लाह की ईबादत् है
प्रेम ही साक्षात् भगवान है।



# देशप्रेम और बलिदान

*सुमन कुमार*
*स्नातक प्रथम वर्ष*


देशप्रेम और बलिदान की भाषा,
यही है, राजभाषा हिन्दी गी परिभाषा।
हिन्दु मनाये ईद, मुस्लिम खेले होली,
अनेकता में एकता, यप है देश की बोली,
जवानों का साहस देख, डरे दुशमनों की टोली
सबके दिलों में जगये, देश-भक्ति की आशा
यही है, राजभाषा हिन्दी की परिभाषा,
देश-प्रेम और बलिदान की भाषा।
प्राकृतिक सम्पदाओं से भरपूर, तकनीकी में आगे,
भाई-चारा और मिलन का संदेश, सबके दिलों में जागे,
यहाँ की उन्नति और विकाश देख, दुशमनों की नींद भागे
सब बच्चे हैं, अपनी मातृभूमि की आशा,
यही है, राजभाषा हिन्दी की परिभाषा,
देशप्रेम और बलिदान की भाषा।

হাস্য-ব্যঙ্গৰ শিতান

# AT মিনি ছুT গল্প

*দিপাম্বীতা কলিতা*
*স্নাতক ২য় বৰ্ষ*
*ইংৰাজী বিভাগ*

A সময়ত TK ন নামৰ Aজন গাড়ী চালk Aখন সৰু CTত বাস কৰিCলে। তেOৰ Tনিজনী GAক আCলে। সিহঁতৰ নাম ক্ৰমে Gমি, Cমি, আৰু Aনি। তেO Aখন পুৰণা ট্ৰাক চলাE কোনোমতে GBকা উপাৰ্জন কৰিCলে। ADনাখনৰ কথা, তেO কালDয়া নDৰ পৰা Aক ট্ৰাক বালি আনিম বুলি নDৰ Oচৰলৈ গৈ আCলে। ৰাস্তাটো আCলে AKবাৰে থিয় আৰু Oকোৰা পকোৰা। গাড়ী Tৱ গTত গৈ আCলে। হঠাৎ যেTয়া তেO ATবেকা পথ দেখা পালে তেTয়া তেO গাড়ীৰ ব্ৰেক ধৰিম বুলি ভৰিখন আগবঢ়াOতে ব্ৰেকৰ Oচৰৰ পৰা Aডাল Bষাক্ত ফেT সাপে ব্ৰেকৰ পৰা ফটকৈ খেD আহিল।বেচেৰা গাড়ী চালক TKন মহা Cন্তাত পৰিল। Eপিনে গাড়ীৰ ব্ৰেক নধৰিলেO তেOৰ মৃত্যু, আন Pনে গাড়ীৰ ব্ৰেক ধৰিলেO তেOৰ Bষাক্ত সাপৰ দংশন, অৱশেষত বেচেৰাৰ গাড়ী গৈ AT Bশাল Pতনিত পৰি TKনৰ ভৰি দুখন Cঙি গ'ল।



হাস্য-ব্যঙ্গৰ শিতান

# এটলান্টিক'ত টেনশ্বন

*কুকিল কুমাৰ কোঁচ।*
*স্নাতক প্ৰথম বৰ্ষ*

সমূহ ৰাইজলৈ মোৰ হিয়া-ভৰা নমস্কাৰ। সৰ্বপ্ৰথমে মই আপোনালোকক 'এটলান্টিক'ৰ পৰিচয় দিব বিচাৰিছো। অহ! ভুল নুবুজিব দেই, এটলান্টিক আচলতে সাগৰ নহয়। এটলান্টিক হৈছে আমি থকা ৰুমটোৰ নামহে ! আমাক গোটেই হোষ্টেলখনত 'এটলান্টিক'চ বুলি মাতে আপোনালোকে ভাবিছে চাগে ৰুম এটাৰো ইমান অদ্ভুত নাম থাকিব পাৰেনে ? আচলতে কি জানে, ৰুম নং ২০ অৰ্থাৎ এটলান্টিক'ত বাস কৰোঁ আমি চাৰিটা অদ্ভুত প্ৰাণীয়ে। আহকচোন মই আপোনালোকক 'এটলান্টিক'ৰ এই অদ্ভূত প্ৰাণী চাৰিটাৰ সৈতে চিনাকী কৰাই দিওঁ।

প্ৰথমতে, ভীমৰ লগত চিনাকী হওঁ আহক। এওঁ বৰ্তমান কলা শাখাৰ স্নাতক প্ৰথম বৰ্ষৰ ছাত্ৰ, মেজৰ নাই। এওঁৰ নাম ভীম হোৱাৰ প্ৰধান কাৰণটো হ'ল- এওঁৰ ওফন্দি অহা পেটটো। তদুপৰি এওঁ প্ৰায় ছফুট ওখ। গোটেই ৰাতি 'Love Letter' লিখে আৰু দিনৰ ১১ বজাত শুই উঠে। তাৰপাছত গা ধুই হাতত এখন বহী আৰু কলম লৈ চিধা কলেজলৈ ল'ৰ মাৰে। আপুনি হয়তো ভাবিছে যে তেওঁ কলেজলৈ পঢ়িবলৈ গৈছে। আচলতে, এওঁৰ ছোৱালী চোৱা আৰু চেনী খোৱাৰ বাহিৰে বেলেগ চাকৰি নাই। এওঁ ১১ বজাত যি কলেজলৈ যায়, তাৰপাছত একেবাৰে ৫-৬ বজাৰ আগতে ৰুমতেই নুসুমায়। ৫-৬ বজাত আহি বেটাই ৰুমত সোমাবহে মাত্ৰ, কেই ছেকেণ্ড মাত্ৰ পাছতেই দেখিব বেটা আকৌ গায়ব। এখেতৰ আৰু এটা ভাল স্বভাৱ হ'ল হোষ্টেলৰ সকলোকে দম দি ফুৰা।

বাৰু ! আহক এইবাৰ চিনাকী হওঁ মিষ্টাৰ পেপুৱাৰ লগত। এওঁ হ'ল গণিত বিভাগৰ স্নাতক দ্বিতীয় বৰ্ষৰ ছাত্ৰ। হোষ্টেলৰ আটাইতকৈ ভয়াতুৰ সকলৰ তালিকাত এওঁ প্ৰথম স্থান পাইছে। এওঁ লাইট জ্বলি থাকিলেও কাষতে থকা লেট্ৰিনটোলৈ হাতত মম (Candle) এডাল লৈহে যায়। 'ভূত' লৈ তেওঁৰ বৰ ভয় ! তেওঁৰ মতে ভূতে হেনো জুইৰ কাষলৈ আহিব নোৱাৰে!

'এটলান্টিক'ৰ তৃতীয়জন সদস্য হ'ল- মিষ্টাৰ চিন্তামনি ! চিন্তাত তেওঁৰ টোপনি নাই। দিনে-নিশাই Girl's Hostel- ৰ 'আৰাধনা' বাইদেউৰ কথাকে ভাবি থাকে। এওঁ আকৌ ছবি অঁকাত ওস্তাদ। এখন আঁকি নৌ হওঁতেই সেইখন চিৰাচিৰকৈ ফালি বেলেগ এখন আৰম্ভ কৰে। এওঁ কলা শাখাৰ স্নাতক তৃতীয় বৰ্ষৰ ছাত্ৰ, মেজৰ- এনথ্ৰপ'লজি। এওঁৰ প্ৰধান দোষটো হ'ল- আজি তিনিবছৰে নিজৰ শাখাৰে 'আৰাধনাক প্ৰপজ দিব নোৱাৰোটো।

এইবাৰ আহোঁ মোৰ personal ডায়েৰীলৈ। হোষ্টেলত মোক সকলোৱে পাগল ছাইন্টিষ্ট (Scientist) বুলি মাতে। মই হ'লো বিজ্ঞান শাখাৰ স্নাতক প্ৰথম বৰ্ষৰ ছাত্ৰ। মই নতুন ঘড়ী কিনি আনি, সেইটো ভাঙি তাক আকৌ বনাবলৈ চেষ্টা কৰো। তদুপৰি, আমাৰ ৰুমটোত এটাই মাত্ৰ চিলিংফেন। সেয়েহে কোনোৱাই বেছি বতাহ পায় আৰু কোনোবাই কমকৈ বতাহ পায়। এজন 'Scientist' হিচাপে মই কি কৰিলে নিজৰ ফালে

বতাহ বেছিকৈ পাম তাৰেই 'experiment' চলাওঁ।

এইখিনিয়েই হ'ল 'এটলান্টিকৰ অদ্ভুত প্ৰাণী চাৰিটাৰ চমু পৰিচয়।

এনেকৈয়ে এবাৰ ৰাতি আমি চাৰিটি প্ৰাণীয়ে নিজৰ নিজৰ কেবিনত ('এটলান্টিক'ৰ ভিতৰত) নিজ নিজ কামত ব্যস্ত হৈ আছোঁ। ভীম ব্যস্ত 'Love Letter' লিখাত। কাৰণ সি আজি দুজনী পটালে। মিষ্টাৰ পেপুৰাই ভূতৰ ভয়ত গাৰুৰ তলত কটাৰীখন থৈ লৈছে আৰু টেবুলৰ ওপৰত আনদিনাৰ দৰে 'মম' ৰেডি কৰি ৰাখিছে। ইফালে মিষ্টাৰ চিন্তামনিয়ে আৰাধনাৰ কথা ভাবি ভাবি এটা হাতীৰ ছবি আঁকি আছিল। পিছে সি আৰাধনাৰ চিন্তাত ইমানেই বিভোৰ হৈ আছিল যে সি অঁকা হাতীটোৱে গৈ চকু ওলমি পৰা তিনিঠেঙীয়া এক অদ্ভুত প্ৰাণীৰ ৰূপ ল'লে। আনফালে, মই ব্যস্ত আছিলো মোৰ নতুন ৰেডিঅ'টো খুলি-খালি অক আকৌ নতুন ৰূপ দিয়াত। ৰেডিঅ'টো যি খুলিলো তিনি ঘন্টা ধৰি তাক ঠিকেই কৰিব নোৱাৰিলো।

টক ! টক ! টক ! - হঠাৎ দুৱাৰখন বাজি উঠিল। তেতিয়া নিশা ঠিক 12.35 বাজিছে। আমাৰ সকলোৰে দৃষ্টি দুৱাৰখনৰ ফালে গ'ল। এই মাজনিশা বাহিৰত সেইজন কোন হ'ব পাৰে বাৰু ? মিষ্টাৰ পেপুৰাই ভূতৰ ভয়ত ইতিমধ্যে লেপৰ তলত সোমালেই। মিষ্টাৰ চিন্তামণিয়ে ফটা ঢোলৰ দৰে কাহি কাহি দুৱাৰখনলৈ চাইছে। সি আকৌ তাৰ 'Dream Girl' আৰাধনা অহা যেনহে পালে। এইবাৰ দুৱাৰত আগতকৈ জোৰেৰে শব্দ হ'ল। মোৰ ভাৱ হ'ল যেন কোনোবা নতুন গ্ৰহৰ পাণী আহিছে।মই সাৱধানে দুৱাৰখন খুলিবলৈ বুলি আগবাঢ়িলো। তেনেতে ভীমে খঙত একো নাই হে "কোনে মোক 'Love Letter' লিখাত 'ডিষ্টাৰ্ব' দিছ" বুলি সজোৰে দুৱাৰখন খুলি দিলে। দুৱাৰখন খোলা মাত্ৰকে মিষ্টাৰ ভীম শিলৰ মূৰ্ত্তৰ দৰে থৰ লাগি ৰ'ল। আগন্তুক জনক দেখাব লগে লগে মোৰো একেই অৱস্থা হ'ল।

"তোমালোকে লাইট অন কৰি এতিয়ালৈকে কি কৰি আছা? শুৱা নাই কিয় ? ৰাতিপুৱা তোমালোকৰ ওপৰত একচন্ লোৱা হ'ব।" সন্মুখত সেয়া আন কোনো নহয়, সাক্ষাৎ ৰাৱণ, মানে Mr. Rawan । এখেত আমাৰ হোষ্টেলৰ ছুপাৰ (superintendent) ছাৰ।

তেখেতৰ গৰ্জনত হোষ্টেলৰ সকলো ল'ৰা সাৰ পালে। আমাৰ চিন্তাবোৰো লংকালৈ উৰা মাৰিলে। লাইট অফ্ কৰি আমি তৎক্ষনাৎ শুই পৰিলোঁ। মনত এটাই চিন্তা, এটাই প্ৰশ্ন "ৰাতিপুৱা মিষ্টাৰ ৰাৱণে কি শাস্তি দিয়ে বা ............ ?"



হাস্য-ব্যঙ্গৰ শিতান

# ম'বাইল ফোনে লেণ্ড ফোনলৈ লিখা এখন মুকলি চিঠি

*মনোজ দত্ত*
*অৰ্থনীতি বিভাগ*

To,

My Dearest friend (Land Phone)

প্ৰথমে মোৰ আন্তৰিক মৰমবোৰ গ্ৰহণ কৰিবা। বহুদিন হ'ল তোমাৰ কোনো খবৰেই পোৱা নাই। ময়ো তোমাৰ খবৰ ল'বলৈ একেবাৰে আহৰি পোৱা নাই। তাৰ বাবে বেয়া নাপাবা।

আজি মোৰ মালিক গাঁৱলৈ আহিছে। মা-কচম, নেট্‌ৱৰ্ক প্ৰব্‌লেম বে। সেয়ে এই সুবিধাতে তোমাৰ খবৰ লোৱাৰ লগতে মোৰ সুখ-দুখৰ কথা জনাবলৈ চিঠিখন লিখিলোঁ।

বন্ধু কি খবৰ ? তোমাৰ ভাল চাগে ন ? মোৰ অৱস্থা বৰ ভাল নহয়। গাটো অলপ বেয়া লাগি আছে। প্ৰথমজন মালিকৰ ওচৰত থাকোতে ৰাতিপুৱা গধূলি অলপ rest পাইছিলোঁ। কিন্তু এতিয়া যিজন মালিকৰ ওচৰত পাৰিলোঁ, এইজন অলপ চেঙেলীয়া, Young. মা কচম, একেবাৰে আহৰি নাইবে। ৰাতি দিন busy হৈ থাকিব লাগে। কেতিয়াবা মোৰ ভয়েই লাগে জানা, জানোচা মোৰ এইড্‌চ (AIDS) হৈ যায়। মোৰ গাত মা-কচম, ইমান ছোৱালীৰ নামে ভৰি আছে যে তোমাক ক'বলৈ লাজেই লাগে। কাৎচিৎ দুই-এটাহে ল'ৰাৰ নাম। ৰাতি শুবৰ সময়তো সুখ নাই। ইমান ছোৱালীৰ লগত ফুচফুচাই কথা পাতি থাকে। কি কম বন্ধু, মোৰ একেবাৰে মাথা বেয়া হৈ যায় বে। ৰাতি শুবলৈকে নাপাওঁ, এঘণ্টা কি দুঘণ্টা। আকৌ গুড্‌মৰ্নিং দিবলৈ সময় হয়েই নহয়।

অ'বন্ধু, তোমাক এটা কথা কবলৈ পাহৰিছিলোৱেই বে। Last night, মানে মোৰ মালিক গাঁৱলৈ অহাৰ আগৰাতিৰ কথা। মোৰ body টো অলপ বেয়া লাগিছিল। পেটটো ফুলি অহাৰ নিচিনা feel কৰিছিলো। পাছতেহে গম পালো যে মোৰ গাত অসংখ্য Messages এ ভৰি পৰিছে। মা-কচম বে, এতিয়াও আৰু দুটা message delivery হোৱাই নাই, Pending অৱস্থাতেই আছে।

বন্ধু, সিদিনা মোৰ এজন বন্ধুৱে গোলৈ message পঠিয়াই খবৰ দিছিল যে তাৰ মালিকজন বোলে ধনীঘৰৰ। সেয়ে তাৰ মূল্যও হেনো যথেষ্ট বেছি। বহুত ফটোও হেনো তুলি ল'ব পাৰি, ভিডিঅ'ৰ ব্যৱস্থাও হেনো আছে। তাৰ গাত হেনো মা-কচম ইমানেই অশ্লীল ছবি সোমাই আছে, তাৰ ক'বলৈ বোলে লাজেই লাগে। এই কথাটোৱে গোটেই যুৱ প্ৰজন্মক ধ্বংসৰ ফালে ঠেলি

নিয়া নাইনে বন্ধু ? সেই কাৰণে আমি দুই বন্ধুৰে লগ হৈ এই যুৱ প্ৰজন্মক প্ৰকৃত পথৰ সন্ধান দিবৰ কাৰণে আমাৰ আন বন্ধু সকলকো এই কথা জনাইছো। অহা মাহতেও আমি গোটেই ম'বাইল সন্থাই ডিব্ৰুগড় চৌকিডিঙ্গী খেলপথাৰত দুদিনীয়া কাৰ্য্যসূচীৰে অনশন, ধৰ্মঘট কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰিছো। এই ক্ষেত্ৰত মা-কচম তোমালোকেও আমাক যথেষ্ট সহায় আগবঢ়াব লাগিব। আমাৰ এই অনশন, ধৰ্মঘটৰ মূল উদ্দেশ্য হ'ব, মানে আমাৰ বেনাৰত ডাঙৰ ডাঙৰ আখৰেৰে লিখা থাকিব -

১। আমাক সৎ কামত ব্যৱহাৰ কৰক।


২। যুৱ প্ৰজন্মক প্ৰকৃত পথৰ সন্ধান দিয়ক।

৩। আমাকো শান্তিৰে জীয়াই থাকিবলৈ দিয়ক। ইত্যাদি

অ' বন্ধু, এই কেইদিনতে মোক ডিব্ৰুগড়ৰ মেইন মাৰ্কেটলৈ (হয়তো খেমকা মাৰ্কেটলৈয়ো হব পাৰে।) চেক আপত নিয়াৰ কথা আছে। মানে মোৰ হৃদযন্ত্ৰটো (মানুহে বেটেৰী বুলি কয়)BL-5C হোৱাৰ কাৰণে চেক আপৰ প্ৰয়োজন বুলি পেপাৰে পত্ৰই প্ৰকাশ পাইছে। তুমিও ছাগে কথাটো গম পাইছা। সেয়ে তাতেই লগ পাম বুলি আশা ৰাখিলোঁ। সময় পালে নহাকৈ নাথাকিবা কিন্তু দেই। আজিলৈ আহোঁ চিঠিৰ উত্তৰ দিবা বে। বাই . . . . . .

ইতি
তোমাৰ বিশ্বাসী বন্ধু
NOKIA-1600





হাস্য-ব্যঙ্গৰ শিতান

## चटपटे चुटकुले

*Pranab Katowal*

*Degree 1st Year (B.A)*

डाक्टर - आप मेरी सलाह के सुताबिक शेशनदान और खिड़की खोलकर सोए थे ?
रोगी - 'जी हाँ।'
डाक्टर - तब तो आप का जुकाम गायब हो गया होगा।
रोगी- जी नहीं, घड़ी, पर्स, और, टी.वी.
गायब हो गया।
राजु - लो अंधे महाशय दस पैसे।
अंधा- बाबु जी, में अंधा नहीं बहरा हुँ,
अंधा तो मेरा मित्र है। जो आज "[illegible] उठे संसार" फिल्म देखने गया है।

चिन्टु - 'मेरी पत्नी की याददास्त बहुत ही खराब है।'
मिन्टु - क्यों, जरुरी बातें भुल जाती है क्या ?
चिन्टु - नही यार, छोटी-छोटी बातें भी याद रखती है।

मरीज - डाक्टर साहब, इतनी छोटी सी बीमारी के लिए आपने हतने लम्बा बिल बना दिया।
डाक्टर- लाईए बिल छोटा करके, बीमार को लम्बी कर देता हुँ।

---

## हंसिए और हंसाइए

*Jai Prakash Das*

*H.S. IInd Year, Arts.*

गंजा आदमी, मेरे सिर पर तो बहुत कम बाल हैं। मुझसे तो बहुत कम पैसे लेने चाहिए।

नाई, जनाबु मैं आप से बाल काटने के पैसे नही लुगां, बाल दुंदने के पैसे लुंगा।।

मदन (नौकर से), इस दुकान में अगर काम करता है तो एक बाद याद रखनी होगी कि ग्राहक हमेशा ठीक बालता है।। अब बताओ वह युक्ती कया कह रही थी ?

नौकर, वर कह रही थी कि इस दुकान का मालिक गधा है।

(दो छात्र स्कुल में देर से पुहुचते है)
अध्यापक, 'रामु तुम कयों देर से आए ?
रामु, सर मेरी अठन्नी गुम हो गई यी उसे दुंद रहा था।
अध्यापक और मोहन तुम ?
मोहन, जी मै उस अठन्नी पर पैर रख कर खड़ा था।'

एक दोस्त ने दुसरे से पुछा, बाढ़ आने पर मछलियाँ कहाँ चली जाती है।

दुसरे ने झट उत्तर दिया, पेड़ पर।

तीसरे से रहा नही गया बोला 'तुम सब बेवकुफ हो। मछलियाँ कया गाय, भैस है जो पेड़ पर चढ़ जाएंगी।'

ग्राहक - (साड़ी की दुकान पर) कोई अच्छी सी कम कीमत की साड़ी दिखाइए।

दुकानदार - 'जी हां। यह देखीए।'
ग्राहक - 'कया कीमत है इसकी।'
दुकानदार - 'सिर्फ 35 रु. की है।'

ग्राहक - 'ठीक है इस पर 70 रु. का लेबल लगा कर पैक कर दीजिए। शादी में भेटं करनी है।

मेनेजर - (लड़की का इंटरव्यु लेते हुए) आप हमारी फर्म में नौकरी कयों करना चाहती है ?

लड़की - 'जी बाद यह हे कि घर में बच्चों के शोर की वजह से मैं सो नही सकती।"

'जीजा जी! सुर्य पुरब से कयों उगता है ओर पश्चिम में कयों छिपता है।'

'अरे! इसका जवाब तो कोई मुर्ख भी दे सकता हे।'

'इसीलिए तो मैं आप से पुछ सही हु।'

मित्र (कलाकार से) - वाह कया चित्र बनाया है। दखते ही मेरे मुँह में पानी आ गया।'

## ছাত্র একতা সভাৰ প্ৰতিবেদন



# সাধাৰণ সম্পাদকৰ প্ৰতিবেদন

প্ৰদিবেদনৰ আগমুহূৰ্ত্ততে জন্মভূমি তথা জাতিৰ সংস্কৃতি অক্ষুন্ন ৰক্ষাৰ্থে যি সকলৰ বীৰ শ্বহীদে প্ৰাণ আহুতি দিলে, তেখেতসকলৰ পৱিত্ৰ স্মৃতিত একাঁজলি বেদনা সিক্ত অশ্ৰুঞ্জলি জ্ঞাপন কৰিলোঁ। এই ছেগতে ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয়ৰ ভাৰপ্ৰাপ্ত অধ্যক্ষ মহোদয় জয়কৃষ্ণ মহন্ত ছাৰলৈ, অভিভাৰকস্বৰূপ প্ৰৱক্তাবৃন্দ কৰ্মচাৰীবৃন্দ আৰু ছাত্ৰ একতা সভাৰ সমূহ বিষয়ববীয়া তথাকৰি কানৈয়ান সকললৈ মোৰ সস্নেহ শ্ৰদ্ধা, ভক্তি, মৰম আৰু শুভেচ্ছা জ্ঞাপন কৰিলোঁ।

সীমিত গণ্ডী, সীমিত জ্ঞান, অভিজ্ঞতাও পকাবন্ধা নাছিল। কানৈয়ান সকলৰ আশীষ লৈয়ে মহাবিদ্যালয়ৰ বহল ক্ষেত্ৰ ধনত এবছৰীয়া ক্ষীণ প্ৰয়াসৰ খোজ দিলোঁ। খোজে প্ৰতি ক্ৰটি ৰৈ গল ................. ইয়াৰ বাবে ক্ৰটি মাৰ্জনা কৰে যেন।

মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ নিৰ্বাচনত জয়ী হোৱাৰ পাছত পৰম্পৰা অনুসৰি যোৱা ইংৰাজীৰ ২৬ ডিচেম্বৰ তাৰিখে সাধাৰণ সভাত আনুষ্ঠানিকভাৱে শপত গ্ৰহণ কৰি পূৰ্বৰ ছাত্ৰ একতা সভাৰ পৰা কাৰ্যভাৰ গ্ৰহণ কৰিলো।

**মহাবিদ্যালয়ৰ ক্ৰীড়া সপ্তাহ ঃ**

যোৱা ইংৰাজীৰ ৬ জানুৱাৰীৰ পৰা ১১ জানুৱাৰী (২০০৭) লৈকে আনুষ্ঠানিকভাৱে মহাবিদ্যালয়ৰ ক্ৰীড়া সপ্তাহ উলহ-মালহেৰে অনুষ্ঠিত কৰা হয়। ১১ জানুৱাৰী তাৰিখে বঁটা বিতৰণী সভা অনুষ্ঠিত হৈ যায়। উক্ত সভাত অধ্যক্ষ মহোদয়ক প্ৰমুখ্যে কৰি কলেজৰ পৰিচালনা সমিতিৰ সদস্যকে ধৰি মহাবিদ্যালয়ৰ শিক্ষাগুৰু সকলে উপস্থিত আছিল। আবেলি কৰে ৰহনীয়া সাংস্কৃতিক অনুষ্ঠানৰ আয়োজন কৰা হৈছিল।

**শ্ৰী শ্ৰী সৰস্বতী পূজা ঃ**

শ্ৰী শ্ৰী সৰস্বতী পূজা আমাৰ কাৰ্যকালত মহাবিদ্যালয়ৰ সমূহ অধ্যপক-অধ্যপিকা, কৰ্মচাৰী তথা কানৈয়ানৰ সহযোগত ভক্তিবদ্ধভাৱেই উদ্‌যাপন কৰা হয়।

**নৱাগত আদৰণি সভা ঃ**

বিগত বছৰৰ দৰে মহাবিদ্যালয়ত এই বছৰো উচ্চ শিক্ষা গ্ৰহণৰ বাবে নামভৰ্তি কাৰ নৱাগত ছাত্ৰ-ছাত্ৰীসকলক আদৰণি সভা সূচাৰুৰূপে অনুষ্ঠিত কৰা হয়। এই অনুষ্ঠানটিক অধিক আকৰ্ষণ কৰিবলৈ এক 'ন-পুৰণি ছাত্ৰ-ছাত্ৰীৰ মিলনতীৰ্থ, শীৰ্ষক এক ব্যতিক্ৰম ধৰ্মী কাৰ্যসূচী হাতত লোৱা হৈছিল। এই নৱাগত আদৰণি সভাত উপস্থিত থাকে সদৌ অসম ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক শ্ৰীযুত তপন কুমাৰ গগৈদেৱ আৰু ছাত্ৰ সন্থাৰ বিভিন্ন বিষয়ববীয়াসকল।

**শিক্ষক দিৱস উদ্‌যাপন ঃ**

ভাৰতৰ প্ৰাক্তন ৰাষ্ট্ৰপতি, শিক্ষাবিদ, দাৰ্শনিক পণ্ডিত ডঃ সৰ্বপল্লী ৰাধাকৃষ্ণনৰ জন্মদিৱস উপলক্ষে যোৱা ইংৰাজী ৫

ছেপ্তেম্বৰ তাৰিখে মোৰ কাৰ্য্যকালত মহাবিদ্যালয়ৰ বিভিন্ন বিভাগত 'শিক্ষক দিৱস' আয়োজন কৰা হৈছিল।

**ড০ যোগীৰাজ বসু স্মাৰক বক্তৃতানুষ্ঠান ঃ**

২৬ নৱেম্বৰ ২০০৭ তাৰিখে অসম কলেজ শিক্ষক সংস্থা কানৈ কলেজ গোটৰ দ্বাৰা আয়োজিত উক্ত বক্তৃতা অনুষ্ঠানত আমাৰ ছাত্ৰ একতা সভাই পূৰ্ণ সহযোগিতা আগবঢ়ায়। উক্ত বক্তৃতা আগবঢ়াইছিল বিশিষ্ট শিক্ষাবিদ, চিন্তাবিদ, অধ্যাপক শ্ৰীযুত উদয়াদিত্য ভৰালী দেৱে।

**অন্বেষা গ্ৰন্থমেলা ঃ**

অসমীয়া আৰু ৰাজনীতি বিজ্ঞান বিভাগৰ উদ্যোগত আমাৰ কাৰ্যকালতে মহাবিদ্যালয়ত যোৱা ইংৰাজীৰ ৭ৰ পৰা ১০ আগষ্ট ২০০৭ লৈ, 'অন্বেষা গ্ৰন্থমেলা' অনুষ্ঠিত হৈ যায়। উক্ত গ্ৰন্থমেলাৰ লগতে সংগতি ৰাখি বিভিন্ন ধৰণৰ সাহিত্য আৰু সাংস্কৃতিক বিষয়ৰ প্ৰতিযোগিতা অনুষ্ঠিত হৈ যায়।

**বিভিন্ন আলোচনা চক্ৰ ঃ**

মহাবিদ্যালয়ত বিভিন্ন বিভাগৰ দ্বাৰা আয়োজন কৰা জিলা ভিত্তিক আলোচনা চক্ৰত আমাৰ ছাত্ৰ একতা সভাযো পূৰ্ণ সহযোগিতা আগবঢ়াইছিল।

তৰ্ক প্ৰতিযোগিতাত অংশগ্ৰহণ ঃ গুৱাহাটীৰ কটন মহাবিদ্যালয়, দুলিয়াজান কলেজ, ডিগবৈ চেণ্ট্ৰেল প্ৰাইমেৰী স্কুল আৰু বিভিন্ন ঠাইত হোৱা তৰ্ক প্ৰতিযোগিতাত মোৰ তত্বাবধানত যোৱা আমাৰ মহাবিদ্যালয়ৰ দলটোৱে দ্বিতীয় আৰু তৃতীয় পুৰস্কাৰ বুটলিবলৈ সক্ষম হৈছে।

**প্ৰতিবাদী কাৰ্যসূচী ঃ**

কেতবোৰ অসমৰ জলন্ত সমস্যা। ডিব্ৰুগড় তথা ডিব্ৰুগড় চহৰৰ সমস্যাত আমাৰ মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাই প্ৰতিবাদী কাৰ্য্যসূচীত অংশ গ্ৰহণ কৰিছিলো। উক্ত প্ৰতিবাদী কাৰ্য্যসূচীৰ ভিতৰত বাংলাদেশী সমস্যা, বানপানী, গৰা খহনীয়া প্ৰতিৰোধ সমস্যা, ডিব্ৰুগড় চহৰৰ নলা-নৰ্দমা, বাট-পথ পূৰ্ণ নিৰ্মাণ ইত্যাদিকে ধৰি বিভিন্ন সমস্যাত আমাৰ ছাত্ৰ একতা সভাই অংশ গ্ৰহণ কৰিছিল। এই জলন্ত সমস্যাবোৰৰ প্ৰতিৰোধৰ বাবে বিভিন্ন কাৰ্য্যালয়ত আমাৰ ছাত্ৰ একতা সভাৰ পৰা স্মাৰকপত্ৰত দিয়া হৈছিল।

**বৃক্ষ ৰোপন কাৰ্যসূচী ঃ**

যোৱা ৬ জনু ২০০৭ তাৰিখে সদৌ ডিব্ৰুগড় ছাত্ৰ সন্থাৰ সহযোগত আমাৰ ছাত্ৰ একতা সভাই মহাবিদ্যালয়ত বৃক্ষ ৰোপন কাৰ্য্যসূচী হাতত লোৱা হৈছিল। এই কাৰ্য্যসূচীত মহাবিদ্যালয়ত এক সুস্থ পৰিবেশ গঢ়াৰ ক্ষেত্ৰত মহাবিদ্যালয়ৰ চৌদিশে বিভিন্ন গছ পুলি ৰোৱা হৈছিল।

**হীৰক জয়ন্তী বৰ্ষ ঃ**

মোৰ কাৰ্য্যকালত ২৭ আগষ্ট তাৰিখে কানৈ কলেজৰ হীৰক জয়ন্তী উপলক্ষে মূল কমিটিখন গঠন কৰা হয়। মোৰ কাৰ্য্যকালত হীৰক জয়ন্তী উপলক্ষে বছৰজোৰা কাৰ্য্যসূচীৰ হৈ যোৱা বিভিন্ন কাৰ্য্যসূচীৰ এটি চমু বিৱৰণ আপোনালোকৰ আগত দাঙি ধৰিলো ঃ

১। হীৰক জয়ন্তী মূল কমিটিৰ তত্বাৱধানত "নেন টেকনলজী" শীৰ্ষক বিষয়টোৰ ওপৰত আলোচনা চক্ৰ অনুষ্ঠিত হয়।

২। ডিব্ৰুগড় জিলা ভিত্তিক এখন ভলীবল প্ৰতিযোগিতা অনুষ্ঠিত হয়। এই প্ৰতিযোগিতাত ডিব্ৰুগড় চিটি মহাবিদ্যালয় জয়ী হয়।

৩। ১০ ডিচেম্বৰ তাৰিখে "চাৰ্লি চেপলিন'ৰ" কেইখনৰ তথ্যচিত্ৰ কলেজ প্ৰেক্ষাগৃহত প্ৰদৰ্শন কৰা হয়।
৪। ১২ ডিচেম্বৰৰ পৰা এখনি এমহীয়া নাটক কৰ্মশালা অনুষ্ঠিত হয়।

ইয়াৰ লগতে মোৰ কাৰ্য্যকালত আমাৰ ছাত্ৰ একতা সভাৰ দ্বাৰা, আমাৰ অধ্যক্ষ চাৰৰ সহায়ত কৰা কিছুমান কাৰ্যৰ এটি চমু খতিয়ান আপোনালোকৰ আগত আগবঢ়াব খুজিলো -

ক) স্থায়ীভাৱে আমাৰ কলেজলৈ এটা জেনেৰেটৰ অনা হ'ল।
খ) আমাৰ কলেজৰ সম্মুখৰ ভাগটো নতুনকৈ ৰঙ দিয়া হল।
গ) কানৈ কলেজৰ ছাত্ৰীনিবাসটো নতুনকৈ ৰঙ দিয়া হ'ল।
ঘ) কলেজৰ প্ৰত্যেক ৰুমতে নতুন বাল্ব, চুইছ বৰ্ড, ফেন আৰু নতুন ৱাইৰিং কৰা হয়।
ঙ) বিভিন্ন বিভাগত পানী যোগান ঠিক কৰি দিয়া হয়।
চ) কলেজ কেন্টিনখন আকৌ এবাৰ নতুন ৰূপত মুকলি কৰি দিয়া হয়।
ছ) নতুনকৈ "কফি কৰ্ণাৰ" (NESCAFE) এটা খুলা হয়।
জ) ছাত্ৰী জিৰণি কোঠাত এটা টি.ভি দিয়া হৈছে।
ঝ) কলেজৰ ছহীদ বেদীটো নতুনকৈ মেৰামতি কৰা হয়।

আমিবোৰ মাথোঁ চলমান, গতি প্ৰদানৰ চাবি-কাঠি আমাৰ হাতত থাকিলেও এবছৰীয়া কাৰ্য্যকালত সকলো হৈ নুঠে। গতিকে থাকি গল বহুতো আশা শুধীয়া পৰিকল্পনা। তথাপি ছাত্ৰ জীৱনৰ মূল কৰ্তব্যখিনিৰ উপৰিও বৃহত্তৰ মহাবিদ্যালয়ৰ দায়বদ্ধতাক আমি স্বীকাৰ কৰিবই লাগিব। বছৰটোত বিভিন্ন সমস্যাসমূহৰ সম্মুখীন হৈ কিছু অভিজ্ঞতাৰ ফালৰ পৰা মোৰ অনুজ সকলক ক'বলগীয়া প্ৰয়োজনবোধ কৰিছোঁ। ছাত্ৰ-শিক্ষক আৰু মহাবিদ্যালয়ৰ কতৃপক্ষৰ মাজত মধুৰ সম্পৰ্ক অব্যাহত ৰাখিব লাগে। ছাত্ৰ একতা সভাৰ সাধাৰণ নিৰ্বাচনত দলীয় ৰাজনীতিৰ প্ৰভাৱৰ পৰা আঁতৰি থাকিবলৈ দৃঢ় সংকল্প হ'ব লাগে।

ছাত্ৰ একতা সভাৰ নতুন কাৰ্য নিৰ্বাহক আমাৰ আধৰুৱা কাৰ্য্যখিনি সম্পূৰ্ণ কৰাৰ লগতে তেওঁলোকৰ সবল নেতৃত্বৰ ছাত্ৰ সমাজক আগবঢ়াই নি মহাবিদ্যালয়খন সৰ্বাঙ্গ সুন্দৰ কৰিব বুলি আমাৰ দৃঢ় বিশ্বাস।

সদৌ শেষত মই কৰা জ্ঞাত-অজ্ঞাত, ভুল-ত্ৰুটিৰ বাবে ক্ষমা বিচাৰি মহাবিদ্যালয় তথা দেশ সমাজৰ উন্নতি কামনা কৰি মোৰ প্ৰতিবেদন ইমানত সামৰিলো।

"জয়তু ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয়"
"জয়তু ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয় ছাত্ৰ একতা সভা"
"জয় আই অসম"

ধন্যবাদেৰে -

**প্ৰণৱ কুমাৰ দাস**
**সাধাৰণ সম্পাদক**
**ডিঃহঃসুঃকানৈ মহাবিদ্যালয়**

ছাত্র একতা সভাৰ প্ৰতিবেদন



# উপসভাপতিৰ প্ৰতিবেদন

প্ৰতিবেদনৰ প্ৰাক্‌ক্ষণত মই ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয়ৰ ২০০৬-০৭ বৰ্ষৰ ছাত্ৰ একতা সভাৰ উপ-সভাপতিৰূপে এই গৌৰৱমণ্ডিত মহাবিদ্যালয়ৰ তথা ইয়াৰ উপ সভাপতিৰূপে সম্পৰ্কিত অংগসমূহৰ প্ৰতি সেৰা আগবঢ়াবৰ নিমিত্তে মোক যিসকল দাদা বাইদেউ, বন্ধু-বান্ধৱী আৰু ভাইটি ভন্টীয়ে মোক দুটা বছৰ সাধাৰণ সম্পাদক আৰু উপ সভাপতিৰূপে নিৰ্বাচিত কৰিলে, তেওঁলোককলৈ আন্তৰিক শ্ৰদ্ধা আৰু কৃতজ্ঞতা জ্ঞাপন কৰিলো। দ্বিতীয়তে মহাবিদ্যালয়ৰ অধ্যক্ষ ড০ জয়কৃষ্ণ মহন্ত চাৰ, চিৰপূজ্য শিক্ষাগুৰুসকল আৰু কৰ্মচাৰীবৃন্দৰ লগতে মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সমূহ বিষয় ববীয়ালৈ মোৰ আন্তৰিক শ্ৰদ্ধা নিবেদিলো।

সামাজিক দায়িত্বই মানুহৰ কৰ্তব্যৰ পৰিসৰ বৃদ্ধি কৰে। একতা সভাৰ এজন জ্যেষ্ঠ সদস্য হিচাপে মই সদায়ে অনুজ সদস্যসকলক সদ্ দিহা পৰামৰ্শৰে আগবাঢ়ি যাবলৈ উৎসাহ যোগাইছিলো। নীতি-নিয়মৰ মেৰপেচত থাকি মনে — কাম কৰিব পৰা নগলেও ছাত্ৰ একতা সভাৰ গতানুগতিক কাম-কাজ যেনে সৰস্বতী পূজা, নবাগত আদৰণি সভা, মহাবিদ্যালয় সপ্তাহ সুকলমে সম্পন্ন কৰাৰ পাৰ্যমানে চেষ্টা অব্যাহত ৰাখিছিলো।

সময়ৰ সোঁতত আমাৰ মহাবিদ্যালয়ত বহুতো পৰিৱৰ্ত্তন আহিছে। আন্তঃগাঁথনিমূলক সম্প্ৰসাৰণ, সময়ৰ সৈতে মাপ খুৱাকৈ বিভিন্ন বৃত্তিমুখী পাঠ্যক্ৰমৰ প্ৰচলন আৰু নতুন নতুন শৈক্ষিক উপকৰণৰ ব্যৱস্থাৰে মহাবিদ্যালয়ৰ শিক্ষা ব্যৱস্থাটোক সংস্কাৰমুখী কৰি তোলা হৈছে। উদ্বেগৰ বিষয়টি হৈছে ছাত্ৰ-ছাত্ৰীৰ ফলাফল ঈৰ্ষনীয়ভাৱে উন্নত হোৱা নাই। শিক্ষাদানত ত্ৰুটি ৰোৱাৰ বাবে নে ছাত্ৰ-ছাত্ৰীসকলৰ অৱহেলাৰ বাবে এনে হ'বলৈ পাইছে তাক বিশ্লেষণ কৰাৰ সময় আহি পৰিছে।

এইখিনিতে কব বিচাৰো যে মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীক সকলো সমস্যাৰ ভাৰ ছাত্ৰ একতা সভাৰ ওপৰতে জাপি নিদি সকলোৱে সহায়-সহযোগেৰে সমস্যাবোৰ সমাধান কৰাত যেন সহায় কৰে। আমি আটায়ে বিচাৰোঁ আমাৰ মহাবিদ্যালয়ৰ সৰ্বাংগীন কল্যাণ হওক, ছাত্ৰ-ছাত্ৰীৰ ফলাফল উন্নত হওক। মহাবিদ্যালয়ৰ প্ৰতিটো সুখবৰে প্ৰাক্তন কানৈয়ানসকলক আভিভূত কৰে। সময়ৰ লগত খোজ মিলাই আমি আত্ম প্ৰতিষ্ঠা লাভ কৰিব লাগিব।

বৰ্তমান কানৈ কলেজে হীৰক জয়ন্তী বৰ্ষত উপনীত হৈছে। বৰ্তমানে বছৰযোৱা কাৰ্য্যসূচীৰে হীৰক জয়ন্তী সমাৰোহ অনুষ্ঠিত হৈ আছে। এই সমাৰোহত এজন প্ৰাক্তন কানৈয়ান হিচাপে কাম কৰিবলৈ আমি সদায় আগ্ৰহী। লগতে প্ৰত্যেক কানৈয়ানক এই সমাৰোহত কাম-কাজেৰে আগ-ভাগ লবলৈ অনুৰোধ জনালো।

মোৰ সাধাৰণ সম্পাদক আৰু উপ-সভাপতিৰ এই দুবছৰীয়া কাৰ্য্যকালত কি কৰিলো, কি নকৰিলো, খোলা কিতাপৰ দৰে আপোনালোকৰ আগত আছে। খুব দুখ লাগিছে এতিয়া এজন প্ৰাক্তন কানৈয়ান হলো আৰু ভাল কাম কৰিবলৈ ইচ্ছা আছিল। আশা কৰো মোৰ এই ইচ্ছা অনুজ কানৈয়ানসকলে পূৰ্ণ কৰিব।

সৰ্বশেষত সমগ্ৰ কাৰ্য্যকালছোৱাত মোৰ নিজৰ অজানিতে নতুবা সচেতনতাৰ অভাৱত হোৱা ভুল-ক্ৰটিৰ বাবে আটাইৰে ওচৰত ক্ষমা বিচাৰিছো।

সদৌ শেষত ভগৱন্তৰ ওচৰত প্ৰাৰ্থনা জনাইছো যাতে কানৈ মহাবিদ্যালয় নামৰ জ্ঞানৰ বন্দি গছি আজীৱন আমৰণ সকলো দিনাৰ পৰা বিভূষিত হৈ বিশ্বৰ শিক্ষা জগতত এক উজ্জ্বল জ্যোতিষ্ক হৈ জিলিকি ৰব।

"জয়তু-কানৈ মহাবিদ্যালয়"

"জয়তু কানৈ মহাবিদ্যালয় ছাত্ৰ একতা সভা"

"জয় আই অসম"

ধন্যবাদেৰে -

শ্ৰী জয়ন্ত কুমাৰ দাস

উপ-সভাপতি

ডিঃহঃসুঃকানৈ মহাবিদ্যালয়

## ছাত্র একতা সভাৰ প্ৰতিবেদন



# তৰ্ক আৰু সাংস্কৃতিক বিভাগৰ সম্পাদকৰ প্ৰতিবেদন

সৰ্বপ্ৰথমে ডিব্ৰুগড় চহৰৰ মাজমজিয়াত প্ৰতিষ্ঠিত "হনুমান বক্স সুৰজমল কানৈ মহাবিদ্যালয়"ৰ পৰম পূজনীয় অধ্যক্ষ মহোদয়, মাননীয় সমূহ অধ্যাপক-অধ্যাপিকা, কৰ্মচাৰী তথা মোৰ অগ্ৰজ, অনুজ মোৰ সহপাঠী ছাত্ৰ-ছাত্ৰী সকললৈ "তৰ্ক আৰু সংস্কৃতি" বিভাগৰ তৰফৰ পৰা আন্তৰিক শুভেচ্ছা আৰু অভিনন্দন যাচিলোঁ।

২০০৬-২০০৭ চনৰ মহাবিদ্যালয়ৰ ক্ৰীড়া সপ্তাহ আয়োজন কৰিবলগীয়া হোৱাত "তৰ্ক আৰু সাংস্কৃতিক" বিভাগৰ সম্পাদক হিচাপে মই শ্ৰীযুত ইন্দ্ৰভূষণ বড়া মোৰ দায়িত্বত থকা সকলো ভাৰ গ্ৰহণ কৰিব লগীয়া হৈছিল। মোৰ এই সোণবৰণীয়া সময়কণত পূজনীয় শিক্ষাগুৰু শ্ৰী বিনোদ বড়া চাৰে মোৰ দায়িত্বত থকা বিভাগীয় কাম-কাজবোৰ সূচাৰু ৰূপে আগুৰাই নিয়াত যথেষ্ট সহায় আৰু সহযোগ আগবঢ়াইছে। তেখেতৰ অতি মূল্যৱান সময়কণৰ অলপ সময় মোক দিয়াৰ বাবে তেওঁৰ ওচৰত মই চিৰ কৃতজ্ঞ। লগতে মোৰ কাৰ্য্যসূচী সূচাৰুৰূপে চলাই নিয়াত বিভিন্ন প্ৰতিযোগীতাত বিচাৰক হিচাপে কাৰ্য্যভাৰ গ্ৰহণ কৰা চাৰ-বাইদেউ সকললৈ মোৰ ফালৰ পৰা কৃতজ্ঞতা জ্ঞাপন কৰিলো।

সদৌ শেষত মোৰ দায়িত্ব পাল কৰোঁতে জ্ঞাত-অজ্ঞাত, ভুল-ক্ৰুটিবোৰৰ বাবে মহাবিদ্যালয়ৰ সকলো শিক্ষাগুৰু আৰু ছাত্ৰ-ছাত্ৰীসকলৰ ওচৰত ক্ষমা-প্ৰাৰ্থনা কৰি মহাবিদ্যালয়ৰ সৰ্বাংগীণ উন্নতি কামনা কৰি মোৰ প্ৰতিবেদন সামৰণি মাৰিলো।

'জয়তু কানৈ মহাবিদ্যালয়'

ধন্যবাদেৰে -

শ্ৰীযুত ইন্দ্ৰভূষণ বড়া

# মহাবিদ্যালয় সপ্তাহৰ প্ৰতিযোগিতাৰ ফলাফল সমূহ

**কবিতা আবৃত্তি (অসমীয়া)**

১) ইভামনি মহন্ত
২) খনিন্দ্ৰ শইকীয়া
৩) হিফজুৰ ৰহমান

**নিচুকনী বঁটা**

ৰুণা লাইলা

**কবিতা আবৃত্তি (হিন্দী)**

১) ৰুণা লাইলা
২) পঙ্কজ কুমাৰ চৈনী
৩) বন্দনা ৰায়

**আকস্মিক বক্তৃতা**

১) বিকাশ মেছ
২) ৰিন্টু চেতীয়া, হিফজুৰ ৰহমান
৩) ডিম্বেশ্বৰ চেতীয়া

**নৃত্য প্ৰতিযোগিতা (লোকনৃত্য একক)**

১) চিন্তামণি মলিয়া
২) ইভামণি মহন্ত
৩) ৰুণা লাইলা

**আধুনিক সৃষ্টিমূলক নৃত্য (একক)**

১) ৰুণা লাইলা
২) চিত্ৰলেখা কুমবাং

**ভেকচন প্ৰতিযোগিতা**

১) ডিম্বেশ্বৰ চেতিয়া
২) ৰুণা লাইলা

**কবিতা আবৃত্তি (ইংৰাজী)**

১) বন্দনা ৰায়
২) জেমচ্ গুনিড্
৩) ৰুণা লাইলা

**নিচুকনী বঁটা**

ইভামণি মহন্ত

**কবিতা আবৃত্তি (বাংলা)**

১) ৰুণা লাইলা
২) ইভামণি মহন্ত
৩) বিকাশ মেছ

**তৰ্ক প্ৰতিযোগিতা**

১) ইভামণি মহন্ত
২) ৰুণা লাইলা
৩) নৰনীতা চক্ৰৱতী

**নিচুকণি বঁটা**

মনোজ দত্ত

**নৃত্য প্ৰতিযোগিতা (দলীয়)**

১) অঞ্জুমণি শইকীয়াৰ দল
২) বৰ্ণালী মহেলাৰ দল,

**কুইজ প্ৰতিযোগিতা**

১) খনিন্দ্ৰ মাধৱ শইকীয়া, টিকেন্দ্ৰজীৎ পাটিৰ
২) দিপাঞ্জলী হাজৰিকা, দীপজ্যোতি সোণোৱাল
৩) ৰাহুল গগৈ, ৰিংকু ভূঞা

**"তৰ্ক আৰু সাংস্কৃতিক" বিভাগৰ শ্ৰেষ্ঠ প্ৰতিযোগী শ্ৰীমতী ৰুণা লাইলা।**

## ছাত্ৰ একতা সভাৰ প্ৰতিবেদন

# সঙ্গীত বিভাগৰ সম্পাদিকাৰ প্ৰতিবেদন

প্ৰতিবেদনৰ আৰম্ভনিতে মই ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয়ৰ মাননীয় অধ্যক্ষ মহোদয়, পৰমপূজনীয় শিক্ষাগুৰু সকল আৰু মহাবিদ্যালয়ৰ কৰ্মকৰ্তাৰ্লৈ মোৰ আন্তৰিক শ্ৰদ্ধা জ্ঞাপন কৰিছো। লগতে ছাত্ৰ একতা সভাৰ সদস্যসকল তথা মহাবিদ্যালয়ৰ সমূহ কানৈয়ান সকললৈ কৃতজ্ঞতা জ্ঞাপন কৰিছো।

মই ২০০৬-২০০৭ চনৰ ডিচেম্বৰ মাহত সংগীত বিভাগৰ সম্পাদীকা হিচাপে কাৰ্যভাৰ গ্ৰহণ কৰো। কাৰ্যভাৰ গ্ৰহণ কৰাৰ অতি কম সময়ৰ ভিতৰতে মহাবিদ্যালয়ৰ বাৰ্ষিক সপ্তাহ আৰম্ভ হয়। মহাবিদ্যালয়ৰ বাৰ্ষিকী সপ্তাহত সংগীত বিভাগৰ প্ৰতিযোগিতা সমূহ এদিনীয়া কাৰ্যসূচীৰে অনুস্থিত কৰিবলৈ দিয়া হৈছিল। যদিও সেইদিনাতে হঠাতে ডিব্ৰুগড় বন্ধ দিয়াৰ বাবে আধাতে অনুষ্ঠানবোৰো বন্ধ কৰিব লগা হ'ল। আৰু পাছৰ দিনা বহু অসুবিধাৰ মাজত ড° কল্পনা চেনগুপ্ত বাইদেউৰ দিহা-পৰামৰ্শ আৰু সহযোগীতা আৰু কানৈয়ান সকলৰ সহযোগত অনুষ্ঠানবোৰ (প্ৰতিযোগীতা সমূহ) অনুস্থিত হৈ গ'ল।

উক্ত বৰ্যত শ্ৰেষ্ঠা গায়ক খিতাপ লাভ কৰিছিল শ্ৰী জিৰলো দত্ত।

সদৌ শেষত মোৰ ওপৰত ন্যস্ত কৰা দায়িত্বখিনি পালন কৰিবলৈ যাওঁতে যদি ভুল হৈ গৈছে তাৰ বাবে সমূহ কানৈয়ানৰ পৰিয়ালবৰ্গৰ ওচৰত ক্ষমা প্ৰাৰ্থনা মাগিলো।

জয়তু কানৈ মহাবিদ্যালয়

ধন্যবাদেৰে -

শ্ৰীমতী মঞ্জুৰী বৰা
সংগীত বিভাগৰ সম্পাদীকা

ছাত্ৰ একতা সভাৰ প্ৰতিবেদন



# REPORT OF GENERAL SPORTS SECRETARY

At the very outset, I pay my gratitude and heartful thanks to all the "Kanoians" for giving me the opportunity to serve as their "General Sports Secretary" for the session 2006-07 of this great educational institution i.e. D.H.S.K. College, a well known temple of education in the entire North-East.

As a part of the student Union Society, I took my oath before the college authority to abide the rules and regulations of the college and to maintain its prestige in every possible way. After taking charge of my office, I step forward to promote the different sports activities which were under my department.

During our session, we organised the 61st college week which started from 6th - 11th January, 2007. The different competition of my department was started at the first day. With the discuss throw, Jablin throw, Shot-put throw, High jump, long jump etc. of both the boys and girls taking active part in the activities. The next activities were the 100 meter, 200 meter, 400 meter race and the marathon race.

Lastly, I would like to thanks to our Principal, Dr. J.K. Mahanta, T. Bhengra (Prof. in Charge), the teachers, the students Union Members and all my friend and all the students for helping me in making this year a success by taking part in one way as the other.

In conclusion, I wish a happy, bright and prosperous future to all the Kanoians.

Long live D.H.S.K. College,
Long Live student's Union Society.

With love

**DHIRAJ HAZARIKA**
**General Sports Secretary**

ছবিঘৰ

# ছাত্ৰ একতা সভা, ২০০৬-০৭ বৰ্ষ



ড° জয়কৃষ্ণ মহন্ত
*সভাপতি*



জয়ন্ত কুমাৰ দাস
*উপ সভাপতি*



প্ৰণৱ কুমাৰ দাস
*সাধাৰণ সম্পাদক*



ৰাজীৱ সন্দিকৈ
*সহঃ সাধাৰণ সম্পাদক*



কাশ্যপ মহন্ত
*আলোচনী সম্পাদক*

বিকাশ গোঁহাই
*সমাজ সেৱা সম্পাদক*



ইন্দু ভূষণ বৰা
*তৰ্ক আৰু সাংস্কৃতিক সম্পাদক*

মঞ্জুৰী বৰা
*সঙ্গীত বিভাগৰ সম্পাদিকা*



গৌতম কাটোৱাল
*সম্পাদক, গুৰু খেল বিভাগ*



ধীৰাজ হাজৰিকা
*সম্পাদক, সাধাৰণ খেল বিভাগ*



প্ৰণৱ জ্যোতি গগৈ
*সম্পাদক, লঘু খেল বিভাগ*

মঃ আজাহাৰ আলি
*সম্পাদক, শৰীৰ চৰ্চা বিভাগ*

ৰাজদ্বীপ বৰুৱা
*সম্পাদক, ছাত্ৰ জিৰণী কোঠা*

বৰ্ণালী মহেলা
*সম্পাদিকা, ছাত্ৰী জিৰণী কোঠা*

ছবিঘৰ

# মহাবিদ্যালয় সপ্তাহ











ছবিঘৰ


# মহাবিদ্যালয়ৰ গৌৰৱ



ৰাকেশ নাথ আৰু কৃষ্ণ নাৰায়ণ বৰুৱাই দিল্লীত অনুষ্ঠিত হোৱা গণতন্ত্র দিৱস পেৰেডত অংশ গ্রহণ কৰি কানৈ মহাবিদ্যালয়খনিলৈ গৌৰৱ কঢ়িয়াই আনিছে।

যোৱা ইংৰাজী ২০০৭ বৰ্ষৰ ২ ৰ পৰা ১১ নৱেম্বৰলৈ লেখাপানীত অনুষ্ঠিত হোৱা শিবিৰত কানৈ মহাবিদ্যালয়ৰ দলৰ এটি দৃশ্য





গোলাঘাটত অনুষ্ঠিত হোৱা যুৱ মহোৎসৱত কানৈ মহাবিদ্যালয় দলে বিহু প্রতিযোগিতাত দ্বিতীয় স্থান লাভ কৰি মহাবিদ্যালয়খনিলৈ গৌৰৱ কঢ়িয়াই আনিছে।

9954482190
9954978101

*With Best compliments from*

**KRISHNA COMMERCIAL INSTITUTE**

GOVT. REGD. NO. 359
MILAN NAGAR (MANCOTTA ROAD),
DIBRUGARH
ESTD. : 1987

**Learn :** English & Assamese Type, Stenography, Computer Course etc.

**Job Work :** Typing (English & Assamese) Lithography, Lamination, Xerox, Computer Typing etc.

9864232175(O)
9954546252 (R)

*With Best compliments from*

**JUGA MAYA COMMERCIAL INSTITUTE**
**&**
**AKASH COMPUTER EDUCATION CENTRE**

GOVT. REGD. NO. 2180/86-87
MILAN NAGAR, OPP. MILAN JYOTI SANGHA,
DIBRUGARH - 3
ESTD. : 1987

**Learn :** English, Assamese, Stenography, Computer & Screen Printing Trainee.

**Work in :** Application Type, Thesis Type, DTP Works, Scanning, Colour Photo Printing & Screen Printing etc.

*With Best compliments from*

**EPITOME**

(An ISO 9001 : 2000 Certified Institution)
w.w.w.epitomeconsultancy.com

**INTRODUCES DUAL CERTIFICATION**
(DUAL CERTIFICATION MEANS TWO DIPLOMA AT ONE GO)

**MORE KNOWLEDGE**
**MORE JOB OPPORTUNITIES**

**SOFTWARE/HARDWARE/MANAGEMENT COURSES**

PG Diploma in Computer Application (2 years)
PG Diploma in Computer Application (1 year)
Masters Diploma in Computer Hardware Engineering (1 year)
PG Diploma in Journalism & Mass Communication (1 year)
Advanced Diploma in Spoken English (3 months / 1 year)
Diploma in Computer Application & Maintenance (6 months)
GYAN - Tally + DTP (4 months)
Tally 9 (3 months)
Total (3 months Diploma in Computer Hardware)
Diploma in Computer Application (3 months)

**CONTACT**

Head Office : Epitome Building, Silpukhuri, Guwahari Ph. No. 0361 - 2662174/2662530
Branch : Jail Road, Khalihamari, Dibrugarh, Ph. No. 0373-2321021(O), 9435034662(M)

# CAREER POINT, KOTA

## SELECTIONS IN 2007

**IIT-JEE 1005 AIPMT 111 AIEEE 7824**

### RANKS-IIT-JEE



AIR-10 VIRAJ DESHPANDE
AIR-12 ABHIMANYU DHAMIJA
AIR-13 AKASH SINGHAL
AIR-31 M YASHOTEJA

**No. 1 Institute for Competitive Examinations**

### RANKS AIEEE



Rank-1 ROHIT SINGH
Rank-1 RAHUL AGRAWAL
Rank-1 VIVEK GOYAL
Rank-1 ALBIN JAMES

### 7 RANKS AMONG TOP 200 IN AIPMT 2007



AIR-7 ANURAG CHAHAL
AIR-96 ANAND MOHAN
AIR-103 TARUN GUPTA
AIR-112 ANUJ KUMAR
AIR-131 DEVIKA KAPURIA
AIR-155 AKANSHA JAIN
AIR-167 SATYAM BHATT

### IIT - JEE DIVISION

**FOUNDATION COURSE (XI BOARD + IIT-JEE)**
FOR CLASS X TO XI MOVING STUDENTS

**FRESHER COURSE (XII BOARD + IIT-JEE)**
FOR CLASS XI TO XII MOVING STUDENTS

**TARGET COURSE (IIT-JEE)**
FOR CLASS XII PASSED STUDENTS

### AIEEE DIVISION

**FOUNDATION COURSE (XI BOARD + AIEEE)**
FOR CLASS X TO XI MOVING STUDENTS

**FRESHER COURSE (XII BOARD + AIEEE)**
FOR CLASS XI TO XII MOVING STUDENTS

**TARGET COURSE AIEEE**
FOR CLASS XII PASSED STUDENTS

### MEDICAL DIVISION

**FOUNDATION COURSE (XI BOARD + AIPMT)**
FOR CLASS X TO XI MOVING STUDENTS

**FRESHER COURSE (XII BOARD + AIPMT)**
FOR CLASS XI TO XII MOVING STUDENTS

**TARGET COURSE AIPMT**
FOR CLASS XII PASSED STUDENTS

STUDY MATERIALS & PERMANENT FACULITIES FROM H.O. CAREER POINT, KOTA, RAJASTHAN

### :: Special Features ::

- *Regular theory classes by expert faculties from Kota.*
- *Result oriented study material developed by in-house R&D Centre based at Kota.*
- *Lecture Based Problem Sheet.*
- *Doubt removal classes & Problem Counter.*
- *Periodic test with Test Analysis.*
- *Individual level guidance to improve scoring ability, question paper attempt techniques.*
- *Four National level tests on a sample size of 40,000 students with all India rank.*
- *Merit based & Selection test based Scholarships worth Rs 5,00,000.*

**REGULAR CLASSES AT DIBRUGARH &**
**WEEKEND CLASSES AT DIGBOI & DULIAJAN**

CONTACT : CAREER POINT, KOTA, DIBRUGARH CENTRE
P.N. ROAD OPP. RAMAKRISHNA MISSION, DIBRUGARH-1 ,PH-2329001 / 9435390973 / 9864342927 / 9864579618
*Head Office: 112, Shakti Nagar, Kota 324009 Rajasthan, website: www.careerpointgroup.com*